আদৰ্শ গাঁৱৰ আঁচনি ল'লে সম্ভৱ নহয়। গতিকে আদৰ্শ গাওঁ বুলি ক'লে এখন গাঁৱৰ যিখিনি সমস্যা আছে সেই আটাইখিনি সমস্যা সামৰি ল'ব পৰাকৈ আদৰ্শ গাঁৱৰ আঁচনিটো ল'ব লাগিব। য'ত শৈক্ষিক দিশত আমি ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই নিব পাৰো, স্কুলৰ শৈক্ষিক পৰিবেশটো তৈয়াৰ কৰি দিব পাৰো বা আমি সেই গাওঁ খনৰ বা অঞ্চলটোৰ উন্নয়নৰ স্বাৰ্থত সেই কামখিনি আমি কৰিব লাগিব। মই আশা কৰিছো আমাৰ চৰকাৰে চমু কাৰ্য্যকালছোৱাত নিশ্চিতভাৱে এই সম্পৰ্কত এটা ব্যৱস্থা ল'ব আৰু আজি মই এটা কথা ভাল পাইছো চৰকাৰীভাৱে ভূমি নীতি লোৱাৰ কথা কৈছে। মই এটা কথা স্পষ্টভাবে ক'ব বিচাৰিছো যে আমাৰ জনজাতীয় ভাইসকল আৰু অনুসূচীত জাতিৰ মানুহখিনি— এই দুয়োভাগ মানুহ কিন্তু নদীৰ পাৰত বাস কৰে আৰু ব্ৰহ্মপুত্ৰ নদীত জেঠ, আহাৰ মাহৰ পৰা বানপানী আৰম্ভ হয় আৰু সেই অনুসূচীত জাতি জনজাতিৰ মানুহখিনিৰ ঘৰবাৰী খহনীয়াৰ কৱলত শেষ হৈ যায়। সেই মানুহখিনিয়ে মঠাউৰিৰ ওপৰত বা ৰাস্তাৰ কাষত বছৰ বছৰ ধৰি বাস কৰে। সেই কাৰণে এই ভূমি নীতিৰ জৰিয়তে অনুসূচীত জাতি আৰু জন জাতিৰ মানুহখিনিয়ে যাতে এটা স্থায়ী বাসভৱন বা স্থায়ী মাটি পায় তাৰ কাৰণে এটা স্পষ্ট নীতি আমি ল'ব পাৰো সেইটো আমি আশা কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা আশ্বাস দিছে, আমি আশা কৰিছো এই সম্পৰ্কত আমি এটা শুদ্ধ সিদ্ধান্ত সোনকালে পাম বুলি ভাবিছো। ইয়াৰ পিছত Heritage সম্পৰ্কত যিখিনি কথা কৈছে, ইয়াত এটা কথা আমি ক'ব বিচাৰিছো। মই প্ৰথমে কৈছো যে অনুসূচীত জাতিৰ মানুহখিনি আন্দোলনমুখী নহয় সহজ-সৰল মানুহ। যাৰ ফলত সংঘবদ্ধ ভাৱে কোনো ধৰণৰ হিতৰ বাবে, কোনো ধৰণৰ সংবিধানৰ আধাৰত তেওঁলোকে কোনো ধৰণে নায্যপ্ৰাপ্তিৰ বাবে সংগ্ৰাম নকৰে। এইক্ষেত্ৰত অনুসূচীত জাতিৰ বহুকেইজন লোক আছে, সতী ৰাধিকা আছে, চৰ্য্যা পদৰ সৃষ্টিকৰ্তা মীণপা, লুইপা, দুজনকৈ সাহিত্যিক আছে। কিন্তু আজি এই সমাজখনৰ বিষয়ে শিক্ষা বিভাগত কোনো ধৰণৰ বুৰঞ্জীমূলক তথ্য নাই। য'ত নেকি আমাৰ ৰাইজে এই কথাখিনিও নাজানে যে শৈক্ষিক দিশত আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই লৈ যাব লাগে। সেইটো সৰ্ম্পকত শিক্ষা বিভাগৰ জৰিয়তে আমাৰ বুৰঞ্জী সৰ্ম্পকে সকলোৱে জনাকৈ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে। সেইটো মই অনুৰোধ কৰিছো। মই বৰ দীঘলীয়া নকৰো, কিন্তু শেষত মই এটা কথা ক'ব বিচাৰিছো যে এই পিচপৰা মানুহখিনিক সাধাৰণ জাতিৰ মানুহখিনিৰ লগত একেলগে আগবঢ়াই লৈ যাবলৈ হ'লে বিশেষ ব্যৱস্থা লব লাগিব। যিটো আমাৰ ভাৰতীয় সংবিধানৰ ১২৬ তম সংবিধান সংশোধনীৰ সময়ছোৱাত এই প্ৰশ্নটো আহিছে। সাংবিধানিকভাৱে সকলোখিনি সুবিধা দিয়া হৈছে। কিন্তু কাৰ্য্যকৰী ব্যৱস্থাত নিশ্চিতভাৱে কৰবাত অকনমান লেকুনা আছে। যাৰ ফলত নেকি মানুহখিনিক আজি ৭০ বছৰে আমি আগুৱাই নিব পৰা নাই। আগুৱাই নিয়াৰ কাৰণে যিটো কাৰ্য্যকৰী ব্যৱস্থা ল'ব লাগে, সেই ব্যৱস্থাটোত চৰকাৰ অকনমান আগ্ৰহী হ'ব লাগিব। ভাৰতীয় সংবিধানত এই ধাৰাটো অন্তৰ্ভূক্ত কৰাৰ ক্ষেত্ৰত এটা কথা স্পষ্টভাৱে উল্লেখ আছে সেইটো হ'ল যে, untouchability সমগ্ৰ ভাৰতত যেতিয়া বিৰাজমান কৰি আছিল সেই সময়ত ড° ভীমৰাও আম্বেদকাৰে এই ধাৰাটো সংবিধানত অন্তৰ্ভুক্ত কৰিছিল। সৌভাগ্যক্ৰমে অসমত নাই। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সেই untouchability আজিৰ পৰা ৫৫০ বছৰৰ আগতে শেষ কৰি থৈছে। অসমত কিন্তু মানসিকভাৱে অকনমান untouchability ৰ প্ৰভাৱ এতিয়াও আছে। তাৰ প্ৰমাণ মোৰ হাতত আছে। নিজেও তেনেধৰণৰ বলি হৈছো। সেই কাৰণে মই কৈছো যে, আমাৰ চৰকাৰী যন্ত্ৰটোক যদি শক্তিশালী কৰে, তেহে এই মানুহখিনিৰ unpliftment হ'ব বা আমি একেলগে আগুৱাই লৈ যাব পাৰিম। অনুসূচিত জাতি আৰু অনুসূচিত

জনজাতিৰ মানুহখিনিক যাতে আন আন ৰাইজে হীন চকুৰে যাতে নাচায়, সেই সম্পৰ্কত অকনমান কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰীভাৱে এই সংবিধান সংশোধনৰ জৰিয়তে আমাৰ কালছোৱাৰ ভিতৰত আমি যাতে ল'ব পাৰো, সেইখিনি অকনমান কাৰ্য্যকৰী ব্যৱস্থা ল'ব লাগিব। মই বেচি দীঘলীয়া নকৰো। এইখিনি কথাৰে ভাৰতৰ সংবিধানৰ এই সংশোধনী আমি সমৰ্থন জনাই মই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মানুহৰ মানসিক পৰিৱৰ্তন চৰকাৰে কৰিব নোৱাৰে। আমি সকলোৰে মিলি কৰিব লাগিব। ইয়াৰ পাছত শ্ৰী কমলসিং নাৰ্জাৰী।

**শ্ৰীকমল সিং নাৰ্জাৰী (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা ১০ আৰু ১২ তাৰিখে লোকসভা, ৰাজ্যসভাত ৰাজ্যখনত গৃহীত বিল সম্পৰ্কত যি চৰকাৰী প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱৰ সমৰ্থন জনাই মই ক'ব বিচাৰিছো। আমি সম্পূৰ্ণভাৱে সমৰ্থন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, এইখিনি কথাৰ বাবে মই সমৰ্থন জনাইছো যে, আমাৰ অসমত বা গোটেই ভাৰতবৰ্ষত যিসকলক ব্ৰিটিছ সকলে জনজাতি বুলি কৈছিল, সেই জনজাতি সকলৰ যিটো চাৰিত্ৰিক বৈশিষ্টৰ ওপৰত নিৰ্ভৰ কৰি জনজাতি আৰু অনুসূচিত জনজাতি বুলি ঘোষণা কৰিছিল তাৰ পৰিৱৰ্তন লাহে লাহে হ'বলৈ ধৰিছে যদিও সেইটো সম্পূৰ্ণভাৱে পৰিৱৰ্তন হোৱা নাই। সেইবাবে সেই সকল জনগোষ্ঠীয় লোকসকলক সম্পূৰ্ণভাৱে অৰ্থনৈতিকভাৱে, সামাজিকভাৱে আৰু ৰাজনৈতিকভাৱে ৰক্ষণা-বেক্ষণ দিবৰ কাৰণে আৰু তেওঁলোকৰ unpliftment ৰ কাৰণে আমাক এই যিটো reservation, সেই reservation ত আমাৰ ছয় জনজাতিৰ উল্লেখ আহি পৰিছে। যিহেতু আমি সম্পূৰ্ণভাৱে এতিয়াও সাধাৰণ পৰ্য্যায়লৈ আহিব পৰা নাই, সেই কাৰণে আমাক এই যিটো extension, সেই extension টো আমাৰ জৰুৰী হৈ পৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ কথাটো আমি সম্পূৰ্ণভাৱে বাদ দি আমাৰ অসমত এনেকুৱা জনগোষ্ঠী আছে, জনজাতি সকলৰ ভিতৰত যিসকল লোক এতিয়াও তেওঁলোকৰ ৰক্ষণা-বেক্ষণৰ বাবে, তেওঁলোকৰ উন্নয়নৰ বাবে, তেওঁলোকৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক বিকাশৰ বাবে তেওঁলোকক আজিলৈকে যিবিলাক চৰকাৰী আঁচনি, সেই আঁচনি সমূহে এতিয়াও সেইবোৰ এলেকা চুই পোৱাগৈ নাই। উদাহৰণ স্বৰূপে হাইলাকান্দি আৰু শিলচৰ এলেকাত থকা ৰিয়াং জনগোষ্ঠীৰ যিসকল জনজাতি লোক আছে, সেই জনজাতি লোকসকলৰ বাবে এখনো শিক্ষানুষ্ঠান নাই আৰু তেওঁলোকৰ গাওঁখনলৈ যাবৰ কাৰণে কোনো ৰাষ্টা-ঘাট এতিয়াও নাই। বিশুদ্ধ খোৱা পানীৰ বাবে কোনো ব্যৱস্থা নাই। আজি ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই স্বচ্ছ ভাৰত অভিযানৰ জৰিয়তে সকলোকে স্বচ্ছতাৰ পিনে লৈ যোৱাৰ কাৰণে চেষ্টা কৰিছে। আমি দেখিছো আজিও সেই ৰিয়াংসকল এনেকুৱা কদৰ্য্যৰূপতে বসবাস কৰিব লগা হৈছে। তাত খোৱা পানীৰ ব্যৱস্থা নাই, ৰাস্তা-ঘাটৰ ব্যৱস্থা নাই। তেওঁলোকৰ সামাজিক উন্নয়নৰ বাবে, শৈক্ষিক পৰিৱেশ গঠনৰ বাবে এতিয়ালৈকে শিক্ষানুষ্ঠান এখনো নাই। এই কথাটো আমি আজিৰ দিনত খুব দুখেৰে জনাবলগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানি নিশ্চয় মনত দুখ পাব, আমাৰ প্ৰয়াত অসমৰ মাননীয় গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ দিনত ১৯৩৭ চনত যি Tribal Belt and Block গঠন কৰি দিছিল, সেই Tribal Belt and Block সমূহৰ বহুতো দখলদাৰী আজিৰ দিনত আমি দেখিবলৈ পাইছো। কিন্তু অবৈধভাৱে যিসকলে ভূমি দখল কৰিছিল, সেই দখল কৰা ব্যক্তি সকলক তেওঁলোকৰ নামত ভূমি হস্তান্তৰ কৰা হৈছে। ১৮৮৬ চনত দশম অধ্যায়, যিটো অসমত Land Revenue Act আছে, সেই অধ্যায় মতে অজনজাতীয় লোক বা অনুসূচীত জনজাতীয়লোক সকলৰ যিটো মাটি আছে, সেই মাটিসমূহ

বেলেগৰ নামত ভূমিপট্টন দিয়াতো ইয়াত অনুচিত বুলি কোৱা হৈছে। ভূমিপট্টন দিব নোৱাৰি বুলি কৈছে। কিন্তু মই খুব দুখেৰে জনাব বিচাৰিছো, বিহপুৰীয়া সমষ্টিত বান্দৰদোৱাত আজি যিসকল অনুসূচীত জনজাতীয় লোক আছে, সেই জনজাতীয়লোক সকলৰ মাটি অজনজাতীয় লোকৰ নামত আজি ভূমি পট্টন দিয়া হৈছে। তেওঁলোকক শ শ বিঘা ভূমিপট্টন দিয়া হৈছে। ২০১৯ চনত অসমত যিখন Land Revenue আইন বনোৱা হৈছে, সেই আইনৰ ১৬ আৰু ১৭ নং পৃষ্ঠাত সম্পূৰ্ণকৈ কোৱা হৈছে যে, জনজাতিসকলৰ মাটি বেলেগৰ নামত ভূমিপট্টন দিয়াটো একেবাৰে বন্ধ কৰি দিয়া হ'ব। ১৮৮৬ চনৰ দশম অধ্যায়ত এনেকুৱা আইন থকা সত্বেও কি কাৰণত আজিৰ দিনলৈকে সেই মাটিবোৰত বে-নামী দখলদাৰী সকল আছে। অধ্যক্ষ মহোদয়, Tribel Belt and Block সমূহত অ-জনজাতি লোকসকল থাকিব নোৱাৰে। কিন্তু সেই অ-জনজাতি লোকসকলক Tribel Belt and Blockত কেনেকৈ ভূমিপট্টন দিয়া হৈছে। সেইবোৰ নিশ্চয় আমাৰ তদন্ত কৰিবলগীয়া বিষয়। গতিকে মই আপোনাৰ জৰিয়তে, আমাৰ চৰকাৰ লগতে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে, বিহপুৰীয়া সমষ্টিত যিসকলৰ মাটি বেনামীভাৱে নামজাৰি কৰা হৈছে, ভূমি পট্টন দিয়া হৈছে, সেইক্ষেত্ৰত তদন্ত কৰা হ'ব নেকি? মই আপোনাৰ জৰিয়তে এইটো জানিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জনজাতি বা অনুসূচীত জনজাতিসকলৰ লোকসকলৰ বাবে চাকৰি আৰু প্ৰমোচনৰ ক্ষেত্ৰত ৰিজাৰ্ভেশ্যনৰ ব্যৱস্থা আছে। সেই ৰিজাৰ্ভেশ্যনৰ ক্ষেত্ৰত বহুতো নীতি-নিয়ম আমাৰ আছে। তৎসত্বেও আমি সেই চাকৰিৰ সংৰক্ষণৰ ক্ষেত্ৰত অসম বিধান সভাৰ অনুসূচীত জাতি আৰু জনজাতিৰ যিখন কল্যাণ সমিতি আছে, সেই কল্যাণ সমিতিয়ে আজিলৈকে দহবাৰ বহিব লগা হৈছে। দহবাৰ বহাৰ পিছত আমি এখন O.M (Office Memoremdum) উলিয়াবৰ কাৰণে চেষ্টা কৰিছিলো যদিও সংশোধিত O.M খন আজি দিনলৈকে আমি উলিয়াই দিব নোৱাৰিলো।ইয়াৰ বাবে বহুতো অনুসূচীত জাতি আৰু জনজাতীয় যিসকল চাকৰিয়াল আছে, সেই চাকৰিয়ালসকলৰ প্ৰাপ্যৰ অধিকাৰ, তেওঁলোকৰ যি প্ৰমোচন, সেই প্ৰমোচন সমূহত তেওঁলোক বঞ্চিত হৈ আছে। কি কাৰণত আজিলৈকে সেই O.M খন উলিয়াই দিব নোৱাৰা অৱস্থাত আছে। যিহেতু আমি Personel Department, WPT & BC Department, Judicial Departmentৰ O.M অহাৰ পিছত Supreme Court ত যিখন নতুনকৈ এক্ট হৈছে, সেই এক্টখনৰ আধাৰত আমি বহাৰ পাছত সেইটো সংশোধিত ৰূপত O.M খন উলিয়াই দিব বিচৰা হৈছে , সেই O.M খন আজিৰ দিনলৈকে উলিয়াই দিব পৰা হোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া তেখেত ইয়াত উপস্থিত আছে। তেখেতক এদিন মই কৈছিলো OM খন সংশোধিত ৰূপত উলিয়াই দিলে ভাল হ'ব। চাকৰিৰ ক্ষেত্ৰত যিটো বেকলগ সৃষ্টি হৈছে , বেকলগ সৃষ্টি হোৱাৰ পিছত আমি যিসকলক আজিলৈকে চাকৰি দিব পৰা নাই, নিযুক্তি দিব পৰা নাই আৰু যিসকলে প্ৰমোশ্যনৰ পৰা বঞ্চিত হৈ আছে সেইসকলৰ প্ৰাপ্য অধিকাৰ লাভ কৰাৰ বাবে কিবা তৎকালীনভাৱে ব্যৱস্থা ল'ব নেকি? মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। আমাৰ বিৰোধী দলৰ দলপতি মাননীয় দেবব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে- আমাৰ এচ টি আৰু এচ চিৰ এট্ৰ'চিটিৰ হাৰ ক্ৰমাগত ভাবে বৃদ্ধি পাইছে। এইটো আমি কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰো তাৰ চিন্তা কৰিব লাগে। যিসকল অনুসুচিত জাতি- জনজাতি আছে তেওঁলোকৰ প্ৰটেকশ্যনৰ বাবে ভাৰত চৰকাৰে এটা আইন বনাই থৈছে। সেই আইনমতে আমি তেওলোকক প্ৰটেকশ্যন দিব লাগিছিল কিন্তু আজিলৈকে আমি ঠিকমতে দিব পৰা নাই। জনজাতীয় লোকসকলে ক্ৰাইম কৰা নাই কিন্তু

তেওঁলোকৰ ভূমিৰ ওপৰত যিটো অত্যাচাৰ, চাকৰিৰ ক্ষেত্ৰত যিটো অত্যাচাৰ, বিভিন্ন সুযোগ সুবিধাৰ পৰা বঞ্চিত কৰাৰ যিটো অত্যাচাৰ তাৰ বাবে এই ক্ৰাইমটো দিনে দিনে বৃদ্ধি হৈ গৈ আছে। এইখিনি আমি নিশ্চয় prevent কৰিব লাগিব। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। ইয়াৰ বাবে স্পেচিয়েল আইন এখন অসম বিধান সভাৰ মজিয়াত বনাব নেকি ? বনালে ভাল হয় কাৰণ তেওঁলোকক আমি প্ৰটেকশ্যন দিব লাগিব। প্ৰটেকশ্যন নিদিয়াৰ ফলত কিছুমানে তেওলোকৰ ভূমি হেৰুৱাই অনাহাৰে থাকিব লগা হৈছে। দীন ভিক্ষা-জীৱন ৰক্ষা এনে অৱস্থা কিছুমানৰ হৈছে। আজিৰ দিনটোত আমি দেখিছো জনজাতিসকলক ৰক্ষা কৰাৰ কাৰণে কিছুমান অটোনোমাচ কাউন্সিল কৰা হৈছে। এইটো আমি আদৰণি জনাইছো। আজি কোচ ৰাজবংশী ভাইসকলে স্বায়ত্বশাসিত পৰিষদ বিচাৰিছে। তেওঁলোকৰ বাবে যাতে স্বায়ত্ব শাসিত পৰিষদ অতি সোনকালে গঠন কৰি তেওঁলোকক যাতে ৰক্ষাৰ ব্যৱস্থা কৰা হয় তাৰ বাবে মই আপোনাৰ জৰিয়তে চৰকাৰক বিনম্ৰভাবে অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জনজাতীয় আৰু অনুসূচিত লোকসকল শৈক্ষিকভাবে এতিয়াও আগবাঢ়িব পৰা নাই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো আমাক তথ্য দিলে সেই তথ্যতো প্ৰকাশ হৈছে যে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমুহে শৈক্ষিক ক্ষেত্ৰত এতিয়াও বহু পিছ পৰি আছে। গতিকে অনুসূচিত জাতি আৰু জনজাতিৰ ল'ৰা-ছোৱালীৰ শৈক্ষিক দিশত আগবাঢ়িবলৈ ডব্লিউ পি টি এণ্ড বিচি ডিপাৰ্টমেন্টৰ জৰিয়তে আছুতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক বিনম্ৰ অনুৰোধ জনাইছো। ইয়াৰ ওপৰিও উচ্চ শিক্ষাৰ সংৰক্ষণৰ হাৰৰ বৃদ্ধিৰ লগতে আমাৰ অনুসূচিত জাতি আৰু জনজাতি সকলৰ যিটো জনসংখ্যা বৃদ্ধিৰ হাৰ সেইটো এতিয়া ১২ শতাংশ হৈছে কিন্তু আমি সংৰক্ষণটো কেৱল ১০ শতাংশহে পাই আছো। গতিকে এই সংৰক্ষণটো ১২.৫ শতাংশলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব নেকি ? অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক বিনম্ৰভাবে অনুৰোধ কৰিছো। অধ্যক্ষ মহোদয়, যোৱা বাজেট অধিবেশনত আমাৰ অনুসুচিত জাতি আৰু জনজাতিৰ বাবে ডব্লিউ পিটি এণ্ড বি চি ডিপাৰ্টমেন্টৰ জৰিয়তে আমাৰ অনুসুচিতজাতিৰ লোকসকলক আগবঢ়াই লৈ যাবৰ কাৰণে Model Villege ৰ ব্যৱস্থা কৰা হৈছিল। মডেল ভিলেজ কৰি আগন্তুক বাজেট অধিবেশনত প্ৰতিটো সমষ্টিৰ পৰা দুইখনকৈ গাওঁ selection কৰি তেওঁলোকৰ মাজত competitive মনোভাব গঢ়ি তুলি স্বচ্ছতাৰ আধাৰত আগবঢ়াই লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান আমাৰ মাজত লাহে লাহে সম্প্ৰীতিৰ মনোভাৱ নোহোৱা হৈ যাব ধৰিছে। আদৰ্শ গাওঁৰ মাধ্যমত তেওঁলোকক আগবঢ়াই লৈ যোৱাৰ ব্যৱস্থা কৰাটো প্ৰয়োজন। তেতিয়া সেই আদৰ্শ গাওঁৰ মানুহখিনিয়ে ভাবিব যে অকল স্বচ্চতাৰ দিশৰ পৰাই নহয়, শৈক্ষিক আৰু অৰ্থনৈতিক দিশতো তেওঁলোক আগবাঢ়ি যোৱাৰ বাবে উৎসাহ পাব। গতিকে এই Competitive মনোভাৱ গঢ়ি তোলাৰ বাবে মই আপোনাৰ জৰিয়তে চৰকাৰক আহ্বান জনাইছো। অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই লোকসভা আৰু ৰাজ্য সভাক সমৰ্থন জনোৱাৰ বাবে ১০ বছৰৰ বাবে এচ টি আৰু এচ চিৰ সংৰক্ষণৰ বাবে যি প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই মই মোৰ বক্তব্য ইয়াতে সমাপ্ত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বছিৰ আহমেদ।

**হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সংবিধানৰ ১২৬ তম্ Amenment Bill ৰ সমৰ্থনত যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ প্ৰতি মোৰ সম্পূৰ্ণ সমৰ্থন আছে। মই ভাবো এইক্ষেত্ৰত কাৰো দ্বীমত নাই । ড° ভীম ৰাও আম্বেদকাৰ ডাঙৰীয়াই সংবিধান ৰচনা কৰোতে যি ৩৩০ আৰু ৩৩২ আৰ্টিকুলৰ অধীনত চিডুল কাষ্ট আৰু চিডুল ট্ৰাইবৰ

কাৰণে যিখিনি সংৰক্ষণ ব্যৱস্থা ৰাখিছে সেই সংৰক্ষণ ব্যৱস্থা এই উদ্দেশ্যৰে ৰখা হৈছিল যাতে বঞ্চিত আৰু পিছপৰা মানুহখিনি অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক ইত্যাদি সকলো ক্ষেত্ৰতে সামন্তৰালভাবে আন আন জনগোষ্ঠীৰ লগত সমানে ফেৰ মাৰিব পাৰে। আমি দেখিছো লোকসভাত ৫৪৩টা আসনৰ ভিতৰত চিডুল কাষ্টৰ কাৰণে ৮৪ খন আসন আৰু চিডুল ট্ৰাইবৰ কাৰণে ৪৭ খন আসন সংৰক্ষণ কৰা আছে। ৰাজনৈতিকভাবে তেওঁলোকক আগুৱাই লৈ যাবলৈ ভাৰতবৰ্ষত সৰ্ব্বমূঠ ৪১২২ খন এম এল এ আসনৰ ভিতৰত Schedule Cast ৰ কাৰণে ৬১৪ টা আৰু Schedule Tribe ৰ কাৰণে ৫৫৪ খন আসন আছে। এইটো Constitutional Provsional ৰ আওতাত হৈছে। অৰ্থনৈতিক ক্ষেত্ৰত তেওঁলোকক আগুৱাই লৈ যাবলৈ চৰকাৰে যথেষ্ঠ পুঁজি অনুমোদন দিয়ে। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইক্ষেত্ৰত যথেষ্ঠখিনি অৰ্থৰ অনুমোদন দিছে। আমি ভাবো যে এইখিনি যদি proper use হয় তেনেহ'লে তেওঁলোকৰ উন্নতি হ'ব। কিন্তু ৰাজনৈতিক জীৱনত এই এচ চি- এচ টিৰ ক্ষেত্ৰত যি ধৰণে তেওঁলোকে বঞ্চিত হৈ আছে আৰু তেওঁলোকৰ বাবে ধাৰ্য্য কৰা যি পুঁজি বা উন্নয়ণৰ পৰিকল্পনা আছে সেইবিলাক properly নিয়াৰিকৈ হ'ব লাগে আৰু এইখিনি বাস্তৱিকতে শুদ্ধভাৱে হৈছে বুলি ক'ব নোৱাৰি। আমি দেখিছো এই ক্ষেত্ৰত যথেষ্টখিনি দুৰ্নীতি আছে। চৰকাৰে ধনৰ আবন্টণ দিয়ে কিন্তু লগতে আচনি ৰূপায়ন হোৱালৈ চকু ৰাখিব লাগিব যাতে সেইখিনি প্ৰপাৰলী হিতাধিকাৰীসকলে পায়। দেশ স্বাধীন হোৱাৰ পিছতেই এই সৰক্ষণ ব্যৱস্থা কৰা হৈছিল। তেতিয়া এচ চিৰ জনসংখ্যা আছিল ৫ কোটি ১৩ লাখ ৪৩ হাজাৰ ৮৯৮ জন আৰু এচ টিৰ জনসংখ্যা আছিল ১ কোটি ৯১ লাখ ১৬ হাজাৰ ৪৯৮ জন। দেশ স্বাধীন হোৱাৰ সময়ত যেতিয়া সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল, তেতিয়া SC জনসংখ্যা আছিল **৫,১৩,৪৩,৮৮৯** জন আৰু ST জনসংখ্যা আছিল **১,৯১,১৬,৪৮৯** জন। **২০১১** চনৰ census মতে এই জনসংখ্যা বৃদ্ধি হৈ SC ৰ **২০** কোটিকৈও ওপৰত আছে আৰু ST **১০** কোটিকৈও ওপৰত জনসংখ্যা হৈছে। এই জনসংখ্যাবৃদ্ধিৰ হাৰৰ লগত ঠিক সেইধৰণে পুঁজিৰ আৱন্টনৰ ব্যৱস্থাও আমি কৰিব লাগিব। এটা কথা আমাৰ দৃষ্টিগোচৰ হৈছে আৰু বিভিন্ন ক্ষেত্ৰত আলোচনাও হৈছে যে এই পিছপৰা জনগোষ্ঠীৰ বাবে আৱন্টিত ধন বা পঢ়া শুনাৰ ক্ষেত্ৰত যিখিনি সা-সুবিধা, চাকৰি - বাকৰিৰ ক্ষেত্ৰত সা-সুবিধা দিয়া হয়, সেইখিনি তুলনামূলক ভাৱে যিসকল উন্নত, তেওঁলোকে উপভোগ কৰাৰ সুযোগ পায়। আজি মেডিকেল, ইঞ্জিনিয়াৰিং পঢ়াৰ ক্ষেত্ৰতে হওঁক, চাকৰি-বাকৰিৰ ক্ষেত্ৰতে হওঁক (reservation ত) বাকী যিখিনি আছে সেই ST, SC লোক আছে, তেওঁলোকে পিছ পৰি গৈ আছে আৰু উন্নতখিনি উন্নত হৈ আছে। এই ST, SC লোকৰ মাজত এটা section হোৱাৰ পৰ্য্যায়ত উপনীত হৈছে। গতিকে এইক্ষেত্ৰত যিখিনি অনুন্নত তেওঁলোকক তেওঁলোকৰ বাবে অনুমোদিত ধনেৰে যাতে অধিক আগুৱাই লৈ যাব পাৰি, তাৰ এটা সমবণ্টন হয় আৰু যিসকল আচলতে পিছপৰা, সুযোগ-সুবিধাখিনি যাতে অকল creamy layer বাবে যাতে সংৰক্ষিত নহয়, এইটো আমি ব্যৱস্থা গ্ৰহণৰ কাৰণে অনুৰোধ জনাইছো। এইক্ষেত্ৰত চৰকাৰে যি পদক্ষেপ লৈছে, আজি **৭০** বছৰ পিছত **৮০** বছৰৰ কাৰণে এই সংৰক্ষণ ব্যৱস্থা সাংবিধানিক ভাবে সমপ্ৰসাৰ কৰিব বিচাৰিছে আৰু তাৰ সমৰ্থনত ৰাজ্যিক বিধান সভা হিচাপে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে, তাৰ প্ৰতি আমাৰ পূৰ্ণ সমৰ্থন আগবঢ়াই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এটা কথা কব বিচাৰিছো - আমি অনুসূচীত জাতি জনজাতিৰ মানুহখিনিৰ বিভিন্ন দিশ সামৰি ডেৰমাহ মান আগত বিস্তৃতভাৱে বিধানসভাত আলোচনা কৰিছিলো। সেই কথাখিনি আজি ইয়াত আলোচনা হৈছে, মই বেয়া পোৱা নাই। কিন্তু মই ভাৱো যে সেই

আলোচনাখিনিৰ উত্তৰ অহা ৯০ দিনৰ ভিতৰত অৰ্থাৎ অহা অধিবেশনত চৰকাৰে নিশ্চয় প্ৰদান কৰিব। এখন সংবিধান সংশোধনী বিল আইনত পৰিবৰ্তন হ'বৰ বাবে আধা সংখ্যক ৰাজ্যৰ সমৰ্থন লাগে, সেই সুত্ৰে আমাক জনোৱাৰ কাৰণে আৰু এইটো খুব জৰুৰী বিষয় হোৱাৰ কাৰণে আমি জৰুৰীভাৱে এই অধিবেশনখন আহ্বান কৰিবলগীয়া হ'ল। ইতিমধ্যে প্ৰত্যেকটো দলৰে পৰা এজনকৈ সদস্যই বক্তব্য ৰাখিছে। কিন্তু মই ভাবো যে এইটো already চৰ্বিত চৰ্বন। কাৰণ আমি যোৱাবাৰ এই বিষয়বিলাক আলোচনা কৰিছো। কিন্তু আজি যিহেতু ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা আছে সেয়েহে সদস্যসকলে প্ৰস্তুত হ'বলৈ অকণমান সময় পালে ভাল হয়। বিষয়টো আমি BAC meeting ত প্ৰত্যেক দলৰ দলপতিৰ লগত আলোচনা কৰিছিলো তাৰ ভিত্তিত আপোনালোকৰ প্ৰত্যেকটো দলৰে কাৰো যদি আপত্তি নাথাকে মই এইখিনিতে বিষয়টো সামৰিব খুজিছো। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া — আপোনাৰ বক্তব্যৰে বিষয়টোৰ মুখনি মাৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি ভাৰতৰ উভয় সংসদে ইতিমধ্যে পাৰিত কৰা ১২৬ সংখ্যক সংবিধান সংশোধনীৰ বিধেয়কৰ সমৰ্থন কৰি অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলৰ বাবে সংৰক্ষণ ব্যৱস্থা আৰু দহ বছৰ বঢ়াই দিয়াৰ পোষকতা কৰি বিধান সভাত এক চৰকাৰী প্ৰস্তাৱ উত্থাপন কৰিছে। কিয়নো এনে ব্যৱস্থা সমূহৰ বাবে ভাৰতবৰ্ষৰ ৫০ শতাংশ বিধান সভাৰ সমৰ্থন লাগে। গতিকে আমি সকলো দলৰ সন্মানীয় সদস্যসকলক প্ৰথমতে ধন্যবাদ দিছো যে তেখেতসকলে এইটোত সমৰ্থন আগবঢ়াইছে। মাননীয় অধ্যক্ষ মহোদয়, মই আগতে ভাৰতবৰ্ষৰ জনপ্ৰিয় প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ দিব বিচাৰিছো কাৰণ ভাৰতবৰ্ষত বসবাস কৰি থকা ST/ SC লোকসকলৰ ক্ষেত্ৰত থকা সংৰক্ষণ ব্যৱস্থাই ইতিমধ্যে ৭০ বছৰ অতিক্ৰম কৰিছে। তাৰপিছতো তেওঁলোক আৰ্থ-সামাজিক দিশত আগবাঢ়ি নোযোৱাৰ কাৰণে আকৌ ১০ বছৰ বঢ়াই দিয়াৰ এই সংশোধনী আনিছে। তাৰ কাৰণে অসম বিধান সভাৰ তৰফৰ পৰা মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক পুনৰবাৰ ধন্যবাদ আগবঢ়াইছো। মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ ৰাজ্যখনত যিখন চৰকাৰ চলিছে, এই চৰকাৰৰ সময়ত আমি ST/ SC ৰ কাৰণে যিখিনি কৰিবলগীয়া কথা তেখেতে কৈছে, মই সেইখিনি ইয়াতে আলোচনা নকৰো। আপুনি মুখনি মাৰিব দিছে সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাবে মই মুখনি মাৰিছো। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱা কথাটোকে কম যে— এটা জাতি-জনগোষ্ঠী আগবাঢ়িবলৈ হ'লে তেখেতসকলক শিক্ষাৰ ক্ষেত্ৰত, আৰ্থ-সামাজিক, সাংস্কৃতিক আদি সকলো দিশত আগবঢ়াই লৈ গ'লেহে এই জাতিটো প্ৰতিষ্ঠিত হ'ব পাৰিব। গতিকে আমি ST/ SC ৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিভিন্ন আঁচনি লৈছো। কিন্তু সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই তেখেতৰ বক্তব্যত এই বিলখনক সমৰ্থন জনাইছে আৰু তেখেতে এটা ডাঙৰ কথা কৈছে যে- ST/ SC ৰ ক্ষেত্ৰত যিবিলাক চিলাই মেচিন ক্ৰয় কৰিছিল, তাত কেলেংকাৰী হৈছে। মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে তেওঁৰ চাৰিটা বিন্দু আছে। প্ৰথম বিন্দু হৈছে - দুৰ্নীতিমুক্ত অসম। এই দুৰ্নীতিমুক্ত অসমৰ পৰা কোনেও সাৰি যাব নোৱাৰে। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই কওঁ—এই চিলাই মেচিন কেলেংকাৰী আমাৰ চৰকাৰৰ দিনত হোৱা নাছিল আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও নাজানে যে আমাৰ চৰকাৰৰ দিনত কিনা হৈছিল নে নাই।

.... সদনত হুলুস্থুল হয়....

**মাননীয় অধ্যক্ষ** ঃ কোনো controvercial কথাত যাব নালাগে। এইখিনিৰ কাগজ দিয়া হৈছে,

তাৰ উত্তৰ সময়ত দিয়া হব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি মাননীয় বিৰোধী দলৰ দলপতিয়ে কৈছে, তেখেতে কোৱা মানে— কথাখিনিৰ গুৰুত্ব আছে। সেইকাৰণে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই লগে লগে WPT&BC Minister শ্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়াক কৈছে যে ইয়াৰ ওপৰত serious enquiry হব লাগে। ST/ SC ৰ মানুহৰ পইচা কোনেও এনে খৰছ কৰিব নোৱাৰিব। সেইটো enquiry ত দিয়া হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, মই এতিয়া সংকল্প প্ৰস্তাৱটো সদনত দাঙি ধৰিলো -

*"That this House retifies the Amendment to the Constitution of India following within the perview of Clause D of Provison to Clause 2 of Article 368 proposed to be made by the Constitution 126th Amendment Bill, 2019 as passed by both the Houses of Parliament".*

যিসকল মাননীয় সদস্য/সদস্যা সকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়',
যিসকল মাননীয় সদস্য/সদস্যা সকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়',
মই ভাৱো সম্পূৰ্ণ সদন হয়'ৰ সপক্ষে, হয়'ৰ সপক্ষে, হয়'ৰ সপক্ষে,
সংশোধনী প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হ'ল।

**কাৰ্য্যসূচী নং-৫**

**মাননীয় অধ্যক্ষঃ** চতুৰ্দশ অসম বিধান সভাৰ দশম অধিবেশন সমাপ্তিৰ পৰা আজি ১৩-০১-২০২০ তাৰিখে একাদশ তথা বিশেষ অধিবেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোক প্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তি সকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে ।

**১) ৰাজেন বৰঠাকুৰ ঃ**

তেজপুৰ বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ৰঙাপাৰা বিধান সভা সমষ্টিৰ বিধায়ক, বিশিষ্ট সমাজকৰ্মী ৰাজেন বৰঠাকুৰ ডাঙৰীয়াই ২০১১ চনত তেজপুৰ বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে আৰু ২০১৯ চনৰ ৰঙাপাৰা বিধান সভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল । তেখেতে ছাত্ৰ অৱস্থাৰ পৰাই সমাজ সেৱাত ব্ৰতী হৈ এগৰাকী সমাজ কৰ্মী ৰূপেও বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ লগতে ৰাজ্য চৰকাৰৰ পাঠ্যপুথি প্ৰকাশন আৰু প্ৰণয়ন নিগমৰ অধ্যক্ষৰ দায়িত্বও নিষ্ঠা আৰু সততাৰে পালন কৰিছিল।

**২) ইন্দ্ৰমণি বৰাঃ**

প্ৰাক্তন সাংসদ, বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি তথা জেষ্ঠ ৰাজনৈতিক নেতা ইন্দ্ৰমণি বৰা ডাঙৰীয়াই ২০০১ চনৰ পৰা ২০০৭ চনলৈ ৰাজ্যসভাৰ সাংসদ হিচাপে অসমক প্ৰতিনিধিত্ব কৰি উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াইছিল । ১৯৯৫ চনত আৰু ২০০৩ চনত তেখেতে দুবাৰকৈ ৰাজ্যিক বিজেপিৰ সভাপতিৰ আসন অলংকৃত কৰিছিল । তদুপৰি বৰা ডাঙৰীয়াই ৰাজনৈতিক ক্ষেত্ৰ খনত নিজৰ কৰ্ম দক্ষতাৰে বিশেষ অৱদান আগবঢ়াই থৈ গৈছে ।

**৩) ভিখু অ' য়চুঃ**

নাগালেণ্ড বিধান সভাৰ অধ্যক্ষ ভিখু অ' য়চু ডাঙৰীয়াই ২০১৩ চনত আৰু ২০১৮ চনত নেশ্বনেলিষ্ট ডেমক্ৰেটিক প্ৰগ্ৰেচিভ পাৰ্টিৰ প্ৰাৰ্থীৰূপে নাগালেণ্ড বিধান সভালৈ নিৰ্বাচিত হৈ পৰৱৰ্তী সময়ত ২০১৯ চনৰ মাৰ্চ মাহত নাগালেণ্ড বিধান সভাৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছিল । তদুপৰি তেখেতে এগৰাকী ৰাজনৈতিক নেতা হিচাপে নাগালেণ্ড ৰাজ্যখনৰ ৰাজনৈতিক ক্ষেত্ৰ খনত উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে ।

**৪) নুৰুল হুদা ঃ**

বিশিষ্ট মুক্তিযোদ্ধা নুৰুল হুদা ডাঙৰীয়াই ১৯৪২ চনৰ ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি দেশ মাতৃলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে । তেখেতক অসম চৰকাৰে মুক্তি যুজাৰু সন্মানেৰে সন্মানিত কৰাৰ উপৰিও ২০১৬ চনত হুদা ডাঙৰীয়াই ৰাষ্ট্ৰপতি ভৱনত বিশেষ ভাৱে সন্মানিত হৈছিল ।

**৫) গোপাল চন্দ্ৰ গোস্বামী ঃ**

বিশিষ্ঠ মুক্তিযোদ্ধা গোপাল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভাৱে যোগদান কৰি বলিষ্ঠ ভূমিকা পালন কৰিছিল । ৰাষ্ট্ৰই তেখেতৰ মহান কৰ্মৰাজিক স্বীকৃতি দি তদানিন্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে ২০১৫ চনত গোস্বামী ডাঙৰীয়াক ৰাষ্ট্ৰপতি ভৱনত সন্মানিত কৰিছিল।

**৬) ৰত্ন ওজাঃ**

অসম সাংস্কৃতিক জগতৰ মহীৰূহ তথা কলাৰত্ন ৰত্ন ওজা ডাঙৰীয়াই একেধাৰে নাট্যকাৰ, সাহিত্যিক, গীতিকাৰ, অভিনেতা, সুৰকাৰ, পৰিচালক তথা অসমত বাটৰ নাটৰ বাটকটীয়া হিচাপে অসমৰ সাংস্কৃতিক জগতক সমৃদ্ধ কৰি থৈ গৈছে । তদুপৰি তেখেতে সাংবাদিকতাৰ ক্ষেত্ৰ খনতো ওতঃপ্ৰোত ভাৱে জড়িত হৈ দৈনিক শান্তিদূত, ভূদান যজ্ঞ, দ্য নিউজ ষ্টাৰ আৰু সাদিনীয়া বাতৰি কাকততো সেৱা আগবঢ়াইছিল। ওজা ডাঙৰীয়াই কলাৰত্ন উপাধি, নটসূৰ্য্য বঁটা, ২০১৮ চনত বৰপেটা শিৰোমণি বঁটাৰে সন্মানিত হোৱাৰ উপৰিও জীৱন কালত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু উচ্চস্তৰীয় বঁটা ও সন্মানেৰে বিভূষিত হৈছিল ।

**৭) প্ৰমোদ চক্ৰৱৰ্তী ঃ**

বিশিষ্ঠ শিক্ষাবিদ তথা প্ৰবীণ সাংবাদিক প্ৰমোদ চক্ৰৱৰ্তী ডাঙৰীয়াই নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে সেৱা আগবঢ়োৱাৰ লগতে ৰাজ্যখনৰ সামগ্ৰীক শৈক্ষিক উত্তৰণৰ দিশত বলিষ্ঠ অৰিহনা আগবঢ়াইছিল । তদুপৰি তেখেতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ উপৰি সংবাদ সেৱাৰ সৈতেও জড়িত থাকি সমাজ উত্তৰণৰ দিশটো উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে ।

**৮) মুকুল চন্দ্ৰ চলিহা ঃ**

বিশিষ্ঠ শিক্ষাবিদ, সমাজকৰ্মী তথা ক্ৰীড়া সংগঠক মুকুল চন্দ্ৰ চলিহা ডাঙৰীয়াই ১৮৯৫ চনত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰাৰ লগতে যোৰহাটৰ শৈক্ষিক তথা সামাজিক ক্ষেত্ৰ খনত উত্তৰণৰ দিশত উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে । তেখেতে ৰাজ্য খনৰ ক্ৰীড়াৰ ক্ষেত্ৰ খনতো ওতঃপ্ৰোত ভাৱে জড়িত থাকি ৫ বছৰ কাল অসম দবা সন্থাৰ সম্পাদক হিচাপে নিষ্ঠাৰে দায়িত্ব পালন কৰিছিল ।

**৯) চেনেহী বেগম ঃ**

বিশিষ্ঠ শিক্ষাবিদ তথা ক্ৰীড়া সংগঠক চেনেহী বেগম ডাঙৰীয়ানীয়ে জীৱন কালত ৰাজ্য

খনৰ শৈক্ষিক দিশৰ উত্তৰণৰ ক্ষেত্ৰত যথেষ্ট অৰদান আগবঢ়াই থৈ গৈছে । তেখেতে ঐতিহ্য মণ্ডিত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপনা কৰি মহাবিদ্যালয় খনৰ লগতে ৰাজ্য খনৰ সামগ্ৰীক শৈক্ষিক বাতাবৰণ উন্নীতকৰণৰ দিশতো সেৱা আগবঢ়াই গৈছে । তদুপৰি বেগম ডাঙৰীয়ানীয়ে মহিলা বেটেলিয়নৰ কমাণ্ডিং অফিচাৰ, অসম সাতোৰ সন্থাৰ সভাপতি, অসম আৰক্ষী লায়েজন কমিটিৰ সদস্যকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব বহন কৰিছিল ।

**১০) ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্ম ঃ**

বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক বজেন্দ্ৰ কুমাৰ ব্ৰহ্ম ডাঙৰীয়াই ২০০২ চনৰ পৰা ২০০৮ চনলৈ বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতিৰ পদ অলংকৃত কৰিছিল । তেখেতে সাহিত্য কৰ্মসৃষ্টিৰে বড়ো ভাষা সাহিত্য ভঁড়াললৈ উল্লেখনীয় অৰদান আগবঢ়াই থৈ গৈছে । ব্ৰহ্ম ডাঙৰীয়াই সাহিত্য অকাডেমী বঁটাৰে সন্মানিত হোৱাৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু উচ্চস্তৰীয় বঁটা ও সন্মানেৰে বিভূষিত হৈছিল।

লগতে অসম বিধান সভাৰ বিগত শীতকালীন অধিবেশনৰ পিছত 'কা' বিৰোধী আন্দোলনত শ্বহীদ হোৱা অসম সন্তান ক্ৰমে ছেমচ ষ্টেফৰ্ড, দীপাঞ্জল দাস, আব্দুল আলিম, ইশ্বৰ নায়ক আৰু দীজেন্দ্ৰ পাগিং লৈ আজিৰ সদনে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে ।

উল্লেখিত বৰেণ্য ব্যক্তি সকলৰ বিয়োগত দেশ তথা ৰাজ্য খনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া ইয়াত উল্লেখিত প্ৰয়াত ব্যক্তি সকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহ আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সদন আজি বিয়লি ৫ বজালৈ স্থগিত কৰা হ'ল ।

**(পূৰ্বনিৰ্দ্ধাৰিত সময়সূচী মতে বিয়লি ৫ বজাত সদনৰ কাম-কাজ পুনৰ আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য ডাঃ ৰণোজ পেগু ডাঙৰীয়াই উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত সংশোধনীৰ বাবে মই দুখন জাননী ইতিমধ্যে পাইছো আৰু ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত প্ৰথমটো সংশোধনী দিছে হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে। মই তেখেত সকলৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

*(তেওঁলোকৰ কোনো উপস্থিত নাই)*

দ্বিতীয়টো সংশোধনী জাননী মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী তৰুণ গগৈ ডাঙৰীয়াকে ধৰি তেখেতৰ সহযোগী সকলৰ নামত পোৱা গৈছে। মই এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া বা অন্য এজন মাননীয় সদস্যক এই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখী মহোদয়ে চতুৰ্দশ অসম বিধান সভাৰ বিশেষ অধিবেশনত ১৩ জানুৱাৰী ২০২০ ৰ ভাষণৰ পৃষ্ঠা নং ৯ ৰ ৩ নং পেৰাগ্ৰাফৰ পৰৱৰ্ত্তী অংশ অসম চুক্তি ৰূপায়ণ শিতানত "মোৰ চৰকাৰে অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰিবলৈ দৃঢ় সংকল্প বদ্ধ আৰু ইয়াৰ বাবে নাগৰিকত্ব সংশোধনী

আইন, ২০১৯ বাতিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাব।” এই কথাখিনি প্ৰথম পেৰা ৰূপে সংযোজিত কৰিবলৈ সংশোধনী আনিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ আছে, সেই প্ৰস্তাৱক সংশোধনী প্ৰস্তাৱ উত্থাপন কৰা হ'ল বুলি ঘোষণা কৰিছো। মই প্ৰথমে ডাঃ ৰণোজ পেগুক ৰাজ্যপালৰ ভাষণৰ ওপৰত তেখেতৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত বক্তব্য আগবঢ়াবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু (ধেমাজী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আপোনাক আজি মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক এই প্ৰস্তাৱটো উপস্থাপন কৰা আৰু লগতে এই প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ৰাখিবৰ কাৰণে আমাক অনুমতি দিয়াৰ বাবে ধন্যবাদ জনাইছো। এই চৰকাৰ খনৰ বিগত সময়খিনিত আটাইতকৈ ডাঙৰ সফলতা কি বুলি ক'লে মই ৰাস্তা-ঘাটলৈ নাযাওঁ তাৰ আগত উপস্থাপন কৰিব বিচাৰো বিগত সময়খিনিত এই চৰকাৰখনৰ আটাইতকৈ ডাঙৰ সফলতাটো হৈছে শান্তি আৰু নিৰাপত্তা। শান্তি আৰু নিৰাপত্তাৰ কথা যেতিয়া উল্লেখ কৰো বহু মানুহে তাক কেৱল আইন আৰু শৃংখলাৰ সমস্যা বুলি ভাৱে। শান্তি আৰু নিৰাপত্তা কেৱল আইন আৰু শৃংখলাৰ বিষয়ে নহয়। আমি যেতিয়া এইখন অসমৰ কথা ভাৱো, এইখন অসমত এদিন নিতৌ বোমা বিস্ফোৰন হৈছিল, নিতৌ হত্যা, সংঘৰ্ষ হৈছিল, অপহৰণ হৈছিল, ধন দাবীৰ ঘটনা ঘটিছিল কিন্তু তাৰ তুলনাত যদি আজি আমি বিগত ৪ টা বছৰৰ কাৰ্য্যকাল চাওঁ তেতিয়া হ'লে আমি নিশ্চিত ভাৱে ক'ব লাগিব যে অসমত শান্তি বিৰাজ কৰিছে। আমি যেতিয়া নিৰাপত্তাৰ কথা কওঁ অকল পুলিচৰ নিৰাপত্তাৰ কথা ক'ব বিচৰা নাই। প্ৰথমতে হৈছে সামাজিক নিৰাপত্তা। এইখন চৰকাৰে অসমৰ আটাইতকৈ যি দুৰ্বল যি শ্ৰেণী আৰু জনগোষ্ঠী-সম্প্ৰদায় আছে সেই দুৰ্বল জনগোষ্ঠী-সম্প্ৰদায় সমূহক বা সমাজৰ দুৰ্বল অংশটোক সামাজিক নিৰাপত্তা প্ৰদান কৰাৰ কাৰণে সফল হৈছে। এই চৰকাৰৰ দিনত এজন ৬০ বছৰৰ বয়োযোৰ্দ্ধ বৃদ্ধ মানুহে মই এ পি এল নে বি পি এল বুলি নিৰাপত্তাহীনতাত ভুগিব লগীয়া হোৱা নাই। কুশল কোঁৱৰ সাৰ্ব্বজনীন বৃদ্ধ পেঞ্চণ আঁচনিৰ জৰিয়তে সকলো বৃদ্ধ লোকক এই চৰকাৰ খনে এটা সামাজিক নিৰাপত্তা প্ৰদান কৰিছে। ইন্দিৰা মিৰি সাৰ্ব্বজনীন বিধৱা পেঞ্চণৰ জৰিয়তে সকলো বিধৱা মহিলাক এই চৰকাৰ খনে সামাজিক নিৰাপত্তা প্ৰদান কৰিছে। এই চৰকাৰখনে সকলো দিব্যাংগ লোকক সামাজিক নিৰাপত্তা প্ৰদান কৰিছে। এই চৰকাৰখনে চাহ জনজাতি, প্ৰাক্তণ চাহ জনজাতি, অনুসূচীত জাতিকে আদি কৰি সৰু-বৰ সকলো জনগোষ্ঠীকে সামাজিক নিৰাপত্তা প্ৰদান কৰিছে। এই চৰকাৰখনে সকলো লোককে বিত্তীয় নিৰাপত্তা প্ৰদান কৰিছে। বহু মানুহ যিসকল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে সেই লোক সকল, আনকি চাকৰি কৰা ব্যক্তি সকলেও বহু সময়ত বিত্তীয় নিৰাপত্তাহীনতাত ভোগে। সেই লোক সকলক বিত্তীয় নিৰাপত্তা প্ৰদান কৰিবৰ কাৰণে চৰকাৰখনে আঁচনি লৈছে। আমাৰ এই কৃষি প্ৰধান দেশত যাতে কৃষক সকলে তেওঁলোকৰ জীয়াই থকাৰ সংগ্ৰামত চৰকাৰখনৰ পৰা এটা সাহাৰ্য্য তথা নিৰাপত্তা পায় তাৰ কাৰণে আমাৰ চৰকাৰে প্ৰধানমন্ত্ৰী কিষান সন্মান যোজনা লৈ আহিছে। তাৰবাবে মুখ্যমন্ত্ৰীৰ কৃষি সা-সজুঁলিৰ সেই আঁচনি আনিছে যি আঁচনিৰ জৰিয়তে এই লোকসকলে এক সামাজিক নিৰাপত্তা লাভ কৰিছে। যিসকল কৃষকে বেংকৰ পৰা কৃষি লোন লৈ লোনটো ঘূৰাব নোৱাৰি যি এক নিৰাপত্তাহীনতাত ভোগে, সেই লোকসকলক নিৰাপত্তা দিয়াৰ কাৰণে তেওঁলোকক ২৫ হাজাৰ টকালৈকে কৃষি লোনৰ সূত ৰেহাই দিয়া আঁচনি আমাৰ চৰকাৰখনে লৈ আহি এই লোক সকলক বিত্তীয় নিৰাপত্তা প্ৰদান কৰিছে। আমাৰ চৰকাৰখনে স্বামী বিবেকানন্দ আঁচনি লৈ আহি যি সকল নিবনুৱা যুৱক-যুৱতীয়ে সৰু কৈ ব্যৱসায় কৰি সংস্থাপিত হ'ব বিচাৰে সেই লোক সকলকো এক নিৰাপত্তা প্ৰদান কৰিছে। নিবনুৱা

সকলৰ কাৰণে জীৱিকাৰ নিৰপত্তাৰ প্ৰয়োজন। সেই জীৱিকাৰ নিৰপত্তাৰ কাৰণে যি আন্তঃগাঠনিৰ প্ৰয়োজন, সেই আন্তঃগাঠনি গঢ়ি তুলি দক্ষতা বিকাশৰ এক বিশাল আঁচনি চৰকাখনে লৈ আহিছে আৰু অসমত এখন Skill City নিৰ্মাণ কৰাৰ কাৰণে এই চৰকাৰ খনে পদক্ষেপ লৈছে আৰু এই দক্ষতাৰ বৃদ্ধিৰ শিক্ষা সম্পূৰ্ণৰূপে বিনামূলীয়া কৰি, কাৰিকৰী শিক্ষাৰ প্ৰসাৰ ঘটাই এই চৰকাৰ খনে জীৱিকাৰ ওপৰতো এক নিৰপত্তা ৰাইজৰ কাৰণে লৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা আমাৰ কিছুমান দুৰ্ভগীয়া মানুহৰ ঘৰত হঠাৎ বেয়া খবৰ এটা ওলাই যে দেউতাকৰ কেন্সাৰ হৈছে, তেতিয়া সেই ঘৰখনত হাহাকাৰ সৃষ্টি হয়। কেতিয়াবা আমাৰ কাৰোবাৰ ভাইটি বা ভণ্টিৰ বেয়া বেমাৰ হোৱাৰ বেয়া খবৰ এটা ওলাই যে কিডনিৰ বেমাৰ হৈছে বা হৃদৰোগত আক্ৰান্ত হৈছে। সেই সকল লোক যেতিয়া অসহায় হৈ পৰে সেই লোক সকলক নিৰাপত্তা দিয়াৰ কাৰণে আমাৰ চৰকাৰ খনে অটল অমৃত অভিযান আঁচনি লৈ আহিলে। তাৰলগে লগে কেন্দ্ৰীয় চৰকাৰে আয়ুচমান ভাৰত আঁচনি লৈ আহি এই সকল অসহায় লোকক তেওঁলোকৰ স্বাস্থ্যৰ ক্ষেত্ৰত এক নিৰপত্তা বা মেডিকেল চিকিউৰিটি প্ৰদান কৰিলে। আমাৰ চৰকাৰ খনে দেশ খনৰ সম্পদ সমূহ সুৰক্ষিত কৰাৰ কাৰণে বা তাক নিৰপত্তা প্ৰদান কৰাৰ কাৰণে দৃঢ় পদক্ষেপ ললে। এটা সময়ত অসমত কিমান গড় হত্যা হৈছিল? আমি জানো যে প্ৰতিদিনে গড় হত্যাৰ খবৰ আহিছিল। বিগত ২০১৯ বৰ্ষটো কেনেকৈ আৰম্ভ হৈছিল বুলি কলে ২০১৯ বৰ্ষটোত এটা বেয়া খবৰে আমাক আকৌ আমনি কৰিছিল যে আকৌ গড় হত্যা হ'ল কিন্তু চৰকাৰ খনে লোৱা দৃঢ় পদক্ষেপৰ কাৰণে তাৰ পিছৰ সময়ত কাজিৰঙাত এটাও গড় হত্যা হোৱা নাই। ইয়াৰ আগতে পূৰ্বৰ চৰকাৰৰ দিনত আটাইতকৈ বেছি গড় হত্যা হৈছিল বুঢ়া পাহাৰ আৰু বাগৰি ৰেঞ্জত কিন্তু এইখন চৰকাৰৰ কৃতিত্ব, অসমৰ জাতীয় গৌৰৱ, কেৱল অসমৰে নহয় বিশ্বৰ এক ঐতিহ্য সেই গড়ক এনেকুৱা নিৰপত্তা প্ৰদান কৰিছে যে পাৰ হৈ যোৱা ২০১৯ বছৰত বুঢ়া পাহাৰ আৰু বাগৰিত সেই সকল দুৰ্বৃত্তই এটাও গড় হত্যা কৰিবলৈ সক্ষম হোৱা নাই। আমাৰ প্ৰাকৃতিক দুৰ্যোগত বানপানী-গড়াখহনীয়াৰ যি নিৰাপত্তা লাগে, সেই নিৰপত্তা আমাৰ চৰকাৰে খুউব সফলতাৰে কৰিবৰ কাৰণে সক্ষম হৈছে। জলসম্পদ বিভাগত, আগতে আমি দেখিছো যে কৰবাত মথাউৰী এটা চিঙি যায় তাৰ পিছত ১৫ বছৰ সেই মথাউৰী উন্মুক্ত হৈ থাকে, ১৫ বছৰ ধৰি সেই গাওঁ সমূহ বানপানীত দুব গৈ থাকে, চৰকাৰে এটা আঁচনি লৈ পুনৰ মঠাউৰীটো নিৰ্মাণ কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হয় কিন্তু ২০১৬ চনত আমাৰ চৰকাৰ খন ক্ষমতালৈ অহাৰ পিছত যি বছৰত মথাউৰী চিঙিছে সেই সময়ত তৎকালীন ভাৱে মথাউৰী নিৰ্মাণ কৰিবলৈ চৰকাৰ খনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। আমি কেৱল কেন্দ্ৰীয় চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ ওপৰত নিৰ্ভৰ নকৰি এই বছৰ ৰাজ্য চৰকাৰৰ নিজা পুঁজিৰে SOPD শিতানৰ অধীনত প্ৰায় ৬০০ কোটিত কৈ অধিক টকা খৰচ কৰি এই বানপানী প্ৰৱল অঞ্চল সমূহ বা গড়াখহনীয়া প্ৰতিৰোধ কৰি নৈ পৰীয়া ৰাইজক নিৰপত্তা দিবৰ কাৰণে আমি সক্ষম হৈছো। শেষত আহে ৰাজনৈতিক নিৰপত্তা, অসমৰ ৰাইজ এক ৰাজনৈতিক নিৰপত্তাহীনতাত ভোগি আহিছে, দশকৰ পিছত দশক ধৰি। ৩৬ টা দশক পাৰ হৈ গ'ল অসম চুক্তিৰ, সেই অসম চুক্তিত ৬ নং দফা লিখা থাকিল, কিন্তু সেই ৬ নং দফা ৩৬ টা বছৰে কোনেও, কাৰ্যকৰী কৰাৰ কাৰণে কোনো পদক্ষে পো নল'লে। কিন্তু আজি আমাৰ চৰকাৰ খনে এক দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে, অসম চুক্তিখন ৰূপায়ন কৰাৰ বাবে অসম আন্দোলনৰ সেই শ্বহীদ সকলৰ আত্মাৰ শান্তিৰ কাৰণে আৰু এই ৬ নং দফা কাৰ্যকৰী কৰি অসমৰ সমূহ খিলঞ্জীয়া ৰাইজক, অসমক এক ৰাজনৈতিক নিৰপত্তা প্ৰদান কৰাৰ কাৰণে অসম চৰকাৰ খনে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে। সেই কাৰণে মই

কব বিচাৰো যে আমাৰ চৰকাৰ খনৰ আটাইতকৈ ডাঙৰ সফলতা কি বুলি কলে আমাৰ আটাইতকৈ ডাঙৰ সফলতা হ'ল শান্তি আৰু নিৰাপত্তা। সেই শান্তি আৰু নিৰপত্তা চৰকাৰ খনে প্ৰতিষ্ঠিত কৰিবৰ কাৰণে সক্ষম হৈছে। যেতিয়া শান্তি আৰু নিৰাপত্তা নাথাকে তেতিয়া উন্নয়ন সম্ভৱ নহয়। শান্তি আৰু নিৰপত্তা প্ৰতিষ্ঠিত কৰিবলৈ চৰকাৰ খনে সক্ষম হৈছে কাৰণে আজি দুৰ্বাৰ উন্নয়ন অসমত হৈছে। কি গতিত অসমৰ উন্নয়ন হৈছে তাৰ যদি আমি বিচাৰ কৰিবলৈ যাওঁ বহুত দূৰলৈ যাব নালাগে, গণেশগুৰিত নিৰ্মীয়মান যিখন উৰণীয়া সেঁতু, সেই উৰণীয়া সেঁতুখনৰ নিৰ্মাণৰ গতিধাৰা যোৱা ২ মাহত কিমান হৈছে তাক চালেই আমি বুজিব পাৰো অসমত কি মাত্ৰাত, কি গতিত, কেনেকুৱা তৰিৎ গতিত অসমৰ উন্নয়ন হৈছে। মাননীয় অধ্যক্ষ মহোদয়, উন্নয়ন বুলি কলে কেৱল আমি ৰাস্তা-ঘাট নুবুজো, উন্নয়ন বুলি কলে আমি দুটা কথা স্পষ্টভাৱে বুজিব লাগিব। সেই দুটা হল - এটা আন্তঃগাঁঠনিৰ উন্নয়ন আৰু আনটো মানৱ সম্পদৰ উন্নয়ন। এই আন্তঃগাঁঠনিৰ উন্নয়নৰ লগে লগে মানৱ সম্পদৰ উন্নয়নৰ কাৰণেও চৰকাৰ খনে ব্যৱস্থা গ্ৰহণ কৰিছে। আমি যদি আন্ত গাঠনিৰ উন্নয়নৰ কথা চাওঁ কেৱল PMGSY ৰ অধীনত ১০,০০০ কি.মিটাৰ ৰাস্তা আমাৰ চৰকাৰ খনে বনাবলৈ সক্ষম হৈছে। কেৱল PMGSY ৰ অধীনত এক হাজাৰ খন পকী দলং নিৰ্মীয়মান অৱস্থাত বা তাৰে কিছু একাংশ নিৰ্মাণ সম্পূৰ্ণ হৈছে। কোনো চৰকাৰৰ দিনত কোনো কালে এক হাজাৰ খন পকী দলং এইখন অসমত নিৰ্মাণ হোৱা নাছিল। তাৰোপৰি, কেৱল PMGSY ৰ অধীনত হোৱা দলং সমূহেই নহয়, অন্যান্য আঁচনি যি সমূহ আছে RIDF হওঁক বা চেন্ট্ৰ'ল ৰোড ফাণ্ডৰ অধীনত হওঁক, সেই দলংসমূহ যদি আমি ইয়াৰ সংযোগ কৰো তেনেহ'লে আন ৭০০ খন পকী দলং আমাৰ চৰকাৰৰ দিনত নিৰ্মাণ হৈছে বা নিৰ্মীয়মান অৱস্থাত আছে। মানৱ সম্পদ উন্নয়নৰ কাৰণে এটা সময়ত আমাৰ যি উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল, সেই উচ্চ শিক্ষাৰ অনুষ্ঠান বিলাকে পুঁজিৰ অভাৱত তেওঁলোক কলমতীয়াই থাকে। মেডিকেল কলেজে যিমান পুঁজি পাব লাগে সিমান নাপায়। বিশ্ব বিদ্যালয় সমূহে যিমান পুঁজি পাব লাগে সিমান নাপায়। কিন্তু এই চৰকাৰ খন অহাৰ পিছত বিশেষ আঁচনি লৈ এই সকলো বিলাক শিক্ষানুষ্ঠানক জাকত জিলিকা কৰি গঢ়ি তোলাৰ কাৰণে কাৰ্যসূচী গ্ৰহণ কৰিলে, পুঁজি মোকোলাই দিলে। লক্ষিমপুৰত এখন ভেটেইনাৰী কলেজ বহু দিন আগতে প্ৰতিষ্ঠিত হৈছিল, কিন্তু সেই ভেটেইনাৰী কলেজখন বন্ধ হৈ গৈছে। Veterinary Council of India ৰ স্বীকৃতি বাতিল হৈ গৈছিল সেইখন কলেজৰ কাৰণে। কিন্তু এই খন চৰকাৰৰ তৎপৰতাৰ কাৰণে পুনৰ গঢ় লৈ উঠিল সেই লক্ষিমপুৰ ভেটেইনাৰী কলেজখনৰ আন্তঃগাঠনি আৰু যোৱা বছৰ আমি ভাৰত বৰ্ষৰ Veterinary Council of India ৰ পৰা সেই কলেজখনলৈ স্বীকৃতি লাভ কৰিলো, তাত নিৰপত্তা লাভ কৰিলে তাত পঢ়ি থকা ছাত্ৰ-ছাত্ৰী সকলে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগে লগে অন্যান্য যিবিলাক শিক্ষানুষ্ঠান আছে সেই শিক্ষানুষ্ঠান বা কলেজ সমূহ, গ্ৰাম্য অঞ্চলৰ কাৰণে যিবোৰ মহাবিদ্যালয় আছে সেই মহাবিদ্যালয় বিলাকে কেৱল UGCৰ পুঁজি পাইছে সেইটোৰে নহয় তেওঁলোকে ১ কোটি টকা পৰ্য্যন্ত পুঁজি আমাৰ চৰকাৰ খনৰ পৰা SOPD শিতানৰ অৰ্থাৎ ৰাজ্য চৰকাৰ খনে আহৰণ কৰা যি নিজৰ ৰাজহ বা নিজৰ যি পুঁজি, সেই নিজৰ পুঁজিৰ পৰা এই কলেজ সমূহ নিৰ্মাণ কৰিবৰ কাৰণে সক্ষম হৈছো। আজি অসমত যদি স্বাস্থ্য খণ্ডলৈ চাওঁ আমি জানো এটা সময়ত অসমত মেডিকেল কলেজ কেইখন আছিল বুলি কলে আমি ৩ খন মেডিকেল কলেজ আছিল বুলি জানো। সৌ সিদিনা মুকলি কৰা ডিফু মেডিকেল কলেজ খনক যদি ধৰো তেনেহলে আমাৰ ৭ খন মেডিকেল কলেজ। আৰু ৪ খন মেডিকেল কলেজ নিৰ্মীয়মান অৱস্থাত আছে। ১৯ খনকৈ কেন্সাৰ হস্পিটালৰ আৰম্ভ কৰিছে আমাৰ চৰকাৰ খনে,

আমাৰ চৰকাৰ খনৰ এই স্বাস্থ্য সেৱা কেৱল অটল অমৃততে সীমাবদ্ধ হৈ থকা নাই, কেৱল কেন্সাৰ ৰোগী সকলৰ কাৰণে কেন্সাৰ হস্পিটালতে সীমাবদ্ধতা হৈ থকা নাই, প্ৰত্যেক জন ৰোগীয়ে বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ ৰোগীয়ে বিনামূলীয়াকৈ সকলো ধৰণৰ চিকিৎসা চৰকাৰী মেডিকেল সমূহত যাতে লাভ কৰিব পাৰে তাৰ কাৰণে চৰকাৰ খনে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি কেইদিনমান আগত মোৰ ধেমাজীত Free Dialysis Centre মুকলি কৰিছে। Dialysis কৰিব লগীয়া ৰোগী, কিড্‌নীৰ বেমাৰ হলে কেনেকুৱা অনুভৱ হয়, কেনেকুৱা অৱস্থা হয় সেই ঘৰখনৰ মানুহে বুজি পায়। মোৰ পৰিয়ালত কিড্‌নিৰ ৰোগী আছে মই বুজি পাওঁ। আজি চৰকাৰ খনে প্ৰত্যেকখন চিভিল হস্পিটালত Free Dialysis Centre কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ শিশু সকল তেওঁলোকক নিৰপত্তা প্ৰদান কৰিব লাগে, ভেক্‌চিন দিব লাগে, সম্পূৰ্ণৰূপে বিনামূলীয়াকৈ মিছন ইন্দ্ৰধনুচৰ অধীনত সকলো শিশু চিটাকৰণৰ ব্যৱস্থা আমাৰ চৰকাৰ খনে কৰিছে। এই যি অবিৰত উন্নয়নৰ ধাৰা, ইয়াক আগুৱাই লৈ যোৱাটোৱেই আমাৰ কাৰণে এই মুহূৰ্তত  এই চৰকাৰখনৰ বহু ডাঙৰ সফলতা আৰু ইয়াক অধিক শক্তিশালী ৰূপত আগুৱাই লৈ যাব লাগিব।পকী দলং, ৰাষ্টা আদি ইটোৰ পাচত সিটো নিৰ্মাণ কৰিছে। এইমচ (AIMS), নতুন নতুন মেডিকেল কলেজ আদিৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। ইমানবোৰ পইছা কৰ পৰা পাইছে? মই বিশেষ ভাৱে অসম চৰকাৰৰ. বিত্ত বিভাগক ধন্যবাদ জনাব বিচাৰিছো। G.S.T. আহিলে আমাৰ অৰ্থনীতি ধ্বংস হৈ যাব, ৰাজহ কমি যাব বুলি বহু হুলস্থূল হৈছিল কিন্তু আজি তথ্যই প্ৰমাণ কৰিছে আৰু ৰাজ্যপালৰ ভাষণটো উল্লেখ আছে যে এই বছৰ আমাৰ নিজা ৰাজহ সংগ্ৰহ ১৭ শতাংশ বৃদ্ধি পাইছে। ১৭ শতাংশ ৰাজহ বৃদ্ধি পোৱা মানে আমাৰ চৰকাৰ খনে অধিক উন্নয়ণ কৰিবলৈ সক্ষম হৈছে। আমাৰ এটা প্ৰৱচন আছে যে - উদক ভেটা ৰখীয়া পাতিলে মাছ খাবলৈ নাপায় আৰু ফুটা টেমাত আমি তেল বা গাখীৰ আনিব নোৱাৰো। আগতে আমাৰ ৰাজহ সংগ্ৰহ  কম আছিল এতিয়া বাঢ়িছে। আমাৰ চৰকাৰে প্ৰতিটো পইছা প্ৰকৃত উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে আৰু সেই কাৰণে আমি ইমানবোৰ উন্নয়ণৰ কাম কৰিবলৈ সক্ষম হৈছো। দুখীয়া কইনাক আমি এটোলাকৈ সোণ দিয়াৰ কথা সেই কাৰণেই ভাবিব পাৰিছো, বিধবা মহিলাক পেঞ্চন দিয়াৰ লগতে সাৰ্বজনীন ভাৱে প্ৰতিজন বৃদ্ধক বৃদ্ধ পেঞ্চন দিয়াৰ কথা ভাবিব পাৰিছো আৰু বাগান অঞ্চলত এটকীয়া চাউল বিতৰণৰ কথা সেই কাৰণেই ভাবিব পাৰিছো বা কাম কৰিবলৈ সক্ষম হৈছো। আমি শিক্ষা ব্যৱস্থাত কলেজ পৰ্যায়লৈকে সম্পূৰ্ণৰূপে বিনামূলীয়া কৰিবলৈ সক্ষম হৈছো, পাঠ্যপুথি সম্পূৰ্ণৰূপে বিনামূলীয়া কৰিবলৈ সক্ষম হৈছো। মই চৰকাৰখনক অনুৰোধ জনাবলৈ বিচাৰিছো যে আমাৰ সমাজত বহুতো ছোৱালী আছে যি বিয়া নোহোৱাকৈ অৰ্থাৎ আবিয়ৈ হৈ থাকি যায়। এই ৪০ বছৰৰ উৰ্ধৰ আবিয়ৈ যি ছোৱালী আছে, তেওঁলোকক আগন্তুক বিত্তীয় বৰ্ষত মাহেকীয়া ভিত্তিত বানচ প্ৰদান কৰিবলৈ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়,যিহেতুকে অসমখন উদ্যোগ প্ৰধান দেশ নহয়, কৃষি প্ৰধান দেশ গতিকে আমাৰ দেশত অৰ্থনৈতিক বিকাশৰ কাৰণে কৃষিখণ্ডকে বুনিয়াদ হিচাপে লব লাগিব আৰু সেই কাৰণেই আমাৰ চৰকাৰখন ক্ষমতালৈ অহাৰ পাচতেই আমাৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই সঠিক ভাবেই "মূখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম উন্নয়ণ যোজনা" গ্ৰহণ কৰিলে আৰু প্ৰায় ২৬ হাজাৰ খন গাওঁৰ প্ৰতিখনতে একোখনকৈ ৰাজ সাহায্য যুক্ত ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰিলে আৰু দি আছে, কাৰণ আমি কেকোৰা নাঙলেৰে খেতি কৰি যে অৰ্থনৈতিক উন্নয়ণ কৰিব নোৱাৰো সেই কথাটো অনুধাৱন কৰিব পাৰিছে আৰু সেই কাৰণে এই চৰকাৰ খনে কৃষিখণ্ডত যান্ত্ৰিকীকৰণৰ (machanization of agricultlure) কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। জলসিঞ্চন আৰু কৃষি বিভাগে আতি সমন্বয়ৰে কাম

কৰি খেতিয়ক সকলক ২ লাখ টকীয়া Solar Pump ১৬/ ১৮ হাজাৰ টকাত বিতৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ৪০ হাজাৰ টকীয়া ৱাটাৰ পাম্প, হাজাৰ টকীয়া ডিজেল পাম্প বিতৰণৰ যোগেদি কৃষিখণ্ডত যান্ত্ৰিকীকৰণৰ ব্যৱস্থা কৰি আছো। তাৰোপৰি তাতেই সীমাবদ্ধ নাথাকি তাতোকৈ উন্নত প্ৰযুক্তি প্ৰৱৰ্তন কৰাৰ কাৰণে Drip Irrigation / Sprinkler Irrigation আদি কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছো। আমাৰ আগৰ চৰকাৰৰ দিনত কিবা কেলেংকাৰীত Veterinary Department টো আমাৰ চকুৰ আগতেই জহি- খহি গল। এই বিভাগটোৰ অধীনত কৰবাত কৰবাত বহুতো ফাৰ্ম আছিল। তাত থকা জীৱ -জন্তু বিলাকৰ অৱস্থা দেখিলে দুখ লাগে, খাবলৈ খাদ্য নাই । তাৰ বিষয়া কৰ্মচাৰী সকলক সোধোতে গম পালো যে চৰকাৰে জীৱ- জন্তু ৰাখিবলৈ বিল্ডিং বনাই দিলে, পশু ধন আনি বিল্ডিঙত ভৰাই দিলে কিন্তু তেওঁলোকৰ হাতত খাদ্য কিনিবলৈ পইছা নাই। এতিয়া আমাৰ চৰকাৰ খনে অলপতে Financial Standard Operating System বুলি এটা নতুন নীতিVeterinary Department ৰ কাৰণে গ্ৰহণ কৰিছে, যিটো নীতিৰ জড়িয়তে চৰকাৰৰ অধীনত থকা প্ৰতিখন ফাৰ্ম আমি সুন্দৰভাৱে পৰিচালনা কৰিবৰ বাবে পদক্ষেপ লবলৈ সক্ষম হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম খন এদিন এনেকুৱা এটা অৱস্থাত আছিল যে আমাৰ মানুহ ভেল'ৰলৈ চিকিৎসা কৰিবলৈ যায় কিন্তু থাকিবলৈ ঘৰ এটা নাই। কলিকতালৈ গলেওঁ অসম হাউচত থাকিবলৈ পৰ্যাপ্ত কোঠা নাই। শ্বিলং এসময়ত অসমৰ ৰাজধানী আছিল। শ্বিলঙৰ অসম ভৱনটো মাত্ৰ কেইটামান ৰুম। আমি গ'লেও থাকিবলৈ ৰুম নাপাওঁ। কিন্তু এইখন চৰকাৰ অহাৰ পিছত দিল্লীৰ দ্বিতীয়টো অসম ভৱন সম্পূৰ্ণ হৈছে, চেন্নাইটো ভৱন সম্পূৰ্ণ কৰি মুকলি কৰা হৈছে। বাংগালৰু আৰু ভেল'ৰৰ ভৱন নিৰ্মীয়মান অৱস্থাত আছে। ইও সম্পূৰ্ণ হোৱাৰ পথত। মাননীয় অধ্যক্ষ মহোদয়, মই শেষত এটা কথা কব বিচাৰো যে যদি আমাৰ দক্ষতা, প্ৰযুক্তি, কৰ্মসংস্কৃতি নাথাকে, তেতিয়াহ'লে কেৱল ৰাজপথত আন্দোলন কৰি, নৃত্য-গীতেৰে আমাৰ জাতিটোক সুৰক্ষিত কৰিব নোৱাৰি। উৎসৱ আৰু বন্ধ প্ৰৱনতাই এখন দেশক বা জাতিক সুৰক্ষিত কৰিব নোৱাৰে । এখন দেশক বা জাতিক সুৰক্ষিত কৰিবলৈ হ'লে আমাৰ দক্ষতা বৃদ্ধি কৰিব লাগিব, প্ৰযুক্তি আনিব লাগিব আৰু এক কৰ্মসংস্কৃতি গঢ়িতুলিব লাগিব। আমাৰ চৰকাৰখনে এইক্ষেত্ৰত অবিৰতভাৱে কাম কৰি আছে। মই চৰকাৰক আহ্বান জনাম এনেকুৱা আৰু আঁচনি লওঁক যাৰ জড়িয়তে প্ৰতিজন যুৱকক, প্ৰতিগৰাকী যুৱতীক হাতে-কামে অসম নিৰ্মাণত নিয়োজিত কৰিব পাৰো। আমি এই কাৰণে এক্ট-ইষ্ট-পলিচি লৈছো যে আমি এটা নাদৰ ভিতৰত, অসম নামৰ দেশখনৰ ভিতৰত সীমাবদ্ধ হৈ থাকিলে নহ'ব, চাৰিওফালৰ লগত আমি সংযোগ স্থাপন কৰিবলাগিব। ইয়াৰ বাবে এক কৰ্মসংস্কৃতি গঢ়িতুলিব লাগিব, স্কীল ডেভ'লপমেন্টৰ কাৰ্যসূচীক আমি আগুৱাই নিব লাগিব। এন্টাৰপ্ৰিনাৰশ্বিপ ডেভ'লপমেন্টক আমি লবলাগিব। চৰকাৰখনে এই উদ্যমিতা বিকাশৰ ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে। আগন্তুক দিনবিলাকত এই উদ্যমিতা বিকাশ আৰু বেছি তৰান্বিত কৰাৰ কিছু আঁচনি চৰকাৰখনে নিশ্চিতভাৱে গ্ৰহণ কৰিব। চৰকাৰখনে অকলে কৰিব নোৱাৰে। গতিকে ৰাইজৰ লগতে আমি সকলো নিৰ্বাচিত প্ৰতিনিধি সকলেও এন্টাৰপ্ৰিনাৰশ্বিপ ডেভ'লপমেন্ট কৰাৰ কাৰণে, স্কীল ডেভ'লপমেন্ট কৰাৰ কাৰণে, এটা ৱৰ্ক-কালচাৰ গঢ়ি তোলাৰ কাৰণে আমি সকলোৱে যদি মিলিত হৈ কাম কৰো নিশ্চিতভাৱে আমি সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে এখন জাকত জিলিকা অসম গঢ়ি তুলিবলৈ সক্ষম হ'ম আৰু তাৰ বাবেই এই দিশত আমাৰ চৰকাৰখনে নিৰবিচ্ছিন্ন আৰু অবিৰত ভাৱে কাম কৰি আছে। কিন্তু, এই উন্নয়নক স্থিৰিৰ কৰাৰ বাবে বহুতো কাম-কাজ হৈছে। এই উন্নয়ন

যদি স্থবিৰ হয়, আনকি ইয়াৰ গতিধাৰা যদি মন্থৰো হয়, তেন্তে আমি যথেষ্ট ভাৱে ক্ষতিগ্ৰস্ত হ'ম। বৰ্তমান সময়ত সমগ্ৰ অসমত উন্নয়ন, ঔদ্যোগীকৰণ আৰু বাণিজ্য বৃদ্ধি কৰাৰ বাবে এক পৰিৱেশ গঢ় লৈ উঠিছে। আমি জানো, নুমলীগড় ৰিফাইনেৰীৰ ক্ষমতা বৃদ্ধিৰ বাবে মাননীয় প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত ইচ্ছা তথা প্ৰচেষ্টাত বৰ্তমানৰ চৰকাৰখনে ২৩ হাজাৰ কোটি টকা পৰ্যন্ত বিনিয়োগ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এসময়ত অসমৰ তেল বাৰাউনীলৈ যোৱা বুলি আমিয়েই দাবী উত্থাপন কৰিছিলো । কিন্তু এতিয়া উৰিষ্যাৰ পাৰাদ্বীপৰ পৰা পাইপ লাইনেৰে নুমলীগড়ত খাৰুৱা তেল যোগানৰ যি পদক্ষেপ বৰ্তমানৰ চৰকাৰখনে গ্ৰহণ কৰিছে, মই ভাৱো, ই এক বৃহৎ পৰিৱৰ্তন। ইয়াৰ জৰিয়তে আমাৰ দেশখন ঔদ্যোগীকৰণ আৰু বাণিজ্যিকীকৰণৰ দিশত আগবাঢ়িছে আৰু ইয়াক আগুৱাই লৈ যোৱাৰ বাবে আমাৰ চৰকাৰখনে যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। দেশৰ নিজস্ব ৰাজহ আহৰণ বৃদ্ধি কৰি আমাৰ চৰকাৰখনে নিজৰ দক্ষতা প্ৰমাণ কৰিছে। লগতে, চৰকাৰখন পৰিচালনা কৰাৰ বাবে আমাৰ দল, আমাৰ মিত্ৰজোঁট যে সুযোগ্য সেয়াও প্ৰমাণিত হৈছে। এই কাম আমি খুব সততা আৰু নিষ্ঠাৰে পালন কৰিছো আৰু ইয়াৰ দ্বাৰা আমি নিশ্চিত ভাৱে দেশখনক আগুৱাই লৈ যাম। আজি ৰাজ্যপাল মহোদয়ৰ যি ভাষণ আছিল সেই ভাষণক ধন্যবাদ জ্ঞাপন কৰি সকলো সদস্যই এই প্ৰস্তাৱ গৃহীত কৰাৰ বাবে আহ্বান জনাই মই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ আজিৰ যি ভাষণ, তাক আমি বিৰোধিতা কৰিছো। প্ৰথমে, যোৱা মাহত যি পাঁচজন লোক শ্বহীদ হৈছিল, তেওঁলোকক আমি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

যোৱা সময়ছোৱাত আপোনালৈ আমাৰ কেইবাবাৰো অনুৰোধ আছিল যে বিধান সভাত 'কা' ৰ বিষয়ে আলোচনাৰ বাবেখন বিশেষ অধিবেশন অনুষ্ঠিত কৰিব লাগে। কিন্তু, যিকোনো কাৰণবশতঃ সেয়া সম্ভৱ নহ'ল। সেয়েহে, এই বিষয়ত কিছু কথা ৰাজ্যপালৰ ভাষণৰ সংশোধনীৰ যোগেৰে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মাননীয় সদস্য ৰণোজ পেগু ডাঙৰীয়াই তেখেতৰ বক্তব্যত পূৰ্বৰ চৰকাৰৰ আঁচনিৰ কথাও কোৱা শুনিলো যিবোৰ 'নতুন বটলত পুৰণা মদ' ভৰোৱাৰ দৰে কথা। বিশেষকৈ, তেখেতে কৈছে যে যোৱা ৩৬ বছৰত অসম চুক্তি ৰূপায়ণৰ বাবে কোনো কামেই কৰা হোৱা নাই। কিন্তু, অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত থকা প্ৰথম কেইটামান শাৰীত উল্লেখ কৰিছে যে- বিগত তিনিটা দশকত অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। কিন্তু সম্প্ৰতি তাৰ বিপৰীত ছবি এখনহে প্ৰতিফলিত হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, নানা জাতি-উপজাতি, ভাষা-সংস্কৃতি আৰু ধৰ্মৰে অলংকৃত কৰা ভাৰতবৰ্ষৰ অসম এক ক্ষুদ্ৰ সংস্কৰণ। বৰ্তমান সময়ত গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল অসমীয়া কোন ? পূৰ্বৰে পৰা কিন্তু অসমীয়াৰ পৰিচয় ভাষাৰ ভিত্তিত নিৰ্ণয় হৈ আহিছে । ধৰ্ম, খাদ্যভাষ আদিৰ ভিত্তিত নহয়। অসম বুলি ক'লে প্ৰথমে নাম ল'ব লাগিব চাওলুং চুকাফাৰ, যি গৰাকী স্বনামধন্য ব্যক্তিয়ে 'বৰ অসম' গঢ়ি থৈ গৈছিল। পৰৱৰ্তী সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ ৰাইজৰ মাজত নতুন আধ্যাত্মিক চেতনা জগাই তোলাই নহয়, ভাষা, কলা-সংস্কৃতিৰ এক নতুন ভেটি গঢ়ি থৈ গৈছিল। মন কৰিবলীয়া কথাটো হ'ল যে, মহাপুৰুষ গৰাকীয়ে সকলো জাতি-জনজাতিৰ লোকক আকোঁৱালি লোৱাৰ লগতে ইছলাম ধৰ্মাৱলম্বী চান্দসাইকো শিষ্য হিচাবে গ্ৰহণ কৰিছিল। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ লগতে অসমৰ মানুহৰ মাজত সমন্বয়ৰ বাণী বিলোৱা আজান পীৰৰ নামো সদায়

অসমত লৈ অহা হৈছে। ঠিক তেনেদৰে, মোগলৰ আক্ৰমণ প্ৰতিহত কৰা বীৰ লাচিত বৰফুকনৰ নাম ল'লে বাঘ হাজৰিকাৰো নাম লওঁ যাৰ প্ৰকৃত নাম ইচমাইল ছিদ্দিক। বৃটিছৰ বিৰুদ্ধে অসমত হোৱা বিপ্লৱৰ কথা উনুকিয়ালে মণিৰাম দেৱান, পিয়লি ফুকন, কুশল কোঁৱৰ আদিৰ লগতে বাহাদুৰ গাওঁবুঢ়াৰ নামো অতি গৌৰৱেৰে উল্লেখ কৰো। এয়াই হ'ল অসমৰ ঐতিহ্য।

অতি দুৰ্ভাগ্যৰ কথা যে, সাম্প্ৰতিক সময়ত অসমত এই সমন্বয় ধৰ্মীয় মেৰুকৰণৰ দ্বাৰা ধ্বংস কৰিবলৈ শাসকীয় পক্ষৰ পৰা এক প্ৰচেষ্টা চলোৱা হৈছে। হিন্দুত্বত বিশ্বাস কৰা সকলৰ এইটো অতি পুৰণি চিন্তা ধাৰা। ১৯৩৭ চনতে বিনায়ক দামোদৰ চাভাৰকাৰে ধৰ্মৰ ভিত্তিত দেশ বিভাজন হোৱাৰ বাবে দাবী উত্থাপন কৰিছিল আৰু ১৯৪০ চনত মুছলীম লীগৰ সভাত তেওঁৰ লগত সুৰ মিলাই মহম্মদ আলী জিন্নাই পাকিস্তানৰ দাবী উত্থাপন কৰিছিল। এটা কথা এই পবিত্ৰ সদনত স্পষ্ট কৰি দিয়াটো প্ৰয়োজনীয় বুলি মই অনুভৱ কৰো যে হিন্দু ধৰ্ম আৰু হিন্দুত্বৰ মাজত এক বুনিয়াদী প্ৰাৰ্থক্য আছে। আন ধৰ্মৰ দৰে হিন্দু ধৰ্মৰ কোনো নিৰ্দিষ্ট প্ৰতিস্থাপক নাই। ই এটা হাজাৰ-হাজাৰ বছৰ পুৰণি জীৱন শৈলী আৰু এনেভাৱেই মহামান্য উচ্চতম ন্যায়ালয়েও স্বীকৃতি দিছে। হিন্দু ধৰ্ম কোনো এখন নিৰ্দিষ্ট ধৰ্ম গ্ৰন্থৰ বিপৰীতে বেদ, পুৰাণ, উপনিষদ, বেদান্ত আদি নানা পুথিৰ ওপৰত আধাৰিত। ঋক বেদৰ কালৰ পৰাই হিন্দু ধৰ্মই মানি চলিছে যে "নানা মুনি, নানা মত", ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল- "য'ত মত, ত'ত পথ" আৰু অন্যান্য সকলে মানে - "বসন্ধৈব কুটুমম্বকম" অৰ্থাৎ সমগ্ৰ পৃথিৱীৰ সকলো মানুহ ইজন সিজনৰ কুটুম। আনহাতে, হিন্দুত্ব এটা ঠেক গণ্ডীৰ চিন্তা ধাৰা যাক প্ৰথমবাৰ ১৯২৩ চনত বিনায়ক দামোদৰ চাভাৰকাৰে ব্যক্ত কৰিছিল। হিন্দুত্ববাদীৰ ১৯২৮ চনত প্ৰকাশিত এখন মাৰ্গ দৰ্শক পুথি আছে, যিখনৰ নাম 'Hinduttva: Who is a Hindu?'। হিন্দুত্ববাদীয়ে আন ধৰ্মালম্বী লোকক হয় ঘৃণা কৰে, নহয় ভয় কৰে। হিন্দুত্ববাদীয়ে হিন্দুৰ ধৰ্ম-নিৰপেক্ষ সত্ত্বাটোৰ বিৰোধিতা কৰে। এনে চিন্তা ধাৰাৰ লগত সমন্বয় ৰাখি এতিয়া অসমত এচাম লোকক দানৱ সজাৰ অহৰহ প্ৰচেষ্টা চলোৱা হৈছে। ভাষাৰ ভিত্তিত সমাজত বিভাজন সৃষ্টি কৰা হৈছে। ধৰ্মীয় সংখ্যালঘু লোকে অসম তথা অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত ভাবুকি প্ৰদান কৰিছে বুলি শাসকীয় দলে ৰাইজক পতিয়ন নিয়াব বিচাৰিছে। এই গোকাট মিছা কথাটো প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে যে- পূৰ্ব বংগীয় মূলৰ ধৰ্মীয় সংখ্যালঘু লোকক কংগ্ৰেছ চৰকাৰে অসমলৈ আনিলে। কিন্তু পূৰ্ববংগীয় মূলৰ ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু লোকৰ প্ৰব্ৰজন বৃটিছৰ শাসন কালতে অসমত আৰম্ভ হৈছিল। বৃহত্তৰ অসমীয়া সমাজত তেখেত সকলৰ চামিলকৰণ প্ৰক্ৰিয়াও বৃটিছ শাসন কালতে আৰম্ভ হৈছিল। সেই কাৰণে প্ৰয়াত বেণুধৰ ৰাজখোৱা, জ্ঞানদাভিৰাম বৰুৱা, অম্বিকাগিৰী ৰায় চৌধুৰী, ৰজনীকান্ত বৰদলৈ, কালিৰাম মেধি প্ৰমুখ্যে অসম সাহিত্য সভাৰ কেইবাগৰাকী প্ৰাক্তন সভাপতিয়ে দেশ স্বাধীন হোৱাৰ পূৰ্বে আৰু স্বাধীন হোৱাৰ পিছত পূৰ্ববংগীয় মূলৰ ধৰ্মীয় সংখ্যালঘু লোকে অসমীয়া ভাষা আপোন কৰি লোৱাৰ পোষকতা কৰিছিল আৰু বিভিন্ন সময়ত অসমৰ অৰ্থনীতি তথা ভাষাৰ প্ৰতি তেওঁলোকৰ অৱদানক স্বীকৃতি দিছিল।

এই বুৰঞ্জীগত সত্যৰ ভিত্তিতে অসম আন্দোলনৰ অন্তত তদানীন্তন প্ৰধান মন্ত্ৰী তথা কংগ্ৰেছ দলৰ সভাপতি ৰাজীৱ গান্ধী ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত ১৯৮৫ চনত ঐতিহাসিক অসম চুক্তি স্বাক্ষৰ কৰা হৈছিল। চুক্তিখন স্বাক্ষৰ হোৱাৰ বাট প্ৰশস্ত কৰিবলৈ সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বিনাদ্বিধাই পদত্যাগ কৰিছিল। অসমৰ ধৰ্ম নিৰপেক্ষ সত্বাটোক অসম আন্দোলনৰ নেতৃত্বই সন্মান কৰিছিল বাবেই অসম চুক্তিত সন্নিবিষ্ট ২৫ মাৰ্চ ১৯৭১ৰ বিদেশী চিনাক্তকৰণ তথা বিতাড়ণৰ ক্ষেত্ৰত যি সময়সীমা নিৰ্ধাৰণ কৰা হ'ল, তাত

অবৈধ প্ৰব্ৰজনকাৰীৰ ধৰ্ম অথবা ভাষাক গুৰুত্ব দিয়া হোৱা নাছিল। শাসকীয় পক্ষই যিমানেই অপপ্ৰচাৰ নকৰক কিয়, বিগত ৩ দশকৰ অধিক কাল কংগ্ৰেছ দলে অসম চুক্তিৰ letter and spirit উলংঘা কৰাৰ কোনো পদক্ষেপ লোৱা নাই। ২০০৫ চনত IMDT আইন বাতিল হোৱাৰ পিছত কংগ্ৰেছ নেতৃত্বাধীন কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাই ত্ৰিপাক্ষিক বৈঠকত লোৱা সিদ্ধান্ত মৰ্মে অসম চুক্তি অনুসৰি ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে মাননীয় উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত এন.আৰ.চি. প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। সেই প্ৰক্ৰিয়াটোও আবেদনকাৰীৰ ধৰ্ম ভিত্তিত কৰা হোৱা নাই। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে উন্নীতকৰণ কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখনত কিছু আসোঁৱাহ আছে বুলি ভাবে আৰু এই আসোঁৱাহ সমূহ আইনী প্ৰক্ৰিয়াৰ দ্বাৰা দূৰ কৰিব পৰা বিধৰ বুলি গণ্য কৰে আৰু সেইবাবে নথিখনত নাম অন্তৰ্ভুক্ত নোহোৱা প্ৰকৃত ভাৰতীয় নাগৰিক সকলক সকলো ধৰণৰ সহায় আগবঢ়াবলৈ সংকল্পবদ্ধ।

২০১৬ চনত বিজেপি দলে কৈছিল যে অসমত বিধান সভা নিৰ্বাচনত দলটো জয়ী হ'লে অবৈধ প্ৰব্ৰজনকাৰী সকল টালি-টোপোলা বান্ধি ইয়াৰ পৰা যাব লাগিব, অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰিব, যিটো তেওঁলোকৰ ভিজন ডকুমেণ্টত উল্লেখ আছে।। কিন্তু, ভাৰত তথা অসমৰ ধৰ্ম নিৰপেক্ষ সত্তাৰ বিপৰীতে গৈ এতিয়া বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে 'নাগৰিকত্ব সংশোধনী আইন, ২০১৯' ('কা') অসমৰ ওপৰত জাপি দিলে আৰু একাংশ অবৈধ প্ৰব্ৰজনকাৰীক নাগৰিকত্ব দিবলৈ ওলাইছে।। 'নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬' ৰ সংক্ৰান্তত যিখন যুটীয়া সংসদীয় কমিটি অথবা জে.পি.চি. গঠন কৰা হৈছিল সেই কমিটিৰ অধ্যক্ষ ৰাজেন্দ্ৰ আগৰৱালা আৰু অন্যান্য সদস্যসকলে গুৱাহাটী, শিলচৰ আৰু শ্বিলং ভ্ৰমণ কৰাৰ সময়ত অসমৰ বিভিন্ন ৰাইজে তেখেত সকলক প্ৰায় ৯ হাজাৰ লিখিত আবেদন অসমৰ বিভিন্ন ৰাইজে প্ৰদান কৰিছিল আৰু জেপিচিত আলোচনা হোৱা ৩৭ টা দিশৰ ভিতৰত ৩৪টা দিশেই বিধেয়কখনৰ বিৰুদ্ধে আছিল। মাত্ৰ কেইটামান পইন্টহে আছিল বিধেয়কখনৰ সপক্ষে। গৰিষ্ঠ সংখ্যক লোকে বিৰোধিতা কৰা স্বত্বেও মোডী চৰকাৰে 'কা' জাপি দি অসমৰ ভাষা-সংস্কৃতি ধ্বংসকাৰী এক পদক্ষেপ ল'বলৈ কোনো কুণ্ঠাবোধ নকৰিলে।

এই আইনখনৰ প্ৰণয়ণ কৰাৰ উদ্দেশ্যটোৱেই নিকৃষ্ট আৰু বিভেদগামী। আফগানিস্তানৰ ধৰ্মীয় সংখ্যালঘু লোকক ইয়াৰ আওতাত ৰখা হৈছে কিন্তু চুবুৰীয়া শ্ৰী লংকা, ভূটান আৰু ম্যানমাৰত ধৰ্মৰ ভিত্তিত উৎপীড়নৰ বলি হোৱা হিন্দু, খ্ৰীষ্টিয়ান আদি লোকসকলক এই আইনৰ আওঁতাৰ বাহিৰত ৰখা হৈছে। শ্ৰী অমিত শ্বাহ আৰু শ্ৰী বাবুল সুপ্ৰিয় এই কেন্দ্ৰীয় মন্ত্ৰীদ্বয়ে ঘোষণা কৰিছে যে 'কা' ৰ অধীনত নাগৰিকত্বৰ বাবে আবেদন কৰা লোকে কোনো নথি-পত্ৰ প্ৰমাণ হিচাবে দিব নালাগিব। ইয়াৰ মানে হ'ল যে ৩১ ডিচেম্বৰ ২০১৪ ৰ চৰম সীমাটো দৰাচলতে অৰ্থহীন। কাৰণ আজিৰ তাৰিখত বাংলাদেশৰ পৰা অসমত প্ৰৱেশ কৰা লোকেও ভুৱা তথ্যৰ শপতনামা দাখিল কৰি অনায়াসে ভাৰতীয় নাগৰিকত্ব ল'ব পাৰিব। মুখ্যমন্ত্ৰী প্ৰমুখ্যে শাসকীয় দলৰ নেতাসকলে দাবী কৰি আছে যে 'কা' ৰ সুবিধা লৈ নাগৰিকত্ব আহৰণ কৰা লোকৰ সংখ্যা নগণ্য হ'ব। কিন্তু মই উল্লেখ কৰিব বিচাৰো যে গোবিন্দ চন্দ্ৰ প্ৰামাণিক আৰু ৰবীন্দ্ৰ ঘোষ আদি বাংলাদেশৰ হিন্দু নেতাসকলে ৰাজহুৱাকৈ ঘোষণা কৰিছে যে 'কা' সুবিধা লৈ ১.৫ কোটিৰ পৰা ১.৮ কোটি হিন্দু বাংলাদেশী ভাৰতলৈ আহিব। মুঠৰ ওপৰত এনে বিকৃত যুক্তিৰ সহায় লৈ এতিয়া অসমৰ ৰাইজক বুজাবলৈ চেষ্টা কৰা হৈছে যে 'কা' উত্তৰ পূবৰ আন ৰাজ্য সমূহৰ লগতে অসমৰ ৭খন পাহাৰীয়া জিলাৰ বাবে বেয়া, কিন্তু অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বাকী কেইখন জিলাৰ বাবে মকৰধ্বজ স্বৰূপ।

যোৱাকালি অমিত মালো যিজন বি জে পি ৰ IT Cell ৰ Head.তেখেতে এটা তথ্য

দিছে যিটো তেওঁৰ মতে ঢাকা ট্ৰিবিউনৰ নৱেম্বৰ ২০, ২০১৬ ত উল্লেখ হৈছিল আবুল বৰকত নামৰ এজন Economist, ঢাকা University ৰ lecturer য়ে কৈছে, ১৯৭১ ৰ পৰা ১৯৮১ লৈকে প্ৰতিদিনে গড়ে ৫১২ জনকৈ লোকে ভাৰতত অনুপ্ৰৱেশ কৰিছে। ১৯৮১ ৰ পৰা ১৯৯১ লৈ প্ৰতিদিনে গড়ে ৪৩৮ জন। ১৯৯১ ৰ পৰা ২০০১ লৈ ৭৬৭ জন আৰু ২০০১ ৰ পৰা ২০১২ প্ৰতিদিনে গড়ে ৭৭৪ জন। এতিয়া এই কথাটো কোৱা হৈছে নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ধন্যবাদ দিব যে তেখেতে এই কামটো কৰিলে আৰু মোৰ মতে মমতা বেনাৰ্জীক 'কা' অপোচ কৰাৰ কাৰণে গৰিহণা দিব লাগিব।

**'কা' ৰ আসোঁৱাস সমূহ** ঃ মহোদয়, 'কা' গ্ৰহণযোগ্য নোহোৱাৰ বহুকেইটা মূল কথা আছে। এটা হ'ল অসম তথা অসম চুক্তি কেন্দ্ৰীক দিশ।

প্ৰথমে, 'কা' য়ে বিদেশী চিনাক্তকৰণ তথা বিতাড়ণৰ ক্ষেত্ৰত নতুনকৈ ২০১৪ চনৰ সময়-সীমা বান্ধি দি ১৯৮৫ চনৰ অসম চুক্তিত সন্নিবিষ্ট ১৯৭১ চনৰ সময়সীমা নসাৎ কৰিছে। চৰকাৰী পক্ষই সততে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণ কৰাৰ টোপ দি আছে। অসমৰ ৰাইজক এই ৪৩ বছৰ বৰ্ধিত চৰম সীমাটো গ্ৰহণ কৰাব বিচাৰিছে। কিন্তু অসম চুক্তিত অসমৰ ৰাইজক যি ৰাজনৈতিক অধিকাৰৰ লগতে ভাষিক, সাংস্কৃতিক আদি অধীকাৰ ৰক্ষাৰ বাবে সাংবিধানিক ৰক্ষা কবচৰ প্ৰতিশ্ৰুতি এই বাবে দিয়া হৈছিল সেই কথাখিনি অসমে ভাৰতৰ আন ৰাজ্যৰ তুলনাত ১৯৭১ চনৰ চৰম সীমাৰ দ্বাৰা প্ৰায় ২০ বছৰৰ অধিক কাল বিদেশীৰ বোজা গ্ৰহণ কৰাৰ বাবেহে দিয়া হৈছিল। এই ৰক্ষা কৱচ ২০১৪ চনৰ ৩১ ডিচেম্বৰ পৰ্য্যন্ত লাখ লাখ অতিৰিক্ত বিদেশীৰ বোজা লোৱাৰ বাবে নিচুকণি কেতিয়াও হ'ব নোৱাৰে।

দ্বিতীয়তে, আইনখন অসমৰ ইতিমধ্যে বিপন্ন জনগাঁথনি তথা আৰ্থ-সামাজিক ব্যৱস্থা ধ্বংস কৰাৰ এক প্ৰয়াস। সেই কাৰণে আইনখন অসম চুক্তিৰ ৬ নং দফাৰ পৰিপন্থী।

তৃতীয়তে, RAW ৰ দ্বাৰা আশংকা প্ৰকাশ কৰা হৈছিল Join Perliamentary Committee য়ে 'কা' ৰ সুবিধা লৈ বিদেশী এজেন্টে ভাৰতত প্ৰৱেশ কৰি ভাৰতৰ সুৰক্ষাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পাৰে।

'কা' মানি ল'ব নোৱাৰাৰ সাংবিধানিক তথা আইনী দিশো আছে। অসমক বাদ দি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ইয়াৰ প্ৰতিবাদ কৰি আছে। ইয়াৰ কাৰণ হ'ল যে ইয়াৰ কিছুমান অসাংবিধানিক দিশ আছে। মই যি বুজিছো, আইনখনে ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদো উলংঘা কৰাৰ লগতে সংবিধানৰ ১৪ নং অনুচ্ছেদ উলংঘা কৰিছে, য'ত কোনো দেশী বা বিদেশী লোকৰ ক্ষেত্ৰত বৈষম্য কৰা নহ'ব বুলি স্পষ্ট কৈ উল্লেখ আছে। ইয়াৰ উপৰি এই অনুচ্ছেদে Class Legislation বাৰণ কৰিছে। যিহেতু ৰাজ্য সভাত এক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট চুবুৰীয়া দেশত ধৰ্মৰ ভিত্তিত নিপীড়িত হোৱা লোকৰ তথ্য নাই বুলি স্বীকাৰ কৰিছে সেই হেতুকে এই আইনখন Class Legislation ৰ শাৰীত নপৰে। নাগৰিকত্ব দিবলৈ বিচৰা লোকসকলৰ মাজত ধৰ্মৰ ভিত্তিত বৈষম্য কৰা আৰু শ্ৰী লংকাৰ নিপীড়িত তামিল হিন্দু সকলক আইনখনৰ আওঁতাৰ পৰা বাহিৰত ৰখা হেতুকে এই আইনখন Reasonable Classification ৰ মাপ-কাঠিতে উত্তীৰ্ণ নহয়।

Kesavananda Bharati, Minerva Mills, S.R. Bommai আদি গোচৰত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়দানৰ পৰিপ্ৰেক্ষিতত 'কা' য়ে ধৰ্মৰ ভিত্তিত নাগৰিকত্ব প্ৰদান কৰিবলৈ বিচাৰি ভাৰতীয় সংবিধানৰ বুনিয়াদী ধৰ্ম নিৰপেক্ষ চৰিত্ৰৰ ওপৰত আঘাট হানিছে। সেই হেতুকে এই আইনখন Colourable Legislation ৰ শাৰীত পৰিব। অৰ্থাৎ কাৰ্য্যপালিকাই

নিজৰ এক্তিয়াৰ চেৰায় গৈ সংবিধান বিৰোধী কোনো আইন পিছ দুৱাৰেদি প্ৰৱৰ্তন কৰা কাৰ্য্য। চৰকাৰৰ মন্ত্ৰী বিধায়কসকলে দাৱী কৰিছে যে অসমত 'কা' বিৰোধীতা কৰা হিংসাত্মক ঘটনাত তৃতীয় পক্ষ ৰূপে কংগ্ৰেছ জড়িত আছিল। মই ক'ব বিচাৰো যে আন্দোলনটোক ন্যাতিবাচক ৰূপ দিয়াৰ বাবে চৰকাৰে নিজে এজেন্ট মেলি দিছিল । ইতিমধ্যে দুই এজন বি জে পি ৰ লোকো ঘৰ দুৱাৰ জ্বলাই দিয়া কাৰ্য্যত পুলিচে গ্ৰেপ্তাৰ কৰা বুলি বাতৰি কাকতত প্ৰকাশ পাইছে। কংগ্ৰেছ দলে হিংসা কেতিয়াও সমৰ্থন কৰা নাই ভৱিষ্যতেও নকৰে আৰু যিসকলে প্ৰতিবাদৰ সময়ত হিসাংত্মক কাৰ্য্য সংঘটিত কৰাৰ প্ৰমাণ পোৱা গৈছে তেখেতসকলক জাতি, ধৰ্ম, দল বিচাৰ নকৰাকৈ কঠোৰ শাস্তি দিয়া হওঁক। হিংসাক প্ৰশ্ৰয় দিয়া প্ৰসঙ্গত মই এই কথাও ক'ব লাগিব যে প্ৰতিবাদৰ সময়ত মোৰ বাহনখনৰ ওপৰতো কিছু দুস্কৃতিকাৰীয়ে আক্ৰমণ চলাইছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লণ্ডনৰ প্ৰতিবাদত প্ৰৱাসী অসমীয়া সকলক পাকিস্তানী এজেন্ট বুলি অভিহিত কৰিছে। মহাৰাষ্ট্ৰৰ এজন বি জে পি সাংসদে অসমৰ সত্ৰীয়া অসমীয়া সংস্কৃতিৰ পীঠভূমি মাজুলিত কেৱল বাংলাদেশী প্ৰৱজনকাৰী থাকে বুলিহে প্ৰলাপ বকিছে। ইয়াৰ উদ্দেশ্য হ'ল শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰা অসমীয়া সকলক অপমান কৰা। ন দি ক'ব পাৰি যে, আইনখনে ভাৰতীয় সংবিধানৰ ৫ নং অনুচ্ছেদৰ পৰা আৰম্ভ কৰি ১১ নং অনুচ্ছেদত নাগৰিকত্ব প্ৰদান সম্পৰ্কীয় নিয়ম উংলঘা কৰিছে।

**Negative steps by Govt.** ঃ চৰকাৰৰ মন্ত্ৰী-নেতাই দাবী কৰিছে যে, অসমত 'কা' বিৰোধী প্ৰতিবাদৰ সময়ত হোৱা হিংসাত্মক ঘটনাত 'তৃতীয় পক্ষ' ৰূপে কংগ্ৰেছ জড়িত আছিল। মই ক'ব বিচাৰো যে আন্দোলনটোক নেতিবাচক ৰূপ দিয়াৰ বাবে চৰকাৰে নিজে এজেন্ট মেলি দিছিল। কংগ্ৰেছ দলে হিংসাক কেতিয়াও সমৰ্থন কৰা নাই আৰু ভৱিষ্যতেও নকৰে। মই ১০ ডিচেম্বৰ ২০১৯ তাৰিখেই বিবৃতিযোগে আন্দোলনটো শান্তিপূৰ্ণ কৰিবলৈ ৰাইজক আহ্বান জনাইছিলো আৰু এই আহ্বান বাতৰি কাকত তথা ফেচবুক আদিত প্ৰকাশ পাইছিল। যি সকলৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত হিংসাত্মক কাৰ্য্য সংঘটিত কৰাৰ প্ৰমাণ পোৱা গৈছে, তেখেত সকলক জাতি-ধৰ্ম-দল নিৰ্বিশেষে কঠোৰ শাস্তি দিয়া হওঁক। হিংসাক প্ৰশ্ৰয় দিয়াৰ প্ৰসংগত মই এই কথাও ক'ব লাগিব যে প্ৰতিবাদৰ সময়ত মোৰ বাহনখনৰ ওপৰতো কিছু দুস্কৃতিকাৰীয়ে আক্ৰমণ চলাইছিল।

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে লণ্ডনত প্ৰতিবাদ কৰা প্ৰবাসী অসমীয়া সকলক পাকিস্তানী এজেন্ট বুলি অভিহিত কৰিছে। মহাৰাষ্ট্ৰৰ এজন বিজেপি সাংসদে সংসদত এই বুলি প্ৰলাপ বকিছে যে মাজুলীত কেৱল বাংলাদেশী প্ৰৱজনকাৰী হে থাকে। এই সমূহ মন্তব্যৰ উদ্দেশ্য হ'ল শান্তিপূৰ্ণ ভাবে প্ৰতিবাদ কৰা অসমীয়া সকলকক অপমাণ কৰা তথা বিপথে পৰিচালিত কৰা।

অসমবাসীৰ অধিকাৰ তথা স্বাৰ্থ ৰক্ষাৰ প্ৰতি কংগ্ৰেছ দল দৃঢ় প্ৰতিজ্ঞ। যোৱা বছ্ৰৰ সদৌ অসম ছাত্ৰ সন্থা, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু নাগৰিক সমাজৰ দৰে সংগঠনে তদানিন্তন কংগ্ৰেছ সভাপতি ৰাহুল গান্ধী ডাঙৰীয়াক সাক্ষাৎ কৰি কেব ২০১৬ খন সংসদত বিৰোধীতা কৰিবলৈ অনুৰোধ জনাইছিল আৰু সেই অনুসৰি কংগ্ৰেছ দলে সেই সময়ত সেই দায়িত্ব পালন কৰিছিল। বৰ্তমানো দিল্লীত ইয়াৰ বিৰোধীতা কৰি ৰাজ্যসভা আৰু লোকসভাত আমাৰ যি stained সেইটো clear কৰা হৈছে। মহোদয়, মই এইখিনিতে যোৱা ৮ মে' ২০১৭ তাৰিখে মাননীয় বিধায়ক প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত অসম চৰকাৰৰ ফালৰ পৰা যিটো কথা কোৱা হৈছিল সেই কথাটো ক'ব বিচাৰো যে, ইয়াত কোৱা হৈছিল House ৰ concensus ২০০৮, তেখেতে উল্লেখ কৰিছিল যে অসম চুক্তি আখৰে-আখৰে পালন কৰিব লাগে। বিদেশী সমস্যাটো সমাধান হ'ব লাগে। এই ক্ষেত্ৰত আমাৰ House ৰ Concensus আছে আৰু থকাৰ বাবে

মাননীয় অধ্যক্ষ মহোদয় আমাৰ Perliamentary Affairs Minister আৰু Leader of the House ৰ লগত কথা পাতি ইয়াৰ উত্তৰ দিম। গতিকে মই তেখেতসকলৰ লগত কথা পাতি তেখেতসকলে যদি সন্মতি দিয়ে আমাৰ চৰকাৰৰ তৰফৰ পৰা মহন্ত ডাঙৰীয়াই দিয়া প্ৰস্তাৱমতে আমি এটা প্ৰস্তাৱ সদনৰ মজিয়ালৈ আনিম। ঠিক তেনেকৈ আব্দুল খালেক ডাঙৰীয়াই যেতিয়া এটা বে-চৰকাৰী সংকল্পৰ প্ৰস্তাৱ দিছিল সেইখিনি সময়তো কোৱা হৈছিল ২৮ চেপ্তেম্বৰ তাৰিখত যে চৰকাৰে প্ৰতিশ্ৰুতি পাইছে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চুক্তিক কোনো dilute কৰা নহয় আৰু প্ৰয়োজন সাপেক্ষে চৰকাৰে এটা নিজাববীয়াকৈ প্ৰস্তাৱ আনিব।

মহোদয়, কোৱা হয় অসম আন্দোলনত প্ৰায় ৮৫৫ জন শ্বহীদ হৈছিল কিন্তু তাতকৈ আৰু বহুত লোকৰ প্ৰাণ হানি হৈছিল। মোৰ পৰিয়ালৰ এজন শ্বহীদৰ মই পাইছিলো। কিন্তু মোৰ পৰিয়ালৰ অন্য ৪ জনৰো প্ৰাণ হানি হৈছিল। সেইগতিকে আমি পুৰণা যিখিনি কথা তাৰ পৰা আমি শিকিব লাগিব আৰু যদি ভুল হৈছে সেই একেটা ভুলকে আমি বাৰেপতি কৰিব নোৱাৰো। গতিকে বৰ্তমান সময়ত যিহেতু অসমৰ সমূহ জনগণে অসম চুক্তিখনৰ সপক্ষে নিজৰ স্থিতি ৰাজপথত ওলাই ব্যক্ত কৰিছে সেইগতিকে মই আজি আপোনাৰ জৰিয়তে চৰকাৰক প্ৰস্তাৱ দিব বিচাৰো যেন অসম চুক্তি ৰক্ষা কৰি এই নাগৰিকত্ব আইনখন যাতেবাতিল কৰা হয়, তাৰবাবে এটা চৰকাৰী প্ৰস্তাৱ ল'ব লাগে আৰু এই ক্ষেত্ৰত আমি সম্পূৰ্ণ সহযোগীতা আগবঢ়াম। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, তেখেত অনুপস্থিত। এতিয়া শ্ৰী ইমানুৱেল মুছাহাৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী ইমানুৱেল মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ মাননীয় ৰাজ্যপালৰ ভাষণৰ এই বিশেষ অধিবেশনৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ ৰাখিবৰ কাৰণে যি সুবিধা মোক প্ৰদান কৰিলে, তাৰবাবে মই ধন্যবাদ জ্ঞাপন কৰিলো। বিশেষকৈ আজি আমি গৌৰৱ অনুভৱ কৰিছো যে সপ্তমবাৰৰ কাৰণে আজি Special অধিবেশনৰ জৰিয়তে অসম চৰকাৰে যোৱা ১০ ডিচেম্বৰ আৰু ১২ ডিচেম্বৰত লোকসভা আৰু ৰাজ্যসভাত পাৰিত কৰা যি ১২৬ তম সংশোধনী আইন আৰু ১০ বছৰৰ কাৰণে ST/SC Reservation Extension কৰিলে, তাৰবাবে ধন্যবাদ জ্ঞাপন কৰিছো। আজি আমি বিশেষকৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত যি বক্তব্য দাঙি ধৰিছে, ইয়াত বিশেষকৈ সম্পূৰ্ণ অসমৰ যোৱা ৩ বছৰ ৬ মাহ ধৰি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত যৌথ চৰকাৰ চলাইছে, ইয়াৰ সম্পূৰ্ণ উন্নয়ণৰ ছবি আজিৰ এই ভাষণৰ জৰিয়তে দাঙি ধৰিছে। যি সকল উপৰোক্ত বক্তাই ইয়াত বক্তব্য ৰাখিলে তাৰ লগত মই একমত। বিশেষকৈ আজি সমগ্ৰ অসমত ইমূৰৰ পৰা সিমূৰলৈ প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক যোজনাই হওঁক বা SOPD ৰ কথাই কওঁক বা জৰাজীৰ্ণ অৱস্থাত থকা যিমানসমূহ দলং আছে, সেইবোৰ আজি নিৰ্মীয়মান অৱস্থাত বা সম্পূৰ্ণ হৈ গ'ল। আজি যিসকলে ভিতৰুৱা গাওঁ অঞ্চল বিশেষকৈ তামুলপুৰ বা ভূটানৰ দাঁতিকাষৰীয়া অঞ্চল, পাদদেশ আদি অঞ্চলসমূহত যায় , সেই সকলে তবধ মানে বা আচৰিত হয় যে ইমান সোনকালে যোৱা তিনি বছৰ বা পাঁচ বছৰৰ ভিতৰত ইমান উন্নয়ণ কেনেকৈ সম্ভৱ হ'ল? বিশেষকৈ ৰাস্তা-ঘাটৰ ক্ষেত্ৰত ৰাইজে যথেষ্ট সন্তোষ লভিছে। ঠিক তেনেকৈ আজি আমি দেখা পাইছো যে আমি বিশেষ উদ্দেশ্য লৈ আগুৱাইছো আৰু সেইটো হ'ল- নিৰন্তৰ উন্নয়নৰ লক্ষ্য, SDG Goal meet কৰিবৰ বাবে সময়ত ইয়াৰ বাবে আমি ধাপলি মেলিছো। আমি প্ৰতিজনে জানো যে আমাৰ সৰ্বমুঠ লক্ষ্য হ'ল -১৭,১৬৯ । গতিকে আমি যদি আজি এফালৰ পৰা চাওঁ যেনেকৈ গাওঁ অঞ্চলত সাধাৰণ গাঁৱলীয়া ভাষাত যিসমূহ বক্তব্য ৰাখো বা শুনো আৰু আজি যদি আৰম্ভ কৰো এজন মানুহৰ কাৰণে ৰুটি-কপৰা আৰু মকানৰ লগতে

ইলেকট্ৰিচিটিও লাগিব। ইলেকট্ৰিচিটিৰ অবিহনে আমি জীয়াই থাকিব নোৱাৰো নাইবা আমাৰ সভ্যতা একেবাৰে তলত পৰি যাব। আজি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দেখা গৈছে যে "সৌভাগ্য" আঁচনিৰ জৰিয়তে যিবোৰ ঘৰত বৈদ্যুতিকৰণ কৰিব পৰা হোৱা নাছিল সেইখিনি আমি কৰিবৰ বাবে সক্ষম হ'লো। অৱশিষ্ট যিখিনি বৈ গ'ল আজি ST Subtain ৰ জৰিয়তেই হওঁক বা বিভিন্ন Carrier Development ৰ জৰিয়তে এম এল এ সকলে কিছু আগবঢ়াই সংম্পূৰ্ণ কৰিলে। গতিকে ৰুটি-কপৰা-মকান আৰু ইলেকট্ৰিচিটি মই সংযোজন কৰিলো। ৰুটিৰ কথা ক'বলৈ গ'লে SDG Goal ত আমাৰ No Poverty. আছে। গতিকে Poverty eliminate কৰিবৰ বাবে আঁচনি লোৱা হ'ল আৰু যিমান বিলাক আমাৰ পৰিকল্পনা অনুযায়ী আঁচনি লোৱা হ'ল, সেই আঁচনিবিলাকৰ উদ্দেশ্য হ'ল ২০৩০ ৰ ভিতৰত United Nation ৰ যিটো Mandate আছিল সেই টাৰ্গেটটো আগতীয়াকৈ ২০২২ চনত সম্পূৰ্ণ কৰিবৰ বাবে প্ৰচেষ্টা চলাইছো।২০০১ চনৰ চেনচাচ বা ২০১১চনৰ চেনচাচ মৰ্মে যিসকলৰ ঘৰ নাই বা পকা ঘৰ নাই সেই সকলক ঘৰ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে প্ৰতিটো গাওঁ পঞ্চায়তত আজি গড়ে ৩০০-৫০০ কৈ ঘৰ দিয়া হৈছে। ঘৰ দিয়া সম্পূৰ্ণ হোৱাৰ পিছতো যিসকলৰ ঘৰ নাই বা যিসকলে আকৌ পাবলগীয়া আছে, তেওঁলোকৰ অতিৰিক্ত তালিকাত ভগাই দিয়া হৈছে আৰু তীব্ৰ গতিত কাম সম্পন্ন হৈ আছে। ঠিক তেনেকৈ ঘৰ সম্পন্ন হোৱাৰ পিছত এজন মানুহক খোৱাৰ প্ৰয়োজন হয়। গতিকে খাদ্য সুৰক্ষা আইনৰ জৰিয়তে ২০১৩ চনত প্ৰতিটো পৰিয়ালকে ৩৫ কিলো চাউল তিনি টকাত দিয়া হৈছিল আৰু পিছলৈ এটকালৈ অনা হ'ল। ঠিক তেনেকৈ বাগিছা অঞ্চলসমূহত বিনা মূল্যে দিয়াৰ ব্যৱস্থা কৰিলে। এতিয়া আমি খোৱা-লোৱা পালো আৰু খোৱা-লোৱা পোৱাৰ পিছত আমাৰ মল ত্যাগ কৰিবলগীয়া হয়। তাৰ বাবে ২০১২ চনৰ চাৰ্ভে মতে ১২ হাজাৰ টকাকৈ দিয়া হ'ল । যিসকল লোকৰ পৰিয়াল বৰ্দ্ধিত হ'ল বা যিসকল লোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হোৱা নাছিল সেইসকলৰ বাবে বিশেষ পুঁজি কৰ্পোৰেট ফাণ্ড বা চৰকাৰে অতিৰিক্ত যিটো পুঁজি দিয়াৰ ব্যৱস্থা কৰিছে তাৰ জৰিয়তে সম্পন্ন কৰিছে । ঠিক তেনেকৈ আমাৰ বিশুদ্ধ খোৱা পানী পোৱাৰ অধিকাৰ আছে। গতিকে আজি "ঘৰ ঘৰ মে নলকা জল", জলশক্তি । যিহেতু আমাৰ প্ৰত্যেকজন মানুহৰে বিশুদ্ধ খোৱা পানী পোৱাৰ অধিকাৰ আছে, গতিকে চৰকাৰৰ ফালৰ পৰা আমি দায়বদ্ধতা দেখা পাইছো যে প্ৰত্যেকখন গাওঁতে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে। ইয়াত কেৱল আমি দায়িত্ব বা দায়িত্ববোধটো লোৱা নাই। আজিৰ দিনত চৰকাৰে সম্পূৰ্ণ কৰাৰ পিছত ইয়াৰ পৰিচালনা বা চলাবৰ বাবে যিটো প্ৰয়োজনীয়তা হয়, সেইটোৰ বাবে নুন্যতম বৰঙণি আমাৰ ফালৰ পৰা যাব লাগে। গতিকে সেইটোৰ কাৰণে Minimum Short Fall Fund ৰ বাবে কিছুমান ঠাইত সেইবোৰ কাৰ্য্যক্ষম হোৱা নাই। কিন্তু বেছিভাগ ঠাইতে য'ত খোৱা পানীৰ নাটনি আছে, তাত চৰকাৰৰ ফালৰ পৰা বিশুদ্ধ খোৱা পানীৰ আঁচনি চলি আছে। মোৰ গাওঁখনত মই গৌৰৱ অনুভৱ কৰো। অৱশ্যে আমি পুৰস্কাৰ লাভ কৰা নাই। কিন্তু আজি আঠত্ৰিশটা বছৰত পাইপ ৱাটাৰ চাপ্লাই স্কীম মাত্ৰ এটা সময়ত চব্বিশ ঘণ্টাৰ বাবে বন্ধ হৈছিল। কাৰণ আম্াৰ বিকল্প উৎস নাই। Average Water Level 200 feet. গতিকে ভূটানৰ একোবৰে পাদদেশ বোৰ্ডাৰৰ পৰা তিনি কিলোমিটাৰ বা দহ কিলোমিটাৰ ভিতৰত আৰু এই সমস্যাসমূহ আছে। যিহেতু আমাৰ বিকল্প উৎস নাই গতিকে সম্পূৰ্ণৰূপে পাইপ ৱাটাৰ চাপ্লাইৰ ওপৰত আমি নিৰ্ভৰ কৰো। ক'বলৈ গ'লে টাইফয়ড বেমাৰ যথেষ্ট বিয়পিছিল বেছিভাগ লোকেই Average ষ্টেনড থ্ৰী টাইফয়ড ৰোগত ভুগিছিল। কিন্তু আজি সম্পূৰ্ণৰূপে টাইফয়ড নাই বুলি ক'ব পাৰি। গতিকে মই সাধাৰণ এটা কেচ

ষ্টাডিৰ কথাহে কৈছো। গতিকে খোৱা পানী, ঘৰ আমি পালো আৰু বিদ্যুতৰ কথাও ক'লো। তাৰ পিছত মল ত্যাগ কৰাৰ কথা মই ক'লো। মই Recorded History ৰ পৰা আৰম্ভ কৰি বৰ্তমান ২০২০ চনলৈকে আমাৰ জীৱ শ্ৰেষ্ঠ মানুহৰ এই সভ্যতাৰ যুগত মল ত্যাগ কৰিবলৈ তেনেকুৱা ব্যৱস্থা নাছিল। যিসকল আৰ্থিকভাৱে স্বচ্ছল হ'লেও তেখেতসকলৰ যদি মল ত্যাগ কৰিবলৈ লেট্ৰিন নাই, তাৰ বাবে ব্যৱস্থা কৰিছে। তুলনামুলকভাৱে যদি আমাৰ অতি ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ কথা কওঁ, বহুত মানুহৰ ইয়াত প্ৰবজন হৈছে। কিন্তু গোটেই বাংলাদেশ খনেই Open defecation free হোৱা বুলি খবৰ পাইছো। গতিকে এই ক্ষেত্ৰত আমাৰ অসমখন যথেষ্ট আগুৱাইছে আৰু আমি গৌৰৱ কৰো যে আগতে যদিও অৱস্থা ভাল নহয় একেবাৰে কেঁচা হ'লেও নিজাববীয়াকৈ লেট্ৰিন বনাই লোৱাৰ ব্যৱস্থা আছিল। খোলা ঠাইত আমি মল ত্যাগ কৰা নাছিলো। এইখিনি কথা মই ক'লো। ইয়াৰোপৰিও শিক্ষাৰ ক্ষেত্ৰত পুনৰ কোৱাৰ প্ৰয়োজন নাই যে শিক্ষা বাধ্যতামূলক। Right to Education. 14 বছৰ বয়সলৈকে প্ৰতিজনকে বাধ্যতামূলক শিক্ষা ব্যৱস্থা কৰা হৈছে। যাতে কোনেও বৈ নাযায়। প্ৰতিজন উঠি অহা ল'ৰা-ছোৱালীয়ে শিক্ষা ল'বই লাগিব। গতিকে Right to Education আহি গ'ল। ঠিক তেনেকৈ জীৱনৰ মানদণ্ড উন্নত কৰিবৰ হ'লে আমি দুগুণ পঢ়াব লাগিব। গতিকে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম উন্নয়ন যোজনা-কি ধৰণে Agriculture Mechanism কৰি আমি দুগুণ ইনকাম বঢ়াব পাৰো। ঠিক তেনেকৈ Labour Intensive কমাই আমি Mechanism কৰিব পাৰো। ঠিক তেনেকৈ এগ্ৰিকালচাৰৰ ক্ষেত্ৰত আগৰ বক্তা এজনে ক'লে যে অতি কম পানীৰে খেতি কৰিব পাৰি আৰু উৎপাদন বঢ়াব পাৰি। এই ক্ষেত্ৰত আমাৰ সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে ধন্যবাদৰ পাত্ৰ। যদি আমি চাওঁ Law and Order ৰ ক্ষেত্ৰত যথেষ্ট শান্তিত আছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আমাৰ ভ্ৰাম্যমান থিয়েটাৰৰ কথাই কওঁক বা আমাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান চলি আছে। গতিকে আজি ক'ব লাগিব যে আজিৰ স্পেচিয়েল চেচন বিশেষকৈ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ Extention Reservation 10 years ৰ বাবে আছিল। গতিকে মই ইয়াত সংযোজন কৰিব বিচাৰিছো যে আমি যদি Reservation ৰ কথা ভাৱো যে কি ধৰণে সেই Reservation আৰম্ভ হৈছিল। যদি আমি মন কৰো ১৯৩৫ চনত Govt. of India Act পোন প্ৰথম বাৰৰ কাৰণে গৃহীত কৰা হৈছিল। সেই আইনত নিৰ্যাতিত সকলৰ কাৰণে Reservationৰ ব্যৱস্থা আৰম্ভ কৰা হৈছিল। গতিকে আধুনিক ভাৰতৰ এইটোকে আমি Reservationৰ আৰম্ভণি বুলি লাগিব। ঠিক তেনেকৈ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত যিসকল জনগোষ্ঠীয়ে আগবাঢ়িব পৰা নাই, তেখেত সকলৰ কাৰণে যি Reservationৰ ব্যৱস্থা কৰা হৈছে, সেইটো আজি সপ্তমবাৰৰ কাৰণে আকৌ Extension কৰা হ'ল। গতিকে আজি Anti-Reservation ৰ ওপৰত। বিভিন্ন জনে বিভিন্ন যুক্তি আগবঢ়াইছে। কিন্তু এইটোও ঠিক যে Reservation Policy কেতিয়া শেষ হ'ব, বহুতে ভাৱে Reservation এনেকৈ চলি যাব যদিও বা প্ৰথমতে ১০ বছৰৰ কাৰণে Reservation ৰ ব্যৱস্থা কৰা হৈছে। সেই Reservation ব্যৱস্থাটো never ending process হৈ থাকিব বুলি বহুতে ভাবে। গতিকে যিয়ে নহওঁক Reservation ৰ বহুতো যুক্তি আছে ঠিক তেনেকৈ Anti-Reservation ৰ ক্ষেত্ৰতো বহুতো যুক্তি গ্ৰহণযোগ্য। অলপতে আৰম্ভ হ'ল যে State Wise হিচাপে Supreme Court ৰ ৰুলিং মতে ৫০ শতাংশৰ ওপৰত Reservation থাকিব নোৱাৰে। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গ'ল যে তামিলনাডুৰ নিচিনা এখন ৰাজ্যত Reservation Policy ৫০ শতাংশ পাৰহৈ গ'ল।

যদিও এইটোৰ litigation এটা চলি আছে। মূলতে এয়াই যে যদি আমি আৰ্থিক ভাবে আগবাঢ়িব পাৰো, যদি আমাৰ জনসংখ্যা নিয়ন্ত্ৰণত আহি যায়, ঠিক তেনেকৈ আমাৰ Productivity যদি বাঢ়ি যায়, ৰাজহ সংগ্ৰহ বাঢ়ি যায় আৰু যদি আমাৰ আয় বাঢ়ি যায় তেন্তে নিশ্চয় আমাৰ মাজত ভেদাভেদ নাথাকিব। Economic Freedom যদি প্ৰতিটো সমাজ ব্যৱস্থাত থাকে প্ৰত্যেক ঘৰে যদি যথেষ্ট আয় কৰে, পুৰুষ আৰু মহিলাৰ যদি পাৰ্থক্য নাথাকে, তেন্তে আমাৰ লক্ষ্য মতে নং ৫ ত আছিল Gender Equility গতিকে সেই Gender Equility ৰ জৰিয়তে যদি আমাৰ সমাজখন আগুৱাই যায়, ঘৰখন আগুৱাই যায় নিশ্চয় আমাৰ সমাজ ব্যৱস্থাত যিটো Caste system আছিল, সেইটো আমি উঠাই দিব পাৰো। Economic Development জৰিয়তে আমি SDG Goal ২০৩০ চনৰ পৰিৱৰ্তে যদি ২০২২ চনতে আমি achieve কৰিব পাৰো, নিশ্চয় আমাৰ সমাজখনত ভেদা-ভেদ নাথাকিব। কিন্তু সেই ভেদা-ভেদ বা যিটো Caste system প্ৰথা চলি আছে, এইটো যদি Impose কৰিব পৰা নাযায়, তাৰ কাৰণে আমাৰ প্ৰতিজনেই ইয়াৰ কাৰণে সজাগ হ'ব লাগিব। ইয়াত চৰকাৰৰ legislation জৰিয়তে সেই ভেদা-ভেদটো আমি শেষ কৰিব নোৱাৰো। গতিকে কেলকাৰ কমিশ্যনেই হওঁক বা মণ্ডল কমিশ্যনেই হওঁক, বহুতো কমিশ্যন ইয়াৰ ওপৰত গঠন কৰা হ'ল কিন্তু আজিলৈকে সেই Reservation policy ৰ জৰিয়তে Social Audit হওঁক বা Economic Audit নাইবা ঠিক তেনেকৈ ইয়াৰ impact ওপৰত কোনো এটা study ভালদৰে কৰা হোৱা নাই। Atrocities Act Voa prevension of Atrocities Act again ST & SC যদিওবা আইন প্ৰনয়ন কৰা হ'ল কিন্তু অলপতে যিটো লোক সভাত এজন সন্মানীয় সদস্যই বক্তব্য ৰাখিছিল যে Prosecution আইন পাছ কৰা হৈছে , কেচ ৰেজিষ্টাৰ কৰা হৈছে প্ৰচিডিং চলি আছে। কিন্তু কাৰ্য্যক্ষেত্ৰত ক'বলৈ গলে Prosecution level ত যেনিবা complicacy যথেষ্ট কম। গতিকে যিয়ে নহওক মই ধন্যবাদ জ্ঞাপন কৰিছো, যে আজি ৰাজ্যপালৰ যি ভাষণ তাত মই সমৰ্থন জনাইছো আৰু ST/ SC Act আকৌ ১০ টা বছৰৰ কাৰনে Extension কৰাৰ কাৰনে আৰু মোক এই বিষয়ত দুষাৰ কবৰ কাৰনে যি সুবিধাকন দিলে তাৰ কাৰনে মই নিজকে সৌভাগ্যৱান বুলি মানিছো আৰু এই দুষাৰ কথা কৈ মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া শ্ৰী হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ, সদস্য(বিলাসী পাৰা পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষনৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ অনা হৈছে, সেই প্ৰস্তাৱৰ বিৰোধিতা কৰি মোক কোৱাৰ সুজোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, আজি এই ৰাজ্যপালৰ ভাষনত চৰকাৰখনে যোৱাকেইটা বছৰত কি কি উন্নয়নমুলক কাম কৰিলে, চৰকাৰৰ কি নীতি সেই সম্পৰ্কে ইয়াত আলোচনা কৰা হৈছিল। মই উন্নয়নমুলক যিবোৰ কথা কোৱা হৈছে সেইবোৰলৈ মই যাব বিছৰা নাই মোৰ সহপাথি সকলে তেওঁলোকে আলোচনা কৰিব। মই দুটা পইন্টৰ ওপৰত কথা পাতিব বিচাৰিছো। এটা হ'ল ইয়াত বিশেষকৈ খিলঞ্জীয়া লোকৰ অধিকাৰ, সুৰক্ষা প্ৰদানৰ লগতে আমাৰ সাংস্কৃতিক, সামাজিক, ভাষিক তথা ঐতিজ্য সংৰক্ষণ আৰু প্ৰসাৰৰ কথা কোৱা হৈছে। কথাটো হ'ল খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত হ'ব লাগে। এইটো আমিও বিচাৰো। কিন্তু খিলঞ্জীয়াৰ সংজ্ঞা আজিৰ দিনলৈকে চূড়ান্ত হোৱা নাই। ল'ৰা জন্মই হোৱা নাই আমি নাম ৰাখি দিলো। বিভিন্ন আঁচনি নীতিৰ ক্ষেত্ৰত দেখিছো, ভূমি নীতিৰ কথাই কৈছো আৰু অন্যান্ন বিভিন্ন সুযোগ সুবিধাৰ কথা যেতিয়া যিবোৰ কথা কোৱা হয় তাৰ লগতে খিলঞ্জীয়া, Indigenous

people ৰ কথা কয় এই Indigenous শব্দটোৰ সংজ্ঞা বিচাৰি নাপাওঁ। ইউ এনকমিটিৰ সিদ্ধান্তত এখন লিষ্ট বনোৱা হৈছে যদিও ভাৰত চৰকাৰ কিন্তু তাৰ চিগনেটৰি নহয়। যদিও কিছুমান বিপ্লৱী সংগঠনে তাক মানি লৈছে কিন্তু সাৰ্বিক ভাবে তাৰ সংজ্ঞা বা লিষ্টখন গ্ৰহন কৰি লোৱা নাই। তদুপৰি চুপ্ৰীমকোৰ্টৰ এটা ৰায় আছে ভাৰতবৰ্ষত সমুলে ৮ শতাংশ মানুহ খিলঞ্জীয়া Indigenous people আছে বাকী ৯২ শতাংশ লোকৰ তাৰ কিন্তু কোনোধৰনৰ তথ্য পোৱা নাযায়। তদুপৰি ছাৰ, অসম চুক্তিত অসমীয়া বুলি স্বীকৃত বুলি কোৱা হৈছে কিন্তু চুক্তি বা কোনো আইন সংশোধন নকৰাকৈ এই অসমীয়াৰ ঠাইত খিলঞ্জীয়া অসমীয়া লগাই দিয়া হ'ল খিলঞ্জীয়া বুলি কওঁতে ইয়াত কোন বিলাক মানুহক লোৱা হৈছে আৰু কোনবোৰক লোৱা হোৱা নাই তাৰ কিন্তু তথ্য আমি বিছাৰি পোৱা নাই। অধ্যক্ষ মহোদয়, যিকোনো এটা Positive Recommendation যদি আমি কৰিব বিচাৰো তেতিয়া হ'লে Indigenous people কোন তাৰ সংজ্ঞাটো প্ৰথমতে ঠিক কৰিব লাগিব। কিন্তু সেইটো ঠিক হোৱা নাই । তথ্য বিচাৰি ইমানখিনি লৈকে পোৱা যায় ১৯৪৮ চনৰ ২৮ মে তাৰিখৰ এটা directive আছে, The Govt. of Assam instructed all Deputy Commissioner of Assam not to include the name of any refugee migration from Pakistan in the Voter list of Assam as they were not treated as non descendant proportionate. Again by a Gazette Notification published in the Assam Gazette dated 6th September, 1950 the Govt. of Assam issued a clarification stating that indigenous person of Assam means a person belonging to the State of Assam. And speaking the Assamese language or any Tribal dialect of Assam or in the case of Cachar, the language of the Region. The definition was also accepted during the 1951 census in Assam. But unfortunately no lons has been framed either by Indian Parliament or the State Legislature giving any definition of the term indigenous people of Assam. এই যিখিনি ইয়াৰ তথ্য পোৱা যায়, সেই তথ্য অনুসৰি অসমত ৬ বছৰ আন্দোলন হৈছে। আন্দোলনৰ পাছত ইয়াৰ এটা ফলাফল অসম চুক্তি হৈছে। অসম চুক্তি মতে Now it stand that all persons settled in Assam and till 25th March 1971 be treated as Assamese within the farmework of clause 6 of Assam Accord, if any special provision is required to be made for their protection . এতিয়ালৈকে কোনো Special provision তাত যুক্ত কৰা হোৱা নাই। সেই কাৰণে এতিয়ালৈকে indigenous definition সম্পৰ্কে আমি পাম। আজি বহু মানুহ শংকাত ভুগি আছে। এই definition টো ঠিক নোহোৱাৰ কাৰণে। এইখন Assembly ত আলোচনা হৈছিল আৰু সেই সময়ত মাননীয় অধ্যক্ষ শ্ৰী প্ৰণৱ কুমাৰ গগৈৰ সময়ত এটা সংকল্প গ্ৰহণ কৰা হৈছিল। এটা cut of year 1951 ধৰিব লাগিব। কিন্তু সেই সম্পৰ্কে সকলো স্তৰত বা সকলো জনগোষ্ঠীৰ সকলো দল বা সংগঠনৰ organisation ৰ মতামত যদিও গ্ৰহণ কৰিছিল, সকলোকে কিন্তু আস্থাত লোৱা হোৱা নাছিল। যিয়ে নহওঁক, সেইটো হ'ব নে নহয় তাৰো কোনো

সিদ্ধান্ত এতিয়ালৈকে হোৱা নাই। অসমৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত আমি ভূমি নীতিৰ কথাই যদি লওঁ, সেইখন ভূমি নীতি ইয়াত উপস্থাপন কৰা হৈছে, প্ৰকাশ কৰা হৈছে, সেই ভূমি নীতিতে আৱণ্টনৰ কথা যেতিয়া আহিছে, তাতে কিন্তু indigenous people ৰ কথা কোৱা হৈছে। Indigenous বুলি এতিয়া ভাষাৰ ওপৰত হ'ব নে ধৰ্মৰ ওপৰত হ'ব নে অঞ্চলৰ ওপৰত হ'ব বা কোনটো তাৰ ভিত্তি হিচাপে লোৱা হ'ব। অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি ইয়াত বিভিন্ন দিশৰ পৰা বিভিন্ন জনগোষ্ঠী, বিভিন্ন অঞ্চলৰ পৰা মানুহ আহি সন্মিলীত ভাৱে এখন অসমীয়া সমাজ গঢ়িছে। মই সদনত এবাৰ কৈছিলো। আজি যদি অবিভক্ত গোৱালপাৰাৰ কথাই আমি লওঁ। গোৱালপাৰা জিলাখন এটা সময়ত বৃটিছৰ অধীনত আছিল, মোগলৰ অধীনত আছিল। তাৰপাছৰ এবাৰ গ'ল বৰ্তমান East Bengal ৰ ৰংপুৰ জিলাত, তাৰপাছত North East Bengal ৰ নামত জিলা এখনত গ'ল। তাৰপাছত কোচবিহাৰৰ লগত অন্তৰ্ভূক্ত কৰা হ'ল, বৃটিছ অহাৰ পাছত। অৱশেষত অসমৰ লগত ইয়াক সংযুক্ত কৰা হ'ল। ঠিক সেই একেধৰণে আজি বৰাক ভেলীৰ কথাও যদি কওঁ কাছাৰ আৰু হাইলাকান্দি জিলা কোনো দিনে কিন্তু অসমৰ অংশ নাছিল। এইখন ত্ৰিপুৰা ৰজাৰ অধীনত আছিল। তাৰ পাছত কছাৰী ৰজাৰ অধীনলৈ গ'ল। ১৮২৬ ত ইয়াণ্ডাবু সন্ধিমতে বৃটিছৰ অধীনলৈ গ'ল। কৰিমগঞ্জ জিলাৰ যি তিনিখন থানা আজি অসমৰ লগত আছে এই তিনিখন থানাই কিন্তু এটা সময়ত মোগলৰ অধীনত আছিল, তাৰ পাছত বৃটিছৰ আওঁতালৈ গ'ল, তাৰ পাছত বৃটিছৰ পৰা ১৯৪৭ চনত যেতিয়া দেশ স্বাধীন হয়, দেশ স্বাধীন হোৱাৰ সময়ৰ পৰা এইখন অসমৰ লগতে আছে কিন্তু বাকী খিনিও তেতিয়াৰ বাংলাদেশ, তেতিয়া পূৱ পাকিস্তানৰ লগত আৰু এতিয়া তাৰ তিনিখন থানা আজি অসমৰ লগত আছে। অসমৰ উপভাষাসমূহ যদি চাওঁ, এটা কথাই ডিব্ৰুগড়, ডিগবৈত ক'ব কেনি যোৱা, শিৱসাগৰত ক'ব ক'লৈ যোৱা, গুৱাহাটীৰ কামৰূপত ক'ব কহাই যা, বৰপেটাত ক'ব কত যা, গোৱালপাৰাত ক'ব কোটি যাইচ। লিখিত ভাষাটো হ'ল শিৱসাগৰৰ। ৱেষ্ট বেংগলত বৰ্তমান মানুহে লিখিত ভাষা কয়। কাছাৰৰ মানুহৰ চিলেটি ভাষাত কেনি যা। এইবিলাকৰ এতিয়া কোন স্তৰত লৈ যোৱা হ'ল। ভাষাৰ ভিত্তিতে এই খিলঞ্জীয়া গঠন কৰা হৈছে বুলি তেওঁলোকক চুৰমাৰ কৰা হ'ব নে নাই? এই কাৰণে মই ৰাজ্যপালৰ ভাষণৰ এই পইণ্টটোৰ ওপৰত আলোচনা এই কাৰণে কৰিছো যে, ইয়াৰ উত্তৰ নিশ্চয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিব। এইক্ষেত্ৰত এটা স্পষ্টীকৰণ আমি বিচাৰিছো। নহ'লে মানুহৰ মাজত এটা ভুল বুজাবুজিৰ সৃষ্টি হ'ব আৰু ইতিমধ্যে যথেষ্ট এটা অন্তঃকন্দলৰ সৃষ্টি হোৱাৰ এটা সম্ভাৱনা দেখা দিছে। মাননীয় অধ্যক্ষ মহোদয়, তদুপৰি আৰু এটা কথা মই ইংগিত দিব বিচাৰিছো যে, এই চৰকাৰে যোৱা ২০১৬-১৭ বৰ্ষত ৮৫৫ জন শ্বহীদৰ পৰিয়ালৰ ভিতৰত এতিয়ালৈকে ৮০৪ জন শ্বহীদৰ পৰিয়ালক ৫ লাখ কৈ টকা দিছে। ৫ লাখ দিয়াত আমি ভাল পাইছো আৰু যদি বেচি দিয়ে আমি ভাল পাম। কিন্তু কথাটো হ'ল তেওঁলোকে যি কাৰণত জীৱন আহুতি দিলে, এই কাৰণটো আমি কিন্তু উদ্‌ঘাটন কৰি সেই মৰ্য্যদা দিব পৰা নাই। পইচা দিলে সকলো কাম নহয়। কিন্তু তেওঁলোক যে শ্বহীদ হ'ল, জীৱন বলিদান দিলে তাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা নাই। আজি ৰাজ্যপালৰ ভাষণত অসম চুক্তিৰ কথা আহিছে। এই অসম চুক্তি ইফালে ৰূপায়ণ কৰাৰ কথা কোৱা হৈছে আনফালে কিন্তু অসম চুক্তিক নস্যাৎ কৰাৰ পদক্ষেপ লোৱা হৈছে। আজি অসম চুক্তিৰ clause 5 ত যিটো cut of year দিয়া হৈছে, সম্প্ৰতি যি CAA pass কৰা হ'ল তাত কিন্তু এইটো নস্যাৎ কৰা হৈছে। Cut of date December 2014 regular হৈছে। গতিকে inter contradictory activity যদি হয়, আমাৰ কথা এটা আনটোৰ বিপৰীত হয়, কামো যদি বিপৰীত হয়, তেতিয়াহ'লে কিন্তু এইটো অসমৰ জনগণে সময়ত মানি নলয়। সেই কাৰণে এই দুটা কথাৰ ওপৰত মই স্পষ্টকৰণ

বিচাৰিছো। যাতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰ দিওতে ইয়াত স্পষ্ট কৰি দিয়ে। সেই কাৰণে ইয়াত যিবোৰ কথা কোৱা হৈছে, উন্নয়নৰ বাবে এইখিনি কথাটো আছেই, সেইবোৰ কথালৈ মই যাব বিচৰা নাই। মই বিশেষকৈ খিলঞ্জীয়া সকলৰ অধিকাৰ সম্পৰ্কে চৰকাৰৰ পলিচি কি, এই বিষয়ে আলোকপাত কৰিব বুলি এই ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো। জয় হিন্দ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আজি আমি ইয়াতে বিতৰ্কত ভাগ লৈছো আৰু স্বাভাৱিকভাৱে ৰাজ্যপাল মহোদয়ে ৰাতিপুৱা তেওঁৰ ভাষণ প্ৰদান কৰিব নোৱাৰিলে। তথাপিতো পৰম্পৰা অনুসৰি তেখেতৰ ভাষণৰ বাবে ধন্যবাদ জনাই ইয়াত প্ৰস্তাৱ উত্থাপন কৰিছে, ডাঃ ৰণোজ পেগু ডাঙৰীয়াই আৰু তাৰ ওপৰত আমি বিতৰ্কত যোগদান কৰিছো। যদিও সাধাৰণতে ৰাজ্যপালৰ ভাষণৰ ওপৰত যেতিয়া আমি বিতৰ্কত অংশ গ্ৰহণ কৰো, ৰাজ্যপাল মহোদয়ে তেওঁৰ ভাষণত যিখিনি প্ৰস্তাৱ, সেয়া তেখেতে সদনৰ আগত প্ৰকাশ কৰে। তাৰ ওপৰতে আমি বিতৰ্ক কৰাৰ প্ৰয়োজন কিন্তু বৰ্তমান অসমৰ পৰিৱেশৰ ওপৰত বা স্বাভাৱিকভাৱে চলি থকা বাতাবৰণৰ ওপৰত ভিত্তি কৰি বিৰোধী পক্ষৰ পৰা দিয়া দুয়োটা বক্তব্যতে Citizen Amendment Act ৰ প্ৰসংগ আহিছে আৰু আমি শাসকীয় পক্ষই বিচাৰিছো যে ইয়াৰ ওপৰত এটা বিতৰ্ক হোৱা উচিত। সেই কাৰনে মোৰ যিখিনি response মহামাণ্য ৰাজ্যপাল মহোদয়ে আগবঢ়াই যোৱা উন্নয়ণমূলক কথা বা আমাৰ চৰকাৰখনৰ যোৱা ৪ টা বছৰৰ সফলতা এই কতাখিনিৰ ওপৰত গুৰুত্ব আজিৰ পৰিপ্ৰেক্ষিতত বহুত বেছি নকৈ মই পোনে পোনে চিটিজেনশ্বিপ এমেণ্ডমেণ্ড এক্ট বা ইয়াৰ লগত জড়িত আনুসংঙ্গিক কথা-বতৰাখিনি এই বিধান সভাৰ জৰিয়তে অসমৰ ৰাইজৰ ওচৰত দৃষ্টিগোচৰ কৰিব খুজিছো । বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈছে যে, নতুন বটলত পুৰণি মদ। মই মদ নাখাও কিন্তু মই যিমান দূৰ জানো যে যিমানে আঙুৰ পুৰনা পেৰা মদ সোমায় সিমানে মদৰ বটলটো ভাল হয়। সেই কাৰণে মদৰ বটলত লিখা থাকে Two Hundred Years Old, Three Hundred Years Old. তাৰমানে মদৰ ক্ষেত্ৰত এই উপমা নাহে। মই জনামতে মদৰ ক্ষেত্ৰত Old is Gold. কিন্তু আন ক্ষেত্ৰত এই উপমাটো আহে যেনে, পানী বা সৰবদ যদি সোমাই দিয়ে তেন্তে এই উপমাটো আহিব। কিন্তু যিহেতু মই নিজে মদ নাখাও কিন্তু ইমানখিনি মই নাজানো।

অধ্যক্ষ মহোদয়, Citizen Amendment Act ৰ ওপৰত এই এক্টখন কাৰ্য্যকৰী কৰাৰ আগতে ভাৰতৰ গৃহমন্ত্ৰী মাননীয় অমিত শ্বাহ ডাঙৰীয়াই উত্তৰ পূবৰ প্ৰতিটো দল আৰু সংগঠনৰ লগত বিষদভাবে আলোচনা কৰিছিল। এই আলোচনাৰ গণ্ডীৰ ভিতৰত অসমৰ প্ৰায়কেইটা জাতীয় সংগঠনক সন্নিবিষ্ট কৰা হৈছিল। তেখেতে নিজে অসম ভৱনলৈ আহিছিল। ভাৰতৰ গৃহ মন্ত্ৰীয়ে নিজে অসম ভৱনলৈ আহি অসমৰ সমস্যা আলোচনা কৰাৰ উদাহৰন ইয়াৰ আগতে আছেনে নাই মই নাজানো। ৰাতি ১ বজালৈকে তেখেতে ৩ দিন অসমত ভবনত বহি অসমৰ জাতীয় সংগঠনসমূহৰ লগত এই বিষয়ে আলোচনা কৰিছিল। আলাপ আলোচনাৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ লগত সেই আলোচনাত থকাৰ সৌভাগ্য মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মোৰ হৈছিল। সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাক গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই কৈছিলে যে অসমত ৭০ লাখ বিদেশী আছে তাৰ ভিতৰত ভাৰত চৰকাৰৰ অনুমান হিচাপে ৫ লাখ বাংলাদেশী হিন্দু । এই ৫ লাখ বাংলাদেশী হিন্দুৰ ক্ষেত্ৰত আপোনালোকে মানবীয় ৰূপ এটা গ্ৰহণ কৰক বাকীখিনি আমি একেলগে মিলি এখন

নতুন নাগৰিক পঞ্জীৰ জৰিয়তে detect কৰিম। আৰু মই সদৌ অসম ছাত্ৰ সন্থাৰ লগত প্ৰতিটো মাহত মই বহি আলোচনা কৰি আমি আমাৰ ইস্পিত লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিম। সদৌ অসম ছাত্ৰ সন্থাই কৈছিলে যে, এইটো ৭০ লাখ নহয় এইটো ৬৫ লাখ। তেতিয়া আমি কলো ঠিক আছে- আমি ৬৫ লাখ বুলি মানি ললো। ৭০ লাখ নহয় ৬৫ লাখকে চিনাক্তকৰণ কৰাৰ কামত আমি একেলগে আগবাঢ়ো। ছাত্ৰ সন্থাৰ মঞ্চৰ পৰা কোৱা হ'ল যে আমি on Principle ত আছো। অসম চুক্তি violation হ'ব নোৱাৰে। ৭১ চনটো যেতিয়া অসম চুক্তিয়ে বান্ধি দিছে আমি ৭১ৰ পিছৰ এজনো বিদেশী নলওঁ আৰু on Principle আমি অসম চুক্তিৰ উলঙ্ঘা হোৱাটো নিবিচাৰো। সেই কাৰনে আমি আপোনাৰ পৰামৰ্শটো মানি ল'ব নোৱাৰো। ৬০ লাখ- ৬৫ লাখ বিদেশী চিনাক্তকৰণৰ প্ৰশ্নটো ৫ লাখ মানুহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু ছাত্ৰ সন্থাৰ মাজত ঐক্যমত স্থাপন হ'ব নোৱাৰা বাবে আমি এটা সমাধান সুত্ৰত উপনীত হ'ব নোৱাৰিলো আৰু তাৰ ফলত অসমৰ পৰৱৰ্ত্তী সময়ছোৱাৰ ইতিহাস সকলোৱে জানে । ৫ লোকে প্ৰাণ হেৰুৱালে অৱশ্যে ৫ জনৰ লগত সেই সময়ত হিংসাত্মক ঘটনাত আৰু ২ জন ব্যক্তিয়ে প্ৰাণ হেৰুৱাইছিলে। গতিকে সেইদৰে এটা বেদনাদায়ক অধ্যায়ৰ আমি সকলোৱে সাক্ষী হৈ ৰলো। ৫ জন যুৱকে প্ৰাণ হেৰুৱালে, অসম চৰকাৰ তাৰ বাবে অতি দুখিত। আমি তেওঁলোকৰ পৰিয়ালক সমবেদনা জনাইছো আৰু গুলি চালনাৰ ৫ ঘন্টা- ৬ ঘন্টা ভিতৰতে যিধৰনে কংগ্ৰছ দলে মন্ত্ৰীসভাত থাকোতেও গুৱাহাটীত বোমা বিস্ফোৰণৰ ৫ ঘন্টা পিছতে মই মেডিকেল কলেজত গৈছিলো। ঠিক সেইধৰনে তেওঁলোকৰ ওচৰত গৈছিলো। বিনামূলীয়া চিকিৎসাৰ পৰা পৰিয়ালক মাতযাৰ দিয়াৰ পৰা যিমান খিনি মানবীয় দৃষ্টিকোনেৰে কৰাৰ প্ৰয়োজন আছিল সেইখিনি কৰাৰ আমি চেষ্টা কৰিছিলো। ওদালগুৰিৰ মৃত পৰিয়ালৰ ঘৰলৈ মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়া নিজে গৈ আমি সমবেদনা জ্ঞাপন কৰিছিলো। বাকী কেই গৰাকী ব্যক্তিৰ ঘৰত আমি যোৱাৰ পৰিবেশ এটা নাছিলে। আমি পৰিস্থিতি বেছি গুৰুতৰ অবনমিত হওক সেইটো আমি ভবা নাছিলো। ৰাজ্য চৰকাৰে তেওঁলোকৰ মৃত্যুত মৰ্মাহত আৰু আমি তেখেতসকলৰ পৰিয়ালৰ লগত ঠিয় হৈ আছো আৰু ঠিয় হৈ থাকিম। স্বাভাবিকভাবে কংগ্ৰেছৰ মন্ত্ৰীসভা যেতিয়া আছিলে তেতিয়াও কাকোপথাৰত এনেকুৱাকৈ নিৰীহ লোকে প্ৰাণ হেৰুৱাইছিলে। বিভিন্ন স্থানত ২০০১ৰ পৰা ২০১৪ চনলৈ বহু নাগৰিকৰ মৃত্যু হৈছিলে। যিসকল হয়তো কোনো ঘটনাত প্ৰত্যক্ষভাবে জড়িত নাছিলে। সেই সময়তো সেই পৰিয়ালসকলৰ ওচৰলৈ আমি গৈছিলো। তেতিয়াৰ মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াও গৈছিলে আৰু তেওলোকক আমি বিভিন্নধৰনে সহায় কৰাৰ চেষ্টা কৰিছিলো। ঘটনাৰ সময়ত নিৰীহ লোকৰ মৃত্যু হয় কিন্তু সেইটো আমি গ্ৰহণ কৰিব নোৱাৰো। অতি মৰ্মদায়ক, দুখদায়ক ঘটনা কিন্তু নিয়তিৰ পৰিহাস ৰূপে এই ৫ জন লোকে প্ৰাণ হেৰুৱালে। আমি তেওলোকৰ পৰিয়ালক সমবেদনা জনাইছো। ১০-১১-১২-১৩-১৪ তাৰিখে গুৱাহাটীৰ যি পৰিবেশ আছিলে সেই পৰিবেশৰ লগত এই ঘটনা লগ কৰি যদি চোৱাৰ চেষ্টা কৰো তেতিয়া হ'লে আমি বিচাৰো কৰিব লাগিব যে আৰক্ষীৰ বিকল্প কিমান আছিল। অৰ্থ্যাৎ আৰক্ষীয়ে সেই দিনাখন কিবা ব্যৱস্থা নল'লে আৰু শংকৰদেৱ কলাক্ষেত্ৰৰ জাপি-শৰাই পৰ্য্যন্ত ভাঙি দিয়া হৈছিল। গুৱাহাটী মহানগৰীৰ ৰাস্তাৰ ৰেলিং চুৰ্ণ-বিচুৰ্ণ কৰি দিয়া হৈছিল। তেনে পৰিবেশৰ ক্ষেত্ৰত আৰক্ষীয়ে নিৰব হৈ থকাটো ৰাইজে কিমান গ্ৰহণ কৰিলেহেঁতেন সেয়াও চিন্তাৰ বিষয়। যি হওক মই বিশ্বাস কৰো অসমত আৰু এনেকুৱা কৰুণ আৰু বেদনাদায়ক ঘটনা নহওক। আমি অতিকৈ আনন্দিত যে ভাৰতীয় কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীকে ধৰি সকলোৱে আহি সেই পৰিয়ালৰ ওচৰত মাত দিছেহি। আমাৰ অসমৰ লোকসকলে জাতীয় জীৱনৰ চৰিত্ৰ প্ৰকাশ কৰি সেই মৃতকসকলৰ পৰিয়ালৰ ওচৰত থিয় হৈছে

আৰু আমি চৰকাৰৰ ফালৰ পৰাও, দলৰ ফালৰ পৰাও এই ঘটনাৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। মই ভাবো যে ইয়াত কোনো দুটা কথা থাকিব নোৱাৰে অধ্যক্ষ মহোদয়, এই গোটেই সমস্যাটো আৰম্ভ হৈছে এটা উৰাবাতৰিৰ পৰা। আজিও যিধৰনে সভাত মাননীয় বিৰোধী দলপতিয়ে বাংলাদেশী কিছুমান ব্যক্তিৰ নাম প্ৰকাশ কৰিছে। তেওলোক কোন তেওঁলোক সংসদৰ সদস্য বা তেওলোকৰ সামাজিক locus standi কি আছে। তেওলোকৰ ওচৰত ডাটা কি আছে। তেওলোকে ধন্যবাদ গ্ৰহণ কৰাৰ আগত অসমখনত বিশৃংকল কৰাৰ ষড়যন্ত্ৰ লুকাই আছে নেকি? কাৰণ তেওঁলোক বাংলাদেশত আছে। বাংলাদেশত বিভিন্ন ইছলামিক সন্ত্ৰাসবাদী সংগঠনৰ দৰে বহুতে তাত কাম কৰে। তাত nonstate Actor বহুত আছে। এই প্ৰামাণিক বোলা ব্যাক্তিজন কোন। ভাৰত চৰকাৰে তেওঁক স্বীকৃতি দিয়েনে নিদিয়ে। তেওঁ যেতিয়া আঢ়ৈ কোটি মানুহ আহিব বুলি কয় । স্বাভাবিকতে আমি প্ৰশ্ন কৰিমনে নকৰিম বাংলাদেশৰ চেনচাচত আঢ়ৈ কোটি হিন্দু লোক দেখা দিয়ে নিদিয়ে। আমি যিমানদুৰ জানো যে বাংলাদেশৰ চেনচাচত আজিৰ দিনত ১ কোটি ৩০ লাখ হিন্দু নাগৰিক আছে। যেতিয়া কোনো প্ৰামাণিকে টি ভিত কয় যে আঢ়ৈ কোটি হিন্দু নাগৰিক অসমত আহিব তেতিয়া আমি প্ৰশ্ন কৰিব লাগিব সেই প্ৰামাণিক গৰাকী কোন?

বাংলাদেশৰ census ত আজিৰ দিনত এক কোটি ত্ৰিশ লাখ হিন্দু নাগৰিক বা ওচৰে পাজৰে হিন্দু নাগৰিক আছে। যেতিয়া কোনোবা প্ৰামাণিকে টিভিত কয় যে আঢ়ৈ কোটি হিন্দু নাগৰিক এতিয়া অসমত আহিব। তেতিয়া আমি প্ৰশ্ন কৰিব লাগিব যে সেই প্ৰামাণিক গৰাকী কোন, অসমৰ ইছুত তেওঁ কিয় মাত মাতিছে। অসমখনত আকৌ এবাৰ জুই জ্বলোৱাৰ কিবা ষড়যন্ত্ৰ বাংলাদেশত ৰচনা হোৱা নাইতো। মাননীয় অধ্যক্ষ মহোদয়, এক কোটি এটা সংখ্যা কোৱা হৈছে যে অমিত মালবীয়ে টুইত কৰিছে, বিৰোধী পক্ষৰ সন্মানীয় দলপতিজনক মই বিনম্ৰতাৰে কম যে তেখেতে কতো অসম শব্দটো ব্যৱহাৰ কৰা নাই, তেওঁ India শব্দটো ব্যৱহাৰ কৰিছে। আৰু India শব্দটো যেতিয়া ব্যৱহাৰ কৰে পাঞ্জাবৰ শিখ, গুজৰাটৰ পাৰ্চী, কলিকতাত পশ্চিম বঙ্গৰ বঙালী হিন্দু এইগোটেইখিনিক লগত লোৱাৰ পিছত অসমত বঙালী হিন্দুৰ পৰিমানটো নিম্নই হব। কিন্তু এই আতঙ্কময় অসমখনত যদি অমিত মালবিয়াই ভাৰতত কৰা এক কোটি পয়ত্ৰিশ লাখৰ আমি যদি সেইটোৱে অনুমানিক কৰি কওঁ যে সেইটোৱে অসম বুলি কওঁ তেতিয়া হলে মই নাভাৱো যে আমি আমাৰ কাৰণে কিমান justice কৰিছো। অসমৰ ৰাইজক যদি কোনোবাই ইয়াত সাহসেৰে কব পাৰে যে হয় এক কোটি এখন আইনৰ অধীনত বিদেশী আহিব আৰু যদি এক কোটিতকৈ এজনো কম আহে মই ৰাজনীতি ত্যাগ কৰিম। মোৰ আপত্তি কৰিবলগীয়া একো নাই। কিন্তু মই অন্তত বিনম্ৰতাৰে কৈছো এই আইনৰ সুযোগ লৈ অসমত পাঁচ লাখতকৈ (সংখ্যাটো কিয় কৈছো তাৰ ওপৰতো কম) যদি এজনো বিদেশী নাগৰিকে ভাৰতীয় হবলৈ চেষ্টা কৰে তাৰ দায়বদ্ধতা এইখন চৰকাৰে মূৰ পাতি লব। আমি এই সদনত on record ত কৈছো। মাননীয় বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া ডাঙৰীয়াই তেখেতে এক কোটি পয়ত্ৰিশ লাখৰ কথা কৈছে। তেখেতে কৈছে যে এক কোটি পয়ত্ৰিশ লাখকৈ এজনো যদি কম আহে মই দায়বদ্ধ হৈ থাকিম, মই ৰাজনীতি এৰি দিম, মই মানি লম। যদি মই কম যে পাঁচ লাখতকৈ এজনো বিদেশী অহাটো নেদেখো, বৰঞ্চ কম হ'ব আৰু মই অন্তত বিনম্ৰতাৰে এই সদনত কৈছো যে পাঁচলাখতকৈ যদি এজনো বিদেশী নাগৰিক বেছিকৈ এই আইনৰ জৰিয়তে আহে, মাননীয় অধ্যক্ষ মহোদয়, ময়ো তেতিয়া ৰাজনীতি নকৰো। মই আশা কৰিম মাননীয় বিৰোধী পক্ষৰ দলপতিগৰাকীয়েও একে ধৰণে অসমৰ ৰাইজক আস্বস্ত কৰিব। এই কথাখিনি এইকাৰণে মই কৈছো যে এই সময়খিনিলৈ আমি বহুদিন অপেক্ষা কৰিব নালাগে। মই জানো যে ২২ তাৰিখৰ আগতে বা এই মাহৰ ভিতৰতে

rules prepared হ'ব। rules prepared হোৱাৰ পিছত অসমৰ কাৰণে এটা আদেশ নিৰ্ধাৰিত হ'ব যে maximum তিনি মাহৰ ভিতৰত আবেদন কৰিব লাগিব, maximum ছয় মাহৰ ভিতৰত আবেদন কৰিব লাগিব। অৰ্থাৎ বিধান সভাৰ নিৰ্বাচনৰ আগতে বা এই বিধান সভাত থাকোতে আমি স্পষ্ট অংক এটা পাই যাম। বহুদিনলৈ এই অনিশ্চয়তা নাথাকে। মই প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাইছো। এই বিভীষিকাময় সময়ৰ মাজতো তেখেতে টিভিত এটা interview দিছিলে যে ময়ো জানো ইয়াত বেছি বিদেশী নাহে। ৮৭ চনত regularize হ'ল, ৯২ চনত হ'ল, ৮৫ চনত হ'ল গতিকে ইমান মানুহৰ কথাটো নহয়। সেই ভিডিউটো মোৰ লগত আছে আৰু গগৈ ডাঙৰীয়াই যিটো ৰাষ্ট্ৰ নেতাৰ দৰে আচৰণ কৰিছিল সেই সময়ত as a statesman। তেখেতক মই ধন্যবাদ দিছো যে আঢ়ৈ কোটিৰ কথা কোৱা নাই, তেখেতে ডেৰ কোটিৰ কথা কোৱা নাই, তেখেতে কোনো সংখ্যাৰ কথা কোৱা নাই, তেখেতে কৈছে অকনমান আহিব, কিছু আহিব। this is the way a statesman act at the time of crisis of a State । এতিয়া State ৰ সংকট
আছে, কোনোবা প্ৰামাণিকে কৈছে আঢ়ৈ কোটি, he may be ISI agent no body knows নহবও পাৰে। কিন্তু এই মূহুৰ্তত আমাৰ সদনৰ দায়িত্ব যে শঙ্কা কমাব লাগে, মানুহৰ মাজত আতঙ্ক কমাব লাগে। আৰু গগৈ ডাঙৰীয়াৰ সেই statement টোৱে মোৰ হৃদয় চুই গৈছে যে তেওঁ গোটেইখিনি বিষ ভগাই দিছে যে ৮৭ চনত এনেকুৱা হ'ল , ৯২ চনত এনেকুৱা হ'ল, ২০০৩ চনত এনেকুৱা হ'ল। গতিকে ইয়াৰ পৰিপেক্ষিতত বহুত ডাঙৰ অংক এইটো নহব।

মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে ৰাজনীতি আমি কৰো, কৰবাত আমি নিজৰ দলৰ স্বাৰ্থত আমি কিছু কথা কব লাগে। কিন্তু দেশৰ যেতিয়া সংকটৰ সময় হয় সত্য ৰাইজৰ ওচৰত দাঙি ধৰাতো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য। মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰসন্থাই কেতিয়াও সংখ্যাত যোৱা নাই। আপুনি যদি খুব micro level ত assessment কৰে, এটাই সংগঠন কেতিয়াবা প্ৰতিদ্বন্দী হলেও তেওঁলোকে ৰাজনৈতিক দল কৰিম বুলি কৈছে। অহা কালি মোৰ প্ৰতিদ্বন্দী হব, প্ৰতিদ্বন্দী হলেও ছাত্ৰসন্থা ফালৰ পৰা কোটি শব্দটো কতো ব্যৱহাৰ কৰা হোৱা নাই। কাৰণ তেওঁলোকে চুক্তিৰ লগত লাগি আছে, সমস্যাৰ লগত লাগি আছে। ছাত্ৰসন্থাই কৈছে যে আমাৰ principal opposition অসম চুক্তি violate হৈছে আৰু সেই কাৰণে ইয়াক আমি violate কৰিছো। সংখ্যা দিয়াৰ চেষ্টা সদৌ অসম ছাত্ৰসন্থাই কৰা নাই আৰু ছাত্ৰসন্থাৰ যোগ্য নেতৃত্বৰ কাৰণে যে গধুলি আমি জোৰ সমদল নকৰো, অপ-প্ৰচাৰত আমি নাই, হয়তো পৰিবেশ শাম কটাত যথেষ্টখিনি সহায় কৰিছিল। মই আজিও বিনম্ৰতাৰ সৈতে ছাত্ৰসন্থাৰ নেতৃত্বৰ maturity ৰ কাৰণে মই ধন্যবাদ আৰু কৃতজ্ঞা জনাইছো। কিন্তু এই বুলি নহয় যে তেওঁলোকৰ প্ৰত্যেকটো কথা আমি মানি লম। তেওঁলোকে ৰাজনৈতিক দল গঠন কৰিলে আমি প্ৰতিদ্বন্দিতা নকৰিম। ৰাজনৈতিক যুজত প্ৰতিদ্বন্দিতা হব। কিন্তু as on date তেওঁলোকে কতো সংখ্যা দিয়া নাই। কোনো প্ৰামাণিকৰ কথা কোৱা নাই। তেওঁলোকে মাত্ৰ কৈ আছে অসম চুক্তি violate হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি violate হৈছে বা অসম চক্তি কিছু অমীমাংসীত সমস্যা পৰবৰ্তীকালত resolve হৈছে। এই কথা দুটাত আমি মৌলিক ভাৱে বিশ্লেষণ কৰিব লাগিব। প্ৰথম কথা মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া অসম চুক্তি স্বাক্ষৰিত হ'ল। এই চুক্তিখন মাত্ৰ চাৰিটা পেজৰ চুক্তি। মাননীয় প্ৰাক্তণ মূখ্যমন্ত্ৰী প্ৰফুল্ল মহন্ত ডাঙৰীয়া ইয়াত আছে, তেওঁ স্বাক্ষৰ কৰিছিল। এই চুক্তিখন all accomplish নাছিলে। এই চুক্তিত বহুত কথা সন্নিবিষ্ট হোৱা নাছিলে। এই ৰাজ্যখনত

যে NRC লাগে এই কথাটোও এই চুক্তিত নাছিলে। NRC has evolved as a concept post Assam Accord বহুতে কয় অসম চুক্তি মতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী হৈছে। সেইটো নহয় গগৈ ডাঙৰীয়া আছে, ২০০৫ চনত মনমোহন সিং ডাঙৰীয়া অসমত আহিব। সদৌ অসম ছাত্ৰসন্থাই বন্ধ দিলে। মনমোহন সিং ডাঙৰয়ীই কলে যে মই অসমত বন্ধ দিলে নাহো। This is my first visit। গগৈ ডাঙৰীয়াৰ নিৰ্দেশত আমি দুজনমান মন্ত্ৰীয়ে ছাত্ৰসন্থাৰ লগত informal contact স্থাপন কৰিলো জনতা ভৱনৰ পুৰণা ঘৰটোত গগৈ ডাঙৰীয়াৰ লগত ছাত্ৰসন্থাৰ বৈঠক হ'ল। ২০০৫ চনত মনমোহন সিং ডাঙৰীয়াৰ বৈঠক NRC formalise হ'ল। কিন্তু NRC ৰ detailed guideline শ্ৰীযুত তৰুণ গগৈ মূখ্যমন্ত্ৰী থকা সময়ত আমাৰ সকলোৰে প্ৰচেষ্টাত ছাত্ৰসন্থাৰ লগত গোটেই কামখিনি আমি কৰি লৈ গৈছিলো। গগৈ ডাঙৰীয়াই মোক লৈ গৈছিল ২০০৫ চনৰ সভাত। যদিও মই তেতিয়া Assam Accord ৰ মন্ত্ৰী নাছিলো। He asked me to accompany him and it took just ten minutes. কাৰণ আমি home work খিনি ইয়াতে কৰি লৈ গৈছিলো। That means NRC Assam Accord ত লিখা হোৱা নাছিল। Assam Accord ত issue আছিল যে ৭১ চনতো cut-off হ'ল ৭১ চনতো cut-off হোৱাৰ পিছত পঞ্জী কৰপৰা হ'ব। Assam Accord ত যিটো unresolve issue আছিল ২০০৫ চনত কংগ্ৰেছ চৰকাৰৰ সময়ত আছু, কংগ্ৰেছ আৰু আমাৰ ত্ৰিপাক্ষিক বৈঠকত resolve হ'ল that means Assam Accord is not a full proof document it evolved in the process of time, Assam Accord ত কেইটামান অমীমাংসীত কথা থাকি গৈছিল। আজি আমাৰ ইয়াত প্ৰাক্তণ মূখ্যমন্ত্ৰী প্ৰফুল্ল মহন্ত ডাঙৰীয়া আছে, মই জাতীয় জীৱনৰ সন্ধিক্ষণত এই ভাষণটো দিছো। বহুত দায়িত্ব সহকাৰে দিছো। মই জানো মোৰ এটা শব্দই অসমত বহুত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। ভাবি চিন্তি ভাষণ দিয়াৰ আগতে কেতিয়াও ভগবানৰ নামলৈ নাহো। আজি ভগবানৰ নাম লৈ আহিছো। কাৰণ মই কেইবাটাও কথা কবলগীয়া আছে যিটো ইয়াৰ আগত আমি আলোচনা কৰা নাই। এই Accord খন যেতিয়া আমি চহী কৰিছিলো, ইয়াত কোৱা হৈছিলে যে all persons who come to Assam prior to 1-1-1966 including those amongst them whose name appeared in the electoral roll in 1967 shall be regularized. লৰা ছোৱালীৰ এই সকলৰ, পিতৃ-মাতৃক আমি বাংলাদেশী declare কৰি দিলো। ৬৬ চনত অহা, ৭১ চনত অহা তেওঁলোকৰ লৰা -ছোৱালীৰ কি হ'ব? চুক্তিতো কতো উল্লেখ নাই। তাৰমানে যদি এতিয়া আমি Assam Accord violate নকৰো তেতিয়া হ'লে লৰা-ছোৱালীৰ status ৰ ওপৰত আমি প্ৰশ্ন কৰিব নোৱাৰো। আজি যদি NRC য়ে কৈছে যে 71 and its decendents। এই decendents শব্দটো কৰ পৰা আহিল। Accord তো নাই, Accord তো লৰা -ছোৱালী ভাৰতীয় কাৰণ ৮৫ চনত মহন্ত ডাঙৰীয়াই যেতিয়া এই চুক্তিত চহী কৰিছিল, সেই সময়ত Citizenship Amendment Act ৰ Clause 3 লিখা আছিলে যে যিকোনো লোকৰ দেউতাক -মাক বিদেশী হওঁক বা যিয়ে হওঁক যদি ল'ৰা -ছোৱালী ভাৰতত জন্ম হয় তেওঁ ভাৰতীয়। ৮৫ চনৰ ১৫ আগষ্টত এই চুক্তি চহী কৰাৰ সময়ত আন্দোলনকাৰী নেতা সকলে জানিছিল যে অকল বিদেশী বাপেক-মাক বিলাকে ল'ৰা-ছোৱালী যি জন্ম হ'ব সেইবিলাক কিন্তু ভাৰতীয়। এটা দফাও নাই যে ১৯৫৫ চনৰ Citizenship Act Amendment হব to declare, সতি-সন্ততিকো বিদেশী কৰিম বুলি declare কৰিবৰ কাৰণে সেই Act খন সংশোধনী হব। তাৰমানে এইটো এটা অমিমাংসিত প্ৰশ্ন অসম চুক্তিত থাকি গ'ল ।এন আৰ চি খন যেনেকৈ অমিমাংসিত হৈ আছিল, ল'ৰা-ছোৱালীৰ

কি হ'ব সেইটোও অমিমাংসিত হৈ থাকি গ'ল। অধ্যক্ষ মহোদয়, আই এম ডি টি বাতিলৰ ক্ষেত্ৰত কি আছিলে keeping all aspect in the problem including constitutional legal provision. ইয়াত কি লিখা আছিলে অধ্যক্ষ মহোদয় The government will give consideration to certain difficulties express by AASU and AJYSP regarding implementation of IMDT Act. তাৰ মানে এই চুক্তি খন চহী কৰোতে চুক্তি স্বাক্ষৰকাৰী সকলে মানি লৈছিল যে অকল difficulty will be remove but IMDT will not be scraped, AASU য়ে কিয় গৈ case কৰিলে Supreme Court ত IMDT বাতিল কৰিব লাগে বুলি। সেইটোও অসম চুক্তিৰ violation আছে । অসম চুক্তিত লিখা আছিলে যে will give consideration to certain difficulty. তাৰমানে সময়ৰ তাগিদাত অসম চুক্তি খন violate কৰি হ'লেও জনসাধাৰণৰ স্বাৰ্থত, ৰাইজৰ স্বাৰ্থত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই আছুৰ অনুমতি লৈ ন্যায়ালয়ত যাবলগীয়া হ'ল যে IMDT বাতিল কৰক । কিন্তু বাতিল কৰা শব্দটো চুক্তিত কতো নাই। সেইটো অসম চুক্তিৰ violation নাছিলে। Thrid unresolved question was what will be done with Hindu-Bangladeshi. অধ্যক্ষ মহোদয়, কোৱাটো সহজ যে হিন্দু-মুছলমান । কিন্তু সেই সময়ত কোনো প্ৰশ্ন নুঠিলে যে Whether will treat economic inflitatores and inflitators of religious persecution at the same level. সেই সময়ত যদি সিদ্ধান্ত হ'লহেঁতেন যে ধৰ্মান্ধৰ বলি হোৱা সকলক ভাৰতৰ আন ঠাইত sattle কৰা হ'ব প্ৰশ্ন নাছিলে । কিন্তু তেওঁলোকক যে বালাংদেশ, পাকিস্তানত ঘূৰাই নিয়াটো সম্ভৱ নহয়, চুক্তি স্বাক্ষৰ কৰাৰ সময়ত আমি সকলোৱে নিশ্চয় জানিছিলো but we resolve that issue, অমিমাংসিত প্ৰশ্ন হিচাপে আমি থৈ দিওঁ, কাৰণ যি মানুহক হিন্দুৰ ধৰ্ম সলনি কৰিব কোৱা হ'ল, যি মানুহৰ ছোৱালীৰ সতীত্ব ধ্বংস কৰা হ'ল সেই মানুহক আমি অসমত নাৰাখো বুলিতো ক'ব পাৰো কিন্তু ভাৰত সনাতন সভ্যতা, সংস্কৃতিৰ প্ৰতিভূ এই ভাৰতবৰ্ষই নিজৰ নাগৰিকক নাৰাখো বুলি ক'ব পাৰিব নেকি ? এইটোৰ ভিত্তিত তেওঁলোকক আমি ক'ব লাগিছিল যে তেওঁলোকক অসমত নাথাকে। That remain unresolved. যেতিয়া অমিমাংসিত প্ৰশ্নৰ সমাধান বিচৰাৰ স্বাৰ্থত অসম চুক্তিক বহুতবাৰ হাত দিয়া হ'ল অধ্যক্ষ মহোদয়। ১৯৮৭ চনত প্ৰথমবাৰ ৰাজীৱ গান্ধী ডাঙৰীয়াই হাত দিলে আৰু কলে যে যিকোনো বালাংদেশী পিতৃ-মাতৃ যদি এগৰাকী বালাংদেশী হয় তেওঁৰ ল'ৰা-ছোৱালী ভাৰতীয় হ'ব , কেনেকৈ অধ্যক্ষ মহোদয়। ১৯৭১ চনৰ আগত সোমোৱা মানুহৰ ২০০০, ২০৪০ চন মানত সকলো মৰি নোহোৱা হৈ যাব স্বাভাৱিক নিয়মত । তাৰ মানে অসম চুক্তিৰ expiry date ইমানেই নেকি ? ১৯৭১ চনত অহা লোক ২০ বছৰত আহিছিলে ৬০ বছৰত স্বাভাৱিক নিয়মত মৰি যাব। যদি অসম চুক্তিয়ে বিদেশী ল'ৰা-ছোৱালী খিনিক সামৰি নলয় এইখন কেনেকুৱা চুক্তি আছিল সেই চুক্তিৰ spirite টোক ভংগ কৰি ১৯৮৭ চনত সংশোধনী অনা হ'ল মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী আছিলে, ৰাজীৱ গান্ধী ডাঙৰীয়া প্ৰধান মন্ত্ৰী আছিলে, দীনেশ গোস্বামী ডাঙৰীয়াই statement দিছিলে যে I welcome this ammendment. বিদগ্ধ বুদ্ধিজিৰী নগেন শইকীয়া ডাঙৰীয়াই ভোট দিছিল। তাত কোৱা আছিলে যে এজন যদি বাপেক বাংলাদেশী হয় ল'ৰা-ছোৱালীক ভাৰতীয় বুলি গণ্য কৰা হ'ব। Is it not violation of spirite of Assam Accord? সমাজ মনে মনে থাকিলে। বিজেপিক বিৰোধীতা কৰাৰ কাৰণে সমাজ জাগ্ৰত হ'ব, অসম চুক্তিক ৰক্ষা কৰিবৰ কাৰণে সমাজ জাগ্ৰত নহ'ব। এই দুটা মানদণ্ডটো থাকিব নোৱাৰে। ১৯৯৩ চনত আৰু এটা ভয়ানক সংশোধনী

আহিলে যে যদি কোনোবা বাংলাদেশী হওঁক বা যি হওঁক এজন যদি ভাৰতীয় হয় আৰু ভাৰতৰ বাহিৰতো জন্ম হয় He will be treated as a Citizen of India. তাৰ মানে মই বাংলাদেশী ছোৱালী বিয়া কৰাইছো অসমীয়া, মই যদি বাংলাদেশতো ল'ৰা-ছোৱালী জন্ম দিওঁ ভাৰতত তেওঁলোকক ভাৰতীয় হিচাপে গণ্য হ'ব ।কিমান ভয়ানক সংশোধনী 4.1 of Citizenship Ammendment Act. তেতিয়া কতো প্ৰতিবাদ নহ'ল। এতিয়া কিছুমানে কয় যে আমি অসম বন্ধ দিছিলো but we have to find out. তেতিয়াতো মানুহৰ বিবেকে দংশন নকৰিলে। আজি কংগ্ৰেছ দলে যি C(A)A ৰ বিৰোধীতা কৰিছে অত্যন্ত বিনম্ৰতাৰে কৈছো দুয়োটা সংশোধনী কংগ্ৰেছ চৰকাৰৰ দিনত অনা হৈছিলে। সেই সময়ত হয়তো মই ইমান ডাঙৰ পদত নাছিলো। কেতিয়াবা মোক হয় আপুনি অসম চুক্তিৰ মন্ত্ৰী আছিলে, এটা বছৰ বা দুটা বছৰ মই মন্ত্ৰী আছিলো কিন্তু গোটেই সময়চোৱাতে মই মন্ত্ৰী কেতিয়াও নাছিলো। কিন্তু দোষটো গোটেই মোৰ গাতে মাৰি দিয়া হয় যেন মইহে গোটেই অসম চুক্তি স্বাক্ষৰ কৰাৰ পৰা শেষলৈকে আছিলো। কোনোবা এটা সময়ত গগৈ ডাঙৰীয়াৰ লগত আছিলো আৰু তেওঁ ব্যক্তিগত ভাবে ক'ব তেওঁৰ পৰামৰ্শ বিপৰীতে পাট্টা এটাও লৰচৰ নকৰিছিল। এইটো তেওঁ জানে আৰু আমি সকলোৱে জানো। কৰবাত হয়তো তেওঁ মোৰ কথা মানিছিল। কিন্তু সিদ্ধান্ত সদায় তেখেতে লৈছিল আৰু কোনোবাই যদি কয় সিদ্ধান্ত কংগ্ৰেছ চৰকাৰৰ দিনত শ্ৰী তৰুণ গগৈ লোৱা নাছিল, হিমন্ত বিশ্ব শৰ্মাই লৈছিল। তেতিয়াহ'লে গোটেই ভাল ফল খিনি মোৰ আগত দিব। কাৰণ কংগ্ৰেছ চৰকাৰৰ দিনত বহুত ভাল কাম কৰা হৈছিল। গুপ্তহত্যা নোহোৱা হোৱাৰ পৰা, Pay Commission implementation কৰাৰ পৰা বহুতো ভাল কাম হৈছিল। ভাল কাম খিনি যদি মোৰ মূৰৰ ওপৰত তেন্তে মই ল'বলৈ সাজু আছো যদিহে তৰুণ গগৈ ডাঙৰীয়াই দিয়ে। এই প্ৰশ্নটো হ'ল যে ১৯৯৩ ত এই ammendment কংগ্ৰেছ চৰকাৰৰ দিনত কৰা হৈছিল, তাৰ মানে কংগ্ৰেছৰ দিনতো অসম চুক্তিৰ spirite টোক touch কৰা হৈছিল ।কিয় touch কৰা হৈছিল যে These were unresolved question. অসম চুক্তিৰ সতি-সন্ততিৰ কথা লিখা হোৱা নাছিল it is evolved প্ৰথম কলে যে, দুয়োটা বাপেক-মাক হ'লে নহ'ব এটাহে হ'ব ।তাৰ পিছত ১৯৯৩ৰ ammendment was aversation কিয় এইটো সংশোধনী আহিলে মই ক'ব নোৱাৰো। ২০০৩ চনত অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই কলে যে কোনো বিদেশী ল'ৰা-ছোৱালী ভাৰতীয় হ'ব নোৱাৰে। এজনে হওঁক বা দুজন হওঁক। তাৰ মানে অসম চুক্তিৰ অমিমাংসিত প্ৰশ্ন এটা ১৯৮৫ চনৰ পৰা গৈ গৈ ২০০৩ চনত সমাধান হ'ল। আনটো অমিমাংসিত বিষয় IMDT Act Supreme Court ৰ মজিয়াত সমাধান হ'ল। ঠিক সেইধৰণে আন এটা অমিমাংসিত বিষয় যি কাৰণতেই নহওঁক কিয় হিন্দু-বাংলাদেশী সমস্যা ২০১৪ চনত সমাধান হ'ল ।এতিয়া এই চুক্তিত অমিমাংসীত প্ৰশ্ন আৰু একো নাই ।অসম চুক্তি আমি violate কৰা নাই ।We have addressed the unresolved issue of Assam Accord. অধ্যক্ষ মহোদয়, আৰু এটা ভুল মোৰো জীৱনত হৈ গৈছে ।মই আজি ৰাতিপুৱা অত্যন্ত অনুতপ্ত অনুভৱ কৰিছো ১৯৭১ চনৰ অসম চুক্তিয়ে ভিত্তিবৰ্ষ কেতিয়া কৰিছিল ।এইটো এই মাত্ৰ কাছিমি ডাঙৰীয়াই ভাষণ দিলে। কেনেকৈ এই শব্দটো ওলাই গ'ল যে 1971 is a cut off ক'ত কৈছিলে? কোনটো দফাত? Clause-5 ৰ দফা কেইটা মই এফালৰ পৰা পঢ়ি দিছো। জাতিটো কেনেকৈ লাইনৰ পৰা ওলাই গ'ল। অধ্যক্ষ মহোদয়, Assam Accord ৰ cutoff হৈছে ১৯৬৭। ইয়াত লিখা আছে মই কেৱল লাইন কেইটা পঢ়ি দিছো য'ত ৰাজীৱ গান্ধী আৰু প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ চহী আছে। Clause no. 5.1-

For purposes of detection and deletion of foreigners, 01-01-1966 shall be the base data and year. 1971 was never based in data and year. তাৰ পিছত কি কোৰা হৈছে ইয়াত এন আৰ চিৰ কোনো প্ৰয়োজন হোৰা নাছিল। আসাম একৰ্ডত কৈছিলে ৬৬ ৰ ভোটাৰ লিষ্টখনেই এন আৰ চি। গগৈ ডাঙৰীয়াই ২০১৪ চন বিচাৰে। কিন্তু আমাৰ সকলোৰে এসময়ৰ নেতা ৰাজীৱ গান্ধী ডাঙৰীয়াই কৈ গৈছিলে যে Assam NRC হ'ব ৬৭। ইয়াত কৈছিল যে "*All person who came to Assam prior to 01-01-1966 including those amongs them who's name appeared on the electroral rolls used in 1967 election shall be regularised*". Very precise যে ১৯৬৭ৰ electroral roll খনেই base data হ'ব base year হ'ব। A small concession was given যদি কোনোবাই ১৯৬৬, ১৯৬৭, ১৯৬৮ ত ভাৰতত আহিছে তেওঁলোকে যদি ডিক্লেয়াৰ কৰে যে মই ১৯৬৬ ৰ পিছত আহিছো up to 1971 তেওঁলোকৰ নাম ১০ বছৰৰ কাৰণে ভোটাৰ লিষ্টত বাদ যাব আৰু they will be considered as an Indian. তাৰমানে ১৯৬৬ ৰ পৰা ১৯৭১ লৈকে যিসকলে ডিক্লিয়াৰ কৰা নাই ফৰেইন অফিচাৰৰ ওচৰত they can not be treated as an Indian. কিমান ডাঙৰ বিশ্বাসঘাটকতা এটা অসমৰ ৰাইজৰ লগত হৈ থাকিল আপোনালোকে চাওঁক। Names of the foreigners so detected foreigners who come to Assam after 01-01-1966 and up to 24th March,1971shall be detected in accordance with the provision of Foreigners Act. তাৰমানে ১৯৬৭ ৰ পৰা ১৯৭১ ৰ মানুহখিনিক আমি detect কৰিব লাগিব। তেওঁলোকৰ চিধা পাৰমিট কতো নাই। Names of the foreigner so detected will be deleted from the electrol roll in force. Such person will be required to register themselves before the RO respective district with the provision of so and so for this purpose Government of India will undertake on the expiry of period of 10 years following the date of detection the names of all such person which has been deleted from the electroral roll shall be restored. তাৰমানে ১৯৬৭ ৰ পৰা ১৯৭১ ৰ মানুহখিনি যেতিয়ালৈকে punishment process টোৰ মাজেদি নাযাব, through the process যেতিয়ালৈকে নাযাব, ১০ বছৰলৈকে যেতিয়ালৈকে তেওঁলোকে punishment নাপাব they can not be Indian. আমি কেনেকৈ এন আৰ চি ত ১৯৭১ কাট অফ ঠিক কৰিলো। এতিয়া ক'ব আপুনি অসম চুক্তিৰ মন্ত্ৰী আছিল। মই কৈছো মই অনুতপ্ত। মোৰ দিনত গাইড লাইন ফাইনেল হোৰা নাছিলে। মই এৰি থৈ গুছি আহিলো। It was finalised later. 1967 ৰ ভোটাৰ লিষ্ট খনেই অট'মেটিক এন আৰ চি। আসাম একৰ্ডত লিখা আছে। ডাটাও বেলেগৰ পৰা ল'ব নোৱাৰে, yearও বেলেগৰ পৰা ল'ব নোৱাৰে। ১৯৬৭ ত যাৰ বাপেকৰ নাম, ল'ৰা-ছোৱালীৰ নাম আছে তেওঁলোক ভাৰতীয়। বাকী সকল ভাৰতীয় হ'ব পাৰিব a provison has been provided. তেওঁলোকে যদি স্বীকাৰ কৰে আমি অহাটো হয় ১৯৬৬ ৰ পিছত কিন্তু ১৯৭১ ৰ আগত। তেতিয়া Foreigners Registration Officers will examine it যে তোমালোকে ১৯৬৬ ৰ পৰা ১৯৭১ ৰ ভিতৰত অহাটো সঁচা হয়নে নহয়। যদি সঁচা হয় then judgement will be delivered তেওঁলোকৰ নাম ১০ বছৰৰ

কাৰণে ভোটাৰ লিষ্টৰ পৰা ওলাই যাব আৰু তেওঁলোকে ১০ বছৰ পিছত ভোটাৰ লিষ্টত আকৌ সোমাব। ১৯৭১ টো কাটঅফ বুলি আমি কিয় কৈ থাকিলো ? ছাত্ৰ সন্থাৰ মজিয়াৰ পৰা , কংগ্ৰেছ, বি জে পি ৰ মজিয়াৰ পৰাও কয় ১৯৭১ কাট অফ বুলি। কেতিয়াবা কেতিয়াবা চুক্তি স্বাক্ষৰকাৰী সকলেও কয়। মাননীয় অধ্যক্ষ মহোদয়, কেইটামান ইংৰাজী শব্দ নপঢ়াৰ কাৰণে আজি আমি জাতিটোৰে এন আৰ চি কৰিব লগীয়া হ'ল। লিগেচী ডাটা উলিয়ালে কিন্তু ইয়াতটো লিগেচী ডাটাৰ প্ৰশ্ন নাই। 1967 electroral roll is the NRC. সকলোৰে কয় clause 5 নোহোৰাকৈ 6 নহয়। মই আজি ৫ টোৰে পঢ়িলো। যেতিয়া ৫ টো পঢ়িলো তেতিয়া দেখিলো যে ১৯৭১ টো কাট অফ নহয়। ১৯৭১ কাট অফ হ'ব যদিহে মানুহজনে গৈ ডিক্লিয়াৰ কৰে যে মই ১৯৬৬ ৰ ১৯৭১ ৰ ভিতৰত সোমাইছিলো। তেতিয়াহে মই ভাৰতীয় বুলি ডিক্লিয়াৰ হ'ম other wise for all practical purpose 1967 voter list is the cut off আৰু যদি আমি ১৯৭১ কাট অফ বুলি কওঁ অসম চুক্তিক ভাইঅ'লেট কৰা হ'ব। আজি কোনে অসম চুক্তিক ভাইঅ'লেট কৰি আছে? আমি সকলোৱে কৰি আছো। অমিত শ্বাহ ডাঙৰীয়াক অসম চুক্তি ভাইঅ'লেট কৰা বুলি ক'লো কিন্তু অমিত শ্বাহ ডাঙৰীয়াই নহয় আমিহে অসম চুক্তি ভাইঅ'লেট কৰিছো। চুক্তিৰ স্বাক্ষৰকাৰীয়েও ভাইঅ'লেট কৰি আছে। মোক কোনোবাই ৫ টো পঢ়ি দেখাই দিয়ক ১৯৭১ কাট অফ বুলি। ইয়াত আকৌ এবাৰ পঢ়িছো ৰাজীৱ গান্ধী স্বাক্ষৰিত কথা। মই নাভাৰো যে কোনোবাই ডিনাই কৰিব। ইয়াত লিখা আছে - "*For the purpose of detection and deletion of foreigners 01-01-1966 shall be the base data and year. They will enjoy all the rights provided they declair themselves*". অধ্যক্ষ মহোদয়, মই এইটো কথা কৈছো ১৯৬৬ ৰ পৰা ১৯৭১ ৰ মানুহখিনিয়ে সকলো ৰাইট এনজয় কৰিব after going through a punitive process. ১০ বছৰ বাহিৰত থকাৰ শাস্তিটো মূৰ দাঙি লোৱাৰ পিছতহে all rights will enjoy. So far 50000-60000 people has registered themselves in 1966 যে হয় they have entered their name in the Registration Office আৰু তেওঁলোকক সকলো অধিকাৰ দিয়া হৈছে। But question is the names of the foreigners so detected will be deleted কাৰণ ১৯৭১ টো অট'মেটিক হ'ব নোৱাৰে। ১০ বছৰ কাৰেকশ্যন হ'ব লাগিব। তাৰমানে ১৯৭১ base year সেই সকলৰ কাৰণেহে যাৰ ১০ বছৰ নামটো ভোটাৰ লিষ্টৰ পৰা কটা গৈছে। অন্যথা এপ্লাই কৰিব লাগিব and Court has to give a thinking যে এই মানুহজনে সঁচা কৈছে নে মিছা কৈছে। তাৰমানে 1966 is the cut off year for the purpose of detection and deletion of the foreigners 01-01-1966 is the base year 51. 53 is a proviso to 51.গতিকে যদি operative clause যিটো আমি legal argument ত কওঁ operative clause is 51. 53 is a proviso. The foreigners has to go and declared themselves. Court has to satisfy যে ১৯৬৬ ৰ পৰা ১৯৭১ ৰ ভিতৰত আহিছে। তৃতীয়তে, ১০ বছৰ নাম কটা যাব। চতুৰ্থতে, ১০ বছৰ পিছত সোমাব। In the mean time periods ত যিটো কৈছে rights enjoy কৰিব সেইটো ইয়াত লিখা নাই। Whether they will enjoy the same rights or not that is also not written আৰু এটা অমীমাংসিত প্ৰশ্ন, ইয়াত কতো লিখা নাই clause 5 ত। গতিকে অধ্যক্ষ মহোদয়, মোৰ যুক্তিটো এইটোৱে যে অসম একৰ্ডত বহুত কথা

থাকি গৈছে। এন আৰ চিৰ প্ৰয়োজন নাছিল। 1967 voter list was NRC. Cut off is 1967. আমি 1971 বুলি কওঁ। এনেকৈয়ে চলি চলি গৈ থাকিলে। মই ভাৱো যে এই আন্দোলনে জাতিটোক এটা সুযোগ দিব। অসম একৰ্ডখন আজি মই পঢ়ি চাই কৈছো ইমান বেয়াও নাছিলে। ৫ টো যদি ভালকৈ আমি পঢ়িলোহেতেঁন, প্ৰতীক হাজেলাৰ নাম নোলালেই হেতেঁন। ৬৭ ৰ ভোটাৰ লিষ্টেই এন আৰ চি হ'ল হেতেঁন। ১৯৬৭ কাট অফ হ'লহেতেঁন। ১৯৬১ ৰ পৰা ১৯৭১ ৰ মানুহখিনিয়ে ডিক্লিয়াৰ কৰিলে হেতেঁন। তাৰ পিছত তেওঁলোকে কি ৰাইটচ্ পাব কি ৰাইটচ্ নাপায় বিধান সভাত আইন পাচ হ'ল হেতেঁন যে তেওঁলোকে চাকৰি পাব নে নাপায় ইত্যাদি কাৰণ ইয়াত ক'তো লিখা নাই যে they will enjoy rights similar to that citizen. সেই কথাটো ইয়াত ক'তো লিখা নাই। ভোটাৰ লিষ্টত অধিকাৰ পাব সেইটো আছিলে। other rights পাব নে নাই সেই কথাটো নাছিলে। গতিকে এই কথাখিনি মই ভাৱো আমি নতুনকৈ মহন্ত ডাঙৰীয়াৰ নেতৃত্বতে হওঁক বিধান সভাত কমিটি এখন কৰি অসম চুক্তি খনৰ সম্যক আলোচনা এটা আজিৰ দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত কৰাৰ প্ৰয়োজনীয়তা আছে আৰু অসম চুক্তিৰ ডেফিচিয়েঞ্চী এটাই যে it has left lot of unresolved question. ল'ৰা-ছোৱালীৰ কি হ'ব, হিন্দু-বাংলাদেশীৰ কি হ'ব ইয়াত থৈ গ'ল আই এম ডি টি ৰ কি হ'ব? আজি সময়ৰ সোতত এই বিলাক resolve হৈছে, মই ভাৱো তাক আমি বিৰোধিতা কৰাতকৈ আদৰণি জনাব লাগে। চুপ্ৰিম কোৰ্টে যদি আই এম ডি টিৰ প্ৰশ্নটো resolve কৰি পেলাই আমি আদৰণি জনাম। ২০১৪ বৰ্ষ যদি ভিত্তিবৰ্ষ হিচাপে হিন্দু বাংলাদেশীৰ সমস্যা সমধান হৈ গ'ল Which was left unresolved, we should welcome. 2003 চনত যদি বাজপেই ডাঙৰীয়াই লৰা-ছোৱালীৰ সমস্যাটো সমধান কৰি থৈ গ'ল we should welcome. ১৯৮৫ চনৰ অমৃমাংসিত সমস্যা বিলাক হে আজি সমধান কৰা হৈছে অসম চুক্তিক অৱমাননা কৰা হোৱা নাই। অধ্যক্ষ মহোদয়, মই আজি যুক্তি তৰ্ক কৰিম বুলি অহা নাছিলো, দেবব্ৰত শইকীয়া ডাঙৰীয়াই কংগ্ৰেছ দলৰ কথা কলে। মই যিমান দূৰ জানো কংগ্ৰেছত বহুত দিন থকাৰ অভিজ্ঞতাৰে, আজি ইয়াত যিমান সদস্য আছে মোৰ জীৱন-যৌৱনৰ আটাইতকৈ ভাল সময়খিনিটো কংগ্ৰেছতে দি থৈ আহিছো। কেতিয়াবা কেতিয়াবা বিজেপিতে মই অনুভৱ কৰো যে মই বিজেপিৰ হয়নে নহয়? কাৰণ আপোনালোকে statement দিয়ে এওটো আমাৰ জন বুলিয়ে কৈ দিয়ে, হয় আপোনালোকৰে আছিলো। গতিকে I feel sometime foreigner is here, কাৰণ মোৰ জীৱন-যৌৱন তাতেই আছিল। গতিকে যেতিয়াই কোনোৱাই মোক আমাৰ জন বুলি কয় মই ৰাতি মোৰ পৰিবাৰক কওঁ যে কংগ্ৰেছে মোক এতিয়াও এৰা নাই। I feel proud and greatful. যে মোক এতিয়াও মনত ৰাখিছে। অধ্যক্ষ মহোদয়, প্ৰশ্নটো হ'ল আপোনালোকে সিদ্ধান্ত লওঁক যে আপোনালোকে C(A)A আন্দোলনটোত কিয় জপিয়াইছে? কৈছে যে আমাৰ মানুহৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লৈছে, মই সেই debate টোত নাজাও। Late law take its own course কি হৈছিল, কি হোৱা নাই। অধ্যক্ষ মহোদয়, পাৰ্লিয়ামেন্টত কংগ্ৰেছ দলৰ stand কি আছিল, কাৰণ Citizenship is a list one subject. বিধান সভাত এইটো আলোচনা নহয়ে। এইটো অধ্যক্ষ মহোদয়ৰ বদান্যতা যে আমাক কথা পাতিব দিছে। This is a subject under the list 1, which exclusively central list, state ৰ কোনো ইয়াত হিচাপে নাই। অধ্যক্ষ মহোদয়, মই যিমানদূৰ জানো, মোৰ ভুল হলে ক্ষমা কৰি দিব, কংগ্ৰেছ দলৰ in principle opposition টো হৈছে যে এখন ধৰ্মনিৰপেক্ষ নহয়। ২০১১ চনত বৰাকত আমি একেলগে গৈছিলো, গগৈ ডাঙৰীয়া আৰু মই,

আমিটো কৈয়ে আহিছিলো যে হিন্দু বঙালীক নাগৰিকত্ব দিম, refugee দিম। কাৰিকৰী শব্দটো refugee, নাগৰিকত্ব যিয়ে নহওক। কমলাক্ষ্য ডাঙৰীয়া প্ৰথমবাৰ বিধায়ক হৈছিল এইটোৰে wave creat কৰি দিলে, বুৰঞ্জী এনেকুৰা দিগবিজয় সিং ডাঙৰীয়াই দুদিন আগত গৈ কলে যে foreigners, foreigners আমি বঙালী হিন্দুক foreigner নিদিও। গগৈ ডাঙৰীয়া আৰু মই তাত দুদিন পিছত গলো, গৈ আমি declare কৰিলো যে নহয় দিগবিজয় সিং ভুল হিন্দু বাংলাদেশী will be treated defferently. এতিয়া শব্দৰ মায়াজালটো যিয়ে নহওঁক, সিমান দূৰলৈকে নাজাও, কাৰণ গগৈ ডাঙৰীয়া ইমান অভিজ্ঞ, যে তেওঁ যেতিয়া এটা শব্দ ক'ব তাৰ ব্যখ্যা ২০ বছৰ পিছত কি হ'ব সেইটোৰ কাৰণেও এটা গৱেষক লাগিব। তেওঁ কৈছিল যে হিন্দু বাংলাদেশী refugee হ'ব। এতিয়া ক'ব refugee কৈছো, নাগৰিকত্বটো কোৱা নাই। এতিয়া ভাৰতীয়া সংবিধানতটো refugee বুলি কোনো শব্দই নাই। What will be that? গতিকে এই বিলাক জানিব লাগিব, তেখেতে কেতিয়াবা ৰাজনীতি এৰিলে তেওঁৰ লগত গৈ বহিম, বহি সেইবিলাক বুজিম যে চাৰ আপুনি তেতিয়া কিয় এনেকুৰা কথাটো কৈছিল। That is a Defferent issue, মই এইটো টপিকত নাহো। কংগ্ৰেছৰ কেবিনেটত ইয়াতে হ'ল যে persucate peple should be given citizenship. Persucate কোন? বাংলাদেশ, পাকিস্তানতটো মুছলমান persucate হ'ব নোৱাৰে। Economic exploration হ'ব পাৰে, discriation হ'ব পাৰে, exploitation হ'ব পাৰে, but religious percecuated বুলি কলেই আমি সদায় তাৰ minority population ক বুজিব লাগিব। আজি আমি আমাৰ ইয়াত হিন্দু persecuated হ'ব নোৱাৰে, persecuated যদি হ'ল লাগে মুছলমান হ'ব লাগিব। কাৰণ এইখন এখন হিন্দু প্ৰধান দেশ। Religious persecuated মানে If you leave the veil than you understasnd the religious persecution in Bangaladesh, Pakistan and Afganistan means Hindu, jain, Christan, Buddish and Parsi. আজি যদি আমি Secular নহলোহেতেন খ্ৰীষ্টানটো কিয় ৰাখিলো হেতেন। আমিটো খ্ৰীষ্টানটো নাৰখিও চলিব পাৰিলোহেতেন। আমি Secular হয় কাৰণে খ্ৰীষ্টানটো ৰাখিলো। অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলে লোক সভাত কি amendment দিছিল, আমি জানা উচিত এই কাৰণে যে মই যিমানদূৰ জানো যে Hibey Eden তেখেতে এটাই দিছিল কংগ্ৰেছ দলৰ যে after Christian community at ahmedian community. তাৰমানে after Christian if you at Ahmedia than there is no issue কংগ্ৰেছ দলৰে Saptagiri Sankar Olaka কৰ পপুৰৰ তেওঁ সংসদ, তেওঁ কৈছিল যে after Christian/Parsian, Parsi will be muslim community of Christian, this is their amendment. কতো অসম চুক্তিৰ কথা কৈ কোনোও amendment দিয়া নাই। কংগ্ৰেছ দলে অসমত কি কৈছে মই নাজানো, কিন্তু লোকসভাত কংগ্ৰেছ দলে এটা শব্দও কোৱা নাই যে অসম চুক্তিৰ violation হৈছে কাৰণে আমি Citizenship Amendment Act অপোজ কৰিছো। This is the official Amendment move by Saptagiri Sankar Olaka কৰপপুৰৰ এও কংগ্ৰেছ MP, only amendment he moved যে হিন্দু, বৈদ্ধ, জৈন আৰু খ্ৰীষ্ট্ৰানৰ পিছত incloude Muslim. তাৰমানে মুছলিম ইনক্লুড কৰাৰ লগে লগে কংগ্ৰেছৰ opposition শেষ। Hibey Eden another MP তেওঁ দিছে তেওঁ মুছলিম কোৱা নাই তেওঁ কৈছে substitude Ahmedia. কংগ্ৰেছ দলে ক'তো কোৱা নাই যে it will violate Assam Accord. মই

নাজানো আপোনালোকে দিল্লীত সুধি ইয়াত আন্দোলন কৰি আছে নে নাই। যদি ভাৰিছে যে আমি কোনেও বুজি নাপাও এইটো হলে কথাটো বেলেগ। সংসদত কংগ্ৰেছ দলে formal যি সংশোধন আনিছে মই অসমৰ বুদ্ধিষ্ঠ, জ্যোতিষ্ঠ সকলক অনুৰোধ কৰিম যে তেওঁলোকে সংসদত কংগ্ৰেছৰ amendment খিনি চাওঁক। Only amendment they have propose at muslim. কতো কোৱা নাই যে অসম চুক্তি violation ৰ কাৰণে আমি amendment আনিছো। গৌৰৱ গগৈ ডাঙৰীয়াও অনা নাই, প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াও অনা নাই, কোনেও অনা নাই। তাত কেৱল লিখা আছে Add Muslim, these are the true official amendment. যদি মোৰ ভুল হৈছে মই ক্ষমা খুজিম। ভাষনত কি কৈছে আমাক নালাগে। But formal Amendment has been moved only to incloude Muslim. তাৰমানে বাংলাদেশী হিন্দু, জৈন, খ্ৰীষ্টানত আমি ৫ লাখ বুলি কৈছো। ৫ লাখতকৈ বেছি হ'লে ৰাজনীতি এৰিম বুলিও কৈছো। কিন্তু যদি মুছলিম খিনিকো সোমাই লব লাগে তেতিয়াটো ৬৫ লাখ হৈ গ'ল হেতেন। তাৰমানে কংগ্ৰেছে কিটো এমেণ্ডমেন্ট আনিছিল আজি ভাল পাব মুছলিম মানুহৰ মাজত ভোট হয়তো বাঢ়িব, মই সেইটো বেয়া নাপাও, মই ভাল পাওঁ, মোৰ পুৰনা পাৰ্টিটোৰ ভোট বাঢ়িলে কৰবাত, কোনো আপত্তি নাই। কিন্তু only Amendment Congress party has brought in the Lok Sabha incloude Muslim. অসম চুক্তিক লৈ এমেণ্ডমেন্ট কতো নাছিল, এনেই বীৰেন বৈশ্যক গালি পাৰি আছে, তেওঁ অমুক কৰিলে তেওঁ তমুক কৰিলে। কংগ্ৰেছৰ বাকী সংসদ কেইজনকটো কোনোৱাই সোধক যে আপোনালোকে অসম চুক্তিৰ নামত এমেণ্ডমেন্ট আনিছিল নেকি? Saptagiri Sankar Olaka তেওঁ উৰিষ্যাৰ কংগ্ৰেছ বিধায়ক, Hibey Eden কেৰেলাৰ কংগ্ৰেছ MP, দুয়োজন। These are official Amendment মই Down load কৰিছো। এই হৈছে অধ্যক্ষ মহোদয়, মই ভাৰিম, মই বিনম্ৰতাৰ সৈতে আজি ঋগবেদৰ কথা কোৱা হৈছে, চাভাচকাৰৰ কথা কোৱা হৈছে, চাভাচকাৰৰ কোনো ডকোমেন্ট নাই, চাভাচকাৰৰ কথা কোৱা হৈছে যে হিন্দু জিন্না। হিন্দু জিন্না হ'বই নোৱাৰে। দুয়োটা ক্ৰছ ওৱাৰ্ড। যদি আপুনি কয়, হিমন্ত জিন্না it is accepted. কিন্তু হিন্দু জিন্না these are Contradictory word. কাৰণ হিন্দু সৰ্ব ধৰ্ম সম ভাৱ ঋগবেদে কৈছিল বিপ্ৰ বহুদা বিদান্তি এইকন সত্য বিপ্ৰ বহুদা বিদান্তি। তাৰমানে হিন্দু হলেই he has to be Secular, we do not belive in one God, we do not convert pepole, আমি সত্ৰক বেদখল নকৰো, আমি মজ্জিদক বেদখল নকৰো, আমাৰ কেৰেক্টাৰত নাই, আমি ভাৰিবই নোৱাৰো, লাভ জেহাদ ধৰণৰ শব্দ হিন্দুৰ পৰিভাষাত আহিবই নোৱাৰে। বতদ্ৰবাৰ দৰে সত্ৰত কোনোবাই দখল কৰিব তেনেকুৱা আমাৰ পৰিভাষা হবই নোৱাৰে। হিন্দু আৰু জিন্না Contradictory word, because we do not belive in one God. আমাৰ জীৱন শৈলী প্ৰথম বাৰৰ বাবে মই দেৱব্ৰত শইকীয়া ডাঙৰীয়াক ভাল পাইছো যে তেওঁ সনাতনৰ আটাইতকৈ ডাঙৰ কথাটো কৈ থৈ গ'ল সকলোৱে বুজা উচিত যে সনাতন এটা ইমান ডাঙৰ পৰম্পৰা, we respect all many pepole do not respect hinduism ঔৰংজেব demolished temples after temples ঔৰংজে বে কামাখ্যাৰ দৰে জাগ্ৰত মন্দিৰকো ধংস কৰি দিয়া হৈছিল। কিন্তু ৫ হাজাৰ বছৰ ইতিহাসত এজনো হিন্দু সম্ৰাতে এটা মছজিদ এটা গীৰ্জা ধংস কৰাৰ উদাহৰণ নাই। সেয়া হৈছে আমাৰ জীৱন শৈলী, ধৰ্ম নিৰপেক্ষতা আমাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, বুকুৰে বুকু ৰে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** বাবৰি মছজিদটো কোনে ধংস কৰিছিল?

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** Babri Masjid disputed structure Supreme Court ৰে কি judgement দিলে আপোনালোকেও জানে। I think, we should not question on the Supreme Court ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই ৰঞ্জন গগৈ ডাঙৰীয়াক যদি প্ৰশ্ন কৰে মই একো কব নাজাও, গগৈ ডাঙৰীয়াই ক'ব। অধ্যক্ষ মহোদয়, কথাটো হ'ল যে হিন্দুৰ জীৱন শৈলী এনেকুৱা যে আমি হিন্দু আৰু জিন্না হ'ব নোৱাৰে। An individual can be Jinnah but Hindu can not be Jinnah. সেই কাৰণে আমি দেশৰ পিছত দেশ সভ্যতাৰ পিছত সভ্যতা আমি হেৰুৱাই পেলাইছো, মাটি হেৰুৱাইছো। বৰপেটাত 'মইনবৰী' সত্ৰ হেৰুৱাইছো। অসমত সত্ৰৰ পিছত সত্ৰ হেৰুৱাইছো, ঘৰৰ পিছত ঘৰ হেৰুৱাইছো কিন্তু ধৰ্মনিৰপেক্ষতা আমাৰ বুকুৰ মাজত ইমান সোমাই গ'ল যে আজি হিন্দুৱে ৰিতালিয়েট কৰিব নোৱাৰে আৰু হয়তো জীৱনত হিন্দুৱে ৰিটালিয়েট কৰিব নোৱাৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মইন বৰী সত্ৰৰ কথা কৈছে। মন্ত্ৰী মহোদয়ে জানে যে এই মইন বৰী সত্ৰৰ ধ্বংসৰ কাৰণ (সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ ঃ** আপুনি অনুগ্ৰহ কৰি বহক, আপোনাক কবলৈ দিয়া হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যদি মোৰ মইন বৰী সত্ৰটো ভুল হ'ল, তেতিয়াহ'লে সেইটো ৰিপ্লেছ কৰি কৈছো শ শ মন্দিৰ, শ শ সত্ৰৰ মোক লিষ্ট দিব মই দি দিম। অধ্যক্ষ মহোদয়, দুটা ডাঙৰ কথাৰে পাঁচ মিনিটৰ ভিতৰতে মোৰ বক্তব্য সামৰিম। বিদ্ৰোহী (agitated) মই এনেয়ে নহওঁ। কিছুমান মানুহে কয় B.J.P. ত গৈ মূখ্যমন্ত্ৰী হোৱাৰ বাবে মই এইবিলাক কৰিছো, কিন্তু কোনে মোক মূখ্যমন্ত্ৰী পাতিব? ৫২ জন বিধায়ক লৈ বিদ্ৰোহ কৰিও মই মূখ্যমন্ত্ৰী হব নোৱাৰিলো। অধ্যক্ষ মহোদয়, মই ভাবো At the age of 50, people should be matured. গতিকে মই অহা এক ফেব্ৰুৱাৰীত B.J.P.ৰ সভাপতি, ৰঞ্জিত দাস ডাঙৰীয়ালৈ মই পত্ৰ লিখিমেই যে ২০২১ চনত মই নিৰ্বাচনত প্ৰতিদণ্ডিতা নকৰো। মোৰ উদ্দেশ্য হল B.J.P. দলক জিকোৱাটো। গতিকে দলে বিচাৰিলে সেইটো পাছত বিবেচনা কৰা হব। মোক সুবিধাবাদী, বিদ্ৰোহী এইবোৰ কথা কৈ একো লাভ নাই, because I am in the penultimate stage of my political life. সকলোৰে জীৱনত বেলেগ বেলেগ লক্ষ্য বা উদ্দেশ্য থাকে আৰু তেখেত সকলে সেইভাৱে কথা বিলাক চিন্তা কৰে but I have achieved many things in my political life গতিকে মোৰ আৰু পাবলগীয়া কি আছে! প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াই তেখেতৰ শাসন কালত ১৪ বছৰ মোক মন্ত্ৰী পাতিলে ইমান দীঘলীয়া Stunt এটা আৰু কি লাগে বাৰু মোক ! অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো বিদ্ৰোহ কেতিয়া হয় আৰু ক'ত হয়।

আজি সদনত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই চাওলুং চুকাফা আৰু শংকৰ দেৱ আদি মহাপুৰুষ সকলে বৰ অসম গঢ়িলে বুলি ইমান সুন্দৰকৈ কলে, শুনি ভাল লাগে এই কথাবোৰ। I whole heartedly concur that কিন্তু জমিয়ত ওলেমাই কি বিশ্বাস কৰে! আমাৰ দলৰ মাজাতো জমিয়ত ওলেমাৰ সদস্য সোমায় আছে এইটো এটা religious দল। কংগ্ৰেছ দলো কৰবাত নহয় কৰবাত জমিয়ত ওলেমাৰ লগত জড়িত হৈ আছে। They are religious but, they opposed Pakisthan and opposed Jinnah. They supported freedom movement of India by opposing partition of India. No Dispute, of course they

are martious. কাৰন তেখেত সকলে খিলাফট আন্দোলন কৰিছিল, দেশ বিভাজনৰ বিৰোধীতা কৰিছিল আৰু ভাৰত বৰ্ষৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰি শ্বহীদ পৰ্যন্ত হৈছিল। কিন্তু আজি নতুন প্ৰজন্মৰ জমিয়ত তেখেত সকলক চাওঁক জমিয়ত ওলেমা ই হিন্দে well written long memorendum ত খুব ভালদৰে আমাৰ অতিত বুৰঞ্জী লিখি প্ৰদান কৰিলে এটা Clause-VI Committee ৰ Chairman ক। মই ভাৰো ৩০ বছৰৰ পাছত এইবিলাক কথাকে আমাৰ নতুন প্ৰজন্মই বুৰঞ্জী আকাৰে পঢ়িব। কিন্তু ইয়াত কি লিখিলে জানেনে অধ্যক্ষ মহোদয়! ৩০ বছৰৰ পিছত আপোনালোকে (বিৰোধীক উদ্দেশ্য কৰি) ক্ষমতাত আহিব আৰু তেতিয়া আজমলে মুখ্যমন্ত্ৰী হ'ব। কোনোবাই কৈছে আজমল মুখ্যমন্ত্ৰী নহয়, তেওঁক কোনেও মুখ্যমন্ত্ৰী নোহোৱাকৈ ৰখাব নোৱাৰে কাৰণ it is a Rule of law and you will get majority. আজি বাঘবৰ বা জনিয়া সমষ্টিত মই বা গগৈ ডাঙৰীয়াই বিধায়ক হৈ জিকি আহিব নোৱাৰো। So accordingly to Rule of law আপোনালোক আহিবই আৰু এই কথাষাৰ বিধান সভাত মোৰ প্ৰবাদ বাক্য হিচাপে ৰাখি থওক। মোৰ সমস্যাটো হ'ল অসমৰ ইতিহাস সঠিক ভাৱে থাকিবনে নাথাকে! আমাৰ বহুতো বিধায়ক জমিয়ত ই হিন্দৰ সদস্য। তাত উল্লেখ কৰা হৈছে যে - Regarding the historical development on Barak and Brahmaputra Valley touching the question of indigeneous inhabitant of the same, Assam State Jamiyat-E-Ulema likes to annex at eluded Articl written and incorporated by Mr. Abdul Muhib Mazumdar, a Senior Advocate of Guwahati High Court and a senior politician of the State of Assam in his book "Down the memory" Line No.3 at Page-117 to 135 as Annexure-I which is self explainatory. ইয়াত কোৱা হৈছে যে - মংগোলীয় সকল আক্ৰান্ত আছিল আৰু বাংলাদেশৰ পৰা অহা অধিবাসী মুছলমান সকল হে অসমৰ খিলঞ্জীয়া নাগৰিক আছিল। ইয়াত আৰু কৈছে in a nutshell the theory said "the emigrant from the region known as Bangladesh today have Dravedian and S.T. and once residence of the land which is known as Assam today, they were driven out of their land by Mongolian and Indo-Burman aggration. তাৰ মানে আপোনালোক দ্ৰাবিড়িয়ান হোৱা হেতুকে চুকাফা, বড়ো, কছাৰি সকলে উলিয়াই পঠিয়াই দিছিল। তাৰপিছত লিখিছে They were driven out of the land during Mongolian and Tribato-Burman aggration, but during the colonial period the British Rules are initiated their migration back to Assam. তাৰমানে আমাৰ প্ৰকৃত বাসিন্দা দ্ৰাবিড়িয়ান সকল আছিল, কিন্তু দাবিড়িয়ান সকল কোন আছিল! বাংলাদেশী অধিবাসী মুছলমান সকল আছিল, যি সকলক চুকাফা, মিছিং, বড়ো, কছাৰী সকলে খেদি পঠিয়ালে। কিন্তু ব্ৰিটিছে আকৌ আপোনালোকক (বাংলাদেশী মুছলমান) লৈ আহিলে। তাৰ পিছৰ অংশত লিখা আছে Assam had to grow more crops in the region so, they accepted the

Bangladeshi imigrant and therefore they are original inhabitant of Assam. The history show that, the so called indigeneous people of Assam as we are understand to-day are themselves migrant, who came to Assam at different stages to India and outside.

তেওঁলোকে কৈছে মুহিব মজুমদাৰ ডাঙৰীয়াই লিখিছে অধিবাসী মুছলমান সকল দ্ৰাবিড়িয়ান আছিল আৰু তেওঁলোকহে অসমৰ প্ৰকৃত বাসিন্দা আছিল, কিন্তু মংগোলইদ সকলে খেদি পঠিয়ালে, কলিকতাৰ নবাবে তেখেত সকলক ইছলাম ধৰ্ম দিলে আৰু ব্ৰিটিছ সকলে তেওঁলোকক আকৌ ঘুৰাই লৈ আহিলে। মই জনাত অসমৰ ইতিহাসত কোনো পৃষ্ঠাতে লিখা নাছিল যে অসমত কেতিয়াবা অতিজতে দ্ৰাবিড়িয়ান সকল আছিল বুলি। মই যোৱা তিনি দিন বুৰঞ্জী অধ্যয়ন কৰি এইটোহে পালো যে কেৱল Scheduled Caste Community ৰ কিছু সংখ্যক লোকহে দ্ৰাবিড়িয়ান আছিল। তেওঁলোক অসমত আহি অসমৰ কলা-সংস্কৃতিৰ লগত মিল হৈ পৰিছিল, তাকো a small portaion of people. কিন্তু Indo-Burman-Tribetian and Mongolian সকলৰো আগতযে অসমত দ্ৰাবিড়িয়ান লোক আছিল বুলি অসমৰ কোনো তথ্যই নকয়। এই সম্পৰ্কত এটা প্ৰবন্ধ দিল্লীৰ বাতৰি কাকতত এবাৰ প্ৰকাশ পাইছিল। তাত উল্লেখ কৰা হৈছিল যে চুকাফা, নৰনাৰায়ণ, ভাস্কৰ বাৰ্মা, চীলাৰায় আদি অতিজৰ সকলো মহামান্য ব্যক্তি অনুপ্ৰৱেশকাৰী আছিল, কেৱল দ্ৰাবিড়িয়ান (বাংলাদেশী অধিবাসী মুছলমান) সকলহে অসমৰ অতীজৰ বাসিন্দা আছিল। কিন্তু আমি আপোনালোকক খেদি দিলো। এই তথ্যমতে আপোনালোকতো অসমৰ ১২০০ চনৰে বাসিন্দা, গতিকে ১৯৭১ চনলৈ কিয় যাব লাগে, এন আৰ চি ও নালাগে।

জমিয়ত ওলেমা ই হিন্দৰ স্বাধীনতা সংগ্ৰামী বীৰ আৰু খিলাফট আন্দোলনৰ বিজয়ী বীৰ সকলে আমাৰ অসম বুৰঞ্জীৰ কথা এনেদৰে লিখিছে। আপোনালোকে Clause-VI Committee ৰ Web-site ত থকা Memorendum খন পঢ়ি চালে আপোনালোকে আজিও দেখিব যে এই কথাবিলাক এনেদৰে লিখা আছে। তেতিয়া আপোনালোকে বুজি পাব যে হিমন্ত বিশ্ব শৰ্মা নামৰ মানুহজন কিয় বিদ্ৰোহী হৈ উঠে। এইবিলাক কথাই আমাক বিদ্ৰোহী নকৰিব! বিপ্লবী নকৰিব! মোৰ মাটি নিলে, মোৰ সত্ৰ নিলে, মোৰ মন্দিৰ নিলে আৰু এতিয়া মোৰ ইতিহাস খনো লৈ যাব, চুকাফাৰ ইতিহাস খনো লৈ যাব, চিলাৰায়ৰ ইতিহাস খনো লৈ যাব! ৩০ বছৰৰ পিছত যেতিয়া আপোনালোকে শাসকীয় আসনত বহিব তেতিয়া এই কথা বিলাককে আপোনালোকে বুৰঞ্জী হিচাপে গণ্য কৰিব, যিদৰে আজি আমাৰ চুবুৰীয়া ৰষ্ট্ৰ পাকিস্তানৰ বুৰঞ্জীত ঔৰংগজেৱক নায়ক আৰু শিবাজীক চোৰ বুলি লিখা হৈছে। গতিকে আমাৰ ইয়াতেও এইখনে ইতিহাস হ'ব। অৰ্থাৎ আপোনালোক (বাংলাদেশী অধিবাসী সকল) ইয়াৰ প্ৰকৃত বাসিন্দা আছিল আৰু চুকাফা সকল আক্ৰান্তা আছিল। ৩০ বছৰৰ পিছত এইখনে ভৱিষ্যৎ অসমৰ বুৰঞ্জী হ'ব। গতিকে বিদ্ৰোহী নহ'ব অসমৰ মানুহ?

ভোটৰ হিচাপ কৰিব নালাগে, আপোনালোকে এনেও শাসকীয়া আসনত বহিবয়ে। মই ইয়াত আপোনালোকক (বিৰোধী পক্ষক উদ্দেশ্য কৰি) কোৱা নাই। মই যি সকল জমিয়তৰ সদস্য হৈ আছে তেখেত সকলক কৈছো; অসম আপোনালোকে পাবয়ে। গতিকে এই কথা বিলাকক আপোনালোকে বুৰঞ্জী হিচাপে স্বীকৃতি দিয়াৰ আগতে দেৱব্ৰত শইকীয়াৰ লগত আলোচনাত বহি লওঁক। এতিয়া চুকাফা, চিলাৰায়ৰ ইতিহাসখনো লৈ যাব। আজি যেনেকৈ পাকিস্তানৰ বুৰঞ্জীত

ঔৰংজেৱক নায়ক আৰু শিৱাজীক চোৰ বুলি লিখা হৈছে, ঠিক তেনেকৈয়ে ৩০ বছৰ পিছত অসমত আপোনালোকে origin আছিল আৰু চুকাফা ইয়াত আক্ৰান্ত আছিল বুলিয়েই বুৰঞ্জী হ'ব। ৩০ বছৰ পিছত এই বুৰঞ্জীয়ে অসমৰ মানুহক বিদ্ৰোহী কৰি নুতুলিব নেকি ? গতিকে, এই বুৰঞ্জীক যদি আপুনি স্বীকৃতি দিয়ে আৰু চুকাফাতকৈ আগত যদি আপোনালোক আছিল, তেন্তে এই সম্পৰ্কত আপুনি দেৱব্ৰত শইকীয়াৰ লগত আলোচনা কৰি ACLP ত issue টো resolve কৰি আনক।

মাননীয় অধ্যক্ষ মহোদয়, Clause VI অনুসৰি ১৯৫১ চনত অসমত থকা লোক সকল খিলঞ্জীয়া বুলি মাননীয় সদস্য প্ৰণৱ গগৈ ডাঙৰীয়াই কৈছে। কিন্তু, মই ইয়াক বিশ্বাস নকৰো। মোক যদি কোনোবাই অধিকাৰ দিলেহেঁতেন, তেতিয়া মই Community List কৰি দিলোহেঁতেন আৰু তেতিয়া automatically আপোনালোকৰ কোনো কোনো হয়তো সেই Listত নাহিলহেঁতেন। কিন্তু, মইতো Dictator নহয়। ১৯৫১ য়েই যদি অসমীয়াৰ সংজ্ঞা হয়, তেন্তে ঠিক আছে। কিন্তু, ইয়াৰ দ্বাৰা যে অনা-অসমীয়া সকলক বেয়া দৃষ্টিৰে চোৱা হ'ব তেনে নহয়। They will contest election, they will get job and a small portion will be reserved for Assamese people. বাকী সকল ঠিকেই থাকিব। অধ্যক্ষ মহোদয়, শেষত এটা point ৰে মই সামৰণি মাৰিম। যেতিয়া মানুহে কয় যে হিন্দু বঙালী সকল আহি, অসমীয়া ভাষ-সংস্কৃতি নোহোৱা কৰিব তেতিয়া মোৰ খুব দুখ লাগে। কিন্তু, অধ্যক্ষ মহোদয়, কিমান অসমীয়া ল'ৰাই বঙালী ছোৱালী আৰু কিমান বঙালী ল'ৰাই অসমীয়া ছোৱালী বিয়া কৰাইছে তাৰ কোনো হিচাপ নাই। অসমীয়া বোলছবি জগতৰ বিখ্যাত অভিনেত্ৰী নিশিতা গোস্বামীৰ স্বামী বঙালী সম্প্ৰদায়ৰ হয়। আজি মুছলমান ল'ৰা-ছোৱালীয়েও হিন্দু সম্প্ৰদায়ৰ লগত আৰু হিন্দু সম্প্ৰদায়ৰ ল'ৰা-ছোৱালী সকলেও মুছলমান সম্প্ৰদায়ৰ লগত বিবাহ পাশত আবদ্ধ হোৱা দেখা গৈছে। এনেধৰণেৰে ই চলি আছে, কাৰণ আমি সনাতন ধৰ্মক বিশ্বাস কৰো। অসমীয়া আৰু বঙালী সম্প্ৰদায়ৰ বৈবাহিক সম্পৰ্কত ১০ লাখ পৰিয়াল আবদ্ধ হৈ আছে। অসমীয়া সংগীত জগতৰ শিল্পী মনিষা হাজৰিকাক জয়ন্ত হাজৰিকাই বিয়া কৰাইছিল। গতিকে ভাষাৰ ভিত্তিত যে জাতীয়তাবাদ নহয়, এয়া মই বিশ্বাস কৰো। ভূমিৰ প্ৰতি প্ৰেমকলৈহে জাতীয়তাবাদ হয়। অসমীয়া এটা assembled language, এইটো lingua franca. গতিকে অসমীয়া ভাষা ভিত্তিত জাতীয়তাবাদ হ'বই নোৱাৰে। জাতীয়তাবাদ এই ভূ-খণ্ডৰ প্ৰতি মৰম আৰু প্ৰেমেৰে হ'ব। উজনি আৰু নামনিৰ ভাষা বেলেগ, ব্যাকৰণ বেলেগ। কাৰণ ভাষা হ'ল বৰ্ণিল। বড়ো সকলে বড়ো ভাষা, মিচিং সকলে মিচিং ভাষা ক'ব। অসমীয়া ভাষা কেন্দ্ৰীক উগ্ৰ জাতীয়তাবাদৰ বাবে বৰ অসমখন বিচ্ছিন্ন হৈছে। অধ্যক্ষ মহোদয়, মানুহৰ মনত এটা ভুল ধাৰণা আছে যে, বঙালী ভাষা অকল বঙালী হিন্দুয়েহে কয়। ই সম্পূৰ্ণ ভুল ধাৰণা। বঙালী মুছলমানেও বঙালী ভাষা কয়। গতিকে ৫ লাখ বঙালী মানুহ আহিলে কেনেকৈঅসমখন বঙালী হৈ যাব ? অসমত ইতিমধ্যে য'ত ১ কোটি লোকে বঙালী ভাষা কৈয়েই আছে তেনেস্থলত ৫ লাখ বঙালী ভাষীয়ে কেনেকৈ ভাষা সলনি কৰিব ? আজি ঢেকিয়াজুলিৰ এখন স্কুল অসমীয়া মাধ্যমলৈ ৰূপান্তৰ হৈছে, বিশ্বনাথ চাৰিআলিত ৩ খন বঙালী স্কুল অসমীয়া ভাষালৈ ৰূপান্তৰিত হৈছে। গতিকে পৰৱৰ্তী সময়ত যদি সময় -সুবিধা পায় তেন্তে অসমৰ বঙালী হিন্দু লোক সকলে উদাৰভাৱে অসমীয়া সংস্কৃতি গ্ৰহণ কৰিব, তাত মোৰ কোনো সন্দেহ নাই। আগতে conflict আছিল, কিন্তু এই Amendment য়ে আজি এই conflict টো resolve কৰি দিছে আৰু আমি এতিয়া এক নতুন যুগত অৱতীৰ্ণ হ'ম। এই ক্ষেত্ৰত বৰাক উপত্যকাৰ কথা বেলেগ,

কাৰণ ইয়াৰ নিজস্ব ভাষা, কৃষ্টি, শৈলী আছে। তেওঁলোকৰ কথা মই ক'ব বিচৰা নাই। মই ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথা কৈছো। কাৰণ, আমাৰ সভ্যতা ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতা। হোমেন বৰগোহাঞি ডাঙৰীয়াই 'নাগৰিক'ত কেতিয়াবাই লিখিছে যে বৰাক উপত্যকাত অসমীয়া ক'লে ভাল পাম, but never imposition.

অধ্যক্ষ মহোদয়, এটা সৰু উদাহৰণেৰে মই সামৰিম। বৰপেটাৰ কলগাছিয়া ৰাজহ চক্ৰত ১৯৯১ চনৰ লোকপিয়ল অনুসৰি ৩,১৮৬ জন হিন্দু লোক আছিল যিটো ২০১১ চনত ১৩৯১ জনলৈ কমি আহিল। আনহাতে, ১৯৯১ চনত কলগাছিয়াত ৫৫ হাজাৰ জন লোকে বঙালী ভাষা কৈছিল। গতিকে ১৯৯১ চনত বঙালী, অসমীয়া সকলোখিনি মিলি যদি ৩১৮৬ জন হিন্দু লোকেই আছিল, তেন্তে বঙালী ভাষা কোৱা এই ৫৫ হাজাৰজন লোক কোন? অধ্যক্ষ মহোদয়, **১৯৯১** চনত ৫৫ হাজাৰ লোকে বঙালী ভাষা কোৱাৰ বিপৰীতে ২০১১ চনৰ লোকপিয়লত বঙালী ভাষা কোৱাৰ সংখ্যা ১ লাখ ৩৯ হাজাৰ। এতিয়াও কোনোবাই আক্ৰমণ কৰিব যে বঙালী হিন্দুয়েহে বঙালী ভাষা কয়।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** সেই গোটেইখিনি অসমীয়াক সদায় ঘিণ কৰি থকা হয়, ঠেলি দিয়া হয়। বাংলাদেশী বুলি অপবাদ কৰি থকা কাৰণে তেওঁলোকে কিজানি খঙতে লিখি দিছে। তেওঁলোক সকলো অসমীয়া। আপোনালোকে মৰম কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** ঠিক আছে। তাৰ মানে অধ্যক্ষ মহোদয়, মাননীয় ৰফিকুল ইছলাম ডাঙৰীয়াই আজি সদনত এই কথাটো ক'লে যে কলগাছিয়াৰ মুছলমান সমাজে খঙত মাতৃকো সলনি কৰিব পাৰে। অধ্যক্ষ মহোদয়, কোনোৱে খঙতে মাতৃ সলনি কৰিব পাৰে জানো?

**মাননীয় শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** তেওঁলোক অসমীয়া। কিন্তু, তেওঁলোক ভাৰতীয় নাগৰিক হোৱা স্বত্বেও সদায় বাংলাদেশী বুলি অপবাদ দিয়া হয়, বঞ্চিত কৰা হয়। আপোনালোকে মৰম কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** মৰম কৰিলে অসমীয়া বুলি ক'ব আৰু খং কৰিলে বঙালী বুলি ক'ব নেকি?

**মাননীয় অধ্যক্ষঃ** Please try to conclude, time is running out.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই মাত্ৰ দুই মিনিট ল'ম।

মাননীয় শ্বেৰমান আলী ডাঙৰীয়াৰ বাঘবৰ সমষ্টিৰ কথা ক'লে তেখেতে মইনবড়ী সত্ৰৰ কথা কয়। মইনবড়ী সত্ৰখন বানপানীৰ ফলত উঠি আহিছে। তাত কাৰো দোষ নাই। ১৯৯১ চনত বাঘবৰত বঙালীভাষী আৰু অসমীয়াভাষীকে ধৰি হিন্দুৰ সংখ্যা আছিল -১৪,১১২। ২০১১ চনত ইয়াৰ সংখ্যা ১০,৭৮৯ লৈকে কমি আহিল। হয়তো মইনবড়ীৰ লগতো কিছু উঠি আহিলে। এনেদৰে কমি গ'ল। অধ্যক্ষ মহোদয়, ১৯৯১ চনত তাত মুছলমান লোকৰ সংখ্যা আছিল- ২ লাখ ৩১। ২০১১ চনত ই বিভিন্ন কাৰণত বৃদ্ধি পাই প্ৰায় ৩ লাখ হ'ল। অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ কথাটো হ'ল যে- বঙালী হিন্দু সকলক কাঠগড়াত থিয় কৰোৱা হয় যে তেওঁলোকে অসমীয়া ভাষা বেয়া কৰি আছে। ১৯৯১ চনত বাঘবৰত ১ লাখ ৩৩ হাজাৰ লোকে কৈছিল যে আমি অসমীয়া ভাষী। তাৰ বিপৰীতে ২০১১ চনত মাত্ৰ ১৫ হাজাৰ লোকেহে অসমীয়া ভাষী বুলি ক'লে।

**মাননীয় শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** আপোনাৰ এই তথ্যখিনিৰ base টো কি?

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** এইয়া লোকপিয়লৰ তথ্য।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, I challenge, this data can not be correct.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** Census, মই দিম আপোনাক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** ১৫ হাজাৰে অসমীয়া ভাষী। মাননীয় অধ্যক্ষ মহোদয়, I challenge this data. This is not correct. It can't be correct.

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** যদি correct নহয়, এইটো মই সংশোধন কৰিম। মই খালী census চাম।

মাননীয় অধ্যক্ষ ঃ I will check.

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** I as an MLA, I challenge this, this is not correct.

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** You please, challenge your data, যদি মোৰ ভুল হয়। মই এজনক ইয়াত দিছো। ইয়াতে directly উঠাইয়ো দিয়া আছে। Web Side ৰ পৰা Download কৰিছে, check কৰি ল'ব। দুই, ১৯৯১ চনত বাঘবৰত বাঙ্গালী ভাষী সংখ্যা আছিল ১ লাখ ১১ হাজাৰ, ২০১২ ত হ'লগৈ ২ লাখ ৯০ হাজাৰ। তাৰমানে তাতো বঙালী হিন্দু নাই। এজনো যদি বাঢ়িছে, সংখ্যাটোক লৈ তাৰতম্য বাদ দিয়ক। মই যিটো সংখ্যা ইয়াত থিয় কৰাইছো, মই এইটো কৈছো যে ইফালে হিন্দুৰ সংখ্যা বাঘবৰ , কলগাছিয়াত কমিছে আৰু বাঙালী ভাষীৰ সংখ্যা বাঢ়িছে। এজন হওঁক, দুজন হওঁক, ১ লাখ নহয় ৫০ হাজাৰতো হ'ব। ৫০ হাজাৰ নহয় ১০ হাজাৰ হ'ব। ১০ হাজাৰ নহয়তো ১০০ জন হ'ব। তাৰমানে হিন্দুৰ সংখ্যা কমিছে। বঙালী ভাষীৰ সংখ্যা বাঢ়িছে। কৰবাত শূণ্যৰ কিবা খেলিমেলি হ'ব পাৰে। মই বিশ্বাস কৰো এইটো correct.ইয়াত ভুল নাই। বহুত দিনৰ research, আৰু মোৰ কিতাপ খনতো এই Data টো দিছো। মোৰ কিতাপ 'ভিন্ন সময়, অভিন্ন মত', তাতো এই Data টো আছে। নতুন Data নহয়, বহুতবাৰ check কৰা হৈছে। কথাটো হ'ল যি ঠাইত হিন্দুৰ সংখ্যা কমিছে , তাত বঙালী ভাষী বাঢ়িছে। Point টো হ'ল ক খং বা ক্ষো ভ যিয়েই নহওঁক বঙালী মুছলমানেই বঙালী ক'ব লাগিব। তাততো বেলেগ মানুহ নাই। তাৰমানে যিটো theory দিয়া হয়, যে বঙালী হিন্দুহে আমাৰ ভাষা নষ্ট কৰিব। This is wrong. যদি ভাষাৰ প্ৰতি সংকট আহিছে, সকলোৰে পৰা আহিছে। এই যিটো theory কিছুমান মানুহে কৰি আছে, মই ভাৱো That is a wrong theory.

অধ্যক্ষ মহোদয়, মই আৰু নকওঁ কাৰণ এই গোটেই কথাখিনি ইতিমধ্যে ইতিহাসৰ পাতৰ পৰাই কৈ আহিছো। অসমৰ ভৱিষ্যৎ ৫ লাখ বঙালী ভাষীৰ পৰা কেতিয়াও নষ্ট নহয়। কাৰ পৰা কি নষ্ট হ'ব সেইটো অসমীয়া মানুহে জানে। অসমীয়া মানুহে বুজি পায় আৰু সময়ৰ সোঁতত মই নাথাকিম মোৰ এই ভাষণটো মোৰ লৰা জনক দি থৈ যাম। ৩০ বছৰ পিছত ক'ব দেউতাই ঠিক কৰি থৈ গৈছিল। বঙালী হিন্দু কেতিয়াও অসমৰ মুখ্যমন্ত্ৰী হ'ব নোৱাৰে। কোনোবাই কৈছে শিলাদিত্য মুখ্যমন্ত্ৰী হ'ব। দুৰ- দুৰলৈকে আহিব নোৱাৰে। এইটো সম্ভৱ নহয় আৰু নাহে। কাৰণ আজিলৈকে বঙালী মানুহে----হুলস্থুল-----ৰাজেদ দাদাই ঠিক কথাই কৈছে। সংবিধানত কোনো বাধা নাই গতিকে আপোনাৰ আৰু তেওঁৰ কথা নিমিলে। গতিকে majority যিদিনাখনেই হ'ব আজমলেই হওঁক, তেওঁৰ লৰাই হওঁক, তেওঁৰ নাতিয়েই হওঁক বিৰোধী দলপতি আসনত বহিব আৰু আৰু এইফালেও আহিব। ৩০ বছৰৰ পিছত অসমীয়া জনসাধাৰণে নিৰ্ণয় কৰিব যে বঙালী হিন্দুৰ কাৰণেই আমি এই আসনখন হেৰুৱা নাই। কাৰোবাৰ কাৰণে যদি হেৰুৱাইছো সেই নামটো ৩০ বছৰৰ পিছত অসমৰ

জনসাধাৰণে মনত ৰাখিব। আপোনালোকে যেতিয়া History লিখিব আমিতো মিৰ জুমলা, ঔৰংজেৱেই হম। পাকিস্থানৰ দৰেই হম। যি নহওঁক ---সদনত হুলস্থুল-----ৰাজেদ দা আপুনিও আহিব পাৰে কোনো বাধা নাই। -----হুলস্থুল------

মাননীয় অধ্যক্ষ ঃ Please, No need to answer, please silent. ---হুলস্থুল---

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ৰাজেদ আলী দাক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো যে আমি secular. যদি majority মুছলমান হয়, মুছলমান মুখ্যমন্ত্ৰী হ'ব পাৰে। ইয়াত কোনো বাধা নাই। আছু নেতা সকলে কৈ আছে হিমন্তই এইটো ভয় দেখুৱায়। ভয় নহয় আপোনাৰ বুকুতো যে সপোনটো আছে আজি কৈ দিয়াৰ বাবে মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। যি কি নহওঁক অধ্যক্ষ মহোদয়, ---হুলস্থুল------হ'ব পাৰে। আনোৱাৰা টাইমুৰ সব হ'ব পাৰে।

অধ্যক্ষ মহোদয়, এ আৰ আংকুল য়েও মুখ্যমন্ত্ৰী হ'ব পাৰে, আনোৱাৰ টাইমুৰেও মুখ্যমন্ত্ৰী হ'ব পাৰে। খালী ম্যাদ পট্টা আৰু Annual পট্টাৰ মাজত পাৰ্থক্য আছে। হৈ থকা আৰু মাজে-মাজে হোৱাৰ মাজতো পাৰ্থক্য আছে। অধ্যক্ষ মহোদয়, কংগ্ৰেছত আছিলো, কথা বতৰাত আমাৰ যিখিনি আছে বোধহয় মই গগৈ ডাঙৰীয়াৰ লগত ব্যক্তিগতভাৱে সেই পাতি থকা কথা বতৰাৰ আজিৰ পৰিৱেশৰ বহুত ডাঙৰ পৰিৱৰ্তন একো নাই।

NRC ত এটা Bold সিদ্ধান্ত আছিল, গুপ্তহত্যা বন্ধ। এটা ভাল সিদ্ধান্ত আছিল। বহুত কাম হৈছিল। নহয় বুলিতো কোনেও নকয়। ইতিহাসত, মই প্ৰত্যেক Interview ত কম, গগৈ ডাঙৰীয়াই কৰি যোৱা কামখিনিৰ কাৰণে গগৈ ডাঙৰীয়া যুগমীয়া হৈ থাকিব। কোনেওতো dis-own নকৰে। সেইদিনাখন গগৈ ডাঙৰীয়াই যিখিনি কথা ক'লে Interview ত যে হিমন্তই কোৱা কথাটো ঠিকেই আছে, বহুত বেছি নাহে। ১৯৮৭ ত amendment হৈছিল, ১৯৯৩ তো হৈছিল, That is the factual thing. ইয়াত বেলেগ কথা একো নাই। অধ্যক্ষ মহোদয়, মই অসমৰ জন জীৱনক বিনম্ৰতাৰে ক'ম, দেৱব্ৰত শইকীয়াই যিটো কৈছে যে ইয়াত কোনো প্ৰমান নালাগে যেয়ে-সেয়ে ২০১৪ চনৰ নাম ক'ব পাৰিব। অনুগ্ৰহ কৰি যদি Act খন এবাৰ পঢ়ি চায় "As Gazzeted" তাত লিখা আছে "The Central Government of Authority specify in this behalf may subject to such condition, Restriction manner as may be prescribed". ব্যক্তিগত কথা বাদ দিয়ক। বহুত meeting তো মই বহুত কথা কওঁ। আপোনালোকৰ meeting তো বহুত কথা কয়। Policital পূৰা ভাষণটো আমি নুশুনো। clip এটাহে পাওঁ। ৪৫ মিনিটৰ ভাষণটো নুশুনো। এইখন ৰাষ্ট্ৰপতিৰ দ্বাৰা স্বাক্ষৰিত আইন। ইয়াত কোৱা হৈছে As manner prescribe. তাৰমানে Rule আহিব আৰু Rule ত লিখা থাকিব ২০১৪ ৰ আগতে অহা প্ৰমান কিবা দিব লাগিবনে নাই। সময়ে ক'ব। কিন্তু যিয়ে নহওঁক কিয় আজিৰ দিনত আমি এইটো কথা ক'ব নোৱাৰো যে যিয়ে আহিব সিয়ে পাব। "The Rule Sees yet to be framed."Rule frame হোৱাৰ পিছতহে আমি কথাখিনি ক'ব পাৰিম।

মই বিনম্ৰতাৰে অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিম, Rule হোৱা নাই। Rule ত এই বিধানসভাই ক'ব পাৰে যে Rule frame কৰোতে ২০১৪ অহাৰ clear প্ৰমান এটা সন্নিবিষ্ট কৰা হওঁক। এই বিধান সভাৰ Right আছে। যদি আমি ভাৱো যে, We need to protect ourselves. তেতিয়া কেন্দ্ৰীয় চৰকাৰে মানিব লাগিব এই বিধান সভাৰ কথা যে ২০১৪ চনৰ আগতে ইয়াত থকাৰ প্ৰমাণ দিয়া হওঁক। অন্ততঃ NRC ও Apply কৰাতো এটা প্ৰমান হ'ব

পাৰে।

দ্বিতীয়তে, তিনি মাহ বা চাৰি মাহৰে সময় দিয়া হওঁক আৰু ভৱিষ্যতে কেতিয়াও এইটো Extension কৰা নহ'ব। তাৰ কথাটো লিপিবদ্ধ কৰা থাকক। তিনিমাহৰ ভিতৰতে আমি গম পাই যাম এইটো ৫ লাখ নে প্ৰামানিক সত্য। শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াক অনুৰোধ কৰিম যে আপুনিতো প্ৰামানিকক লগও পোৱা নাই। মোকহে দিনে ৰাতিয়ে লগ পায়। অলপ দিনৰ কাৰণে মোক বিশ্বাস কৰক। অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। তিনিটা কথাৰে মই এতিয়া সামৰিম। এটা হ'ল যে অসম চুক্তি , ১৯৭১ (Cut-off) নহয়, ১৯৬৭ হে অসম Accord ত Un-resolved Issue আছিল। সময়ৰ সোঁতত অমীমাংসিত প্ৰশ্নবিলাকৰ সমাধান হৈছে। তাক আমি Wel come কৰিব লাগে। তৃতীয়তে, অসমৰ ইতিহাস বিকৃত কৰা প্ৰৱনতাটোক আমি গৰিহণা দিব লাগে। চতু ৰ্থতে, কংগ্ৰেছ দলৰ বিৰোধীতা দিল্লী আৰু দিচপুৰত একেধৰণৰ হওঁক, তাক আমি কামনা কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী তৰুণ গগৈ ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বক্তব্যটো ফেচবুকত লাইভ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ে মই ইতিমধ্যে অনুসন্ধান কৰিবলৈ দিছো আৰু তাৰ বাবে মানুহ গৈছে। ইয়াৰ পৰা একো হোৱা নাই। কোনোবাই হয়তো Live Telecast ৰ পৰা কৰিছে। এতিয়া মাননীয় তৰুণ গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী তৰুণ গগৈ (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰণোজ পেগু ডাঙৰীয়াৰ বক্তব্য শুনিছো আৰু হিমন্ত বিশ্ব ডাঙৰীয়াৰ বক্তব্যও শুনিছো। তেওঁলোকে যি ধৰণে ক'ব বিচাৰিছে যে অসম একেবাৰে চকচকাই গৈছে। অসমত কোনো ধৰণৰ সমস্যাই নাই। চাকৰি, বানপানী, ৰাস্তা-ঘাটআদিৰ বৰ্তমান কোনো সমস্যা নাই। তেতিয়াহ'লে আপোনালোকে এতিয়া ঘৰত বহি থাকিব পাৰে। কাৰণ এতিয়া কোনো সমস্যাই নাই। এতিয়া ইমান অৰ্থনৈতিকভাৱে অৱস্থা ভাল যে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি বিশেষ বিমানৰ যোগেদিহে দিল্লীলৈ যায়। আমি পোন্ধৰ বছৰে কোনো যোৱা নাই। আপোনালোকৰ সম্পদ বাঢ়িছে আৰু সকলো বাঢ়িছে। যদি ইমানেই সম্পদ বাঢ়িছে তেনে ক্ষেত্ৰত শিক্ষকসকলক নিযুক্তি কিয় দিয়া হোৱা নাই? ঠিকাভিত্তিক যিসকল শিক্ষক আছে, তেওঁলোকক কিয় নিযুক্তি দিয়া হোৱা নাই?

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**শ্ৰী তৰুণ গগৈ (তিতাবৰ) ঃ** আমি আজি ইয়াত এই কাৰণেই বহিছো যে আমি এইখিনি কাম কৰিব নোৱাৰিলো। কিন্তু আপোনালোকে আশ্বাস দিছিল। আপোনালোকে কৈছে যে আমাৰ টেক্স বাঢ়িছে, কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱণ্টন বাঢ়িছে, সেইকাৰণে হৈছে। আমি কৈছিলো যে আমাক আৱণ্টন দিয়া হোৱা নাছিল, কমকৈ দিছিল। এতিয়া ইমান ভাল হৈ গ'ল যে দুটা কাগজৰ কল বন্ধ হৈ গ'ল। দলং ও বহুত হ'ল যে যিখন দলং মাজুলীত নীতিন গাডকাৰী ডাঙৰীয়াই আধাৰশিলা স্থাপন কৰিছিল, সেই দলঙৰ খুটা এটাও পোতা হোৱা নাই। এইটো মই কৰা নাই। আজি দলঙৰ কথা কৈছে, কিন্তু মই এতিয়াও কৈছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সমষ্টি মাজুলীত তেতিয়া আমাৰ দিনত যিমান দলং হৈছিল, এতিয়া হৈছে নে? যদি আধা নহয়, তিনি ভাগৰ এক শতাংশ হোৱা বুলি ক'লেও মই ৰিজাইন দিম। ডি পি আৰ হৈ থাকিব পাৰে। কিন্তু ব্ৰহ্মপুত্ৰৰ ওপৰত এখনো দলং হোৱা নাই আৰু আপোনালোকে আহিয়েই ক'লে যে বগীবিল কৰি দিলো, ধলা শদিয়া কৰি দিলো। কিন্তু এতিয়া কিয় নোৱাৰে? আজি ভাৰতবৰ্ষৰ ইকোন'মি কি হৈছে? অৰ্থনীতিৰ উপদেষ্টা সুব্ৰমনিয়াম ডাঙৰীয়াই

কৈছে যে ভাৰতৰ অৰ্থনীতি Intensive Care Unit ত আছে। এইটো মোৰ বক্তব্য নহয়। আপোনালোকে যদি চাব বিচাৰে এইখিনি কাগজে-পত্ৰতেই আছে। যাৰ কাৰণে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আজি কিছুদিন আগতে উদ্যোগপতি সকলৰ লগত কিয় আলোচনা কৰিবলগীয়া হৈছে? অসমে আকৌ ক'ৰ পৰা পাব? অসমত ক'ত ইমান উদ্যোগ আছে, সম্পদ আছে? আজি কৈছে যে ছয় শ কোটি টকা আমাৰ চৰকাৰৰ ফালৰ পৰা বানপানী গড়াখহনীয়াৰ বাবে দিছে। ছয় শ কোটি টকা যদি দিছে আজি আমাৰ মহন্ত ডাঙৰীয়া অতি সুখী হ'ব লাগে। আজি এইবোৰ হিচাপ দিছে। ইয়াৰ বাহিৰেও ইয়াত হিমন্ত বিশ্ব ডাঙৰীয়াই আজি যিটো হিন্দু-মুছলিম, অসমীয়া-বেঙ্গলীৰ ৰাজনীতি কৰিব বিচাৰিছে, সেইটো ৰাজনীতি আমি কৰিব বিচৰা নাই। এফালে সনাতন ধৰ্মৰ কথা কয় আৰু আনফালে তেওঁলোকে বিভাজন কৰিব বিচাৰিছে। সেয়েহে এটা উদাহৰণ যদি কাগজত চাব বিচাৰে বৰ্মা বুলি এজন আছে আৰু জে ডি অ' ৰ মেম্বাৰো আৰু তেওঁ কৈছে যে আজি মহাত্মা গান্ধীৰ ১৫০ বছৰীয়া জন্মদিন পাতিছে। কিন্তু আজিৰ চৰকাৰে সেই মহাত্মা গান্ধীৰ যি আদৰ্শ আছিল, সেই আদৰ্শৰ পৰা আঁতৰি গৈছে। যাৰ ফলত ভাৰতীয় জনতা পাৰ্টীতো এনে দল আছে, যিজনে মহাত্মা গান্ধীক হত্যা কৰিছিল সেই নাথুৰাম গডছকো দেশভক্ত বুলি ক'ব বিচাৰিছে, তেওঁলোকৰ এম পি ও কৰিব বিচাৰিছিল। যদিও মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছে যে তেওঁক মই ক্ষমা নকৰো কিন্তু আজিও তো তেওঁক ক্ষমা কৰি আছে। আজি এই কথাসমূহ মোৰ নহয়। আজি হিমন্ত বিশ্ব ডাঙৰীয়াই এফালে সনাতন ধৰ্মৰ কথা কয়। হিন্দুসকলে তেখেত সকলৰ সনাতন ধৰ্মত বিশ্বাস কৰে। সকলো ধৰ্মৰ প্ৰতি সমান ভাৱ আছে। কিন্তু হিমন্ত বিশ্ব ডাঙৰীয়া আৰু ভাৰতীয় জনতা পাৰ্টী দলৰ নাই কিন্তু হিন্দু ধৰ্মটো কেৱল বি জে পি সকলৰ মন'পলী নহয়। মইও হিন্দু। কিন্তু বি জে পিয়ে হিন্দু কৈছে, ৰাজনীতি কৰিবৰ বাবে। মই ৰাজনীতি কৰিবৰ বাবে হিন্দু বুলি কোৱা নাই। মই নাম ঘৰ, গীৰ্জা, গুৰুদ্বাৰ আৰু মছজিদলৈ যাওঁ। বি জে পিৰ নেতাসকল নাযায় কিয়? আজি প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই ইফতাৰ নাপাতে কিয়? আজি তেখেতে অসম চুক্তিৰ কথা কয়। ১৯৭১ চনটো কিয় Cut of নহ'ব? তেওঁ আজি কি Interpritation দিব বিচাৰিছে? তেতিয়া কৈছিল যে ১৯৬৬ চনলৈ অহাবিলাক অট'মেটিকভাৱে হ'ব আৰু বাকী ১৯৭১ চনৰ ২৪ মাৰ্চৰ আগলৈকে যিখিনি আহিছে, সেইখিনি হয় ৰেজিষ্টাৰ কৰাব লাগিব, যিটো তেখেতে কৈছে। কিন্তু তেওঁলোকে সকলো অধিকাৰ লাভ কৰিব, কেৱল ভোটাধিকাৰৰ বাহিৰে। তেনেহ'লে ১৯৭১ চনটো Cut of year নহ'ব নেকি? তাৰ মানে ১৯৭১ লৈকে যিমান আহিব, ১৯৭১ৰ আগলৈকে যিখিনিয়ে প্ৰমাণ কৰিব আৰু যাৰ নাম ১৯৭১চনৰ ভোটাৰ লিষ্টত আছে, সেই Basis ত আমি NRC কৰিবলৈ কৈছো। আমি সেই Basis তহে ১৯৭১ চনটো ল'বলৈ কৈছো। তেতিয়া তেওঁ আছিল আৰু তেওঁ নিজেও কৈছে যে তেওঁ একেলগে গৈছিল। আজি হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৈছে যে তেওঁ আছুৰ লগত আলোচনা কৰি প্ৰধানমন্ত্ৰীৰ ওচৰলৈ গৈছিল। এই ১৯৭১ চনৰ কথাটোত যিটো কৈ আছে তাত তেওঁ ও আছিল। ভোটাৰ লিষ্টৰ ক্ষেত্ৰত ২০১৪ চনৰ যিটো কৈছিলো, তেওঁলোকে সেইটো misinterpret কৰি থাকে। মই কৈছিলো যে যিসকলৰ নাম ২০১৪চনৰ ভোটাৰ লিষ্টত আছে, সেইসকলৰ নাম নিজে নিজে NRC ত আহি যাব লাগে। মই সেই কথাটো কৈছিলো ২০১৪ চনত। মই উচ্চতম ন্যায়ালয়ত Affidavit দিছিলো। কিন্তু উচ্চতম ন্যায়ালয়ে সেইখন Reject ও কৰা নাই, Accept ও কৰা নাই। পেণ্ডিং কৰি থৈ দিছে । আজিও কৈছো ২০১৯ চনৰ যি ভোটাৰ লিষ্ট, কাৰণ তেওঁলোক ভাৰতীয় নাগৰিক ন'হলে ভোটাৰ কেনেকৈ হ'ব? ইয়াত বঙালী হিন্দুৰ কথা ক'ত কৈছে? আজি বঙালী হিন্দুসকল আপোনালোকৰ দিনত আটাইতকৈ

বেছি Sufferer হৈছে। আজি এই যে ১৯ লাখ আছে, তাৰে ১১-১২ লাখ বঙালী হিন্দু । এই বঙালী হিন্দু সকলক বাদ কোনে দিলে ? আমাৰ দিনত তেওঁলোক ভাৰতীয় নাগৰিক আছিল, আমাৰ দিনত ভোট দিছিল। এতিয়া তেওঁলোকক ৰিফিউজী বনাই পেলালে। তেন্তে আমি বঙালীৰ কেনেকৈ বিৰুদ্ধে হ'লো ? আমাৰ ইয়াত বঙালী হিন্দু, বঙালী মুছলিম নাই। আমাৰ কাট অফ ডেট আছিল। ইয়াত ৫ লাখ বুলি কৈছে। কিন্তু আমি ৫লাখ নহয়, এজনৰো বিৰুদ্ধে হয়। কাৰণ It is a basic of principle, not Question of much, why basic? কাৰণ religious prosecuted ক'ত হৈছে? মোৰ দিনটো এখনো দৰ্খাস্ত নাই, religious prosecuted দৰ্খাস্ত ক'ত আছে? এতিয়া কেইখন আছে দিয়ক ? তেওঁলোকে কৈছে যে those who are religiously prosecuted এতিয়া কেইখন আছে সেইটো দিয়ক যদি নাহেই তেতিয়া আহিব ক'ত ? ৫ লাখ ক'ৰ পৰা আহিলে ? আজি ৫ লাখ, ১ লাখ, ২ লাখ ৰ কথাত প্ৰশ্ন নহয়। প্ৰশ্ন আহিছে যে on basis of principle আৰু আমি এইটোও কৈছো যে পৃথিৱীত কতো Citizenship Religious basis তনহয়। certain কিছুমানত হয়। আজি যি তেখেতে কৈ আছে যে আজি হিন্দু বঙালী আহিলে তাত আমাৰ আপত্তি । আমি হিন্দু অহাৰ ৭১ চনৰ পিছত মুছলমানে হওঁক হিন্দুয়েই হওঁক খ্ৰীষ্টানেই হওঁক Buddhist য়েই হওঁক আমি তাৰ বিৰুদ্ধে। ঠিক তেখেত সকলে কৈ আছে শ্ৰীলংকাৰ হিন্দু সকলক কিয় বাদ দিলে? আজি ম্যানমাৰক কিয় বাদ দিলে, আজি ভূটানক বাদ দিছে কিয় ? ভূটানত হিন্দুও হ'ব পাৰে খ্ৰীষ্টানো হ'ব পাৰে। আজি কিছুক বাদ দিছে কিছুক দিয়া নাই। আজি আমি সেইটোৰে কৈছো আজি ৫ জন আহে ১০ জন আহে, ৫ লাখ নালাগে, এজনক আমি কিয় দিম ? য'ত আমাৰ অসমৰ মাটি দিবলৈ নাই, আজি মাজুলীতে কিমান মানুহ গড়াখহনীয়াত আছে ,অসমৰ চাৰিওফালে কিমান গড়াখহনীয়া আছে, চাকৰি দিবলৈ নাই । আকৌ ৫ লাখ মানুহৰ বোজা আমি কেনেকৈ ল'ম আৰু আগে আমি লৈ থৈছো আৰু অসম চুক্তিৰ, আজি যি কৈ আছে তেখেতে, সেই চুক্তি ৰূপায়ন আমি বেলেগ বেলেগ সময়ত কৰিও আছো। এইটো নহয় যে ৰূপায়ন কৰা হোৱা নাই। আজি IIT হওঁক, চেণ্ট্ৰেল ইউনিভাৰচিটিয়েই হওঁক, গেছ ক্ৰেকাৰে হওঁক, বিভিন্ন আজি নুমলীগড় ৰিফাইনেৰিৰ কথা কৈছো, এই নুমলীগড় ৰিফাইনেৰিৰ Assam Accord ৰ এইটোও নহয় যে, ইয়াৰ ৯ মিলিয়ন বঢ়াবৰ ঠিক প্ৰস্তাৱ আমাৰ দিনৰ । এইটো নহয় যে আজিৰ এইটো আগৰ পৰা আছিল, হয়। তেখেতে এতিয়া point বোৰ ইমপ্লিমেন্ট কৰিবলৈ গৈছে। আজি খেল' ইণ্ডিয়া হৈছে। এই infrastructure বোৰ কোনে কৰিলে ? আৰু মই বিচাৰো যে এই চৰকাৰ এই খেল' ইণ্ডিয়া' ৰ নামত তেওঁলোকে আৰু infrastructure কৰক। আমি যেনেকৈ 'নেশ্যনেল গেমছত' infrastructure কৰিছিলো. আজিও তেখেতে কৰক। কিন্তু আজিতো কৰা দেখা নাই। আজি ক্ৰিকেট খেল হৈছে, ভাল কথা। আজি ক্ৰিকেট খেলখন পাতিব নোৱাৰাৰ কাৰনে দায়ী কোন? আমি আৰু ষ্টেডিয়াম বিচাৰিছো । আমাৰ যাতে ল'ৰা-ছোৱালীয়ে খেলা ধূলাত, সকলো ফালৰ পৰা আগবাঢ়ি যাওঁক, আৰু এইটোও ঠিক যে আমি যেতিয়া নাছিলো ক্ষমতাত তেতিয়া কি আছিল অৱস্থা ? এতিয়া হিমন্ত বিশ্ব শৰ্মায়ো ক'বলৈ বিচাৰিছে যে গুপ্তহত্যা কোনে বন্ধ কৰিলে, আৰু গুপ্তহত্যানো কোনে দিছিল, বিজেপি চৰকাৰেই দিছিল। হিমন্ত বিশ্ব শৰ্মাই এতিয়া, গুপ্তহত্যা যে হৈছিল, আমি যে তাক বন্ধ কৰিলো, বহুত যে আমি ভাল কাম কৰিলো, হয় এইটোও ঠিক যে সিদ্ধান্ত মোৰ আছিল। হিমন্ত বিশ্ব শৰ্মাৰ সিদ্ধান্ত নাই। হয় কেতিয়াবা আমি লৈছিলো। এইটো নহয় যে সকলো বিলাক তেওঁৰ মতে কৰিছিল,এইটোও নহয়। কিন্তু এইটোও ঠিক যে আমাৰ দিনত হয়, তেওঁ secular আছিল, এতিয়া কিন্তু তেওঁRSS ত গৈ খুব ভাল হৈ

গৈছে। তেওঁ কোন সময়ত হিন্দু হয়, কোন সময়ত মুছলমান হয়, তেওঁ নিজে জানে নে নাজানে ক'ব নোৱাৰো, ভগৱানেও জানে নে নাজানে মোৰ তাৰো সন্দেহ হয়। মোডীৰ বিৰুদ্ধে যিজনে এনেকৈ কথা কয়, আমি কেতিয়াওঁ নকওঁ, যে মোডীৰ পাইপত মুছলমানৰ তেজ যায়। এতিয়া কলগাছিয়াত দেখে সকলো মুছলমান, বিদেশী দেখে। চামগুৰিত বিদেশী দেখে। এইযে কৰিছে Communal hatred টো এইটো শঙ্কৰদেৰৰ আদৰ্শ নহয়, আজান ফকীৰৰ আদৰ্শ নহয়। আমাৰ বেছিভাগৰে আদৰ্শ নহয়। কলগাছিয়াৰ কথাই কওঁক, চামগুৰিৰ কথাই কওঁক বিজেপিৰো বেছি সদস্যই, মই নাভাবো, যে এইটো সমৰ্থন কৰিব। কৈছে বহুতেই যে আমিও যাওঁ, গীৰ্জাঘৰলৈ, আমিও যাওঁ মজিদলৈ, ইফটাৰ খাওঁ, ভাল কথা আৰু সেই খনেই অসম। সেয়েহে আমি 'কা' ৰ বিৰোধিতা কৰিছো। কংগ্ৰেছে আগতেও কৰিছে, অকল এইটোৰেই নহয়, ই আমাৰ সংবিধান section 14 যিটো কয়,equality before Law, আৰু ১৫ যিটো কয় যে There shall not be any discrimination on grounds of religion caste, creed and sex। তাৰ পাছত আমাৰ preamble আছিল secularism । সেই preamble টো তেওঁলোকে Violate কৰিছে। হয় কেন্দ্ৰই Assam Accord ৰ কথা নকব পাৰে, অসমত আমি কম। কাৰণ এইটোৱে Violate কৰিব Assam Accord, In addion to that it is violate the Assam Accord. আমি সেইটোৱে কৈ আছো। আজি আমি ইয়াত হিন্দু মুছলমান, বঙালী হিন্দু ভাগ ভাগ কৰিবলৈ বিচৰা নাই। আমি অসমত Social harmony বুলি যিটো কয়, সামাজিক যিটো আমাৰ বন্ধুত্বই কওঁক বা ভাতৃত্বই হওঁক, তাৰ পৰাহে অসম উন্নত হব। আজি অসমত কি হৈছে? চাৰিওফালে আন্দোলন। আকৌ কৈছে কংগ্ৰেছে প্ৰৰোচনা কৰিছে, অভিসন্ধি কৰিছে, আমাৰ প্ৰৰোচনাত তেওঁলোকে হ'ব নেকি? আজি যি সকল আন্দোলনকাৰী গৈছে, হীৰেণ গোহাঁঞে হওঁক, অজিত ভূঞায়ে কওঁক, অদীপ ফুকনেই কওঁক, এই শিল্পী সকলৰ আমাৰ জুবিন গাৰ্গেই হওঁক, আজি বৰ্ষাৰাণীয়েই হওঁক এই যে গোটেইবোৰেই, কৰ্মচাৰী বিলাক শিক্ষকসকল তেওঁলোকে কি বুজি নাপায় নেকি? উকীলবোৰেই কওঁক, ডাক্তৰেই হওঁক আজি কোন মানুহ যোৱা নাই? আৰু এইটো নহয় যে অকল মুছলমান মানুহেই ইয়াৰ লীড লৈছে, এইটো নহয়। ভাৰতবৰ্ষত হিন্দুসকলে আজি ইয়াৰ লীড লৈছে, যদিও ইয়াত মুছলমান সকলক 2nd grade citizen কৰিব বিচাৰিছে, কিন্তু আজি ভাল কথা যিহেতু আমাৰ হিন্দুসকল সনাতন ধৰ্মত বিশ্বাস কৰে। সৰ্বধৰ্মত বিশ্বাস কৰে। সেয়ে আমি মহাত্মা গান্ধীৰ আদৰ্শৰ বা জৱাহৰলাল নেহেৰুৰ বা আমাৰ আম্বেদকাৰৰ যিখন সপোনৰ ভাৰতবৰ্ষ আমি সেইহে কৰিবলৈ বিচাৰিছো। হয় আজি বিজেপি দলৰ মুখ্যমন্ত্ৰীৰ এনে দুৰৱস্থা হৈছে, তেখেতে কৈছে যে মোক একাষৰীয়া নকৰিব। এনেধৰণৰ যদি অৱস্থা হয়, তাৰ মানে আত্ম বিশ্বাসটো হেৰাই গৈছে, আৰু কৰবাত এনে মুখ্যমন্ত্ৰী দেখিছেনে যে এজন সাংবাদিকে মুখতে কৈ দিয়ে যে আপুনি বহতীয়া চৰকাৰ নহ'ব। আমাকতো কোনো দিন কোৱা নাছিল। মই কোৱা নাই, প্ৰদীপ বৰুৱা, প্ৰান্তিকৰ সম্পাদক, তেখেতে যদি কবলৈ হয়, ক'ব পাৰে যে আপোনালোকে চেন্টেল গৰ্ভনমেন্টক convince কৰক। মই doubt কৰো যে অসম চৰকাৰ এই 'কা' ৰ , তেওঁলোকে বা বেছিভাগ যিবিলাক সদস্যই কিমান অন্তৰৰে সমৰ্থন কৰে, বিজেপি সদস্য সকলে তাতো মোৰ সন্দেহ আছে। কিন্তু তেখেত সকলৰো উপায় নাই। যদি কৰিছে ভাল কথা কৰক। স্পষ্ট হোৱাটো ভাল বুলি কওঁ মই। আজি যেনেকৈ হিমন্ত বিশ্ব শৰ্মাই কৈছে, ৰাজনীতিত যুদ্ধ হ'ব, যুদ্ধ হ'ব, মইও যুদ্ধ কৰিম, আৰু যুদ্ধত আমি হৰুৱাবও পাৰিব লাগিব, আৰু আমিও determine যে আমি হৰুৱাম। কাৰণ আজি ৰাইজ,

গোটেই অসম জ্বলিছে। আজি আটাইতকৈ দুৰ্ভাগ্যজনক বিষয়, যি আছু তেওঁলোকৰ লগত আছিল, সেই আছুৰেই এই চৰকাৰক হত্যাকাৰী বুলি কৈছে। আজি সমুজ্জ্বল ভট্টাচাৰ্য্যই কৈছে যে হত্যাকাৰী। আমাৰ লগতো নহয় তেওঁলোক। আমাৰটো সদায় বিৰুদ্ধেই কৈ থাকে। এতিয়াও বিৰোধীতা কৰি থাকে, কৰক। কোনোবাই বিৰোধিতা কৰিবই, আৰু আমিও কৰিব লাগিব। অকল অসমতেই নহয়, ভাৰতবৰ্ষত এনেধৰণৰ ছাত্ৰ বিদ্ৰোহ আমি দেখা নাই। আমিওতো ইমানদিনে ৰাজনীতিত আছো। আগেয়ে হৈছিল অসমত। পাটোৱাৰী ডাঙৰীয়াই, মহন্ত ডাঙৰীয়া আছিল। অসমত তেতিয়া acception আছিল। আজিতো গোটেই ভাৰতবৰ্ষত হ'ল। চাৰিওফালে University. আমাৰ গুৱাহাটী বিশ্ববিদ্যালয় হওক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আছিল হয়, আদৰ্শ অসমৰ বুলিয়েই কওঁক যে, অসমৰ যুৱক সকলে যি আদৰ্শ দেখুৱাইছে, সেই আদৰ্শৰ দ্বাৰা হয়তো অনুপ্ৰাণিত হৈ আজি ভাৰতবৰ্ষত সকলো বিশ্ববিদ্যালয়, কেৰল জমিয়াই নহয় বা আলিগড় বিশ্ববিদ্যালয়, জে এন ইউ নহয়, Indian Science য়েই হওঁক, IIT য়েই হওঁক, IIM হওঁক সকলো অসমৰ আজি বিশ্ববিদ্যালয়, কিন্তু এটা কথা মই আজি আন্দোলনকাৰী সকলক ধন্যবাদ দিম। প্ৰথম এদিন দুদিন কিছু হিংসাত্মক ঘটনা হৈছিল। আজি অসমৰ জনসাধাৰাৰণে অসমৰ ছাত্ৰ-যুৱক সমাজে মহাত্মা গান্ধীৰ আদৰ্শৰে যি আজি সত্যাগ্ৰহ বা আন্দোলন চলাই আছে, মই তেওঁলোকক শত শত বাৰ নমস্কাৰ জনাইছো আৰু এই আন্দোলনত আটাইতকৈ ডাঙৰ কথা হৈছে ইয়াত মহিলা সকলো আজি আগুৱাই আহিছে। আজি ৯০ বছৰীয়া মহিলা আগুৱাই গৈছে। কিয় আহিছে। নিশ্চয় আমাৰ কৰবাত বিপদাপন্ন হৈছে। আজি আমাৰ অসমত অসমীয়া ভাষা, কলা কৃষ্টি আমি বজাই ৰাখিব লাগিব। আজি বৰাক ভেলীটো লাগিব বেংগলী সকলক। আমাৰ তাৰ মাজত পাৰ্থক্য নাই। আমি যিসকল ভাৰতীয় নাগৰিক, যি সকলক আজি দ্বিতীয় শ্ৰেণীৰ কৰিব বিচাৰিছে। আমি তেওঁলোকৰ তাৰ বিৰূদ্ধে কৰো। আমিও Assam Accord খন আমি ৰূপায়ণ কৰা বিচাৰো আৰু আপোনালোকেও বিচাৰিছে। আপোনাসকলৰ যিটো vision document ত আপোনাসকলে স্পষ্টভাৱে দিছে যে, ামি আখৰে আখৰে পালন ক ৰিম। Assam Accord যদি হয়, ২০১৪ চনতো কৰপৰা আহিল আকৌ ২০১৪ চনতো কি ভিত্তিত আহিল মই সেইটো বুজি নাপালো। এটাতো ভিত্তি লাগিব। ১৯৭১ চন বাংলাদেশৰ কাৰণে কৰিছিল আৰু কেতিয়াবা মোকো যে আপুনিও কৈছিল ৩.১৫ Asylum দিবলৈ বা Refugee দিবলৈ। মই কি কৈছিলো, এইটো ৰেকৰ্ডত আছে। মই তেওঁলোকৰ সতি-সন্ততি সকলক দিবলৈ কোৱা নাই। ইয়াত মই পঢ়ি দিম The cabinet Notes that the Hon'ble Chief Minister of Assam as submitted a memorendum on 28th of April 2012 to the Hon'ble Prime Minister of India Dr. Manmohan Singh were it was submitted that Indian citizen at the time of partition. Who were compel to leave the particular country due to religious persecution, atrocity and discrimination should deserve humanity and consideration সেইখিনি কথা কৈছিলো those who were Indian Citizen at the time of partition. এইখনতো কেবিনেটতে আছে। মই কৈছিলো সতি -সন্তত্তিৰ কথা কোৱা নাই। মই সেইখিনিৰ মানুহ Huminity and concern [4.23] আৰু সেইখিনিকো মই ২০১৪ চনত কৈছিলো to grant them a asilah (4.35) তেনেধৰণৰ যদি মানুহ আছে, মই আজিও stand by, তাৰ পৰা ৪.৪৬ হোৱা নাই। যদি তেনেকুৱা ধৰণৰ নাইয়ে। মই সেই কাৰণে কৈছো, ক'ত আহিব। যদি Religious persecuted হে হয়, আমি

কেৱল Religious persecuation ৰ কথা কোৱাই নাই। Other discremination. আজি তছলিসাক কি ভিত্তিত দিছে. আজি কিন্তু তেওঁক Citizenship দিব নোৱাৰে। তছলিমাক কৰপৰা দিলে। আজি ডালাই নামা, কিমান মানুহক দিছে। আজি চাকমা সকলোকো দিছে, হাজোং সকলক দিছে, তাতো আকৌ অৰুণাচলৰ মুখ্যমন্ত্রী ডাঙৰীয়াই সেইখিনিকো oppose কৰিছে। কিন্তু তেওঁলোক এন ডি এ ৰ পাৰ্ট আৰু সেইটোৱে নহয়। মই অসম চৰকাৰক কৈছো যে, অসমৰ স্বাৰ্থত, যেনেকৈ মেঘালয়ৰ মুখ্যমন্ত্রীয়ে কি কৈছে যে মেঘালয়কো বাদ দিয়ক। অসমতো বাদ দিয়ক। কিন্তু আমাৰ মুখ্যমন্ত্রীয়ে অসমক বাদ দিয়াৰ কথাতো নকয়। দিয়ক, দিব খুজিছে। আমিতো দিয়াৰে আপত্তি। আমিতো গোটেই বিলখনৰে oppose কৰিছো। আজি কওঁক, যিহেতু ইয়াতে আমাৰ মানুহক মাটি-বাৰী দিয়া নাই, বানপানীতে হওঁক, গড়াখহনীয়াতে হওঁক চাকৰি আমি দিব পৰা নাই। কেনেকৈ দিম। আমাৰ হাজাৰ হাজাৰ, লাখ লাখ ল'ৰা-ছোৱালী আজি অসমৰ বাহিৰত কাম কৰিব গৈছে। কিয় যাবলগীয়া হ'ল। যিহেতু আমি আজি পিচপৰি আছো। অসমত কিছুৰে ভাল কামো কৰিছে। শ্রীপদ্ম হাজৰিকাই ভাল কাম কৰিছে বুলিয়েই কম। কিছুমানে কৰিছে, নাই কৰা বুলি মই নকও। কিন্তু আজি যিটো অৱস্থা হৈছে। এনেধৰণৰ আন্দোলন হৈ থাকিলে উদ্যোগ নাহে। এইটো মইও কও। কিন্তু সেই আন্দোলনতো বন্ধ কৰিবলৈ হ'লে উপায়তো কি আছে। জুই জ্বলিছে অসমত। এই জুই জ্বলাব লাগে নে? জুই এতিয়া নুমাব লাগে। নুমাবলৈ হ'লে কি আছে? এটাই ৰাস্তা আছে, সেইটোৱে হৈছে যে, এইবিলখন আপুনি কেনচেল কৰক। তেতিয়া এই জুই নুমাব আৰু যেতিয়া জুই নুমাব তেতিয়া অসমত উন্নতি হ'ব, উদ্যোগ হ'ব। আজি পৰ্য্যটনৰ কি হৈছে? পৰ্য্যটন বিভাগেই হওঁক, উন্নয়নেই হওঁক কৈ থাকিলেতো নহ'ব। পাব্লিছিটিতো দিলে নহ'ব, লেম্প পোষ্টত ফটো আৰি থাকিলে হ'ব নেকি? ইমান ফটো যায়। মোৰ দিনতো নহ'ল দেখোন। ইমানখিনি ফটো। য'তে যাও, তাতে ফটো। প্ৰধানমন্ত্রীৰ খেলো ইণ্ডিয়াতো ফটো। পেট্ৰল পাম্পলৈ যাব, তাতো ফটো। চাৰিওফালে ফটো। আমিও দিছিলো। নাইদিয়া বুলি কোৱা নাই। সেই কাৰণে আমি ইমানখিনি কৰিব পৰা নাই। ঠিক আজি সেইটোৱে কৈছো যে, আজি গোটেই ভাৰতবৰ্ষত অৰ্থনীতিতো। মই অসমৰ বুলি কোৱা নাই। বৰঞ্চ বাংলাদেশত কি হৈছে? বাংলাদেশৰ অৰ্থনীতিতো অসমতকৈ বহুত ওপৰত। Human Index, মই অসমৰ কথা কোৱা নাই। আজি বাংলাদেশৰ Economy growth বহুত। আজি চৰকাৰে স্বীকাৰ কৰিছে যে, GDPR এসময়ত আঠশ আছিল। ৭ আহিলে, ৬ আহিলে, ৫ লৈ আহিলে, ৫.৪। আজি লাখ লাখ উদ্যোগ মৰি গৈছে। অসমতে যদি আমি চাও। ইফালে ব্যক্তিগতকৰণ কৰিব গৈ আছে। আজি আমাৰ এয়াৰপোৰ্টৰ প্ৰফিট কৰিছে। সেই কাৰণে আমি কৈছো যে, আজি অসমত জুই জুলিছে আৰু আজি Governor Speech এইটো কি কাৰণে silent আছে। আজি য'ত অসম জ্বলিছে, তাত এষাৰো মাত নাই। য'ত এন আৰ চিক লৈ আজি হুলস্থূল হৈছে, য'ত নিৰনুৰা সমস্যা এটা মুল সমস্যা। বানপানীৰ যিবিলাক সমস্যা, মুল সমস্যাবিলাকৰ কথা নকৈ Governor Speech টো এই বিভাগৰ এটা ৰিপোৰ্ট নহয়। Governor Speech টো এটা direction থাকিব যে, এই গভৰ্ণমেণ্টে different field ত, social field ত, Economic field ত, হওঁক আজি innergation য়ে হওঁক বিভিন্ন দিশত আমি দেশখনক কেনেকৈ অৰ্থনৈতিক দিশত আমি আগুৱাই লৈ যাব পাৰো। দেশত আজি জুই জ্বলিছে। এই জুইকুৰা নুমুৱাই কেনেকৈ আজি আমি অসমলৈ স্বাভাবিক অৱস্থালৈ ঘুৰাই আমি আনিব পাৰো, তাকে যদি নকৰি যিটো provocative statement দি আছো। আজি মই শ্রী হিমন্ত বিশ্ব শৰ্মাকো কৈছো, কালি মুখ্যমন্ত্রীকো দেখিছো। তেখেতেও কেতিয়াবা কলগাছিয়াৰ কথা

কয়, জনীয়াৰ কথা কয়।

এই বক্তৃতাবিলাক মুখ্যমন্ত্ৰীৰ মুখত, হেমন্ত বিশ্বৰ মুখত কাৰণ তেওঁলোক এজন এজন মন্ত্ৰী। এনে কথা এওলোকৰ মূখত শোভা নাপায় আৰু এইটোৱে আজি অসমখন অশান্ত কৰি, অসমখন উন্নতিৰ পথত যোৱাৰ পৰিৱৰ্ত্তে অসমখনকত জুই জ্বলাই অসমখন আজি ধ্বংসৰ মুখলৈ লৈ যাব। সেয়েহে মই ইয়াৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া , আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰুদ্ধে মই কেইটামান কথা ক'ব বিচাৰিছো। আজি ৰাজ্যপাল মহোদয়ৰ যিটো লিখিত ভাষণ দেখা পালো তাত বিগত চাৰে তিনি বছৰে এইখন চৰকাৰে কি কি কৰিছে। যিমান কথা আমি দেখা পালো তাতকৈ বেছি দেখা পালো যে আমাৰ চৰকাৰে এইটো কৰিব। আমুকটো কৰিব, এইটো চিন্তা কৰিছে। এইটো কৰিব ইত্যাদি। ৮০ শতাংশ আমি দেখা পালো কি কি কৰিব আগন্তুক দিনত সেই কথাটো লিখিছে আৰু তাৰ লগে লগে একেবাৰে শেষৰ দফাত য'ত আমি সংশোধনী প্ৰস্তাৱটো আনিছিলো তাত ৰাজ্যপাল মহোদয়ে যিটো লিখিছে যে দুৰ্নীতিমুক্ত, সন্ত্ৰাসমুক্ত, বিদেশীমুক্ত, প্ৰদূষণমুক্ত অসম গঢ়াৰ বাবে সফল হৈছে। কিন্তু চৰকাৰে বিফল হৈছে বুলি আমি এই সংশোধনী প্ৰস্তাবটো আনিছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত যিবিলাক কথা শাসকীয় পক্ষই Establish কৰিবলৈ গৈছে, অসমখন উন্নয়ণৰ পথত কিমান আগবাঢ়ি গ'ল, অসমখনত কি কি বৈপ্লবিক পৰিৱৰ্ত্তন কৰিলে । পৰিৱৰ্ত্তন কেনেকৈ সাধন হ'ল। এই কথাবিলাকৰ পৰিৱৰ্ত্তে আজি ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত শাসকীয় পক্ষই ক'বলৈ গৈছে কিছুমান এনেধৰনৰ কথা ক'বলৈ বিচাৰিছে য'ত অসমত ধৰ্ম বিভাজন, মেৰু বিভাজন কৰিব বিচাৰিছে। এই ধৰ্মীয় মেৰু বিভাজনটো যাতে আৰু প্ৰকট হয় আৰু যাতে চৰকাৰৰ ব্যৰ্থতাটো ঢাকি ৰাখিব পাৰে আৰু আগন্তুক দিনত চৰকাৰে কেনেকৈ ভোট সংগ্ৰহ কৰিব পাৰে, সেই কথাবিলাকেই অধিকাংশ কোৱা দেখিবলৈ পালো। উপাধ্যক্ষ মহোদয় আমি অতি দুখ পাইছো যে এই পবিত্ৰ সদনৰ কিছুমান বিভ্ৰান্তিমূলক তথ্যৰে সদনক misled কৰিব বিচৰা হ'ল। এই কথাবিলাকে নিশ্চয় এখন সুন্দৰ সপোন, বৃহত্তৰ অসমীয়া জাতি গঠন কৰি অসমখনক আগুৱাই লৈ যোৱাৰ যিটো সপোন সেই সপোনত বাধাগ্ৰস্থ কৰি অসমীয়া জাতিৰ মাজত বিভক্ত কৰি অসমখনক এখন অনুন্নত ৰাজ্যলৈ আগুৱাই নিয়াৰ আশংকাত আমি ভুগিছো। এইখন সদনত শাসকীয় পক্ষৰ পৰা কোৱা হ'ল যে ৫ লাখ মাত্ৰ বিদেশী যিসকল 'কা'ৰ জৰিয়তে নাগৰিকত্ব পাব আৰু কোৱা হৈছে যে ৭০ লাখৰ ভিতৰত ৫ লাখ এটা নিৰ্দ্দিষ্ট ধৰ্মৰ লোক তেওঁলোক নাগৰিকত্ব পাব। আৰু ৬৫ লাখ অন্য ধৰ্মৰ লোক । পবিত্ৰ সদনত ৭০ লাখ বিদেশী যিটো এইটো কিহৰ ভিত্তিত কৈ থকা হ'ল। কেইদিনমান আগত এন আৰ চি হৈ গ'ল মাননীয় উপাধ্যক্ষ মহোদয়। এন আৰ চিৰ কি ৰিজাল্ট হ'ল গোটেই অসমে জানে সমগ্ৰ ভাৰতে জানে। ৰাষ্ট্ৰসংঘ পৰ্য্যন্ত জানে তাৰ ভিতৰত কেনেকৈ বিভাজন কৰিলে যে, এন আৰ চিত দেখা গ'ল যে ১৯ লাখ মানুহৰ নাম বাহিৰত আছে তাৰ ভিতৰত বহুত খিলঞ্জীয়া লোক অসমত ভূমিপুত্ৰ বিভিন্ন জাতি জনগোষ্ঠীৰ হয়তো তাত দুই চাৰি লাখ মানুহো বাদ পৰিছে। তাৰ পিছত এইখন সদনত এগৰাকী মন্ত্ৰীয়ে কেনেকৈ ক'ব পাৰে যে ৭০ লাখ বাংলাদেশী আৰু তাৰ ভিতৰত ৫ লাখ এটা ধৰ্মৰ আৰু তেওঁলোকক নাগৰিকত্ব আইনৰ সংশোধনীৰ জৰিয়তে নাগৰিকত্ব দিয়া হ'ব। বাকী ৬৫ লাখ কোন ধৰ্মৰ, আৰু কি তথ্যৰ আধাৰত তেওঁলোকে পালে এই কথাবিলাক কোৱা নহয়, এই বিভ্ৰান্তিমূলক কথাবিলাক সদনত কৈ যদি অসমবাসীক বিভ্ৰান্ত কৰিবলৈ বিচৰা হয় আমি ভাবো এইটো এটা উন্নয়নশীল আৰু উন্নত অসমৰ ভবিষ্যতৰ ইঙ্গিত কেতিয়াও

বহন নকৰে। উপাধ্যক্ষ মহোদয়, ইয়াত এটা অৰাজনৈতিক ছাত্ৰ সংগঠনৰ কথা বাৰে বাৰে কোৱা হ'ল। আৰু সেই ছাত্ৰ সংগঠনে পূৰ্ব্বতে কৰা অসম চুক্তিক ভুল প্ৰতিপন্ন কৰিবলৈ ইয়াত অপপ্ৰয়াস কৰা হ'ল। এই কথাটো কোৱা হৈছিলে যেতিয়া অসম চুক্তি হৈছিলে সেই অসম চুক্তিক ১৯৭১ চনত ভিত্তিবৰ্ষ হিচাপে মানি লোৱাটো ভুল আছিল বা ১৯৬৭ চনটো ভিত্তিবৰ্ষ হ'ব লাগে। সেই কথাটো আমি সকলোৱে জানো in between 1966 and 1971 এই ৫ বছৰত যিসকল আহিছে তেওঁলোকৰ ১০ বছৰ ভোটাধিকাৰ কৰ্ত্তন হ'ব তাৰ পিচত নাগৰিকত্ব পাব। at any cost ১৯৭১ৰ ২৫ মাৰ্চৰ আগত অহা সকলে যিকোনো পদ্ধতিৰে নাগৰিকত্ব পাব সেই কাৰনে এই কথাটো সকলোৰে মুখত কোৱা হৈছে যে তাৰ পিছত যিহেতু কোনো লোকক এইখন অসমত নাগৰিক হিচাপে কোনেও মানি নলয়, ধৰ্মৰ কথা ইয়াত নাহে। অসম চুক্তি যেতিয়া কৰিছিল তেতিয়া ধৰ্মৰ কথাটো কিন্তু নাছিল। আজি যিটো কথা ইয়াত কৈ থকা হৈছে যে এটা unsolved matter আছিল, এটা অমীমাংসিত কথা আছিল হিন্দুসকলৰ কথাটো। হিন্দুসকলৰ কথাটো অমীমাংসিত কথা নাছিল উপাধ্যক্ষ মহোদয়, কাৰন অসম চুক্তি ধৰ্মৰ ভিত্তিত কৰাই হোৱা নাছিল। গতিকে মুছলমানৰ কথাটো পৃথক, হিন্দুৰ কথাটো পৃথক বুলি কৈ অমীমাংসিত বুলি কোৱা কথাটো এটা ভিত্তিহীন আৰু বিভ্ৰান্তিমূলক কথা। তাৰ লগে লগে উপাধ্যক্ষ মহোদয়, এটা কথা কোৱা হৈছে যে, নাগৰিকত্ব আইনৰ বিৰোধিতা কৰি সমগ্ৰ অসম আৰু সমগ্ৰ ভাৰতত যি আন্দোলন চলি আছে , অসমত ৫ গৰাকী নিৰীহক গুলিয়াই হত্যা কৰা হ'ল আৰু সেই কথাটো Justify কৰিবলৈ আজি সদনত কোবা হৈছে যে আৰক্ষীৰ তাৰ বাহিৰে কোনো উপায় নাছিল। এই কথাটো কৈ আজি আৰক্ষী বাহিনীক নিৰ্দোষিতাৰ প্ৰমান পত্ৰ দি কোৱা হ'ল যে আচলতে তেওঁলোকে দোষী। ৫ গৰাকী শ্বহীদক দোষী সাব্যস্ত কৰিবলৈ যিটো আজি সদনত প্ৰয়াস কৰা হৈছে তাৰ আজি আমি ঘোৰ প্ৰতিবাদ কৰিছো উপাধ্যক্ষ মহোদয়। কাৰন সেইদিনা এনেকুৱা লোককো শ্বহীদ হোৱা আমি পাইছো যিজনে নিজৰ দোকান বন্ধ কৰি ঘৰলৈ যোৱাৰ পথত আন্দোলনকাৰী বুলি ৰাজপথত গুলিয়াই হত্যা কৰা হ'ল। এগৰাকী ছাত্ৰ মানুহ দেখি চাবলৈ আহিছিল তেওঁকো গুলিয়াই হত্যা কৰা হ'ল। গতিকে আজি আৰক্ষীক নিৰ্দ্দোষ বুলি ক'বলৈ গৈ শ্বহীদ হোৱা লোকসকলক প্ৰকাৰন্তৰে দোষী সাব্যস্ত কৰাৰ যিটো প্ৰবনতা আজি পবিত্ৰ সদনত আমি দেখা পাইছো সেইটো আমি প্ৰতিবাদ কৰিছো উপাধ্যক্ষ মহোদয় এই কথাটো আমি কেতিয়াও মানি ল'ব নোৱাৰো। উপাধ্যক্ষ মহোদয় আজি ইয়াত আৰু এটা কথা কোৱা হ'ল যে অসম চুক্তিত এন আৰ চিৰ কথাটো নাছিল গতিকে এন আৰ চি কৰা মানে চুক্তিক উলংঘা কৰা। এনেধৰনৰ টুলুঙা যুক্তি আমি কেতিয়াও মানি নলওঁ উপাধ্যক্ষ মহোদয়। এন আৰ চিৰ কথাটো অসম চুক্তিত যদিও নাছিল, বিদেশী সমস্যাটো সমাধান কৰাৰ কাৰনে পৰৱৰ্ত্তী পৰ্য্যায়ত ত্ৰিপাক্ষিক বৈঠকত এটা সিদ্ধান্ত হ'ল যে এন আৰ চি কৰা হ'ব। যদি অসম চুক্তিত লিখা থাকিলহেতেঁন যে এন আৰ চি অসমত কৰিব নোৱাৰে, তেতিয়া হ'লে এন আৰ চি কৰিলে আমি ক'ব পাৰিলেহেঁতেন যে এন আৰ চি কৰি অসম চুক্তিক উলংঘা কৰা হৈছে। অসম চুক্তিৰ কতোৱে এই কথাটো লিখা নাই। গতিকে এন আৰ চি কৰাৰ বাবে অসম চুক্তি কেনেকৈ উলংঘা হ'ল ? গতিকে এনেকুৱা কথাৰে অসমবাসীক বিভ্ৰান্ত কৰাৰ চেষ্টা আমি কোনোপধ্যে মানি ল'ব নোৱাৰো উপাধ্যক্ষ মহোদয়। তাৰ পিছত আজি আৰু এটা কথা কোৱা হৈছে যে আই এম ডি টি এক্ট বাতিল কৰি এইটো অসম চুক্তিক উলংঘা কৰা হ'ল। অসম চুক্তিত এই কথাটো আছিল আই এম ডি টিৰ পাৰ্চিয়েল যিখিনি কাৰেকশ্যন কৰাৰ কথা আছিল তাৰ পিচত সেইখিনি নহ'ল তাৰ পিছত এটা গোচৰ তৰিলে উচ্চতম ন্যায়ালয়ে আইনখন বাতিল কৰিলে সেইটো উচ্চতম

ন্যায়ালয়ৰ এক্তিয়াৰৰ কথা। কিন্তু সেই কথাটো লৈ আজি যদি সাব্যস্ত কৰিব বিচৰা হয় যে আই এম ডি টি আইন চুপ্ৰিম কোৰ্টে বাতিল কৰিছে গতিকে অসম চুক্তি উলংঘা হ'ল গতিকে এতিয়া আমি অসম চুক্তি উলংঘা কৰি ২০১৪ চনলৈকে যদি আমি বিদেশীসকলক গ্ৰহণ কৰো তেনেহ'লে সেইটো নিশ্চয় অন্যায় নহ'ব। কিন্তু আজি টুলুঙা যুক্তিৰে এইটো সাব্যস্ত কৰিবলৈ বিচৰা হৈছে যে আমি যে ২০১৪ চনলৈকে বিদেশীক অসমত সংস্থাপন দিব বিচাৰিছো , এই কথাটো আজি ইয়াত যুক্তিযুক্ততা দেখুৱাব বিচৰা হৈছে উপাধ্যক্ষ মহোদয়। অসম চুক্তিয়ে ১৯৭১ ৰ পিছৰ সকলো বিদেশীক নসাৎ কৰিছিল কিন্তু এনে কথাৰে অসমবাসীক বিভ্ৰান্ত কৰিলে নিশ্চয় অসমৰ উন্নতি নহ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিচত এটা কথা কোৱা হৈছে যে religious persecution ত যিসকল লোক আহিছে আজি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীও কৈছে যে এতিয়ালৈকে কিমান কেচ ইয়াত দাখিল কৰা হ'ল যে আমি religious persecution ত আহিছো। আৰু যদিহে কোনোবা লোকে আহি কয়, যদি পাকিস্থান, আফগানিস্থান, বাংলাদেশৰ পৰা কোনো মুছলিম লোকেও বা অন্যও আহি যদি কয় যে "মই হিন্দু বা পাৰ্চিয়েন বা বৌদ্ধ মই তাত religious persecutionৰ বলি হৈছো। গতিকে মোক নাগৰিকত্ব দিয়ক। " হ'ব পাৰে তেওঁ জেহাদী, হ'ব পাৰে সন্ত্ৰাসবাদী, উগ্ৰপন্থী ভাৰত বিৰোধী কোনোবা, যদি এটা হিন্দু নাম লৈ ভাৰতৰ নাগৰিকত্ব লৈ লয় তাৰ পিছত এইখন দেশৰ কেনে অৱস্থা হ'ব সেই কথাবিলাক আমি এই আইনখনত দেখা নাপালো উপাধ্যক্ষ মহোদয়। আৰু এটা কথা এইখন আইনত নাই যে পৃথিবীৰ কোনো দেশতে এজন লোকে একেলগে দুখন দেশৰ নাগৰিকত্ব নাপায়। আজি ভাৰতৰ যিসকল লোকে কানাডা বা আন আন দেশৰ নাগৰিকত্ব লৈছে তেওঁলোকে ভাৰতৰ নাগৰিকত্ব বাতিল কৰি সেই দেশৰ নাগৰিকত্ব পাইছে। আজি আহি কোনোৱাই ধৰ্মীয় নিৰ্য্যাতনৰ কথা কৈ নাগৰিকত্ব লৈ ল'ব সেই দেশততো নাগৰিকত্ব আছে সেইটো খাৰিজ কৰিহে ভাৰতৰ নাগৰিকত্ব ল'ব পাৰিব সেই কথাটো কিন্তু এই আইনখনত উল্লেখ নাই। ১৯৮৭ চনত Citizenship Amendment Act Past হৈছিলে আৰু সেইকথাটো তেতিয়াৰ তদান্তিন অসমৰ আইন মন্ত্ৰী দিনেশ বৈশ্য ডাঙৰীয়াই আদৰণি জনাইছে। এই কথাটো অসম চুক্তিত উলংঘা বুলি কৈছে। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, সেই কথাবিলাক আমিও বুজি পাওঁ। অসম চুক্তিত বিদেশী সন্তানৰ কোনো কথা নাছিল। যিহেতু তেতিয়া Citizenship Act 1955 অসমত কাৰ্য্যকৰী হৈ আছিল that means Citizenship Act মতে কোনো বিদেশীৰ সন্তান অসমত জন্ম হ'লে তেওঁলোকে ভাৰতীয় নাগৰিকত্ব পাব। ১৯৮৭ চনত Citizenship Act Amendment হৈছিলে, সেই Act মতে অন্তত এটা লেগাম লগোৱা হৈছিল যে ভাৰতত জন্ম হ'লে নহব either of the parents should be Indian. পিতৃ-মাতৃৰ ভিতৰত যিকোনো এজন ভাৰতীয়া নাগৰিক হব লাগিব। যিহেতু আগতে লাগামহীন ভাৱে জন্মসুত্ৰে ভাতৰীয়া নাগৰিকত্ব পোৱাৰ অন্তত এটা লাগাম লগোৱা হৈছিল। গতিকে এই কথাটোক আদৰণি জনোৱাটো মোৰ বোধৰে উচিত আছিল। কাৰণ অন্তত যিকোনো মানুহে জন্ম হলে ভাৰতীয় হব নোৱাৰিব। তেওঁৰ পিতৃ-মাতৃ এজন ভাৰতীয় হব লাগিব। তাৰ পিছত ২০০৩ চনত পিতৃ-মাতৃ দুয়োজনে ভাৰতীয় হোৱাৰ চৰ্ত দি পেলাই আকৌ নাগৰিকত্ব সংশোধনী আইন পাৰিত হ'ল, তেতিয়া বস্তুটো আৰু স্পষ্ট হৈ গ'ল। গতিকে সেইকথাটো কৈ ইয়াত অসম চুক্তি উলংঘা বুলি কৈ অসমীয়াৰ জাতিদ্ৰোহী এই আইনখনৰ সপক্ষে যুক্তি দিয়াটো আমি কোনো পধেই মানি লব নোৱাৰো।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিছত আৰু কিছুমান এনেধৰণৰ কথা কোৱা হৈছে যে সত্ৰসমূহ বেদখল কৰে, মন্দিৰ ভঙাৰ কথাবিলাক কোৱা হৈছে। একমাত্ৰ নিৰ্দিষ্ট ধৰ্মালম্বী লোকৰ

বিৰুদ্ধে অন্য ধৰ্মৰ লোকৰ মনত হিংসা, বিদেশ, বিৰোধিতাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে এই কথা এখন সদনত কোৱা হৈছে, আমি তাৰ প্ৰতিবাদ কৰিছো।। মোৰ সমষ্টিত মাননীয় উপাধ্যক্ষ মহোদয় মৌৰাবাৰী পাতিকি বীৰ সত্ৰ আছে, তাত মুছলমান লোকৰ পৰিয়াল এটাৰ তিনিজন ভায়েকে **১২** বিঘাকৈ **৩৬** বিঘা মাটি দান কৰি দিছিল। আৰু সেই তিনিজন মুছলমান লোকে ইছমাইল হুছেইন, মহম্মদ আলি আৰু আব্দুল মালিক তিনিজন লোকে **৩৬** বিঘা মাটি দান কৰি তাত মৌৰাবাৰী পাতিকি বাৰী সত্ৰ আছে। এই কথাবিলাক এই সদনত উচ্চাৰণ নহয়। কেৱল এই সত্ৰ বেদখল কৰা বুলি কোনো নিদিষ্ট ধৰ্মালম্বী লোকক কৈ পেলাই এইখন অসমক শংকৰ আজানৰ দেশত এই সাতাম পুৰুষীয়াই সত্ৰ সমপ্ৰীতি বিনষ্ট কৰি এইখন অসমক ৰক্তাক্ত সন্ত্ৰাশময় অসম সৃষ্টি কৰাৰ যিটো অপচেষ্টা, সেই অপচেষ্টা কোনো দিনে অসমবাসীয়ে সফল হব নিদিয়ে। এইখন অসম শংকৰ আজনৰ দেশ আৰু এইখন দেশত সাতাম পুৰুষীয়া ঐক্যসমপ্ৰীতি বিনষ্ট কৰি দিয়া নহব। য'ত **৩৬** বিঘা মুছলমানে দান কৰা মাটি পাতিকিবাৰী সত্ৰ হব পাৰে। মৌৰাবাৰী সত্ৰ যেতিয়া গড়াখহনীয়াত আক্ৰন্ত হৈ গ'ল তাৰ পিছত এই সত্ৰ স্থানীয় মুছলমান লোকে তাৰ ওচৰত এটা ঠাই দিছিলে। এজন মুছলমানৰ ঠাইত কিছু বছৰ আছিলে। এইটো সৰভোগলৈ স্থান্তৰিত কৰা হ'ল, অসমৰ সকলোৰে জানে। আজি ঔৰংজেবে কামাখ্যা মন্দিৰ ধংস কৰা বুলি সদনত কোৱা হৈছে, সম্পূৰ্ণ বিভ্ৰান্তিমুলক কথা। ইতিহাসত কোনো কিতাপত নাপাব যে ঔৰংজেবে কামাখ্যা মন্দিৰ ধংস কৰিছিল আৰু উমানন্দ পাহাৰত যিটো মন্দিৰ, সেই মন্দিৰৰ কাৰণে ঔৰংজেবে যে মাটি দান কৰিছিল, তামৰফলত এতিয়াও লিপিবদ্ধ আছে। অমলেন্দু গুহ, তেখেতে বহুদিন লিখিছে তেওঁৰ article বিলাকত আমি পাইছো। আজি টিবু চুলটানে মাৰাঠিসকলে ধংস কৰা **১৩৯** টা মন্দিৰ নিজে বনাই দিছিল। তাত সকলো খৰছ আৰু শ্ৰমিকৰ দৰমহা পৰ্য্যান্ত দিছিল আৰু মুগল সমৰাজ্যত ঔৰাংজেবে হাজাৰ হাজাৰ মন্দিৰ বনোৱাৰ কথা ইতিহাসত আছে। এই কথাবিলাক নকয় ইয়াত কেবল বিভ্ৰান্তমুলক আৰু ইতিহাসত বিক্ৰীত কৰি কিছুমান কথা কৈ অসমবাসীৰ মাজত যিটো সাতামপুৰুষী ঐক্য সপ্ৰীতি বিনষ্ট কৰিবলৈ অপচেষ্টা কৰা হৈছে তাৰ আমি তীব্ৰ প্ৰতিবাদ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ লগে লগে আৰু এটা কথা যে আজি অৰ্থনৈতিক ভাৱে অসমবাসীৰ ওপৰত বা ভাৰতবাসীৰ ওপৰত যিটো আক্ৰমন আজি ৰচনা হবলৈ গৈ আছে আজি ভাৰতত যদি এনেকুৱা হ'ল হেতেন যে আমাৰ ভাৰতত হিন্দু, মুছলমান, বৌদ্ধ, খীষ্টান, জৈন, শিখ সকলো লোকে সংস্থাপন পাইছে। কোনো মানুহ নিবনুৱা নাই , কোনো দৰিদ্ৰতা নাই, আমাৰ দেশৰ সকলো মানুহ সুখে শান্তিৰে আছে, ধনী হৈ গ'ল, এতিয়া আমি বিদেশৰ যিসকল দৰিদ্ৰ সকলক আমি সংস্থাপন দিম। এই কথাবিলাকৰ আমি নিশ্চয় প্ৰতিবাদ কৰিছো। গতিকে মই ভাৱো যে আজি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত এই কথা বিলাক অন্তত নকৈ আমাৰ চৰকাৰে বিগত দিনত কি কি কৰিব পাৰিলে, কি কি কৰিব পৰা নাই, আগন্তক দিনত কি কি কৰিব পাৰিব, অসমখনত কেনেকৈ শান্তি - সমপ্ৰীতি আৰু ঐক্য সমপ্ৰীতি বজাই ৰাখি অসমখনক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাব এই কথা বিলাক আলোচনা হব লাগে। মাননীয় উপাধক্ষ্য মহোদয়, এই বিভ্ৰান্তিমুলক কথা কৈ অসমত সংঘাট সৃষ্টি কৰাৰ এই চৰকাৰী অপ-প্ৰয়াস কেতিয়াও সফল হ'ব নোৱাৰে। সেইটো লৈ অসমবাসী নিশ্চয় সজাগ আৰু সদায় সজাগ থাকিব। ঐক্যসমপ্ৰীতি থাকিব, ধৰ্মীয় মিলাপ্ৰীতি থাকিব, সদায় আমি অসমত আজীৱন সেইটো ৰাখি যাম, এইটো কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ।

**শ্ৰীমতী অজন্তা নেওঁগ, গোলাঘাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ধন্যবাদ সুচক প্ৰস্তাৱ আজি শাসক পক্ষই আনিছে, তাৰে বিৰোধিতা কৰি মই বক্তব্য আগবঢ়াব বিচাৰিছো।

মই প্ৰথমতে C(A)A আন্দোলনত শ্বহিদ হোৱা অসমৰ পাঁচ গৰাকী অসমীয়া বীৰ শ্বহিদ দ্বীপাঞ্জল দাস, Sam Staford, আব্দুল আলি, ইশ্বৰ নায়ক, দিজেন্দ্ৰ পাঙগীঙক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই এগৰাকী মাতৃ। আমাৰ নাৰী সকলৰ জীৱনৰ সকলোতকৈ আনন্দৰ দিনটো হৈছে আমি যেতিয়া সন্তান জন্ম দিওঁ। মই এই শ্বহীদ সকলৰ পিতৃ-মাতৃসকলৰ চকুপানী প্ৰত্যক্ষ কৰিছিলো আৰু মোৰ নিজৰ দুচকো পানীৰে ভৰি গৈছিল। কোনো এগৰাকী মাতৃয়ে নিজৰ সন্তানৰ মৃত্যুৰ শোক বহন কৰিব নোৱাৰে। আজি মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ যি ভাষণ, এই ভাষণত অসমত যিবিলাক জলন্ত সমস্যা আছে, এই জলন্ত সমস্যাসমূহ প্ৰতিফলিত হোৱা নাই। আজি অসম জ্বলিছে, আজি অসমৰ জনগন ৰাজপথলৈ ওলাই আহিছে। অসমৰ মানুহৰ অন্তৰত শঙ্কা জাগিছে যে এই নাগৰিকত্ব সংশোধনী আইনখনে অসমৰ ভাষা, সংস্কৃতি বিপদাপন্ন কৰিব। আৰু ময়ো অসমৰ মানুহৰ যি শঙ্কা তাত যথাৰ্থ বুলি অনুভৱ কৰিছো। চৰকাৰখনে যিমানে উচ্চস্বৰে নকওঁক কিয় যে আইনখনে অসমৰ মানুহৰ ক্ষতি নকৰে। মই স্পষ্টভাৱে, দৃঢ়তাৰে কব পাৰো যে এই আইনখনে অসমলৈ অতিৰিক্ত বিদেশীৰ বোজা কঢ়িয়াব আৰু লগতে অসমক বিদেশীৰ চৰনীয়া পথাৰ কৰিব, ই অতি স্পষ্ট। আইনখনৰ যি ভিত্তি বৰ্ষ **২০১৪** চনৰ **৩১** ডিচেম্বৰ ই অতি এটা আচলতে অৰ্থহীন কথা। কাৰণ আজি মন্ত্ৰী ডাঙৰীয়াই উচ্চস্বৰে যিমানে কথা নকওঁক কিয় যে এইটো স্পষ্টভাৱে ইয়াত ওলাইছে যে ইয়াত কোনো ধৰণৰ documents নালাগে। আমি NRC প্ৰস্তুত কৰোতে মাননীয় উপাধক্ষ্য মহোদয় এটা procedure ৰ মাজত প্ৰস্তুত কৰিছিলো। বহুতো documents দিব লগা হৈছিল তাত। কিন্তু আজি কোনোধৰণৰ documents দিব নালাগে। আজি অসমলৈ যিকোনো এজন মানুহ আহি কব পাৰে যে মই **২০১৪** চনৰ আগত অসমলৈ আহিছো আৰু তেওঁ নাগৰিকত্ব লাভ কৰিব।

আজি অসম চুক্তি আমি সকলোৱে ধৰ্মনিৰপেক্ষ দলিল বুলি মানি আহিছো। অসমৰ ৰাইজেও এই চুক্তিত সহমত প্ৰকাশ কৰিছিল। কিন্তু আজি চৰকাৰৰ প্ৰতিনিধি সকলে কৈছে যে অসম চুক্তি কি বস্তু আমি নাজানো, অসম চুক্তি কোনে স্বাক্ষৰ কৰিছিল সেইটোও নাজানো। কৈছিল যে প্ৰাক্তণ মন্ত্ৰী মহন্ত ডাঙৰীয়াই এই চুক্তিত স্বাক্ষৰ কৰিছিল আৰু কৈছিলে যে NRC ৰ জৰিয়তে লাখ লাখ বিদেশী আহিব। এনেকুৱা ধৰণৰ তেওঁলোকে এটা মুছলমান আতংক গোটেই ৰাজ্যখনত বিয়পাবলৈ বিচাৰিছি, এক পৰিকল্পিত উদ্দেশ্যলৈ। ইয়াৰ উদ্দেশ্যটো কি জল জল পট পটকৈ ওলাই আছে। ভোটৰ ৰাজনীতি শাসনৰ গাঠিত থকা, ইয়াত আৰু আমাৰ নতুনকৈ কবলৈ প্ৰয়োজন নাই, অসমৰ মানুহে বুজি উঠিছে। অসম চুক্তিৰ মূখ্য উদ্দেশ্য কি আছিল, যে clause 5। clause 5 ত বিদেশী বিতাৰন আৰু ভিত্তি বৰ্ষ হৈছিল ১৯৭১ চনৰ ২৫ মাৰ্চ। এতিয়া C(A)A যদি প্ৰৱৰ্তন হয় তেতিয়াহ'লে ই অসম চুক্তিক সম্পূৰ্ণ ভাৱে নৎসাত কৰিব। এতিয়া উপাধ্যক্ষ মহোদয়, আচলতে এই কথা বিলাক অকল আমি ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিত ভাবে এই কথা বিলাক কলে নহ'ব। ইয়াৰ যুক্তিটো কি ? যুক্তি হিচাপে এজন আইনজ্ঞৰ দিশেও কথাখিনি ক'ব লাগিব যে অসম চুক্তি এখন স্বাক্ষৰিত হৈছিল আৰু এই চুক্তিত তেখেত সকলে কৈছে যে ৫ লাখ বিদেশী আহিব, কি যুক্তিত আমি মানি ল'ম । It is clear violation of the Assam Accord. ইয়াত লিখা আছে যে ১৯৭১ চনৰ ২৫ মাৰ্চ ভিত্তিবৰ্ষ তাৰ আগলৈকে যি সকল আহিব তেওঁলোক স্বদেশী আৰু তাৰ পিছত এজনো লোক আহিলে তেওঁলোক বিদেশী। এতিয়া বিদেশীক লৈ ভাগ ভাগ। হিন্দু সকলৰ বাবে এটা ভিত্তিবৰ্ষ আৰু মুছলমান

সকলৰ কাৰণে এটা ভিত্তিভৰ্ষ। তাতকৈ সৰ্বনাশ কথা উপাধ্যক্ষ মহোদয়, যদি অসম চুক্তি violation হয় তেতিয়া পৰিস্থিতি কি হ'ব । আজি ইয়াত কৈছে যে ১৯৭১ চনৰ যিটো ভিত্তিবৰ্ষ এইটো Citizenship (Amendment) Act, 1955 সংশোধন কৰি দফা ৬(ক) সনিবিষ্ট কৰা হৈছে । বিশেষ ভাবে অসমৰ কাৰণে প্ৰযোজ্য। ভাৰতবৰ্ষৰ বেলেগ ৰাজ্যৰ কাৰণে প্ৰযোজ্য নহয় । কেৱল অসমৰ কাৰণে। আৰু সেই কাৰণে ইয়াৰ ভিত্তিত এন আৰু চি প্ৰস্তুত কৰা হৈছে আৰু এই কথা আজি ইমান বছৰ পিছত কিয়। আজি এন আৰ চি প্ৰস্তুত কৰা হৈছে মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত। ইয়াত RGI জড়িত আছে, কেন্দ্ৰীয় চৰকাৰ জড়িত আছে আৰু ৰাজ্য চৰকাৰ জড়িত আছে । আজি যদি হঠাতে কৈ দিয়া হয় এই ভিত্তিবৰ্ষ অমূলক আছিল সেইটো বিভ্ৰান্তমূলক কথা । উপাধ্যক্ষ মহোদয়, এই স্ব-বিৰোধী কথা বিলাক সদনত উত্থাপন কৰা হৈছে। দূৰ্ভাগ্যজনক কথা উপাধ্যক্ষ মহোদয়। আজি ইমান দিনৰ পিছত উত্থাপন হৈছে যে ভিত্তিবৰ্ষটো ইয়াত অমূলক। আজি সেই কাৰণে কৈছো যে অসম চুক্তিত যিটো violation হয় Citizenship (Amendment) Act, 1955 যি খন আমাৰ গোটেই ভাৰতবৰ্ষত প্ৰযোজ্য হৈ আছে। সেই মতে আমি বিদেশী চিনাক্তকৰণ কৰিবলৈ আমি নাগৰিকত্ব পাব লাগিব আৰু তেতিয়াহ'লে জন্মসূত্ৰে নাগৰিকত্ব হ'ব লাগিব। ইতিমধ্যে এই আইনৰ দুবাৰকৈ সংশোধন হৈছিল। ১৯৮৭ চনত আৰু ২০০৩ চনৰ ৩ ডিচেম্বৰত । তেতিয়াহ'লে কোনে নাগৰিকত্ব পাব। যদি এজন তেওঁলোকৰ পৰিয়ালৰ ভাৰতীয় হয় Irrespective of any religion সকলোৱে নাগৰিকত্ব পাব, তেতিয়াহ'লে অসমত বিদেশী সংখ্যা বাঢ়িবনে কমিব। উপাধ্যক্ষ মহোদয়, আজি আমাৰ পৰিচয় কি? আমাৰ পৰিচয় হৈছে অসমীয়া। আমি অসমীয়া হিন্দু, অসমীয়া মুছলমান, অসমীয়া খ্ৰীষ্টান আৰু বিভিন্ন ভাষা-ভাষিক মানুহ ৰাজ্য খনত বসবাস কৰিছো এটা পৰিয়ালৰ নিচিনা আৰু অসমীয়া ভাষা সংযোগী ভাষা। আজি কোনে কয় ভাষাৰ ভিত্তিত ৰাজ্য গঠন নহয় বুলি । উপাধ্যক্ষ মহোদয়, আজি গোটেই ৰাজ্যখনত আজিৰ ভাষাত ভিত্তিত ৰাজ্য বিলাক গঠন হৈছে । আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছত যিমান ৰাজ্য ঘোষণা হৈছে সকলো ভাষাৰ ভিত্তিত ঘোষণা হৈছে। সেই কাৰণে আজি আমি সকলোতকৈ আশঙ্কা কি হৈছে? যিটো ভাষিক আঞ্চলিক পৰিচয় সেইটোৰ ওপৰচ ভাবুকি আহিছে । আজি অসমীয়া মানুহক আবেগিক বুলি কয়। কিন্তু উপাধ্যক্ষ মহোদয়, আবেগিক নহয়, আমি স্বাভিমানি অসমীয়া। আৰু আমাৰ এই পৰিচয় লৈ আজি অসমীয়াই আমি শিৰ উচ্চ কৰি আছো । উপাধ্যক্ষ মহোদয়, আজি সেই কাৰণে কৈছে যে এই খন অসমত আজি যুগ-যুগ ধৰি অসমীয়া বঙালী লোক সকল বসবাস কৰি আছে। তেওঁলোকৰ লগত অসমীয়া মানুহৰ যি মধুৰ সম্পৰ্ক আমি সকলোৱে প্ৰত্যক্ষ কৰিছো আৰু মই মোৰও অভিজ্ঞতা আছে। মোৰ জন্ম জালুকবাৰীত, মালিগাওৰ ওচৰত। গতিকে মই সেই সকল লোকৰ লগতে মই সেই সকলৰ লগতে ডাঙৰ দীঘল হোৱা। গতিকে সেই সকল লোকৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অসমীয়া ভাষা সংস্কৃতিত যি তেওঁলোকৰ অৱদান আছে আমি সদায় সন্মান সহকাৰে স্বীকাৰ কৰি আহিছো । আজি আমাৰ শঙ্কা হৈছে সেই সকল লোকক যি সকলে C(A)A ৰ জৰিয়তে নতুনকৈ নাগৰিকত্ব পাব। অসমৰ মানুহে আশংকা কৰিছে। ভূপেন দাই কৈ গৈছিল যে মোৰ আইক ভাল পাও বুলি আনৰ আইক ঘৃণ কৰাটো বুজাব নেকি। এই কথাটো পাহৰিলে নহ'ব যে ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ ৩৬ বছৰলৈ অসমত অসমীয়া ভাষা বিতাড়িত হৈছিল। আজি পুনৰ অসমীয়া ভাষা ঘুৰাই আনিবৰ কাৰণে আমেৰিকান খ্ৰীষ্টান মিছনেৰী সকল, আমাৰ দেশ প্ৰেমিক আনন্দৰাম ঢেকিয়াল ফুকণ এই লোক সকলৰ প্ৰচেষ্টাত আমি পুনৰ অসমীয়া ভাষা ঘুৰাই পাইছো । ভাষিক আঞ্চলিক

পৰিচয় আমাৰ থাকিবই আৰু সেই পৰিচয়টো আমাৰ জীয়াই ৰখাৰ দায়িত্ব আমাৰ প্ৰত্যেক জন অসমীয়াৰ। এই বিধান সভাৰ মজিয়াত উপাধ্যক্ষ মহোদয় মই আগতেই কৈছিলো যে বহু বিধায়ক ইয়াত আছে যি সকলে ৬ বছৰীয়া অসম আন্দোলন গৰকীছে। অসম চুক্তিৰ প্ৰত্যেকটো কথা তেখেত সকলে জানে, আজি নাজানো বুলি ক'লে নহ'ব। মই ভাবিছিলো আমাতকৈ তেখেত সকলৰ বেছি দায়িত্ব। কিন্তু আজি দুৰ্ভাগ্য যে আজি অসমৰ স্বাভিমান, অসমীয়াৰ ভাষা-সংস্কৃতি ৰক্ষা কৰিবৰ কাৰণে আজি বিদেশীক আনিব লগীয়া হৈছে । ইয়াতকৈ আৰু দুৰ্ভাগ্যজনক কথা কিবা আছে বুলি মই নাভাবো। উপাধ্যক্ষ মহোদয়, এতিয়া কথা হ'ল য়ে আমাৰ ৰাজ্য খনত বৰ্তমান সৰ্বত্ৰ ভাবে এটা কথা প্ৰচাৰ হৈছে বাতৰি কাকতত, বিজ্ঞাপনত চৰকাৰৰ বক্তব্যত আমি দেখিছো যে সাংবিধানিক সুৰক্ষা কবজ। এতিয়া কথা হ'ল যে, চৰকাৰেই কলে অসম চুক্তি কি নাজানো, অসম চুক্তি কোনে স্বাক্ষ্যৰ কৰিছিল নাজানো, অসম চুক্তি গীতা, বাইবেল, কোৰাণ নহয় আৰু তেখেত সকলে কৈছে যে Clause-5 ৰ violate কৰিছে । এতিয়া কি দিব লাগে যে clause-6 এইটো স্ব-বিৰোধী কথা নহয় জানো । self conductory কথা নহয় নেকি ? আজি চৰকাৰে কৈছে যে, অসমীয়া ভাষা সৰ্বকালৰ বাবে ৰাজ্যভাষা হ'ব । কিন্তু ১৯৬০ চনত যিটো অসমীয়া ভাষাক ৰাজ্য ভাষা বুলি ঘোষণা কৰা হৈছিল । আৰু কৈছে যে সাংবিধানৰ Article 345 মতে তেখেত সকলে ব্যৱস্থা গ্ৰহণ কৰিব আৰু কেন্দ্ৰীয় চৰকাৰক তেওঁলোকে অনুৰোধ জনাইছে। কিন্তু যেতিয়া Article 345 কৰিবলৈ যাওতে Article 346 আৰু 347 ও পঢ়িব লাগিব । 347 ত লিখা আছে উপাধ্যক্ষ মহোদয়, special provision relating to language spoken by section of the population of state on a demand being made in that behalf the president may if he satisfied that a substabtial proportion the population of a state desirous the use of any language spoken by them to be recognized by that state direct that such language shall also be officially recognize through out that state or any part thereof for such purpose or he may specify. এতিয়া অসমীয়া মানুহৰ আশংকাৰ কথাটোলৈ আহো উপাধ্যক্ষ মহোদয়। আজি আমাৰ জনসংখ্যাটো এটা statistic কথা নহয়। জনসংখ্যাৰ কথাটো হ'ল এটা dynamic কথা। আজি চৰকাৰে যি পৰিসংখ্যা দিছে সেই পৰিসংখ্যাটো ২০ বছৰৰ পিছত কিমান হ'ব সেইটোহে অসমীয়া মানুহৰ শংকাৰ কথা প্ৰকাশ কৰিছে। কেনেকৈ তেখেত সকলে ক'ব পাৰিব যে আজি আমাৰ ভাষাটো কেনেদৰে সুৰক্ষিত হ'ব । ২০১১ চনৰ ভাষিক লোক পিয়লত চাব তাত কি লিখা আছে, কিমান সংখ্যক লোকে অসমীয়া ভাষা কয়। মাত্ৰ ৪৮ সংখ্যক লোকেহে অসমীয়া ভাষা কয় । আজি সদনত মন্ত্ৰী ডাঙৰীয়াই থকা হ'লে মই ভাল পালো হেতেন । তেওঁ আজি সদনক বিভ্ৰান্ত কৰি আমাক বহু কথা কৈ দিলে । কাৰণ মন্ত্ৰী ডাঙৰীয়া মোৰ বহু দিনিয়া চিনাকী আৰু মোৰ ভাতৃপ্ৰতীম হিচাপে ভাবো । তেখেত এজন তাৰ্কীক ব্যক্তি। আমি যেতিয়া তৰ্ক কৰো আৰু মন্ত্ৰী ডাঙৰীয়াই যদি ভাবে The sun rises in the west এনেকুৰা কৰি দেখুৱাব পাৰে। আমি জানো আৰু মোৰ অভিজ্ঞতাও আছে । এই কাৰণে আছে যে এবাৰ সদনত যেতিয়া special category status মই অসমত কটা বুলি কৈছিলো কিন্তু মন্ত্ৰী ডাঙৰীয়াই ইমানেই ভ্ৰান্তিকৰ যুক্তি প্ৰদৰ্শন কৰিলে যে সদনত এনেকুৰা ধৰণে মানুহক বিভ্ৰান্ত কৰিলে যে অসমৰ special category status কেন্দ্ৰীয় চৰকাৰে কটা নাই। status ৰ কথা নহয় পইচাটোহে ডাঙৰ কথা । আজি সেই একেজন মন্ত্ৰীৰে কথাবোৰ শুনি আছো কালি বা ইয়াত

বহি কি কথা ক'ব তাত বহিলে কি কথা ক'ব । এইবোৰ আমাৰ দেখা শুনা কথা । মই সেইবোৰ বিতৰ্কলৈ যাব খোজা নাই, আমি যুক্তিৰ কথাটো ক'বই লাগিব। আজি মই কাশ্মীৰৰ কথা কৈছো ভাল বা বেয়া ৩৭০ তাত আছিল কিন্তু এক মিনিটত উৰি গ'ল, নৎসাত হৈ গ'ল । ১০ বছৰৰ পিছত ই নৎসাত নহ'ব তাৰ কি মানে আছে । এইটো আমি কেতিয়াও ক'ব নোৱাৰো। গতিকে এনেকুৱা ধৰণৰ বিভ্ৰান্তমূলক কথাবোৰ চৰকাৰে যাতে নকয় সেইখিনি কথা আমি সকীয়াই দিছো । কাৰণ আমি জানো যে কেৱল ধৰ্মৰ নামত মানুহক যি বিভাজন কৰি এইখন শংকৰ দেৱ, আজান ফকিৰৰ দেশক ভাগ ভাগ কৰিবলৈ প্ৰচেষ্টা তাক আমি সকলোৱে এক মুখে গৰিহণা দিছো। ৫৫০ বছৰ আগত গুৰুজনাৰ আৰ্ব্বিভাৱ হৈছিল। সেই গুৰুজনাৰ যি ধৰ্ম নিৰপেক্ষতাৰ চাকি গছ আমাৰ সকলো অসমীয়াৰ অন্তৰে অন্তৰে জগাই তুলিছিল আজিও মন্দিৰে মন্দিৰে গাৱেঁ-ভুইয়ে, চহৰে সেই চাকি গছ জ্বলি আছে আৰু গুৰুজনাই কৈ গৈছিল যে “*পৰৰ ধৰ্মক নিহিংসিবা কদাচিত*” । সেই গুৰুজনাৰ তিৰোভাৱৰ ১০০ বছৰ পিছত সুদূৰ পাৰস্যৰ পৰা শ্বাহ মিলন নামৰ এজন ব্যক্তি অসমলৈ আহিছিল। নাম লৈছিল আজান ফকিৰ, গাইছিল জিকিৰ আৰু কৈছিল “*কোৰাণে পুৰাণে একে একে কৈছে জানিবা জ্ঞান লোক*”। এইখন শংকৰ দেৱৰ অসম, আজান ফকিৰৰ অসম, মাধৱ দেৱৰ অসম যাক লৈ আমি অসমীয়া গৌৰৱান্বিত আৰু সেইখন হৈছে অসম চুক্তি ধৰ্ম নিৰপেক্ষ অসম চুক্তি। এতিয়া অসম দ্বিতীয় ত্ৰিপুৰা হ'বলৈ গৈ আছে নেকি? আজি Constitutional safe guard কাক দিব? য'ত অসমীয়া মানুহৰ ভাষাৰ প্ৰটেকশ্যন নাই। উপাধ্যক্ষ মহোদয়, আজি ক'লেইটো আমি মানি নল'ম যে ভাষাৰ ভিত্তিক আমাৰ ৰাজ্য গঠন নহয় বুলি। মই সদায় ব্যক্তিগত ভাৱে বিশ্বাস কৰো যে সুস্থ জাতিয়তাবাদৰ ভেটিটোতহে সুস্থ ৰাষ্ট্ৰীয়বাদ গঢ় লয়। এই কথা আমি সকলোৱে মনত ৰখা ভাল। নহ'লে ইতিহাসে এটা সময়ত কিন্তু আমাক ক'ব । মিৰজুমলাই যেতিয়া অসম আক্ৰমণ কৰিছিল লগত এজন বুৰঞ্জীবিদ লৈ আহিছিল। সেই বুৰঞ্জীবিদ গৰাকীৰ নাম আছিল চাহাবুদ্দিন তালিজ। তেখেতে কৈ গৈছিল যে অসমৰ মুছলমান সকল, তেওঁলোকৰ কথা-বতৰা, জীৱন শৈলী হাড়ে হিমজুৱে অসমীয়া। নামতহে তেওঁলোক মুছলমান। এই সংস্কৃতি, সমন্বয়ৰে এইখন অসম। এই অসম খনক আজি ভাগ ভাগ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। আমাৰ ভাষিক পৰিচয়, সাংস্কৃতিক পৰিচয়ক বিপদাপন্ন কৰিবলৈ চেষ্টা কৰা হৈছে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা আৰু কিবা আছে বুলি মই নাভাৱো। এতিয়া কৈছে যে চৰকাৰখনে অসমৰ জনগণক চূড়ান্ত অৱমাননা কৰিছে। আজি অসমৰ হাজাৰ হাজাৰ জনতা ৰাজপথলৈ ওলাই আহিছে। মোৰ পুত্ৰ সম হাজাৰ হাজাৰ যুৱক-যুৱতী ৰাজপথলৈ ওলাই আহিছে নিজৰ জাতিটোৰ কাৰণে, নিজৰ ভাষা ৰক্ষা কৰিবৰ কাৰণে, নিজৰ ভৱিষ্যতৰ কাৰণে। এই যুৱক-যুৱতী সকলে কি দেখিছে? তেওঁলোকে দেখিছে সান্ধ্য আইন, পাইছে বন্দুকৰ গুলী, ইণ্টাৰনেট বন্ধ পাইছে, সেনাৰ ফ্লেগ মাৰ্চ দেখিছে। মোৰ আশংকা এইটোৱে যে চৰকাৰে এই জনমতক, এই যুৱক-যুৱতী সকলৰ যি আবেগ তাক উপেক্ষা কৰিব নালাগে। তেওঁলোকক যদি উপেক্ষা কৰে তেওঁলোক হতাশগ্ৰস্ত হ'ব। মই নিজেও ভুক্তভোগী। মোৰ পৰিয়াল তথা আমি নিজেও আতংকৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। আপোনালোকে এই কথাখিনি জানে। গতিকে এইখিনি কথা সকিয়াই দিছো যে এই হতাশাগ্ৰস্ততাই যাতে আমাৰ এই অসম খনলৈ পুনৰ সেই অশান্তিৰ ক'লা দিন বিলাক ঘূৰাই নানে।

উপাধ্যক্ষ মহোদয়, আজি গনতন্ত্ৰ নাই। গনতন্ত্ৰ, পৰ্বতত কাচৰ কণী পৰাৰ নিচিনা। আজি যিসকল আন্দোলনকাৰীয়ে CAA ৰ বিৰোধীতা কৰিছে তেওঁলোকক ৰাষ্ট্ৰদোহী বুলি গ্ৰেপ্তাৰ কৰিছে। আজি সাংবাদিক সকলে পলাই ফুৰিব লগীয়া হৈছে। আজি আমাৰ ৰাজ্যখনত freedom of

speech নোহোৱা হৈছে। গতিকে মই চৰকাৰখনক ক'ব খুজিছো যে আপোনালোকে স্বদেশীক আপোন কৰক, বিদেশীক নহয়। পুনৰ বাৰ কৈছো চৰকাৰখনে স্বদেশীক আপোন কৰক, বিদেশীক নহয়। আজি ৰাজ্যপাল ডাঙৰীয়াৰ যি ভাষণ, এই ভাষণ অতি গতানুগতিক। ইয়াত ৰাজ্যখনৰ জলন্ত সমস্যা সমূহ যেনে - বানপানী, গড়াখহনীয়া, নিবনুৱা সমস্যা, মূল্যবৃদ্ধি উল্লেখ নাই। কিন্তু আমি কিহত ব্যস্ত হৈ আছো, কিহত আজি আক্ৰান্ত হৈ আছো, পীড়িত হৈ আছো ? আজি আমাৰ অস্তিত্বৰ সংকট। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই পুনৰ বাৰ চৰকাৰখনক কৈছো যে আপোনালোকে CAA ৰ বিৰোধীতা কৰি সৰ্ব্বসন্মত এটা প্ৰস্তাৱ চৰকাৰখনে গ্ৰহণ কৰিব লাগে। নহ'লে কিন্তু বালিলৈ যিপাত কাঁড়, সুগ্ৰীৱলৈ ও সেই একেপাত কাঁড় বুলি মই আজিয়েই কৈ থলো। শেষত মই আমাৰ এগৰাকী স্বনামধন্য সাহিত্যিক মোৰ গোলাঘাটৰ নাহৰনিৰ আব্দুল মালিক চাৰৰ কথাৰে মই শেষ কৰিছো।

জীৱনে মৰণে মই চিৰদিন অসমীয়া
অসমীয়া দেহে প্ৰাণে মই
জীয়াই থাকোতেও মই অসমৰে অসমীয়া
মৰিলেও বৰি ল'ম
অসমৰ অমিয়া মৰণ।

এইখিনি কথাৰে মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। জয় আই অসম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আমাৰ ৰাজ্যপালৰ ভাষণৰ সমৰ্থন কৰি যিটো প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱৰ সমৰ্থনত ক'ব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, অসম বিধান সভাত আজি মই এটা বেলেগ পৰিবেশ দেখিবলৈ পালো। মই খুব ভাল পাইছো। মই ইয়াত ১৯৮৫ ৰ পৰা এইবাৰ ফ'ৰথ্ টাইমৰ কাৰণে বিধায়ক হৈছো। এই বিধান সভাৰ মজিয়াত মই বিৰোধী পক্ষত ও বহিছো আৰু ট্ৰেজাৰী বেঞ্চত বহিছো। কিন্তু আজিৰ আলোচনা আৰু ইয়াত অংশগ্ৰহণ কৰা মাননীয় সদস্য সকলে যিখিনি কথা ইয়াত দাঙি ধৰিছে আমাৰ ৰাজ্যপালৰ ভাষণৰ লগত সংগতি ৰাখি, মই অত্যন্ত আনন্দিত হৈছো যে আজি মানুহ বিলাকৰ চিন্তা-চৰ্চা যথেষ্ট বেলেগ হৈছে। আমি যেতিয়া প্ৰথম ইয়ালৈ আহিছিলো তেতিয়া সেই সময়ৰ অসমৰ যিটো অৱস্থা আছিলে সেইটো ভাৱিব নোৱাৰা এটা অৱস্থা আছিলে। আজি ইয়াত বহুত কথা, বহুত বাক্য, বহুত শব্দৰ ব্যৱহাৰ হৈছে যিবোৰ আগতে অসমত ব্যৱহাৰ হোৱা নাছিল । কিন্তু আজি এইবিলাক শব্দ ব্যৱহাৰ হৈছে। অসমৰ মানুহে শিৱসাগৰত মুছলমান শব্দটো কোনেও নুলিয়ায়। তাত হিন্দু-মুছলমান, শিখ, খ্ৰীষ্টান সকলো মানুহ একেলগে থাকে। আমাৰ মুখৰ পৰাও আজিলৈকে বিধান সভাত এই শব্দটো অহা নাই। কিন্তু আজি বিধান সভাত আমি সকলোৱে মুছলিম আৰু হিন্দু বা কোনোবা বেলেগ ধৰ্মৰ কথা আমি মুকলিকৈ ক'ব পৰা হৈছো। এইটো খুবেই ভাল হৈছে। দুয়োটা ধৰণে দুয়ো ফালৰ পৰা কৈ আছে। এফালে মহাপুৰুষ জনাৰ কথা ও কৈছে আৰু আজান পীৰৰ কথাও কৈছেআৰু অন্য দিশৰ পৰা ধৰ্ম ভিত্তিত বিভাজনৰ কথা ও ইয়াত কৈছে। উপাধ্যক্ষ মহোদয়, আমি তেনেকুৱা এটা দিনৰ পৰা আহি আহি আজিপবিত্ৰ সদনত এইবিলাক কথা শিকিব লগীয়া হৈছে। স্কুল বা কলেজত পঢ়ি থাকোতে আমি একেটা কোঠাতে, একেখন বিচনাতে আমি সকলো ধৰ্মৰ ল'ৰাই শুইছিলো। আজি এতিয়া কি হৈছে মই নিজেই ভাৱো যে সিটো মুছলমান লৰা আছিল, মইটো হিন্দু আছিলো আমি একেলগে শুই আছিলো, আজি এই চিন্তা চৰ্চা এনেকুৱা এটা হৈছে যে ধৰ্ম এতিয়া যেন দুটাহে

আছে আৰু বাকীবিলাক ধৰ্ম যেন কৰাবাত গৌন হৈ গ'ল তেনেকুৰা ধৰণৰো এটা কথা হৈছে। এতিয়া অধ্যক্ষ মহোদয়, যদি বিতৰ্কও হয় সত্য কথাটো সত্যই কব লাগিব। 2+2=4 হ'ব লাগে, আৰু হয় 1+1+1+1=4 হ'ব বা 3+1= 4 হ'ব, কিন্তু যিটো শুদ্ধ সেই শুদ্ধটো কেতিয়াও অশুদ্ধ বুলি আমি ক'ব নালাগে। অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী পক্ষৰ বিধায়কে জয় আই অসম কৈছে, এইটোতো মিছা নহয়। মই ভাল পাইছো কাৰণ আজি বহুত বছৰৰ পিছত তেখেত সকলৰ মুখত জয় আই অসমটো যে আহিছে। এই ভাৰটো অহাটো মই ভাল পাইছো। চকুপানী অকল তেখেত সকলৰে চকুপানী নহয়, আমাৰ চকুয়েদি চকুপানী ওলাই ওলাই আমাৰ ইয়াত কিজানি চকুপানী থকা যিটো ভাণ্ডাৰ আছে, সেই ভাণ্ডাৰ প্ৰায় নাইকিয়া হৈ গৈছে। আমি বিদেশী বহিস্কাৰ আন্দোলনত জড়িত থকা মানুহ হয় আমি একদম পুৰা আৰম্ভৰ পৰা থকা। গতিকে আমাৰ চকুৰ সন্মুখত যিবিলাক ঘটনা ঘটিল যি বিলাক আমি দেখিলো এতিয়া সেইবিলাক আমি যদি ইয়াত দাঙি ধৰো তেতিয়াহলে এখন মহাভাৰত কব লাগিব। আমাৰ যেতিয়া কোনো মানুহ ঘৰত থাকিব নোৱাৰা অৱস্থা এটা হৈ গৈছিল। সেইটো সময়তো আমি জেগা এৰি কতো যোৱা নাই। আমি কাকো বেলেগ ধৰণে অসুবিধা কৰা নাই। আমি আন্দোলন কৰি গৈছিলো, এতিয়া মই ক'ব বিচাৰিছো যে অসমৰ যি বুৰঞ্জী এতিয়া আজি মই মাজতে এবাৰ ঠিয় হৈছিলো আপুনি মোক ক'বলৈ নিদিলে। মই এটা কথা কবলৈ বিচাৰিছিলো সেইটো হ'ল This is related to the all devlopment. সেইটো হ'ল যে আমাৰ ইয়াত বিত্ত মন্ত্ৰী ডাঙৰীয়াই দিয়া বক্তব্যত তেখেতে এটা সাংঘাটিক ধৰণৰ ডাঙৰ কথা এটা আৰু This is very must related to Assam history. এতিয়া আমি যি অসম বুৰঞ্জী পঢ়ি আহিলো আজি লীলা গগৈৰে হওঁক, বিৰিঞ্চি ভূঞাৰে হওঁক আমি যি বুৰঞ্জী পঢ়িলো এইবিলাক বুৰঞ্জী আজি আমাৰ বিধান সভাত এইবিলাকটো প্ৰচিডিং হৈ যাব, প্ৰচিডিং হৈ গলে আমাৰ বুৰঞ্জীকেইখন বদলি কৰি পেলাব লাগিব। গোটেই বুৰঞ্জী সলনি কৰিব লাগিব। অধ্যক্ষ মহোদয়, আমাৰ যে কুমাৰ ভাস্কৰবৰ্মা ৰজা আছিলে, এতিয়া কুমাৰ ভাস্কৰবৰ্মা থকাটো সত্য হ'বনে অসত্য হ'ব? ইয়াত যে আমাৰ চাউদাং চুকফাই ৬০০ বছৰ শাসন কৰি সাত ৰাজ মাৰি যে এক ৰাজ কৰিলে এইটো সচা হ'ব নে এইটো মিছা হ'ব? অধ্যক্ষ মহোদয়, আমাৰ চুতিয়া সকলে যে শদীয়াত কেপিটেল কৰি চুতীয়া ৰজাই ইয়াত ৰাজ্য শাসন কৰিছিল সেইটো সচা হ'ব নে এইটো মিছা হ'ব? বৰাহী ৰজা থকাটো সচা হ'ব নে মিছা হ'ব? চাৰিঙিয়া ৰজা থকাটো সচা হ'ব নে মিছা হ'ব? কছাৰী ৰজা থকাটো সচা হ'ব নে মিছা হ'ব? জয়ন্তীয়া আৰু খাচী ৰজা থকাটো সচা হ'ব নে মিছা হ'ব? কোচ ৰজা থকাটো সচা হ'ব নে মিছা হ'ব? মান ৰজা থকাটো সচা হ'ব নে মিছা হ'ব? সেই গোটেই ৰজা বিলাক যে আছিল সেই বুৰঞ্জীটো আমি কি কৰিম অধ্যক্ষ মহোদয়, সেইটোৰ আজি এটা সিদ্ধান্ত আপুনি কৰিব লাগিব ইয়াত আৰু ইয়ালৈ হিউয়েন চাং কোন সময়ত আহিছিল, মিৰজুমলাই কোন সময়ত অসম আক্ৰমণ কৰিছিল। আজি মই এটা আচৰিত হ'লো যে আমাৰ গুৱাহাটীৰ উমানন্দৰ মাটি ঔৰাংজেবে দিয়া বুলি কৈ দিলে, ঔৰাংজেৱে অসম কেতিয়া শাসন কৰিছিল, মই এইটো বিচাৰিছো ভাৰতীয় বুৰঞ্জী আৰু অসম বুৰঞ্জীত ঔৰাংজেৱে অসম জয় কৰি শাসন কোনটো চনত কৰিছিল? মাটি দিবলৈ প্ৰথম কথা মাটিটো ল'ব লাগিব। তাৰপিছতহে মাটি দান কৰিব পাৰিব। এতিয়া যদি আমাৰ হাউচৰ পৰা এনেকুৰা ধৰণৰ কথা বিলাক যদি ৰাইজৰ মাজলৈ যায় তেতিয়া হলেতো সাংঘাটিক কথা হ'ব এইটো। এতিয়া অধ্যক্ষ মহোদয়, আমি চাইছো এতিয়া ওৱেষ্ট বেংগল ইষ্ট বেংগল হ'ল, এইটো অধ্যক্ষ মহোদয় আপুনি চাওক এইটো ধৰ্মীয় ভিত্তীত বৃটিছে ভাগ কৰিলে। On the basis of religion this are divided in to two, one is East Ben-

gal and another is West Bengal. যদি মোৰটো ভুল তেতিয়াহলে মই পঢ়াটো ভুল, তেতিয়াহ'লে মই সেইটো নিজকে শুদ্ধ কৰিব লাগিব। অধ্যক্ষ মহোদয়, আজি এতিয়া চাওঁক আজি C(A)A ৰ ওপৰত যিখন আমাৰ নাগৰিকত্ব সংশোধনী আইন যিখন হৈছে এতিয়া তাৰ ওপৰত বহুতো ধৰণৰ যুক্তি দিছে। হয় মই ধৰি ললো যে তেখেত সকলে কোৱা কথাখিনি সচা কথা। ভাৰত বৰ্ষত কিমান ৰাজ্য আছে, যিমান ৰাজ্য আছে তাৰ ভিতৰত অসমখন মাত্ৰ এখনহে। আজি যদি যিবিলাক নেচনেল পলিটিকেল পাৰ্টি আছে, মই বাৰু ৰিজনেল পলিটিকেল পাৰ্টিৰ কাৰণে ক'ব বিচৰা নাই। কাৰণ আমি অসমতে আছো, আমাৰ এৰিয়া ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা ওচৰ পাজৰে অন্য ৰাজ্যতো আমাৰ নাই, কিন্তু নেচনেল পলিটিকেল পাৰ্টিবিলাকে গোটেই হিন্দুস্থানত ২৮ খন ২৯ খন যিমান ৰাজ্য আছে, যিমান ইউনিয়ন টেৰিটৰি আছে সকলোতে যদি তেখেত সকলে কোৱাই লয় তেতিয়াহলেটো এইটো অটোমেটিক নাইকিয়া হৈ যাব। এইখনটো এনেই নাইকীয়া হৈ যাব তেতিয়া। সেই কাৰণে কথাখিনি চাওঁক, আমি এতিয়া ইয়াত দেখিছো যে তাৰ ওপৰত আলোচনা হৈছে এফালে কৈ আছে ধৰ্মীয় উৎপীড়ন মানুহ যিবিলাক ভাৰতবৰ্ষতে আছে, যিবিলাক আফগানিস্তানত উৎপীড়ন হৈছে, ইছলামিক ৰি পাব্লিক পাকিস্তানত হৈছে, ইছলামিক ৰিপাব্লিক অফ বাংলাদেশত হৈছে। যদি হৈছে তেতিয়া ১৯৬৫ ত যুদ্ধৰ সময়ত অহা মানুহ খিনিৰ কথাটো চাব লাগিব, সেই যুদ্ধত যেতিয়া মানুহখিনি আহিছিল। ১৯৭১ চনত বাংলাদেশৰ যুদ্ধৰ সময়ত অহা মানুহখিনিৰ এইটো চাব লাগিব, আৰু সেইটো সময়ত কি ধৰণৰ সিদ্ধান্ত হ'ল কোন আছিল তেতিয়া, who are there in that attack ? এই গোটেই কথা খিনি মই ভাৱো যে আমি ভাল ধৰণে ইয়াত স্পষ্টভাৱে কথা পতা ভাল আৰু কোনো কথা লুকুৱাই থাকিব নালাগে আৰু লুকুৱাই থকা কাৰণে আজি কোনো সমস্যা আমাৰ সমাধান হোৱা নাই। ভাষাৰ কথাটো ইয়াতে কলে, মই শুনিলো যে এটা সময়ত নাছিলে তাৰপিছত এইটো হ'ল, তাৰ পিছত এতিয়া কন্সটিটিউৱেচন এটা দাঙি ধৰি ইয়াতে কৈছে যে যিখন ৰাজ্যত যিখিনি মানুহ তাত মেজৰিটি হয় তাত সেই ভাষা প্ৰচলিত হয়, তেনেকুৱা কথা এটা কৈছে। এতিয়া কথা হ'ল মেজৰিটিৰ কথাটোৱেটো আহিছে। আপোনালোকে যিমানে কৈ থাকক মেজৰিটিৰ কথাটো আহিছে, মানুহে ভয় খাইছে, আপোনালোকৰ মানুহৰ তেনেকুৱা ভয় আছে, আমাৰ মানুহৰ মনতো ভয় আছে, দুয়োটা ভয় চাব লাগিব নহয়। দুয়োটা ভয় কি কাৰণে হৈছে এইটোতো আগতে নাছিলে নহয়। এইটো কেতিয়া আহিছে? আমি স্কুলত থকা সময়ত এইবিলাক ভয় নাছিলে। কালি নাম্‌তিৰ পৰা কেইজনমান ল'ৰা আমাৰ ইয়ালৈ আহিছিল। আমি সকলোৱে বহি কথা পাতি আছিলো। আমাৰ মাজততো হিন্দু, মুছলমান এইবোৰ কথা ওলোৱা নাছিলে। আজি দেখোন একেবাৰে ৰাজহুৱাকৈ সকলোৱে কথাটো কৈ আছে। সেই কাৰণে ভাৰতবৰ্ষত চেক্যুলাৰ শব্দটো, যিটো আমি সকলোৱে কৈ আছো, আমি সকলোৱে এইটো নোকোৱাকৈ ৬০০ বছৰ আগতে ই আমাক গুৰুজনাই একে পাগতে খাবপৰা কৰি থৈ গ'ল। আমাৰ ভাৱ, ভাষা, আচাৰ-ব্যৱহাৰতেই মানুহে আমাক জানিব পাৰে। মহাত্মা গান্ধী ইয়ালৈ আহিলে। জামুগুৰিৰ চাপৰিত তেওঁ মিটিং কৰিছে। তেওঁ অসমৰ তিৰোতা মানুহক যঁতৰত সূতা কটা দেখি তেওঁলোকক কৈছে যে, এইখনেই ৰাম-ৰাজ্যৰ নিচিনা হয়, এনেকুৱা হ'ব লাগে। তেখেতে তেতিয়াই এপ্ৰিচিয়েট কৰি থৈ গৈছে। এতিয়া সকলোৱে ভয় কেনেকৈ হ'ল? কিয় হৈছে? অধ্যক্ষ মহোদয়, মই আপোনাক এই কথাটো জনাইছো অসম বিধান সভাৰ এগৰাকী বিধায়ক প্ৰদীপ হাজৰিকা হিচাপে। এতিয়া মই দেখিছো মোৰ সংসাৰ, মোৰ গাওঁ, মোৰ সমাজৰ চিন্তাতকৈ ৰাতিপুৱাৰ পৰা গধূলিলৈকে এই গোটেই দেশখনত কি হ'ব ২৪ ঘণ্টাই এই চিন্তাটো লাগি থাকে। এতিয়া যিবিলাক শংকা আছে, এইবিলাক কেনেকুৱা ধৰণে দূৰ হ'ব, তাক চাওঁক। আজি

ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখি কোৱা হৈছে যে, ইয়াত প্ৰকৃত জলন্ত সমস্যাৰ কথা দাঙি ধৰা হোৱা নাই। মই এজন বিধায়ক হিচাপে ১৯৮৫ চনৰ পৰাই আছো। মই কোনো পাৰ্টিৰ ফালৰ পৰা নহয়, নিৰপেক্ষভাৱে যদি কওঁ, তেন্তে সমষ্টিৰ সকলোতকৈ বেছি কাম এতিয়া মইয়ে কৰিব পাৰিছো। বৃদ্ধ পেঞ্চনৰ ক্ষেত্ৰত আগতে মোৰ ওচৰলৈ মানুহ আহিলে, তেতিয়া তেওঁলোকক মই পঞ্চায়তলৈ যোৱাৰ কথা কওঁ। এবাৰ মই পঞ্চায়তত বৃদ্ধ পেঞ্চনৰ cheque দিবলৈ যোৱাৰ কথা কওঁ। এবাৰ মই পঞ্চায়তত বৃদ্ধ পেঞ্চনৰ cheque দিবলৈ গৈছিলো, তেতিয়া মই গম পালো যে, যদি মই cheque দিবলৈ যাওঁ, তেতিয়াহ'লে মোৰ cheque খন লবলৈ হেনো মানুহ নাহে, কাৰণ মই এটা বেলেগ পাৰ্টিৰ সদস্য আছিলো আৰু তেওঁলোক এটা বেলেগ পাৰ্টিৰ সদস্য আছিল। পঞ্চায়তত বৃদ্ধ পেঞ্চনৰ বাবে এখন বেঞ্চত ৬০-৭০ বছৰ বয়সৰ বৃদ্ধা বহি থকা মই দেখিছিলো আৰু তেওঁলোকে যে পেঞ্চন পোৱা নাই সেই বিষয়ে মোক কৈছিলে। তাৰপিছত যেতিয়া মই cheque দিবলৈ আৰম্ভ কৰিলো, তেতিয়া cheque লবলৈ অহা মানুহ এজনক দেখি মই প্ৰশ্ন কৰিছিলো যে, তেওঁৰ ৬০ বছৰ বয়স হৈছে নেকি? তেতিয়া তেওঁ মোৰ প্ৰশ্নৰ উত্তৰ নিদি তললৈ মূৰ কৰিছিল। এতিয়া অধ্যক্ষ মহোদয়, ৬০ বছৰৰ ওপৰৰ সকলোৰে পেঞ্চন পাইছে তাত আমি সুধিবলগীয়া হোৱা নাই। এতিয়া এইটো ভাল বুলি ক'ম নে বেয়া বুলি ক'ম? এইটো সঁচা কথা হয়নে নহয়? ৰুৰেল এৰিয়াত যিমানবোৰ ৰাষ্টা-পদুলিৰ কাম এইবাৰ হৈছে, আমাৰ সমষ্টিৰ মানুহক সুধিলেই গম পাব। অধ্যক্ষ মহোদয়, এইটো সচাঁ কথা হ'ব নে মিছা হ'ব? এতিয়া মই যেনেকৈ ক'লো, এই ৰজাবোৰ সচাঁ হ'ব নে মিছা হ'ব? মোৰ আজি শুনি পেলাই বহুত কথা চিন্তা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই বৃটিছৰ সময়ৰ কথা এটা quote কৰিব বিচাৰিছো। " The transfer of Kochbihar administration to Govt. of India took place on 12th september 1949.কোচবিহাৰৰ administration বৃটিছৰ হাতলৈ গৈছে ১৯৪৯ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে। কোচবিহাৰৰ ৰজাৰ গোটেই সম্পত্তি, ৰাজ্য বৃটিছে যে টেক্অভাৰ কৰিছে এইটো মই মানিম নে নামানিম? এইটো ভুল নে শুদ্ধ বুলি কম? এনেধৰণে অধ্যক্ষ মহোদয় . "Kochbihar was transfered and merged with the province of West Bengal on 1st January 1950." এইখিনিটো সত্য কথা। কাৰণ এইখিনি Historical fact. এইখিনি মই মনে সাজি কোৱা নাই। অধ্যক্ষ মহোদয়, এইকাৰণে আমি ক'ব বিচাৰিছো যে, মহামান্য ৰাজ্যপালৰ ভাষণত কিছুমান কথাৰ উল্লেখ নাই। মই ইয়াতেই কৈছিলো যে, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো নুমলীগড়ৰ পৰা ডিমৰুলৈকে হ'ব লাগে, কিন্তু হোৱা নাই। এতিয়া নোহোৱা কথাটো আমি ক'ব লাগিব আৰু তেওঁলোকক দাবী আমি কৰিব লাগিব, যাতে অগ্ৰাধিকাৰৰ ভিত্তিত এই কামখিনি কৰে। মাননীয় অধ্যক্ষ মহোদয়, আজি এটা অতি সুন্দৰ পৰিৱেশ আমি পালো আৰু সকলোৰে কথাখিনি শুনি ভাল লাগিল। কিন্তু মই এই কথাখিনি জনাম যে, ১৯৬৫ চনত যিখিনি মানুহ ইয়ালৈ অভূতপূৰ্বভাৱে বানপানীৰ নিচিনা আহিলে বা ১৯৭১ চনত যিখিনি মানুহ আহিল, এই মানুহখিনি অহাৰ পিছত অসমত সমস্যা বহুত গধুৰ হ'ল। আমাৰ ৰাতি-দিন থাকিব নোৱাৰা এটা অৱস্থালৈ আহি আছে। মই আপোনালোকক ক্ৰাইম ৰিপোৰ্ট দিব পাৰো। ২০১২ চনৰ ক্ৰাইম ৰিপোৰ্ট অনুসৰি ভাৰতবৰ্ষৰ ভিতৰত অসম প্ৰথম স্থানত আছে। এতিয়া যিবিলাক মানুহ আহিলে আৰু যিবিলাক মানুহক এই চুক্তি বিলাকে ৰখাইছে, তেওঁলোকক যদি এই সমাজত ভালকৈ থাকিব পৰাকৈ ঠিক কৰি লোৱা নহয়, তেতিয়াহ'লে অসমৰ এই সুন্দৰ সমাজ আপোনালোকে জীয়াই ৰাখিব নোৱাৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু আজানপীৰৰ অসমৰ এই, সুন্দৰ সমাজ আৰু নাথাকিব। আজান

পীৰৰ কথা এইফালে কিমান জানে মোৰটো সন্দেহ আছে। কোনোবাই quote কৰিব পাৰে 'হিন্দু কি মুছলমান সবে আল্লাৰ ফৰমান' বুলি সকলোকে এক কৰি তেখেতে যিটো গাইছে, সেইটো আমাৰ এইফালে কিমান জানে আৰু অন্য ঠাইৰ ইছলাম ধৰ্মীয়লম্বীৰ মানুহে কিমান জানে, মোৰ সন্দেহ আছে। সেই কাৰণে সেই সমাজখন পাবলৈ হ'লে সকলোৱে ত্যাগ কৰিব লাগিব আৰু সকলোৱে বহু কথা এৰিব লাগিব। আহোম স্বৰ্গদেউৰ সময়ত থকা তিনিঘৰ কোচ মানুহ, চাৰিঘৰ কলিতা মানুহ, দুঘৰ ব্ৰাহ্মণ মানুহ, কেইঘৰমান আহোম মানুহ, কেইঘৰমান মুছলমান মানুহ আজি সকলোৱে সমিল-মিলেৰে আছে। এতিয়া লাইন চিষ্টেমটোত ৩০ কিলোমিটাৰ এটা কমিউনিটিয়ে দি দিলে, এতিয়া সেইটো বহুওৰা সকলৰ ভূল। এনে ধৰণে এটা এটা অঞ্চলত Line System অনা হৈছে। আহোম স্বৰ্গদেউৰ সময়ত তিনিঘৰ কোঁচ মানুহ, চাৰি ঘৰ কলিতা মানুহ, দুঘৰ ব্ৰাহ্মণ মানুহ, কেইঘৰ মান আহোম মানুহ, কেইঘৰ মান মুছলমান মানুহ আদি সকলোৱে সমিলমিলেৰে আছিল। Line System অনুসৰি ৩০ কিঃমিঃকৈ এটা community ক দিয়া হয় আৰু এনে ধৰণৰ কাৰ্যৰ বাবে বৃহৎ সমিলমিলৰ সমাজ গঢ়াৰ assimilation ৰ প্ৰক্ৰিয়াটো অসমত সম্পূৰ্ণ হ'ব পৰা নাই। ই আধৰুৱা হৈ আছে আৰু এনে পৰিস্থিতিতে কাজিয়া-পেচালৰ সৃষ্টি কৰা হৈছে। কোনোৱে কৈছে ইয়াক ৰাজনীতিৰ ভিত্তিত কৰা হৈছে, কোনোৱে কৈছে ধৰ্মৰ ভিত্তিত কৰা হৈছে। সেয়েহে, অধ্যক্ষ মহোদয়, মই ভাৱো যে আমি সকলোৱে পৰস্পৰক দোষাৰোপ কৰাটো এৰিব লাগে আৰু এই সন্দৰ্ভত আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াইও সমাধান উলিওৱাৰ বাবে কৈ গৈছে। মই ভাৱো যে ইয়াৰ সমাধান নিশ্চয় ওলাব কিন্তু আমি এই ক্ষেত্ৰত ইজনে আনজনক প্ৰৰোচিত কৰিব নালাগিব। আমি সকলোৱে যত্ন কৰি ইয়াৰ সমাধান উলিয়াব লাগিব। তাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰেও এই ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। অসমীয়া ভাষা চিংফৌ, ম্যানমাৰলৈ আছে আৰু তাত ইয়াক নাগামিজ বুলি কয়। গতিকে, আমি যদি সকলোৱে ইয়াৰ লগত মিলি যাওঁ, তেন্তে আমাৰ এই সমস্যাবোৰ নাথাকিব। তেতিয়া ৰাজনৈতিক সংঘৰ্ষবোৰো কম হ'ব। অধ্যক্ষ মহোদয়, বৰ্তমান অসমত ইমানেই criminal activity বৃদ্ধি পাইছে যে তাক ৰোধ কৰিবলৈ হ'লে আমাক আৰু অধিক আৰক্ষী লাগিব। ১৯৬৫ বা ১৯৭১ চনত অসমত যিসকল লোক আহিছিল তেওঁলোকক আমি আহ্বান জনাই অসমলৈ অনা নাই। তেখেতসকলে নিজেই অসমলৈ আহিছিল আৰু সেই সময়ত আজিৰ নিচিনা পৰিস্থিতিৰো উদ্ভৱ হোৱা নাছিল। কিন্তু, আজিৰ দিনত বিদেশী অসমৰ সকলো ঠাইতে সোমাব ধৰিছে আৰু ই ক্ৰমান্বয়ে বাঢ়ি গৈছে। সেয়েহে, অসমখনক ভাল কৰিবলৈ হ'লে সকলোখিনি মানুহ ভাল হ'ব লাগিব। অসমত যাতে কোনো বিদেশী নাহে, কোনো বিদেশীয়ে যাতে বেয়া কাম কৰিব নোৱাৰে, কোনেও যাতে অসমীয়া মানুহক কোনো ক্ষেত্ৰতে দিগদাৰী কৰিব নোৱাৰে, এই সকলোখিনিৰ বাবে আমাৰ সকলোৱে দায়িত্ব আছে। এনে হ'লে মই ভাৱো, অসম পুনৰ ভাল অৱস্থালৈ আহিব। সেয়েহে, অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱত সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমাৰ হাতত কেইবাজনো বক্তাৰ নাম আছে। এ. আই. ইউ. ডি. এফৰ দুজনৰ সাত মিনিটকৈ সময়, কংগ্ৰেছ দলৰ তিনিজনৰ দুই মিনিটকৈ সময় আছে। বিজেপিৰো তিনিজন সদস্য আছে, কিন্তু তেওঁলোকৰ বাবেও বেছি সময় নাই কিয়নো মুখ্যমন্ত্ৰীৰ বাবে সময় ৰাখিব লাগিব। যদি সদনে বিচাৰে, তেন্তে সকলোকে অলপ অলপ সময় দি পাঁচৰ পৰা দহ মিনিটত শেষ কৰিব বিচাৰো। পাঁচ মিনিটত মই warning এটা দিম, দহ মিনিটত আপোনালোকে শেষ কৰিব। যিমান পাৰে চমু কৰিব।

এতিয়া মামুন ইমদাদুল হ'ক চৌধুৰী। তাৰ পিছত ৰফিকুল ইছলাম ডাঙৰীয়াই ক'ব।

**মামুন ইমদাদুল হ'ক চৌধুৰী (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক মই ধন্যবাদ জ্ঞাপন কৰিছো। অসম আন্দোলন মই চকুৰে দেখা নাই, কিন্তু এই বিষয়ত মই কিতাপ-পত্ৰৰ পৰাই জানিব পাৰিছো। অসমত এনেকুৱা এটা সময় আহি পৰিব বুলি মই ভৰা নাছিলো। মাজে মাজে সদনত বহি মোৰ ধাৰণা হয় যে আমি ৰাজ্যৰ বিধান সভাত বহি আছো নে কিবা ধৰ্ম সভাত বহি আছো। এনেধৰণৰ কথাবোৰ আমাৰ বেয়া লাগে। সেয়েহে মই মোৰ বেয়া লগা ভাৰটো প্ৰকাশ কৰিছো।

অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী এগৰাকীয়ে জমিয়ত-উলেমা, অসম চুক্তিৰ কথা কৈছে। মহামান্য ৰাজ্যপাল মহোদয়েও তেখেতৰ ভাষণৰ পৃষ্ঠা নং ৯ আৰু ১০ত অসম চুক্তিৰ কথা কৈছে। অসম চুক্তিৰ ওপৰত চৰকাৰী পক্ষই কোৱাটো দৰকাৰ কাৰণ তেওঁলোকে অসম চুক্তি আখৰে আখৰে পালন কৰিব লাগিব বুলি কৈছিল আৰু তাৰ কাৰণেই তেওঁলোকক ৰাইজে ভোট দিছিল। কিন্তু, আজি কিছু দিনৰ পৰা এনে এটা ধাৰণা হৈছে যে দুই-এজন মানুহৰ বাহিৰে অসম চুক্তিখন কোনেও বুজি পোৱা নাই। মাননীয় বিত্ত মন্ত্ৰীয়ে A to Z অসম চুক্তিখন বুজাই দিব বুলি মোৰ এটা ধাৰণা হৈছিল কাৰণেই অসম চুক্তিখন মই আজি লগত লৈ আহিছো। তেখেতে সকলোৰে নিজৰ নিজৰ অধিকাৰ থকাৰ কথা কৈছে আৰু অসম চুক্তিৰ ৫ নং দফাৰ উপদফা (ক), (খ), (গ) ৰ বিষয়ে কৈছে। মই ইয়াত কোনো ধৰণৰ controversial কথা নকৈ Clause 5 ৰ sub-clause 8 ৰ শাৰী এটা পঢ়ি দিব বিচাৰিছো- "যিসকল বিদেশী ১৯৭১ চনৰ ২৫ মাৰ্চ বা তাৰ পিছত অসমত সোমাইছে, সেইসকলক চিনাক্ত কৰা হ'ব, নিৰ্বাচনী তালিকাৰ পৰা নাম কৰ্তন কৰা হওঁক আৰু আইন অনুযায়ী অসমৰ পৰা বাহিৰ কৰা হ'ব। এনে লোকসকলক বাহিৰ কৰাৰ বাবে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হ'ব"। মাননীয় মন্ত্ৰী মহোদয়ে কোৱা মতে অসম চুক্তিখন কোনেও বুজি পোৱা নাই। স্বাক্ষৰকাৰী প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, বীৰাজ কুমাৰ শৰ্মা, Home Secretary R.D. Pradhan, then Chief Secretary P.P. Trivedi, AASU, অসমৰ জনসাধাৰণ কোনেও বুজি পোৱা নাই। গতিকে, ৫ নং দফাৰ উপদফা (ক), (খ), (গ)ৰ বিষয়ে তেখেতে কথাবোৰ ঠিকেই কৈছে যে ১৯৬৬ ৰ পৰা ১৯৭১ ৰ মানুহৰ নাম ১০ বছৰ পিছত কৰ্তন কৰা হ'ব বুলি লিখা আছে, যি বিষয়ে আমিও জানো। কিন্তু Clause 5 ৰ sub-clause 8 ত যিখিনি কথা আছে সেইখিনি স্পষ্টভাৱে লিখা আছে, কিন্তু তাৰ বিপৰীতে আমাক বুজোৱা হৈছে যে অসম চুক্তিৰ বিষয়ে তেখেতৰ বাহিৰে আন কোনোৱে বুজি পোৱা নাই, একমাত্ৰ তেখেতেহে বুজি পাইছে।

অধ্যক্ষ মহোদয়, জমিয়ত সন্দৰ্ভত এটা কথা মনত কৰি দিছো যে ১৯২৯ চনত তেতিয়াৰ কংগ্ৰেছ চৰকাৰে ভাৰতবৰ্ষক ব্ৰিটিছৰ পৰা স্বাধীন কৰাৰ বাবে পূৰ্ণ স্বায়ত্ত শাসনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু তাৰ ১০ বছৰ আগত, জমিয়ত-উলেমাই ১৯১৯ চনতে ব্ৰিটিছক ভাৰতৰ পৰা খেদিবৰ কাৰণে পূৰ্ণ স্বায়ত্ত শাসনৰ প্ৰস্তাৱ লৈছিল। আনহাতে, বৰ্তমান শাসনাধিস্থ দলৰ যি mother organisation, সেই organisation ৰ Head-Quarter ত দেশ স্বাধীন হোৱাৰ ৫৩ বছৰলৈকে আমাৰ জাতীয় পতাকা উৰুৱা নাছিল। সেয়েহে, অধ্যক্ষ মহোদয়, কথাবোৰ কওঁতে এজন মন্ত্ৰী হিচাপে তেখেতে সকলোকে লৈ কোৱাটো ভাল। কাৰণ মাননীয় প্ৰধান মন্ত্ৰীয়েও কয়- 'সবকা সাথ, সবকা বিকাশ'।

অধ্যক্ষ মহোদয়, Citizenship (Amendment) Act ৰ ক্ষেত্ৰত মই স্পষ্টভাৱে

কৈছো যে ই অসম চুক্তিৰ উলংঘা কৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈ গৈছে যে অসম চুক্তি সম্পৰ্কে কংগ্ৰেছে amendment অনা নাই। মই এ.আই. ইউ. ডি.এফ. দলৰ তৰফৰ পৰা দাবী কৰিছো যে ই অসম চুক্তি উলংঘা কৰিছে আৰু তাৰ বাবে আমাৰ দলে কোৰ্টত কেচ দাখিল কৰিছে, যাৰ সকলো ৰেকৰ্ড মোৰ হাতত আছে। মাননীয় মন্ত্ৰী মহোদয় যে এগৰাকী Skilled Orator, সেইটো মানিব লাগিব। কাৰণ ভাৰতবৰ্ষৰ সংবিধান সম্পৰ্কে তেখেতে বিভিন্ন কাহিনী কৈছে। পৃথিৱীখন সূৰ্য্যৰ চাৰিওফালে ঘূৰে, এইটো Universal truth। কিন্তু, সূৰ্য্য পৃথিৱীৰ চাৰিওফালে ঘূৰে বুলি ওলোটাকৈ তেখেতে যিহেতু ১২৬ জন বিধায়কক বুজাই গ'ল, গতিকে, তেওঁ নিশ্চিত ভাৱে এজন Skilled Orator হ'বই লাগিব। এই Act খনে স্পষ্টভাৱে ভাৰতীয় সংবিধানৰ Article 14, 15, 26, 7, 51 ৰ লগতে আৰু বহুতো Article উলংঘা কৰিছে। তাৰ পিছত, ভাৰতবৰ্ষৰ পাঁচ খনকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এই Act মানি নোলোৱাৰ কথা কৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ ভিতৰত ছিকিম এখন সৰু ৰাজ্য য'ত মাত্ৰ এজন সাংসদ আছে। তেখেতে এই Act খন ছিকিমত প্ৰণয়ন হ'ব নিদিয়ে বুলি অতি সাহসেৰে বিৰোধিতা কৰিছে। এই Act খন এনেও ছিকিমত প্ৰণয়ন নহয় কিয়নো ই 6th Scheduled Area। তথাপিও তেখেতে বিৰোধিতা কৰিছে লগতে ছিকিমৰ মুখ্যমন্ত্ৰীয়েও এই Act ৰ বিৰোধিতা কৰিছে। North East ৰ ৮ খন State আছে। চিকিম এখন সৰু State Sir, আমাৰ এখন জিলাৰ সমান। মাত্ৰ এজন M.P. ইমান সাহসীভাৱে তেওঁ বিৰোধ কৰিছে যে মই এইখন Act ইয়াত Implement হ'ব নিদিওঁ আৰু এনেও চিকিমত Act Implement নহয়, কাৰণ Hill Area, Six Seheduled Area. তাত Implement নহয়, তথাপিতো তেওঁলোকে বিৰোধ কৰিছে। চিকিমৰ Chief Minister য়ে বিৰোধ কৰিছে। যোৱাকালি মেঘালয়ৰ Chief Minister য়েও আমাৰ অসমৰ হে কথা কৈছে। Entire North East ৰ Chief Minister য়ে বিৰোধ কৰিছে। মণিপুৰত ILP(Iner Line Permit) নাছিল। মণিপুৰৰ Chief Minister য়ে কৈছে যে আমাৰ Iner Line Permit দি হলেও আমাক CAB ৰ পৰা বাহিৰত ৰাখিব লাগিব। কিন্তু আমাৰ Chief Minister য়ে মাত মতা নাই। আমাৰ Chief Minister যে অসম আন্দোলন কৰি আহি আজি এইখিনি পাইছে। আজি কিছুদিন আগলৈকে তেখেতক মানুহে সচাঁকৈ জাতীয় নায়ক বুলি কৈছিল, আমিও তেখেতক অন্তৰৰ পৰা শ্ৰদ্ধা কৰো। চাৰ, তেখেতে Stand দিব পৰা নাই। ইয়াত চাৰ, মই দীঘলীয়া নকৰি মাথো কেইটামান National আৰু International ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ এটা দুটা শব্দ কৈ যাম। ইতিমধ্যে চিকিমৰ কথাটো কলো। কেৰেলাৰ Chief Minister Vijayan য়ে কৈছে- “India CAB' is unconstitutional' and will not be implemented in Kerela."যোৱা ডিচেম্বৰ মাহৰ ১২ তাৰিখে কৈছে। "National Herald" য়ে কৈছে -"CAB is Second partition of India, People must resist" যোৱা ১২ ডিচেম্বৰ ২০১৯, Raj Thackeray কৈছে যে- " States Migrants from Pakistan, Bangladesh, Afganistan should be thrown out" এইটো ২১ ডিচেম্বৰত। ইয়াত তেখেতে গৃহ মন্ত্ৰীক এটা insult ৰ সুৰত ধন্যবাদ দিছে, Line টো মই পঢ়ি দিছো-" I want to congratulate Union Home Minister Amit Shah for playing this game. With this one move, C(A)A, Citizenship Amendment Act, all attention has been diverted from the economic crisis gripping the Country, Thackeray said-কাৰণটো হৈছে

সকলো মানুহকে ইয়াত ব্যস্ত ৰাখিছে। "Citizenship Amendment Act neither redresses' Errors' of partition nor does it address religious persecution it attacks secularism" এইটো 'Indian Express' ত ২৭ডিচেম্বৰত কৈছে। এইবিলাক কোনেও বুজি পোৱা নাই। 'Indian Express' য়েও বুজি পোৱা নাই। National ত Herald য়েও বুজি পোৱা নাই। কেৱল মাত্ৰ অসমৰ বিত্ত মন্ত্ৰীয়ে বুজি পাইছে আৰু ভাৰতবৰ্ষৰ ১০০ গৰাকী Scientist, over 1000 social scientist, Scholar য়ে Signed petition to CAB Citizenship Bill এই ডিচেম্বৰৰ ১০ তাৰিখে দিছে এইটো ৯ ডিচেম্বৰত লোকসভাত CAB pass হোৱাৰ পিছৰ ঘটনা। পাঞ্জাৱৰ Chief Minister য়েও বিৰোধ কৰিছে আৰু চাৰ, International দুই বা তিনিটা উদাহৰণ দিব লৈছো। ইয়াত Deccan Chronicle য়ে ১০ ডিচেম্বৰত কৈছে- " A Federal US Commission on International religous freedom has claimed that the Citizenship Amendment Bill যিটো এতিয়া Act হৈ গ'ল Was a "dangerous turn in wrong direction" and sought American Sanction against Home Minister Amit Shah if the Bill was passed by both houses of parliament. তাৰ পিছত 'New York Times' য়ে ১২ ডিচেম্বৰত কৈছে-"The New York Times has carried an Article with the head line, 'Indian Parliament passes Divisive Citizenship Bill" চাৰ, New York Times ও বুজি পোৱা নাই। তাৰ পিছত sir, The Washington post য়েও কৈছে- " Law-makers in India on Wednesday passed a fundamental change to its citizenship law to include religion as a criterion for nationality for the first time, deepening concerns that a country founded on secular ideals is becoming a Hindu State that treats Muslims as Second-class Citizens" ইয়াৰ পাছত US ৰ House ৰ The House of Foreign Affairs Committee য়ে কৈছে- " Religious test for Citizenship" এই Act খনৰ ওপৰত কৈছে। শেষত মই আৰু এটা কথা ক'ব বিচাৰিছো। ইয়াত আমি ১২৬ জন বিধায়ক আছো। ৩কোটি ৩০ লাখ জনসাধাৰণৰ আমি প্ৰতিনিধিত্ব কৰো। প্ৰত্যেক জন মানুহৰে নিজৰ নিজৰ দল, সংগঠণ কৰাৰ অধিকাৰ আছে। আমাৰ ইয়াত অসমত যে আন্দোলন হৈছে, যিসকলে আন্দোলনৰ নামত হিংসাত্মক কাম কৰিছে তাক আমি গৰিহণা দিওঁ। তাত Action লৈছে, Law আছে, Order আছে আৰু তেওঁলোকৰ, বিভাগ আছে আৰু 'ANI News' ৰ standerd টো আমি সকলোৰে ভালকৈ জানো কিমান উচ্চ পৰ্য্যয়িৰ news তেওঁলোকে কৰে। ANI আজি ৰাতিপুৱা ৬ঃ৪৫ ত কৈছে। দীলিপ ঘোষ শাসনাধিস্থ বিজেপি দলৰ পশ্চিমবঙ্গৰ প্ৰদেশ সমিতিৰ সভাপতি তেওঁৰ এটা Statement তেওঁলোকে উলিয়াইছে। কালি তেখেতে এখন মিটিংঙত গৈছে মই নিজেও এই video টো চাইছো। তেখেতে কৈছে -" Our Government in UP, Assam and Karnataka has shot these people like dogs." আমি আন্দোলন কৰা মানুহবোৰ ঘোষৰ ভাষাত কুকুৰ হৈ গলো আৰু চৰকাৰী পক্ষৰ পৰা এটা comment দিয়াও নহল Same party, তাত তেওঁলোকে ruling ত নাই। ইয়াত তেওঁলোকে ruling ত আছে। গতিকে চাৰ, এইবিলাক দুখলগা কথা। চৰকাৰ আহিব, চৰকাৰ যাব, আজি যিজন মন্ত্ৰী আছে সেইজন কাইলৈ নাথাকিব

পাৰে। সেইকাৰণে এইবোৰ কথাই আমাৰ মনত আঘাত দিয়ে। আমাৰ ভৱিষ্যৎ প্ৰজন্মক আমি কোনফালে লৈ গৈ আছো, কি শিকাইছো। গতিকে চাৰ, ৰাজ্যপালৰ ভাষণ চৰকাৰৰ প্ৰতিফলন। আমাৰ দৃষ্টিত এয়া সঠিক প্ৰতিফলন নহয়। গতিকে আমি AIUDF বিধায়িনী দলে ইয়াৰ বিৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বিমল বৰা।

**শ্ৰী বিমল বৰা ( টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিশেষ বিধান সভা অধিবেশন। এই অধিবেশনত মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ যি ভাষণ আগবঢ়ালে, সেই ভাষণক কৃতজ্ঞতা জ্ঞাপন কৰি দুআষাৰ ক'ব বিচাৰিছো। যোৱা চাৰে তিনিটা বছৰ আমাৰ চৰকাৰখনে অসমৰ সমাজ জীৱনৰ আশা-আকাংক্ষাখিনিক আগুৱাই লৈ যাবৰ কাৰণে বিগত দিনবিলাকত যেনেধৰণে আমাৰ ৰাজ্যখনত কাম কাজ কৰিছিল তাৰ ফলশ্ৰুতিত অসমৰ সকলো শ্ৰেণীৰ লোক বিভিন্ন ক্ষেত্ৰত উপকৃত হৈছে, চৰকাৰী আচঁনি সমূহৰ জৰিয়তে। আমাৰ সমাজত বসবাস কৰা গৰ্ভৱস্থাৰ মহিলাৰ পৰা আদি কৰি ছাত্ৰ-ছাত্ৰী, বৃদ্ধ-বৃদ্ধালৈকে এই চৰকাৰৰ আঁচনিয়ে অতি আন্তৰিকতাৰে স্পৰ্শ কৰিবৰ কাৰণে চেষ্টা কৰিছে। আমাৰ আজি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বিভিন্ন জন সন্মানীয় বিধায়কে বক্তব্য ৰাখিছে আৰু সেই বক্তব্যৰ জৰিয়তে তেখেত সকলৰ মনৰ ভাৱ প্ৰকাশ কৰিছে। আজি ৰাজ্যপাল মহোদয়ে যেতিয়া ভাষণ আৰম্ভ কৰিছিল তেতিয়া বিৰোধীয়ে তেখেতৰ ভাষণ আগুৱাই নিয়াত সুযোগ নিদিলে। আজি তেখেতে ভাষণ আৰম্ভ কৰাৰ পিছতে আমাৰ চৰকাৰখনে কৰা এটা অতি গুৰুত্বপূৰ্ণ কথা তেখেতে উপস্থাপন কৰিছিল। ইয়াত তেখেতে কৈছিল Act East Policy ৰ পৰিক্ৰমাৰ বিষয়ে। আগতে আছিল Look East Policy. কিন্তু মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিচতেই এই Act East Policy ৰ দ্বাৰা আমি সমাজখনক কেনেকৈ আগুৱাই লৈ যাব পাৰো সেই Act East Policy ৰ কাম আৰম্ভ কৰিলে।

নিশ্চিতভাৱে, দক্ষিণপূৱ এছিয়াৰ বাণিজ্যিক কেন্দ্ৰ হিচাপে আগন্তুক দিনত আমি উত্তৰ পূৰ্বাঞ্চলক গঢ় দিব পাৰো। কাৰণ ইয়াত প্ৰচুৰ সম্পদ আৰু সম্ভাৱনা ‑ আছে। যি সম্পদ আৰু সম্ভাৱনাই আৰু আগন্তুক দিনত আমি অৰ্থনৈতিকভাৱে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক আগুৱাই লৈ যাব পাৰো। তাৰ কাৰণে আজি অসম চুক্তি ৰূপায়ণ সম্পৰ্কত বিভিন্ন বক্তব্য আগবঢ়াইছে। মই clause 5, Clause 6 ৰ কথা ক'বলৈ নাযাও। কিন্তু Clause 7 ত আছিল যে অসমৰ অৰ্থনৈতিক উন্নয়ণৰ কাৰণে অসম চুক্তিত সেই সময়ত চুক্তিবদ্ধ হৈছিল যাতে অৰ্থনৈতিক পৰিকাঠামো আমি শক্তিশালী ৰূপত আগুৱাই লৈ যাব পাৰো।

মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি হোৱা আজি ৩৩ বছৰ হ'ল। ইয়াত বিভিন্ন জনে তেখেত সকলৰ মত প্ৰকাশ কৰিছে। কিন্তু বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ উদ্দেশ্য আগত লৈ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে যোৱা তিনি বছৰত সমগ্ৰ বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'বৰ কাৰণে আমি সক্ষম হৈছিলো। Advantage Assam, পোন প্ৰথমবাৰৰ কাৰণে আমি অসমত অনুষ্ঠিত কৰিলো। য'ত দেশ-বিদেশৰ বহুত বিনিয়োগকাৰী আহি ইয়াত অংশগ্ৰহণ কৰিলে। যাৰ ফলশ্ৰুতিত আমি ভাৰত চৰকাৰৰ ফালৰ পৰা গেছ আৰু পেট্ৰলিয়াম Sector ত ৪২ হাজাৰ কোটিতকৈও অধিক টকা লাভ কৰিবলৈ সক্ষম হৈছিলো। আজি নুমলীগড় ৰিফাইনেৰী আৰু অসম চুক্তিৰ এটা ফচল। যাৰ তিনি মিলিয়ন মেট্ৰিকটন শোধন ক্ষমতা ৯ মিলিয়ন মেট্ৰিকটনলৈ উন্নীত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰায় ২২,৫৯৪কোটি টকা আমাক আগবঢ়াইছে। ঠিক তেনেকৈ ইন্দ্ৰধনুষ গেচ গ্ৰীড লিমিটেডৰ, নৰ্থ ইষ্ট গেচ গ্ৰীড যাৰ জৰিয়তে আমি পাইপ লাইন স্থাপন কৰি আমাৰ সমগ্ৰ

উত্তৰ-পূৰ্বাঞ্চলৰ গেচৰ যি চাহিদা তাক পূৰণ কৰিব পাৰে আৰু যাৰ জৰিয়তে আগন্তুক দিনত আমাৰ অৰ্থনৈতিক ভেটী আৰু শক্তিশালী কৰিব পাৰো তাৰ সম্ভাৱনা আমাৰ মাজলৈ কঢ়িয়াই আনিছে। তাৰ লগে লগে আমাৰ যি Advantage Assam হৈছিল, তাৰ জৰিয়তে বিভিন্ন বিভাগত ইতিমধ্যে বহু হাজাৰ কোটি টকা পাইছো। হস্তত‌াঁত বস্ত্ৰশিল্প, শক্তি বিভাগত ৫০০ কোটি টকা, গ্ৰাউণ্ড ডেভেলপমেণ্টৰ কাৰণে ৩৭৫ কোটি টকা, IT Sector ত ৬৬ কোটি টকা, Health & Family Wealfare ত টাটাৰ নিচিনা প্ৰতিষ্ঠানে Cancer Institute আমাৰ অসমত প্ৰতিষ্ঠা কৰিব। সুদীৰ্ঘ দিনৰ অন্তত এনেধৰণে যোৱা দিনবোৰত সামগ্ৰিকভাৱে আমাৰ অসমত বিকাশ তথা বৈপ্লৱিক পৰিৱৰ্ত্তন সাধনৰ কাৰণে এটা পদক্ষেপ গ্ৰহণ কৰা হৈছে, এই উন্নয়নমুখী গতিধাৰাক আগুৱাই লৈ যাবৰ বাবে। কিন্তু আমি দেখিবলৈ পালো যে এই উন্নয়নমুখী গতি ধাৰাক স্তব্ধ কৰিবলৈ বিভিন্ন দল-সংগঠনে অহৰহ চেষ্টা চলাই আছে আৰু এনে কিছু ভ্ৰান্ত ধাৰণাৰে আজিৰ তাৰিখত অসমৰ যিটো জ্বলন্ত সমস্যা, এই সম্যাটোক লৈ অসমৰ ৰাইজক বিভ্ৰান্ত কৰিবৰ কাৰণে অপচেষ্টা বহু দিনৰ পৰা চলিল। নাগৰিকত্ব সংশোধনী আইনৰ সম্পৰ্কত অসমৰ ৰাইজক এটা ভ্ৰান্ত ধাৰণা দি সকলোকে আগন্তুক ভৱিষ্যত দিনত আমাক সন্দিহান কৰি তুলিবলৈ এটা প্ৰশ্ন উংখাপন কৰিলে যে আইনখন সংশোধন হোৱাৰ লগে লগে যেন বাংলাদেশৰ বোৰ্ডাৰৰ পৰা প্ৰায় ২.৫০ কোটি মানুহ অসমলৈ সোমাই আহিব। এনেধৰণে এট ধাৰণা যোৱা ২/৩ বছৰে দিয়াৰ ফলত আমি যোৱা দিনকেইটাত আজিৰ পৰা প্ৰায় ১ মাহ আগত ১১ তাৰিখৰ পৰা ১৪ তাৰিখলৈ এই যি ৫-৬টা দিনত অসমত যেনেধৰণৰ বাতাবৰণৰ সৃষ্টি হ'ল, মই ভাৱো অসমৰ বিগত দিনৰ যি দুৰ্নাম সেই দুৰ্নাম এটা ভাল পৰিৱেশলৈ গৈছিল, কিন্তু এতিয়া সেয়া বহু পিছুৱাই গ'ল। কাৰণ যেতিয়া Advantage Assam হৈছিল তেতিয়া আমাৰ চৰকাৰৰ উদ্যোগত বিভিন্ন ঠাইত বহুতো Road Show হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু উদ্যোগমন্ত্ৰী ডাঙৰীয়াৰ লগত মোৰ এটা Road Show ত থকাৰ সৌভাগ্যও হৈছিল। সেইটো হয়তো মুম্বাই বা কলকাতাত হৈছিল। তাত Godrej Company ৰ MD আছিল, Zee TV ৰ Chief Editor সুভাষ চন্দ্ৰ ডাঙৰীয়া আৰু আম্বানি গ্ৰুপৰ মুকেশ আম্বানি ডাঙৰীয়াও আছিল। তাত আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই অসমৰ আগন্তুক দিনত উদ্যোগ আৰু বাণিজ্যৰ জগতখনৰ সম্পৰ্কত সুন্দৰভাৱে উপস্থাপন কৰিলে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্তব্য ৰাখিছিল। আমাৰ অতিৰিক্ত মুখ্য সচিব ৰবি হুদা ডাঙৰীয়াও আছিল। তেখেতেও কৈছিল যে আমি যি ব্যৱসায় কৰিম Single Window ত হ'ব। অসমৰ বৰ্তমান Low & Order Situation ভাল হৈ আছে। আমাৰ বিজুলী ব্যৱস্থা ও ভালে আছে। এনেধৰণে সকলোকে আকৃষ্ট কৰিবৰ বাবে যেতিয়া আহ্বান জনালে, তেতিয়া এজন মানুহ উঠিলে আৰু ক'লে যে আপোনালোকে ইমান ধুনীয়াকৈ অসমৰ ওপৰত বক্তব্য ৰাখিছে। কিন্তু আজিৰ পৰা তিনি দিন আগতে মই এখন বাতৰিকাকতত এটা বাতৰি পঢ়িছিলো। আপোনালোকে কৈছে তাত Extortion নাই, উগ্ৰপন্থীৰ সমস্যাসমূহ শেষ হৈ গৈছে। কিন্তু মই বাতৰিত দেখিছো যে উজনি অসমৰ ডুমডুমা জিলাৰ এখন বাগিচাত এতিয়াও আলফাই ২ লাখ টকা দাবী কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, পিছত আমি গম পালো যে কোনোবা এজন দুষ্ট প্ৰকৃতিৰ লোকে ২০/৩০ টকা দি ডি টি পি চেণ্টাৰত আলফাৰ নামত এটা পেড ছপালে। তাত এখন বাগিচাত টকা দাবী কৰিলে। বাগিচাৰ মুখ্য কাৰ্য্যালয় কলিকতাত আছিল। কলিকতাৰ লগত যেতিয়া যোগাযোগ কৰিলে, তেতিয়া তেওঁলোকে পুলিচ আউট পোষ্টত ৰিপোৰ্ট কৰিবলৈ ক'লে। পুলিচ আউট পোষ্টত যেতিয়া ৰিপোৰ্ট কৰিলে তেওঁলোকে Information Copy এটা ৰেকৰ্ড কৰি টেবুলৰ ওপৰত থৈ দিলে। গধূলি সময়ত

যেতিয়া স্থানীয় সাংবাদিকে খবৰ ল'বলৈ আউট পোষ্ট সমূহত যায়, তাত তেওঁলোকে দেখিলে যে এইখন আলাফাৰ পেড আৰু তেওঁলোকে মোবাইলত ফটো লৈ WhatsApp লৈ পঠিয়াই দিলে আৰু নিউজ আকাৰে প্ৰচাৰ হ'ল। সেই নিউজটো National Media ত প্ৰচাৰ হৈ গ'ল। য'ত অসম চৰকাৰৰ মাননীয় মুখ্য মন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলো বিষয়া কৰ্মচাৰী গৈ আগন্তুক দিনত অসমৰ ব্যৱসায়-বাণিজ্য ক্ষেত্ৰখনক আগুৱাই নিবৰ বাবে মহৎ প্ৰচেষ্টা লৈছিল। য'ত ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ কোম্পানীসমূহ আছিল। তাত এনেকুৱা এটা প্ৰসংগ উৎথাপন হ'ল। সেইটোক লৈ বু-বু-বা-বা এটা চলিল। এইটো হয় যে গণতন্ত্ৰত গণতান্ত্ৰিক আন্দোলন লাগিব আৰু গণতন্ত্ৰত বিভিন্ন ভাষাৰ জৰিয়তে আমি আমাৰ কথাবোৰ ক'ব পাৰো। কিন্তু আগন্তুক দিনত আমি অসমখনক কি ধৰণে আগুৱাই লৈ যাম? কাৰণ Advantage Assam ৰ জৰিয়তে এতিয়ালৈকে মই উদ্যোগ বিভাগৰ লগত কথা পাতোতে গম পাইছো প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰায় ৯৪ হাজাৰ নিযুক্তি পাবৰ বাবে আমাৰ যুৱক-যুৱতীসকল সক্ষম হৈছে। তাত এজন ব্যক্তিয়ে MOU কৰিছিল অসম চৰকাৰৰ লগত। তেওঁ সুধিলে যে মই ৩৫ তলীয়া বিল্ডিং বনাম বুলি যিটো MOU কৰিছিলো অসম চৰকাৰৰ লগত, কিন্তু এতিয়া মোৰ এই বিল্ডিঙত বাহিৰৰ পৰা কোনোবা মানুহ আহি অফিচ বনাবলৈ ভাড়া ল'ব জানো? তেওঁ অতি চিন্তিত হৈ পৰিছে। এনেধৰণৰ প্ৰশ্নসমূহৰ অৱতাৰণা হৈছে। অসম চুক্তি ৰূপায়ন হোৱাৰ পিছত আগন্তুক দিনত জাতি-ভেটি-মাটি থাকিব। কাৰণ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ অস্তিত্ব বিপন্ন হোৱাৰ অনুভৱ কৰিয়েই ৬ বছৰ আন্দোলন হ'ল, ৮৫৫জন শ্বহীদ হ'ল। আজি কোনোবা এজনে সদনত কৈছে অসম আন্দোলন ধৰ্ম সভাৰ নিচিনা হৈছে। কিন্তু তেওঁলোকৰ জন্মই হৈছিল ধৰ্মৰ ভিত্তিত। কাৰণ IMDT আইনখন যেতিয়া বাতিল হৈছিল, তাৰ পিছত ধৰ্ম সভা বুলি উৎথাপন কৰা সেইদলৰ সন্মানীয় বিধায়কৰ দলটো IMDT বাতিলৰ পিছত জন্ম হৈছে। গতিকে তেনেধৰণৰ কথা নক'ব। কাৰণ অসমৰ অস্তিত্বৰ প্ৰশ্নত অসম চুক্তি হৈছিল। সেই চুক্তি স্বাক্ষৰ হোৱাৰ পিছত পোন-প্ৰথমবাৰৰ বাবে আখৰ লিখা হৈছে Clause-VI ত। আজি বিৰোধী দলত থকাসকলে ২০ বছৰ চৰকাৰ চলাইছিল আৰু তেওঁলোকে চুক্তিত স্বাক্ষৰো কৰিছিল। কেন্দ্ৰত চৰকাৰ আছিল। কিন্তু পোন-প্ৰথমবাৰৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ অধ্যক্ষতাত কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰিলে যে আগন্তুক দিনত অসমৰ সাংবিধানিক সুৰক্ষা, ভাষিক সুৰক্ষা, সাংস্কৃতিক সুৰক্ষা কেনেধৰণে আমি ৰক্ষা কৰিম, তাৰ সম্পূৰ্ণ দায়িত্ব আৰু কৰ্তৃত্ব প্ৰদান কৰিছে অসম সন্তানৰ ওপৰত। মই ভাৱো আগন্তুক দিনত ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁট চৰকাৰে জাতি-মাটি-ভেঁটি ৰক্ষা কৰিবৰ বাবে অসমৰ জনসাধাৰণক যেনেধৰণে কথা দি এই বিধান সভালৈ আহিছে, খুব কম সময়ৰ ভিতৰত সেই কথা ৰাখিবৰ বাবে বদ্ধপৰিকৰ। মই অসমৰ জনসাধাৰণক এই বিধান সভাৰ মজিয়াৰ পৰাই জনাব বিচাৰিছো কাৰণ যোৱা দিনবোৰত জিলা পৰ্য্যায়ৰ এটা সংগঠনৰ নেতাই মোলৈ ফোন কৰিছিল যে দাদা ক'ত আছে? মই কলো যে মই গুৱাহাটীত আছো। দাদা আজি আমাৰ Gazing খনলৈ ৩ হাজাৰ হিন্দু বাংলাদেশী আনিব, কথাটো হয় নেকি? কাৰণ আমাক গোটেই ৰাতি পাঞ্জাৰ ব'ডিত বিমল বড়াই আমাক ৩ হাজাৰ হিন্দু বাংলাদেশী আনিব বুলি মেছেজ দিছে আৰু গোটেই ৰাতি সাৰ পাই থাকিবলৈ কৈছে। মই ক'লো যে এতিয়া ৰাতি ৯ টা বাজিছে, এতিয়া শুই থাকা। কাইলৈ ৰাতিপুৱা Gazingত কিমান মানুহ আহিছে, সেইটো চাই মোক ফোন কৰিবা। ৰাতিপুৱা যেতিয়া ফোন কৰিছো, তেতিয়া ক'লে যে চাৰ, তাত গৰুৱে ঘাঁহ খাই আছে। চাহ বাগিচাবিলাকৰ চৰ্দাৰ-কৰ্মীসকলক মই সিদিনাখন ঘৰত মাতিলো। তেওঁলোকৰ লগত ভাৱ-বিনিময় কৰিলো। তেখেতসকলক কোৱা হৈছিল যে আপোনালোকৰ

Ceilling Surplus মাটিবিলাকত ৫০০-৫০০ হিন্দু বাংলাদেশী বহাব আৰু সেইকাৰণে ইতিমধ্যে অলপ দিনৰ আগত জৰীপ কৰিছিল। যেতিয়া তেওঁলোকৰ লগত কথা-বতৰা পাতিলো আৰু তেওঁলোকে তেতিয়া ক'লে যে চাৰ, হিন্দু-বাংলাদেশী এটা পিছলা ভূতৰ নিচিনা লাগিছে। মই তেতিয়া সুধিলো যে কি পিছলা ভূত। তেওঁলোকে ক'লে যে দুই বছৰ আগতে পিচল মানুহ বুলি এটা বস্তু ওলাইছিল। আমি তেতিয়া গোটেই ৰাতি শুব নোৱাৰো। সাৰ পাই থকো। তাৰ পিছতো পিছল মানুহ দুই বছৰলৈকে নাহিল। গতিকে হিন্দু বাংলাদেশীও পিছলৈ ভুত। চাহ বাগিচাৰ থলুৱা খাটি খোৱা মানুহবিলাকে আমাক কৈছে। কাৰণ তেওঁলোকেও জানে, আমিও জানো আৰু বিধান সভাৰ মজিয়াত থকা সকলোৱো জানে যে ইয়াত নতুন কোনো হিন্দু বাংলাদেশী আহিবলগীয়া নাই। কিন্তু তেনেধৰণৰ কথাৰে বিভ্ৰান্ত কৰিছে। গতিকে মই আশা ৰাখিছো যে আগন্তুক দিনত আমাৰ এই চৰকাৰে যেনেধৰণে উন্নয়নৰ দিশেৰে আগুৱাই লৈ গৈছে ঠিক তেনেধৰণে আমাৰ অসমখনৰ আগন্তুক ভৱিষ্যত প্ৰজন্মক আমি নতুন দিগন্তৰ দিশেৰে আগুৱাই লৈ যাব লাগিব। এইখিনি ক'বলৈ দিয়াৰ কাৰণে মই অধ্যক্ষ মহোদয়ক পুনৰবাৰ ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** মই সকলোকে কৈছো আপোনালোকে ৫ ৰ পৰা ১০ মিনিট লব। এতিয়া শ্ৰীৰকিবুল হুছেইন

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বিহুৰ উৰুকাৰ দিনা নন্দিতা দাস বিধায়িকাই কৈছে যে আপোনাৰ ভাষণ শুনিব নোৱাৰো। আজি পিঠা বনোৱা এটা পৰম্পৰা আছে। আজিৰ দিনটোত নিদিলে ভাল আছিল। দিছে দিছে ৰাতি ১০ টা বাজি গৈছে।

**মাননীয় অধ্যক্ষ ঃ-** ১২ টা বজালৈকে যাব পাৰিব বুলি কোনোৱা এজনে কৈছে, কৈযে আছে মই কৈছো যে অলপ সোনকাল কৰিলে ভাল।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** আজি যিটো ধন্যবাদসূচক প্ৰস্তাৱ ৰাজ্যপালৰ ভাষণৰ ওপৰত দিছে তাৰ বিৰোধিতা কৰি একেবাৰে সংক্ষেপে দুটামান উত্তৰহে দিব বিচাৰিছো। কাৰণ ইতিমধ্যে বক্তাসকলে কৈছে আৰু যিহেতু সময় নাই বুলি কৈছে। আজি বিধান সভা আছে, ৰাতিপুৱা কাকতখন মেলিছো। ভাবিছো যে আজি কিনো বাতৰি আহে, যিটো বাতৰি আছে তাৰ ওপৰত। যদি সুবিধা পাওঁ কম। আমাৰ ভোগালীৰ বতৰত জুই জ্বলিছে বজাৰত, কংগ্ৰেছৰ দিনতকৈও ভয়াবহ মুল্য বৃদ্ধি১০-১৫ টকাকৈ বৃদ্ধি প্ৰতিলিটাৰ মিঠাতেলৰ দাম, ৰহৰ, মগু দাইলৰ মূল্য বৃদ্ধি হৈছে১১০ টকাকৈ, আটা, মাটিৰ দাইল মটৰ, পাপৰকে ধৰি অন্যান্য খাদ্য সামগ্ৰীৰ হুৰ হুৰকে বাঢ়িছে দাম। এই কথা বিলাক আজি ভাষণত স্থান পাব বুলি মই ভাবিছিলো। কিন্তু এনেধৰণৰ কথা বতৰাই স্থান নাপায়, বেলেগ ধৰণৰ কথা বতৰাই ইয়াত উৎথাপিত হ'ল। এজন বক্তাই ইমান চিঞৰি চিঞৰি কৈছে যে মই বাহিৰত আছিলো দৌৰি আহিবলগীয়া হ'ল। তেওঁৰ দুটামান কথাৰ উত্তৰ নিদিলে মই ভাবো যে সত্য কথাটো ইয়াত উপস্থাপন কৰা নহ'ব। নিৰ্দিষ্ট দুই এটা কথা ক'ব বিচাৰোতেই হঠাৎ মনত পৰিল পৃথিৱীৰ সকলোতকৈ স্বেচ্চাচাৰী শাসক হিটলাৰক। হিটলাৰে যেতিয়া প্ৰথম নাজিবাহিনী গঠন কৰিছিল, সেই সময়ত জাৰ্মানলোক সকলক এটা আশা দিছিল যে ইহুদী সকলে গোটেই দেশখন শেষ কৰি পেলালে, আপোনালোকে আমাৰ মাজলৈ আঁহক ইহুদীসকলক মই ইয়াৰ পৰা খেদি পঠিয়াম আৰু ইহুদী সকলৰ যিমান মাটি সম্পত্তি আছে সকলোবিলাক আপোনালোকক দি দিম। সেই সময়ত জাৰ্মান সকলে ভাবিলে যে ইয়াৰ পৰা যদি আমি ইহুদীসকলক খেদিব পাৰো তেতিয়া হ'লে তাৰ মাটি-সম্পত্তি আমি পাম। হাজাৰ হাজাৰ লাখ লাখ মানুহ হিটলাৰৰ আহ্বানৰ প্ৰতি সহাৰি

জনাই ৰাজপথলৈ ওলাই আহিল। বাকী কথাখিনি সময় নাই বাবে মই ক'ব নোৱাৰিম। সেই সময়তে হিটলাৰে জানে যে এই কথাবিলাক সম্ভৱ নহয়। এখনৰ পিছত এখন দেশ জয় কৰি স্বেচ্ছাচাৰীভাৱে শাসন কৰাই তেওঁৰ মূল উদ্দেশ্য আছিল। সেই কাৰণে তেখেতে এজন খুব জ্ঞানীলোকৰ সহায়ত তেখেতৰ যিবিলাক বেয়া কাম সেইবিলাকক কেনেকৈ সত্য বুলি প্ৰমাণ কৰিব পৰা যায়, সমাজত তাৰ কিবা কৰিব পৰা যায় নেকি, তাৰ চিন্তা কৰিব ধৰিলে। তেতিয়া সেই জ্ঞানী লোকজনে উপায় দিলে যে, অসত্য কথা এটা সমাজত কৈয়ে থাকিবা, কৈয়ে থাকিবা যেতিয়ালৈকে এইটো সত্যত পৰিণত নহয়। মই সেই কথাটোৰ আঁতধৰি মাত্ৰ দুটা উদাহৰণ দিব খুজিছো নহ'লে মোৰ আকৌ সময় উকলি যাব। মাননীয় অধ্যক্ষ মহোদয়, আজি এগৰাকী মন্ত্ৰীয়ে ক'লে আমাৰ Citizenship Act,1955, নাগৰিকত্ব দিয়াৰ যিটো নিয়ম আছিল, by birth জন্মসূত্ৰে যি সকলে নাগৰিকত্ব পায়, তাৰ নিয়ম আছিল যে বাপেক মাক য'ৰে নহওঁক কিয় ভাৰতবৰ্ষত যদি জন্ম হয়, তেতিয়াহ'লে জন্মসূত্ৰে তেওঁ ভাৰতীয় হ'ব। তেওঁৰ নিচিনা মই আকৌ কৰিছো যে ১৯৫৫ নাগৰিকত্ব আইন,Citizenship Act, ত আছিল যে বাপেক মাক যিয়েই নহওঁক লাগিলে বিদেশীয়েই হওঁক যদি ইয়াত জন্ম হয় তেতিয়াহ'লে জন্ম সূত্ৰে তেওঁ ইয়াৰ নাগৰিকত্ব পাব। তেওঁ এটা তাৰিখ উল্লেখ কৰিছে ০১-০৭-১৯৮৭ বাৰে বাৰে কৈ আছে, যে কিমান অপব্যাখ্যা। মই তিনিবাৰ কৈছো, তেওঁ কৈছে যে ৰাজীৱ গান্ধী ডাঙৰীয়া প্ৰধান মন্ত্ৰী থকা অৱস্থাত এই আইনখন যেতিয়া সংশোধন কৰিলে, দীনেশ গোস্বামীৰ নিচিনা লোকক আজি সমালোচনা কৰিছে, ড০ নগেন শইকীয়াৰ নিচিনা মানুহক সমালোচনা কৰিছে, আছুক সমালোচনা কৰি কৈছে, সেই সময়ত সেই সকলে কিয় আপত্তি নকৰিলে ? সেই সময়ত ভোট দিলে কিয় ? আচলতে ০১-০৭-১৯৮৭ ত আইনখন কঠোৰ কৰিলে। আগতে আছিল বাপেক মাক দুয়োজন যদি বিদেশী হয়, ইয়াত জন্ম হোৱাৰ লগে লগে তেওঁ ভাৰতীয় হ'ব, জন্মসূত্ৰে নাগৰিকত্ব পাব আৰু ১৯৮৭ ত নিয়ম কৰিলে যে নহয়, দুজন মানুহৰ ভিতৰত এজন বাপেক হলেও বা এজন মাক হলেও এজন ভাৰতীয় হ'ব লাগিব। টানহে কৰিলে। কেনেধৰণৰ global practice ৰ অপব্যাখ্যা। এজন ভাৰতীয় হ'বই লাগিব, আনজন বিদেশী হলেওঁ ইয়াত জন্মসূত্ৰে তেওঁ ভাৰতীয় নাগৰিকত্ব পাব। সেইটো অপব্যাখা কৰি এনেধৰণৰ স্বনামধন্য যিসকল ব্যক্তিয়ে এতিয়া উত্তৰ দিবলৈ পৰা নাই, এজনে কোৱাৰ দৰে আজি দীনেশ গোস্বামী ডাঙৰীয়াই যদি তাৰ পৰা দেখি আছে, কৈছে কি কথাবিলাক আলোচনা হৈছে আজি বিধান সভাত। ০১-০৭-১৯৮৭, দায়িত্বসহকাৰে কৈছো, অধ্যক্ষ মহোদয়, নহ'লে মোৰ বিৰুদ্ধে ব্যৱস্থা ল'ব, যদি চৰকাৰী পক্ষৰ পৰা ক'ৰবাত অপব্যাখা হৈছে, তাৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ এয়া নিয়ম। আৰু বহুত নিয়ম আছে, অধ্যক্ষ মহোদয়, মই ইয়াৰ জৰিয়তে আপোনাক অনুৰোধ কৰিছো। আকৌ কৈছে যে ২০০৪ চনত যেতিয়া ড০মনমোহন সিং ৰ চৰকাৰ আছিল, ডিচেম্বৰ ৩ তাৰিখে যেতিয়া Citizenship Act,1955, ৰ সংশোধন কৰিছিল আৰু কঠিন কৰিলে। নহয় ৰাজীৱ গান্ধী ডাঙৰীয়াৰ দিনত এজন বাপেক বা মাক ভাৰতীয় হোৱাটো যিটো জন্মসূত্ৰে কৈছিল এতিয়া নহ'ব। এজন ভাৰতীয় হ'বই লাগিব, আৰু আনজন illegal migrant হ'ব নোৱাৰিব, আৰু কঠিনহে কৰিলে। কঠিন কৰা বস্তুটোক আজি অপব্যাখ্যা কৰা হৈছে ইয়াত। অপব্যাখ্যা কৰি এনেধৰনে তাক establish কৰিব বিচাৰিছে যে গোটেই মানুহখিনিয়েই নাজানে, তেওঁহে অকল জানে, আৰু মোক আঙুলিয়াই কৈছে, আমাৰজন বুলি কৈছে অধ্যক্ষ মহোদয়, উত্তৰটো দিব লাগিব। আমাৰজনটো এতিয়াও কওঁ বন্ধু তুমি তেনেকুৱা নাছিলা, কিয় হৈ গ'লা এনেকুৱা ? আপোনালোকে পাৰিলে ক'ব, মই এতিয়াওঁ কম যে আমাৰজন, আমাৰজন এনেকুৱা নাছিল, ক্ষমতাৰ লালসাত এনেধৰনৰ কথা কোৱাৰ আৰম্ভ

কৰিলে, মানুহক মানুহ বুলি নভৰা হৈছে। ছেম ষ্টেৰ্ফডে কি কৰিলে? গুলীয়াই দিলা বুকুত। চোৰাচোন ফটোখন ফটোখনে যে ওলাই আহি ক'ব যে দাদা মোক গুলীয়াই হত্যা কৰিলে মই কি অপৰাধ কৰিছিলো? মই 'কা' নালাগে বুলিহে কৈছিলো। দ্বীপাঞ্জলৰ ঘৰত যাওঁক মাক ওলাই আহে। ওলাই আহি, যেতিয়া ৰাহুল গান্ধী ডাঙৰীয়া গৈছিল কৈছে যে মোৰ ল'ৰাটোৰে চাৰি বজাত ফোন কৰিব বুলি কৈছিল। মই এতিয়াও চাৰি বজাৰ লগে লগে মই বৈ থাকো। দ্বীপাঞ্জলে ফোন কৰিব বুলি এতিয়াও মই ভাবি আছো । এই লোক সকলৰ ঘৰত অলপ যাওক চৰকাৰ, তেওঁলোকক অলপমান মৰমৰ মাত এষাৰ দিয়ক। আজি দ্বীপাঞ্জল দাসক মাৰি পেলালে, তেওঁক বুকুত গুলীওৰা নাই অধ্যক্ষ মহোদয়, তেওঁক পিচফালৰ পৰা গুলীয়াই দিছে আৰু কৈছে যে কংগ্ৰেছে হিংসাকাৰী আনিছে। এইলোক সকল কংগ্ৰেছী আছিল নেকি? আজি ছেম ষ্টেফৰ্ড কংগ্ৰেছী আছিল নেকি? দ্বীপাঞ্জল কংগ্ৰেছী আছিল নেকি? দ্বিজেন্দ্ৰ পাণ্ডিল কংগ্ৰেছী আছিল নেকি? আব্দুল আলি কংগ্ৰেছী আছিল নেকি? ঈশ্বৰ নায়কক, গুলীয়াই দিলে। এই লোকসকলক আজি অধ্যক্ষ মহোদয় আমি আপোনাক অনুৰোধ কৰিম আপুনি কৈছিল নাম দিব লাগে আমি আনুষ্ঠানিকভাবে নাম দিছো। আপুনি যিটো obituary কৈছে। এই লোকসকলৰ নামটো ৰাখক। একো পাপ নহয় এইটো ভাল হ'ব, ভাল বাৰ্তা যাব।

**মাননীয় অধ্যক্ষ ঃ** I have received the paper.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** আপুনি এইটো sympathetically consideration কৰিবৰ কাৰণে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এইকথা বিলাক চাবৰ কাৰণে মই অনুৰোধ কৰিছো আৰু এটা কথা মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো, এই যে মহিলাসকল ওলাই আহিছে, আপোনালোকে অলপ চাওঁক। এই লোকসকলে আজি ৰাতিপুৱা পাকঘৰটো বন্ধ কৰি ৰাজপথলৈ ওলাই আহিছে। ৰাজপথলৈ ওলাই আহি কৈছে যে, CAA খন আপোনালোকে বাতিল কৰক। এই কথাখিনি অলপ শুনক। তেওঁলোকৰ মুখবিলাক পঢ়িবলৈ শিকক। অলপ দেৱালত লিখি আছে, মুচি দিয়াতকৈ অলপ পঢ়ক, কিনো কৈছে? ক্ষমতাত আপোনালোকেই থাকক। এজনৰটো ভয় লাগে। তেওঁ আকৌ কৈছে যে, ২০২১ ত যাবগৈ।

**মাননীয় অধ্যক্ষ ঃ** No comment.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মোক কোৱা কথাবিলাকৰ মই উত্তৰ দিম। ২০২১ ত যদি যায়গৈ, এইখন থানবান কৰি থৈ যাব গৈ নেকি? কথাবিলাক চাব। মই হ'ব নোৱাৰিলো যেতিয়া, সকলোকে শেষ কৰি যাও।

**মাননীয় অধ্যক্ষ ঃ** Personal কথাবিলাক নালাগে।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাকো কৈছে। গতিকে মই কৈছিলো যে, আমাকো আঙুলিয়াই বহুকথা কৈছিল, তাৰ উত্তৰ দিবলৈ আপুনি যেতিয়া নিদিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মই নিদিয়া নহয়। মই সকলোখিনি দিছো। মই আপোনাক নিদিও বুলি কোৱা নাই। মই কৈছো যে, ২০২১ চনত গ'লে কি হ'ব? সেই কথাখিনি কিয় ক'ব লাগে?

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁৰ অনুপস্থিতিত নকওঁ।

**মাননীয় অধ্যক্ষ ঃ** যিখিনি দৰকাৰী কথা কৈছে, সেইখিনি কওঁক।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা কব পাৰো নেকি? আমাক যে মোবাইল আনিবৰ কাৰণে বন্ধ কৰিছিল, আজি তেওঁ কি কাৰণে Facebook live হ'ল, সুধিব পাৰো নেকি?

**মাননীয় অধ্যক্ষ ঃ** I have already given the order to enquiry into the matter. এই কথাবিলাক বেলেগে ক'ব। I have taken a decision. Don't argue. Leader of the opposition য়ে মোক কাগজ দিছে। এইটো আপোনাৰ point of order হ'ব পাৰে কিন্তু Governor Speech ত পাৰ্ট হ'ব নোৱাৰে।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদৌ শেষত মই পুনৰবাৰ অনুৰোধ কৰিম যে, চৰকাৰী ফালৰ পৰা আজি বিধান সভা শেষ। ৰাইজে চাই আছে। আপোনালোকে প্ৰস্তাৱ আনক, আমি সমৰ্থন কৰিম। CAA বাতিল কৰাৰ এটা প্ৰস্তাৱ আনক। ধন্যবাদ। জয় আই অসম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। প্ৰথমবাৰ যেতিয়া বিধায়িকা হৈ এইখন বিধান সভাত আহিছো, মই ভাবিছিলো, আজি বিৰোধী পক্ষৰ মুখত শুনা পাম নেকি যে, আমাৰ চৰকাৰে বহুত কাম কৰিছে। অকল শাসক দলৰ বিধায়ক সকলৰে নহয়, বিৰোধী পক্ষৰ বিধায়ক সকলৰ অঞ্চলতো বহুত কাম হৈছে। মোৰ সমষ্টিত ২০১৬ যেতিয়া ৰাস্তা আৰম্ভ কৰিছিলো, বিধ্বস্ত হাজো আছিল, তেনেকুৱা ধৰণে বিধ্বস্ত অসমো আছিল। ৮০শতাংশ ৰাস্তা যেতিয়া আমি চাৰে তিনি বছৰত ক'ভাৰ কৰিছো, আপোনালোকৰ সমষ্টি বিলাকতো ৰাস্তা আমাৰ সমানে হৈছে, কিছুমান ঠাইত আমাতকৈ বেছি হৈছে। তাৰপাছতো আপোনালোকৰ মুখত উন্নয়নৰ সম্পৰ্কত উন্নয়নৰ সমৰ্থন কৰি এটা শব্দ আপোনালোকৰ শুনা নাপালো। যেতিয়া ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ ওচৰত পি ডব্লিউ ডি ৰাস্তাৰ লিষ্ট লৈ মই যাওঁ, তেতিয়া ২০১৬, ২০১৭, ২০১৮, ২০১৯ ত আপোনালোকৰ বিৰোধী পক্ষৰ বিধায়কসকলক বেছিকৈ দেখা পাওঁ। আমি যদি তিনিখন লিষ্ট লৈ যাওঁ, আপোনালোকে একজাপ ৰাস্তাৰ লিষ্ট লৈ যায়। গতিকে উন্নয়ন আপোনালোকৰ দিনত হৈছিল নে আমাৰ দিনত হৈছে। গতিকে সেই উন্নয়নৰ সম্পৰ্কত আপোনালোকৰ মুখৰ পৰা এটা সমৰ্থনৰ বাণী ৰাজ্যপালৰ ভাষণত আমি শুনা নাপালো। আজি আপোনালোকে ধৰ্ম সভা বুলি কৈছে। আজান ফকিৰৰ দেশত আপোনালোকে আমাক সাম্প্ৰদায়িক বুলি ক'বলৈ আহিছে, কিন্তু সেই আপোনালোকে চৰ অঞ্চলত উন্নয়নৰ নামত সুতা, শাৰী আৰু লুঙী বিলাইছিল। কিন্তু আমি ৰাস্তা বনাইছো, আন্তঃগাথনি বনাইছো। মোৰ অঞ্চলত প্ৰায় ৫০ শতাংশ মাইনৰিটি এৰিয়া। কিন্তু তাত কিমান ৰাস্তা হৈছে, কিমান দলং হৈছে আৰু যোৱা বিধান সভা বাজেটত মাইনৰিটি অঞ্চলত মহিলাৰ কাৰণে স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ কথাও ঘোষণা কৰিলে। আপোনালোকে কৰিছিল কি ? আপোনালোকে অকল প্ৰলোভন দিছিল। আমি উন্নয়ন কৰিছো। গতিকে কিমান পাৰ্থক্য। মাননীয় অধ্যক্ষ মহোদয়, সকলোতকৈ এটা কথা ভাল পাইছো, চৰকাৰৰ বিধায়ক হ'বলৈ গৈ যে, আমাৰ যেতিয়া অৰ্থনৈতিক অৱস্থা ২০১৬ ত GDP growth আছিল শতকৰা ২ শতাংশ। এনেকুৱা শোচনীয় অৰ্থনৈতিক অৱস্থা আছিল, আমাৰ চৰকাৰৰ ওচৰত প্ৰত্যাহ্বান আহিছিল যে কেনেকৈ আমি শুধৰাও। গতিকে আমাৰ দক্ষ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া, মাননীয় বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ইমান efficiently আঁচনিখিনি বনালে, ৰাইজৰ ওচৰত ইমান দক্ষতাৰে কাৰ্য্যক্ষম কৰিলে। আজি ভাৰতৰ মানচিত্ৰত অসম প্ৰদেশ সন্মানেৰে প্ৰতিষ্ঠিত হৈ আছে। সকলোতকৈ ডাঙৰ কথা আমাৰ চৰকাৰে ৰাইজৰ দুখ বুজে। ৰাইজৰ দুখ বুজে বুলি এই কাৰণে কৈছো, কোন চৰকাৰে এক টকাত চাউল দিছিল ? অকল চাউল দিয়াই নহয়। যোৱা মাহত ৰাস্তাত যেতিয়া জুই জ্বলিছে বুলি আপোনালোকে কৈছে, তেতিয়াও কিন্তু ঘৰে ঘৰে আমি চাউল পঠিয়াছিলো। গতিকে ৰাইজৰ দুখ আমি বুজো। যদি পৰিয়ালত তিনিজন আছে, তেতিয়া তেওঁলোকে

বিছ কেজিকৈ চাউল পায় আৰু পাঁচজন থাকিলে ত্ৰিছ কেজিকৈ চাউল পায়। তাৰ লগে লগে বৃদ্ধ পেঞ্চনৰ পইচাও একাণ্টতত সোমায়। কিন্তু আপোনালোকৰ দিনত বৃদ্ধ পেঞ্চনৰ পইচা পাবলৈ যাওঁতে দালালক পইচা দিওঁতে বছৰত সাতশ টকা গৈ সাত টকা হৈ যায়। গতিকে সেইখিনি কথা হয়তো আপোনালোকে পাহৰি গ'ল। এতিয়া পোনপটীয়াকৈ একাউণ্টত সোমায়। চৰকাৰ আৰু ৰাইজৰ মাজত পোনপোটীয়া যোগাযোগ, মাজত দালাল নাই। গতিকে এয়াই আমাৰ চৰকাৰ। অকল সেয়াই নহয়, মই যেতিয়া হাজো আহি পাইছিলো, ঘৰৰ নামত এতিয়া হয়তো অনুসন্ধান চলিব পাৰে, কাৰণ সত্তৰ পসত্তৰ হাজাৰ টকীয়া ঘৰৰ পইচাও ৰাইজে পাওঁতে দহ হাজাৰহে টকা পায়। এতিয়া দেৰ লাখ টকাৰ সত্তৰ হাজাৰ টকা ডাইৰেক্ট একাউণ্টত সোমায়। কৃষকৰ সঁজুলিৰ নামত অহা পইচা পাঁচ হাজাৰ টকা ডাইৰেক্ট একাউণ্টত সোমায়। কোনো মাজৰ মানুহ, দালাল নাই। গতিকে ৰাইজৰ চৰকাৰ। আপোনালোকে আমাৰ চৰকাৰৰ সমৰ্থনত, আমি ভাবিছিলো এটা ভাল আলোচনা শুনিবলৈ পাম। কিন্তু আপোনালোকে আমাৰ আলোচনাখিনিক এনেকুৱা বিপথে পৰিচালিত কৰিছে, ৰাইজৰ মানসত। গতিকে মোৰ দুখ লাগিছে। আপোনালোক কৈছে, আপোনালোকৰ দুখ লাগিছে, কিন্তু মোৰ দুখ লাগিছে কাৰণ মই বিৰোধী পক্ষৰ পৰা এনেকুৱা আশা কৰা নাছিলো। সকলোতকৈ ডাঙৰ কথা আজি আমাৰ চৰকাৰখনে যেনেকৈ ৰাইজৰ দুখ বুজে, তেনেকৈ দুখ আতৰায়ো। সিদিনাখন জাগিৰোড পেপাৰ মিলত আপোনালোকে কৈছে, আমি পইচা তুলি তেওঁলোকৰ ল'ৰা-ছোৱালী পঢ়াম। জাগীৰোডৰ কথা উল্লেখ কৰিছে। কিন্তু মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সিদিনাখন Press coference পাতি জাগীৰোড পেপাৰ মিলৰ ল'ৰা-ছোৱালীৰ সাধাৰণ শিক্ষাৰ পৰা উচ্চ শিক্ষালৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰিছে। গতিকে আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ অধীনত অসম ইমান উন্নতিৰ পথলৈ গুচি গৈছে। মই আজি আপোনালোকক এটা উদাহৰণ দিবলৈ ওলাইছো। অটল অমৃত যোজনাৰ পইচা অকল আমি শাসক দলৰ সমষ্টিৰ মানুহে পোৱা নাই, আপোনালোকৰ বিৰোধী পক্ষৰ সমষ্টি বিলাকতো সেই পইচা উপলব্ধ হৈছে। কাৰণ আগতে মাটি-বাৰী বেছি সৰ্বশ্ৰান্ত হৈছিল চিকিৎসাৰ নামত। কিন্তু এতিয়া আপোনালোকৰ হিচাপ ওলাব অটল অমৃত যোজনাৰ যদি আমি স্বাস্থ্য বিভাগৰ পৰা তালিকা পাও, বিৰোধী পক্ষৰ বিধায়ক সকলৰ সমষ্টিটো সেই ধন উপলব্ধ হৈছে, যিটো বিস্তাৰিত ধন দুই লাখ টকাকৈ অতি দৰিদ্ৰ লোকসকলে পাব। গতিকে আপোনালোকে যিমান ধৰণে উপকৃত হৈছে, আপোনালোকৰ সমষ্টিত বাঃ বাঃ লৈছে আমাৰ চৰকাৰ এই অনুদানখিনিৰ কাৰণে। আমি স্বাস্থ্যৰ প্ৰতি সজাগ। ৰাইজৰ স্বাস্থ্য আমাৰ সম্পদ। গতিকে আমি সেই সম্পদক ৰক্ষা কৰিবলৈ যোৱাৰ লগে লগে আমি এনেকুৱা ধৰণৰ আঁচনি বনাও যে, ৰাইজৰ কাৰণে বনাও, ৰাইজ বাবে বনাও আৰু ৰাইজৰ হকে বনাও। মাননীয় অধ্যক্ষ মহোদয়, সৰ্বশেষত মই সামৰণি মাৰিব ওলাইছো, আজি শ্ৰীমতী অজন্ত বাইদেউয়ে ক'লে যে, আমাৰ সংবাদ মাধ্যমক ভালকৈ বাতৰি পৰিবেশন দিয়া নহ'ল, এইবাৰ প্ৰতিবাদৰ সময়ত কিন্তু সেই সংবাদ মাধ্যমৰ কাৰণে আমাৰ চৰকাৰে কি কৰা নাই, সেই বিষয়ে উল্লেখ কৰিব নোৱাৰিলে। The Assam Pension Scheme for Journanistৰ যিটো কল্যাণমূলক আঁচনি কৰিবলৈ আছে, অৱসৰকালীন লাভৰ কাৰণে সেইখিনি কথা তেওঁৰ মুখত শুনা নাপালো। তাৰ লগে লগে Journanist Family Benefit Fundৰ বিষয়ে শুনা নাপালো আৰু সংবাদ মাধ্যমৰ লগত জড়িত ব্যক্তি সকলৰ কাৰণে Insurance Schemes for journalist সেই বিষয়ে মতামত আমি শুনা নাপালো। কাৰণ আলোচনা সদায় constructive হ'ব লাগে। যেতিয়া আলোচনা এটা constructive নহয়, ৰাইজৰ

উন্নতি নহয়, কাৰণ আমি ৰাইজৰ প্ৰতিনিধি। আমি ৰাইজৰ মঙ্গলৰ কাৰণে আহিছো। সৰ্বশেষত শ্ৰদ্ধেয় ৰাইজ, আমাক কয় যে, আমি অসমৰ জাতিক ভাল নাপাও। আমি অসমৰ জাতিৰ কাৰণে আহিছো আৰু জাতিৰ কাৰণে আমি আঁচনি বনাইছো। ১লাখ ভূমি পট্টা যেতিয়া আমি আবন্টণ দিবলৈ ওলাইছো, সেইটো অসমৰ ৰাইজৰ প্ৰতি আমাৰ মৰম বুজাইছে। পলাশবাৰী সমষ্টিত আপোনালোকে বহু কৃষি মাটি বেপাৰীৰ হাতত হস্তান্তৰ কৰিলে এতিয়া সেই কৃষকৰ সন্তানে সেই ইণ্ডাষ্ট্ৰিবিলাকত এতিয়া লেবাৰৰ কাম কৰি আছে। আপোনালোকৰ দুখ নালাগেনে? কিন্তু আজি আপোনালোকে আমাক কয় দুখ নালাগেনে । অধ্যক্ষ মহোদয়, সুধিব বিচাৰিছো যে দুখ নালাগেনে কৃষকৰ ইমানবিলাক মাটি বনিয়াৰ হাতত বেছি দিলে কিন্তু কৃষকৰ কথা এবাৰো নাভাবিলে। গতিকে অসমৰ জাতিৰ স্বাৰ্থত আমি মাত মাতি আহিছো আৰু আগলৈও সদায় মাত মাতি থাকিম।

**মাননীয় অধ্যক্ষ ঃ** Thank You, এতিয়া Rafiqul Islam, আপুনি জাষ্ট ৫ মিনিটত শেষ কৰিব। চমুকৈ ক'ব।

**শ্ৰীৰফিকুল ইছলাম (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ বক্তব্যৰ ওপৰত যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ বিৰোধিতা কৰি মোক ৫ মিনিট সময় ক'বলৈ দিয়া বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অসমত জন্ম গ্ৰহণ কৰি অসমীয়া হিচাপে হিচাপে থাকিবলৈ মই গৌৰৱ অনুভৱ কৰো কিন্তু দুৰ্ভাগ্য যে আজি কিছুদিনৰ পৰা “ Citizen Amendment Bill লৈ অসমৰ পৰিস্থিতি বেয়া হৈছে। চিটিজেন এমেণ্ডমেন্ট বিল পাছ হৈ 'কা' হ'ল। North East ৰ অসমক বাদ দি গোটেই কেইখন State য়ে তেখেতসকলৰ pressure create কৰি তেওলোকৰ ৰাজ্যবিলাক এই আইনৰ আওঁতাৰ পৰা বাদ দিয়াৰ কাৰণে Central Government ক বাধ্য কৰালে। মেঘালয়, অৰুণাচল, মিজোৰাম, মনিপুৰ ইত্যাদিত 'কা' বলবৎ নহয়। কিন্তু আজি বিদেশীৰ যি সমস্যা সেইটো লৈ এই ষ্টেট কেইখনত কোনো আন্দোলন নাছিল। ৮৫৫ জন শ্বহীদ মেঘালয়,মণিপুৰ, মিজোৰাম, আৰুণাচল, ত্ৰিপুৰা ইত্যাদিত হোৱা নাই। ৪০ বছৰ বিদেশীৰ ইশ্যু লৈ কোনো আন্দোলন হোৱা নাই। কিন্তু আজি অসমত ৪০ বছৰে বিদেশী ইচ্যুৰ ওপৰত আন্দোলন হ'ল। আমাৰ মাজত বহুত ভুল বুজা বুজি হ'ল। এটা জনগোষ্ঠীক ৩০০ বছৰ, ১৫০ বছৰ, ২০০ বছৰ আগতে জন্মগ্ৰহণ কৰা মানুহক বিদেশী বুলি কৈ অসত্য কৈ নতুন প্ৰজন্মৰ মূৰত কিছুমান বিভ্ৰান্তিমূলক কথা সোমোৱাই দিয়াৰ বাবে চেষ্টা কৰিছে। অসম চৰকাৰৰ মূখ্য মন্ত্ৰী ডাঙৰীয়া আৰু তেখেতৰ সতীৰ্থ বিত্ত মন্ত্ৰী ডাঙৰীয়া আৰু টীমে প্ৰেছাৰ ক্ৰিয়েট কৰিব লাগিছিল চেন্ট্ৰেল গৰ্ভমেন্টক। উত্তৰ পূবৰ বাকী ৰাজ্যই চেন্ট্ৰেল গৰ্ভমেন্টক বাধ্য কৰাব পাৰিলে কিন্তু আমি নোৱাৰিলো। তাৰ কাৰণে এতিয়া আমাক নিজৰ পৰিচয় দিবলৈ দুখ লাগে। মাননীয় অধ্যক্ষ মহোদয়, গতিকে এতিয়াও সময় আছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাতিপুৱা কৈছে যে ভাষা- সাহিত্য সমৃদ্ধি কৰাৰ বাবে বিভিন্ন সাহিত্য সভালৈ ১০ কোটি টকাৰ অবদান আগবঢ়াইছে। ঠিক আছে এইবিলাকতো দিবই লাগিব। বিভিন্ন ভাষা- সাহিত্য, বিভিন্ন জাতি - জনগোষ্ঠীৰ উন্নয়ণৰ কাৰণে পুঁজি ধাৰ্য্য কৰিছে তাত কোনো বিৰোধ নাই আৰু বেছিকৈ পুঁজি দিব লাগিব উন্নয়ণৰ স্বাৰ্থত কিন্তু মই ভাবো বিধান সভাৰ আমি ১২৬ গৰাকী বিধায়কে এটা resolution লৈ দিল্লীত যদি আমি পঠিয়াব পাৰো যে, 'কা' আমি নামানো। আমি ১০০ কোটি বিতৰণ কৰাতকৈ বেছি লাভ হ'ব। আমাৰ অসমীয়া ভাষা, অসমীয়া জাতি ৰক্ষা কৰাৰ স্বাৰ্থত গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই কওঁ যে আজি শাসকীয় দল, চৰকাৰ ইয়াত আছে , আজি যেনেকৈ বিশেষ অধিবেশন পাতিছে তেনেকৈ আৰু কিছুদিন পিছত মানে within a short time ত আকৌ এদিন বঢ়াব পাৰে। আপোনাৰ discretionary Power

আছে। মই অনুৰোধ কৰিছো, আপুনি চৰকাৰৰ লগত আলোচনা কৰি অহাকালি আৰু এদিন extend কৰিব পাৰে। আমাৰ প্ৰস্তাৱ হয়তো গ্ৰহণ নকৰিব। সেয়েহে চৰকাৰৰ ফালৰ পৰাই প্ৰস্তাৱ আনক যেনেকৈ কেৰেলা চৰকাৰে আনিছে যে আমি 'কা' নামানো। আজি ৪০ বছৰে এই বিদেশী ইশ্যুৰ ওপৰত আন্দোলন হৈছে। বহু মানুহ ক্ষতিগ্ৰস্থ হৈছে। আজি ৭১ ৰ আগত বাংলাদেশ নামৰ কোনো দেশ নাছিল। ১৯৪৭ৰ আগত পাকিস্থান নামৰ কোনো দেশ নাছিল। সেইদিনাখন বিফৰ ১৯৪৭ লাহোৰ ভাৰতৰ অংশ আছিল, ঢাকাও ভাৰতৰ অংশ আছিল, গুৱাহাটীও ভাৰতৰ অংশ আছিল। আনডিভাইডেড ইণ্ডিয়াৰ এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ, এখন জিলাৰ পৰা আন এখন জিলালৈ যদি কোনোবাই গৈছে সেইজন কোনো বিদেশী নহয়। তেওঁ বিদেশৰ পৰা অহা নাই। माननीय বিত্ত মন্ত্ৰী মহোদয়ে দ্ৰাবিড়ৰ কথা কৈ তেখেতে এটা অসত্য মেচেজ দিব বিচাৰিছে । তেনেকুৱা নহয়, আন ডিভাইডেড ইণ্ডিয়াত দ্ৰাবিয়ান আছিল, মঙ্গোলীয়ানসকল যেনেকুৱা ভূমিপুত্ৰ তেনেকৈ দ্ৰাবিয়ানসকলকো ভূমিপুত্ৰ ক'ব লাগিব বিফৰ ১৯৪৭ । কিন্তু আনডিভাইডেড ইণ্ডিয়াৰ ভূমিপুত্ৰসকলে যদি নিজকে ভূমিপুত্ৰ বুলি কয়, ইয়াত ভূল ক'ত? কিন্তু সেইসকলক বাৰে বাৰে টাৰগেট কৰি তেখেতে যুদ্ধ ঘোষণা কৰি কৈছে যে, কলগাছিয়া,ময়নবৰীসকলৰ লগত যুদ্ধ ঘোষণা হ'ব। আমি এইটো নিবিচাৰো, আমি যুদ্ধ নকৰো, আমি অসমীয়া। আমাৰ পিতৃপুৰুষ অসমৰ কলগাছিয়াত জন্ম। আমি বিদেশী নহয়, আমি যুদ্ধ কৰিবলৈ নাযাওঁ । আমি অসমক সমৃদ্ধিশালীকৰাৰ স্বাৰ্থত যি কৰিব লাগে সেইটো আমি কৰিম। বাৰে বাৰে বিদেশী বুলি কৈ থকা বাবে যদি কোনোবাই চেনচাচত বাংলা লিখিছিল আমি সেইসকলক আহ্বান কৰিম সেইটো হ'ব নালাগে। বৰপেটা, মইনবৰী, কলগাছিয়া, বাঘবৰৰ স্কুলত কিন্তু বাংলা পঢ়োৱা নহয়, অসমীয়া পঢ়োৱা হয়। অধ্যক্ষ মহোদয়, চিটিজেনশ্বিপ এমেণ্ডমেণ্ড বিল যিটো পাছ কৰা হ'ল ইয়াৰ বিৰুদ্ধে আমি এটা সংকল্প প্ৰস্তাৱ ল'ব পাৰো,আপোনাক অনুৰোধ কৰিছো এদিন এক্সটেণ্ড কৰি চৰকাৰে সাহস দেখুৱাওক, অসমৰ জনতাই আনন্দিত হ'ব। আজি ষ্টুডেন্টৰ পৰা আৰম্ভ কৰি বৃদ্ধ আই মাতৃসকলে ৰাস্তাত ওলাই আহিছে। তেখেতসকলে শংকিত হৈছে, ধাৰণা দিয়া হৈছে যে, বাংলাদেশত ১ কোটি ৫০ লাখ বঙালী হিন্দু আছে, ক'ত আহিব, নাহে। এই কথাটো কেনেকৈ আপুনি ক'ব। তাত যদি ডেৰ কোটি হিন্দু আছে সকলোৰে স্বাৱলম্বী নহয়, তাত যদি চাৰ্ভে কৰে হয়তো ৫০ লাখতকৈ অধিক ভূমিহীন হ'ব। যিসকলৰ ঘৰ-বাৰী নাই বাংলাদেশত। আপুনি যেতিয়া লেণ্ড পলিচি ল'ব, নিজৰ ঘৰৰ মানুহক আপুনি লেণ্ড নিদিব। পুৰণি মানুহক চৰকাৰী লেণ্ডত আছে বুলি আপুনি উচ্ছেদ কৰিব। বাংলাদেশত যিসকল ভূমিহীন বঙালী হিন্দু আছে তেওঁলোকে চাই আছে, ৰাস্তা বিচাৰি আছে। এনেকুৱা পলিচি যদি লয় তেওলোকে আহি ইয়াত ভুমি লোৱাৰ অপচেষ্টা কৰিব , এইটো হ'ব দিব নোৱাৰি। তাৰ কাৰণে এই বিলখনৰ বিৰোধিতা আমি কৰিছো। মাননীয় ৰাজ্যপাল মহোদয়ৰ স্পীচত এইধৰণৰ কথা নাই। যি ৫ জন লৰা শ্বহীদ হ'ল আজি মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই সমবেদনা জ্ঞাপন কৰিছে। কিন্তু মই দাবী জনাও তেওলোকৰ ঘৰত যাওঁক। **২০** লাখ টকা তেওঁলোকৰ পিতৃ-মাতৃসকলক দিয়ক। এনেধৰণৰ ঘটনা যাতে ভবিষ্যতে নহয়, কেৱল সমবেদনা জ্ঞাপন কৰিলে নহয়। সেইসকলৰ পৰিয়ালৰ এজনক চাকৰি আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰক , এইখিনি কৈ মোৰ বক্তব্য সামৰিছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে পুৰকায়স্থ । সময় ৫ মিনিট ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১১ সাল থেকে এই সদনে অনেকবার বক্তব্য দিয়েছি, কিন্তু আজকের বক্তব্য টা একটু বিশেষ গুরুত্বপূর্ণ, এবং সেটা

রেকর্ডে থাকা দরকার। মাননীয় রাজ্যপালের বক্তব্যের বিরোধিতা করে আমি কয়েকটা কথা বলছি। আমাদের মন্ত্রী মহোদয়ের কথা মতে ভোটের আগে বলা হল যে অসম চুক্তি অক্ষরে অক্ষরে পালন করা হবে। বাজেট দেওয়া হল। এখন বলা হচ্ছে অসম চুক্তি ইনকমপ্লিট। তার মানে টা কি আমরা বুঝতে পারছি না। ভোটের আগে একটা কথা আর ভোটের পরে একটা কথা। অধ্যক্ষ মহোদয়, মাতৃভাষা মাতৃদুগ্ধের সমান। আর সবথেকে বড় বিষয় হচ্ছে যে ইতিহাসকে আমরা অস্বীকার করতে পারব না। ১৮২৬ থেকে ১৮৭৪ বেঙ্গল প্রভিন্স ছিল। ১৮৭৪ অসম প্রদেশ করা হয়। সেখানে সিলেট, গোয়ালপাড়া এবং কাছাড় কে নিয়ে বৃহত্তর অসম স্থাপন করা হয়। ১৯৩১ সাল পর্যন্ত বাংলা ভাষীরা সংখ্যা গরিষ্ঠ ছিল। ১৯৪৭ যখন দেশ বিভক্ত করা হয় তখন সিলেটের সাড়ে তিন খানাকে অসমের করিমগঞ্জের সাথে যুক্ত করা হয়। আর পাঁচ খানাকে পূর্ব পাকিস্থানের সাথে যুক্ত করা হয়। আমার ঘর যে জায়গায় অর্থাৎ করিমগঞ্জ সে জায়গায় সিলেট ছিল। দেশ বিভক্ত হওয়ার সঙ্গে সঙ্গে পাচঁখানা পূর্ব পাকিস্থানে চলে যায়। আমি অসমে ছিলাম, আমরা অসমেই আছি। তার মানে করিমগঞ্জে যারা আছেন তারা মাইগ্রেটেড নয়। সব থেকে বড় কথা হচ্ছে নাগরিকত্ব কিন্তু ভারতের নাগরিকত্ব, অসমের নাগরিকত্ব নয়। দেশের নাগরিকত্ব হয়। সিলেটের জনসাধারণ কে ১৯৪৭ সালের পর থেকে কিছু সময় দেওয়া হয়েছিল তাদের ভারতবর্ষে আসার জন্য। সিলেটি যারা তারা অন্য কোন দেশ থেকে আসেনি। তারা ভারতীয়। তারা ভারতবর্ষেই ছিলেন, দেশ বিভক্ত হওয়ার জন্য তারা সিলেটে চলে গিয়েছিলেন। তাই ভারত থেকে তারা আবার ভারতেই এসেছেন। তাই আমরা ইতিহাসকে অস্বীকার করতে পারব না। এন আর সির যখন ফাইনাল লিস্ট বের হল তখন কিছু সংখ্যক মানুষ আমার কাছে এসে বললো, বিশেষ করে হিন্দু বাঙ্গালীরা। আমি বললাম যে আপনাদের নাম এন আর সিতে কেন নেই? তাদের মধ্যে একজন বললেন যে আমি রিফিউজি সার্টিফিকেট দিয়েছিলাম, আর একজন বললেন আমি সিটিজেনশিপ সার্টিফিকেট দিয়েছিলাম, আর একজন বললো আমি ৫১ সনের এন আর সির কাগজ দিয়েছিলাম। আমি জিজ্ঞাসা করলাম আপনাদের নাম কেন আসল না? তারা বললো যে সরকারের কাছে কোন তথ্য নেই। আমার প্রশ্ন হচ্ছে যে সরকারের কাছে যদি তথ্য না থাকে তার জন্য ভারতীয় নাগরিক অসমের জনসাধারণকে আপনারা ডিটেনশন কেম্পে পাঠিয়ে দেবেন। আর বাংলাদেশ, পাকিস্থান, আফগানিস্থান থেকে আপনারা আমন্ত্রণ করবেন। তার মানে টা কি? আমাদের দেশের নাগরিক ওদেরকে আপনারা বঞ্চিত করবেন আর বাংলাদেশ, পাকিস্থান থেকে আনবেন। সব থেকে বড় বিষয় হচ্ছে যে আমাদের দেশের ছেলেদের চাকুরি, ব্যবসার কথা চিন্তা করতে হবে। আমার কাছে একটা ছেলে এসে বললো যে দাদা আমার তো চিন্তা করার কোন দরকার নেই। আমি বললাম কেন? তখন সে বললো কারণ আমি হিন্দু মানুষ। আমি বললাম আপনি হিন্দু মানুষ আপনার চিন্তা করার দরকার নেই, এই বিলটা তো আফগানিস্থান, পাকিস্থান এবং বাংলাদেশ থেকে যারা আসবে তাদের জন্য এই বিল। এই বিলটা আপনার জন্য নয়। বিশেষ করে আপনি কি দিয়েছেন যে আপনি বাংলাদেশ থেকে এসেছেন। তখন তিনি বললেন না দাদা আমি তো বাংলাদেশ থেকে আসিনি। আমার তো ১৯৭১ সনের আগে রিফিউজি সার্টিফিকেট, ও এন আর সি ছিল। আমরা তো বাংলাদেশ থেকে আসিনি। তার মানে টা হচ্ছে যে আই এম ডি টির পর লুঙ্গি আর টুপি পরহিত সবাইকে বলা হত বাংলাদেশী। আজ কিন্তু হিন্দু বাঙ্গালীকে বলা হয় আপনারা 'কা' দিয়ে এখানে এসেছেন। ১৯৭১ সনের আগে ১৯ লক্ষ মানুষের নাম নাই। কিন্তু এরা সব ভারতীয়। এইজন্য ভারতীয় বলব, যে আজ রিফিউজি সার্টিফিকেট গ্রহণ করা হল না। আজ আপনারা বলছেন ৫১ সনের এন আর সির তালিকা আপনাদের কাছে

নেই। তার জন্য তাদের নাম আসছে না। অধ্যক্ষ মহোদয়, আমার প্রথম প্রশ্নের উত্তরটা চাই সরকারের কাছ থেকে। আমার দুই নাম্বার প্রশ্ন হচ্ছে, আপনারা বলছেন ২০১৪ অবধি কাট অফ ইয়ার । মানে ২০১৪ সনের পরে কেউ যদি আসে তাদেরকে আনা হবে না। আমার প্রশ্ন হচ্ছে যে ভারতবর্ষে ভারতীয়দের উপর যদি ধর্মীয় নির্যাতন হয় তাহলে আমাদের দুঃখ হয়। আবার বাংলাদেশেও ধর্মীয় নির্যাতন হলে আমাদের দুঃখ হয়। কিন্তু বিষয় টা হচ্ছে যে ২০১৪ সাল অবধি যদি কাট অফ ইয়ার হয় ,তাহলে ১৪ সালের পর কি আর ধর্মীয় নির্যাতন হবে না বা হয়নি? এইরকম কি কোন কথা আছে? বাংলাদেশের রিপোর্ট অনুযায়ী ২০১৯ সালে ৩১ হাজারেরও বেশী হিন্দুরা নির্যাতনের স্বীকার হয়েছেন। তাদের কি হবে? ১৪ সাল অবধি যদি কাট অফ ইয়ার হয় তাহলে ২০১৯ সালে ৩১ হাজারের উপর যে ধর্মীয় নির্যাতন হল তাদের কি হবে? আমি মনে করি আমাদের মাননীয় তরুণ গগৈ যেটা বলেছেন তার সাথে আমি সহমত। যদি ১৯৬৬ সালের ভোটার লিস্ট বদলে ২০১৪ সালের ভোটার লিস্ট করা হয় ,তাহলে বিলের কি দরকার আছে? আজ দেখতে পারছি যে হিন্দু বাংলাদেশীদের প্রতি সরকারের এত দরদ। হিন্দু বাঙ্গালীদের প্রতি আপনাদের সহমর্মিতা দেখে আমি খুব খুশি হয়েছি। আমাদের রাজ্য সরকার **২২** টি সামাজিক সংস্থাকে ৭৫ কোটি টাকা দিয়েছে। অসম সাহিত্য সভাকে ১০ কোটি টাকা দেওয়া হয়েছে। আমি ব্যক্তিগত ভাবে ধন্যবাদ জানাই সরকারকে। ২০১১ সালের সেনসাস মতে ২৯ শতাংশ ছিল বেঙ্গলী। কিন্তু দুঃখের বিষয় একটাও বেঙ্গলী সংস্থাকে ১ টাকা পর্যন্ত দেওয়া হয় নাই। আপনাদের যদি বাঙ্গালীর প্রতি এতই দরদ তাহলে বরাক বঙ্গকে এক দু টাকা দিতে পারতেন। মণিপুরি সাহিত্য সভাকে দিতে পারতেন। আপনারা সেগুলি দেন নি। আপনাদের কথা হচ্ছে যে ধর্মীয় বিভাজন করে বাঙ্গালী দেরকে 'কা কা' বলে যাতে ওদের সব অধিকারটুকু হরণ করা হয় । আপনাদের যদি সদিচ্ছা থাকতো তাহলে আপনারা বলতেন যে আমাদের 'কা' দরকার নেই। কারণ আলটিমেটলি তারা তো ভারতীয় নাগরিক। ১৯৬৬ সালে ভোটার লিস্টে নাম আছে , আর যদি ২০১৪ সাল অবধি ধরা হয় তো 'কা'র দরকারই নাই। সব থেকে বড় বিষয় হচ্ছে সরকার এডভানটেজ অসম করেছেন। বিনিয়োগ হবে। অচ্ছে দিনের স্বপ্ন দেখিয়েছেন, আপনারা বিনিয়োগ করবেন। কিন্তু পাঁচ গ্রাম পেপার মিলের বাচ্চারা ঘরে ঘরে গিয়ে ভিক্ষা করছে যে তারা পড়াশুনা করতে চায়। এটা হচ্ছে অসমের অবস্থা।

**মাননীয় অধ্যক্ষ ঃ** ট্রাই টু কনক্লুড। টাইম নাই।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** আমাদের করিমগঞ্জে বিদ্যুতের সমস্যা, পাণীয় জলের সমস্যা, তাছাড়াও আমাদের সমষ্টিতে অনেক সমস্যা আছে। সেই সমস্যা নিয়ে আপনারা চিন্তা করুণ। আজ ধর্মীয় সংখ্যালঘু, ও ভাষিক সংখ্যালঘু বিগত তিন বছরে ২৭ জন ডিটেনশন কেম্পে আত্মহত্যা করেছে। তার মধ্যে ১৫ জন হিন্দু বাঙালী। সরকারের এই ধরণের চিন্তা ধারার জন্য আজ এই অবস্থা। আমাদের অর্থমন্ত্রী বলেছেন যে সংবিধানের শপথ নিয়ে তাঁরা মন্ত্রী হন। আমার প্রশ্ন অধ্যক্ষ মহোদয় আপনার কাছে, মন্ত্রী মহোদয় বলছেন মৈরাবারী সত্র এবং হিন্দুদের অনেক মন্দির মুসলমানরা দখল করেছে। মন্ত্রীর কাছে আমার প্রশ্ন কেন্দ্রে আপনাদের সরকার, রাজ্যে আপনাদের সরকার কিন্তু তিন চার বছরে কয়টা সত্র বা মন্দির আপনারা উদ্ধার করতে পারলেন। একটা মন্দিরও আপনারা উদ্ধার করতে পারেন নি। কেউ যদি মন্দির দখল করে তখন তাদের উপর ব্যবস্থা নিন। কিন্তু আপনারা ব্যবস্থা না নিয়ে যে পরিবেশ সৃষ্টি করছেন সেটাকে আমি ধিক্কার জানাচ্ছি। এই বলে আমি আমার বক্তব্য শেষ করছি। নমস্কার।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য আনোৱাৰ হুছেইন লস্কৰ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক কোৱাৰ সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। আমি বাংলাভাষাটো কব পাৰো, বৃটিছে আমাৰ ওপৰত চাপি দিছে বাংলাভাষাটো। তেওঁ ইতিহাস পঢ়ি আহিব লাগিছিল, তেওঁ ইতিহাসৰ কথা ইমানখিনি কলে, বৰাকৰ ইতিহাসতো জানিব লাগিছিলে তেওঁ। আমাৰ কাছাৰৰ ভাষাৰ মানুহ, আমাৰ নাগৰিক ভাষাৰ লিপি আছে, মোৰ তাত document আছে, আপোনাক দিব পাৰিম। আমাৰ বৰাকৰ যিটো ভাষা আছে, কাছাৰৰ ভাষাৰ কৃষ্টি-কালচাৰ যিটো আছে সদনে জনা নাছিলে। মন্ত্ৰী মহোদয়ে মুছলমান মানুহখিনিৰ কথাখিনি কলে যে আমি বাংলাভাষী মানুহ। আমি অসমত থাকিলেই অসমীয়া কবই লাগিব, জয় আই অসম কব লাগিব, মুছলমানে হওঁক, হিন্দুৱে হওঁক। মই UNESCO ৰ পৰা লিপি উলিয়াই আনিছো। আমাৰ ভাষাতো এতিয়া দবাই ৰখা হৈছে। এই ভাষাতো আকৌ উলিয়াব লাগে। মই সেইকাৰণে এই বস্তুটো উলিয়াই দিলো। এইটো সকলোৱে জনা নাছিলে। মাননীয় অধ্যক্ষ মহোদয়, মই লিপিটোৰ কপি আপোনাক দিম।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শাসক দলৰ উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয় আছে - আমাৰ মুখ্যমন্ত্ৰীয়ে পেপাৰ মিলৰ কথা কৈ আহিছিলে। আমাৰ সন্মানীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই কোৱাৰ দৰে মোৰ সমষ্টিৰ পেপাৰ মিলৰ কাম কৰা মানুহৰ লৰা-ছোৱালীক মই নিজৰ দৰমহা পইচা দি তেওঁলোকৰ স্কুলৰ মাচুল দি আহিছো, এইটো অতি লাজৰ কথা। পেপাৰ মিলটোৰ কৰ্মচাৰীৰ এনেকুৱা অৱস্থা হৈ আছে। চৰকাৰে যদি জাগিৰোডৰ পেপাৰ মিলত দিব পাৰে, আমাৰ Panchgram H.P.C. পেপাৰ মিলত কিয় নোৱাৰে। এই পেপাৰ মিলত কাম কৰা মানুহৰ লৰা -ছোৱালীৰ ভৱিষ্যৎ খিনি কোনে চাব, এই ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ ধ্বংস হৈ আছে। এই লৰা-ছোৱালীখিনিয়ে কোনোবাই ডক্টৰ বা ইঞ্জিনিয়াৰ পঢ়ি আছে, এই লৰা-ছোৱালীখিনিক কোনে চাব। সেই মানুহখিনিয়ে দৰমহা আজিলৈকে পোৱা নাই। গতিকে এই সদনত মই উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যে এই লৰা-ছোৱালীখিনিৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ ফালৰ পৰা কিবা এটা initiative লোৱাৰ ব্যৱস্থা কৰে যেন।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সন্মানীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদসূচক প্ৰস্তাৱ ওপৰত বিৰোধিতা কৰি পেলাই মই চমুকৈ কব বিচাৰিছো। বিশেষভাৱে আমি বিৰোধীদলে আমি বিৰোধীতা কৰিছো এই কাৰণে বৰ্তমান সাম্প্ৰদায়িক সময়ত ইতিমধ্যে আন্দোলনৰ কাৰণে পাঁচজনকৈ শ্বহীদ হোৱাৰ উপৰিও ৰাজেন বৰুৱা নামৰ এজনলোক 'কা' আন্দোলনত শ্বহীদ হৈছে। আমি ধৰি লব পাৰো ছয়জন শ্বহীদ হৈছে। ৰাজপথত C(A)A ইংৰাজীত থকাৰ কাৰণে অসমীয়া মানুহে বুজি নাপায়, সেই কাৰণে আন্দোলন কৰি আছে বুলি শাসক পক্ষৰ পৰা বক্তব্য ৰখা হ'ল। কণী বেপাৰী, মাছ বেপাৰীয়ে এই আন্দোলনত পৃষ্ঠাপোষকতা কৰি আছে বুলি চৰকাৰী পক্ষৰ পৰা কোৱা হ'ল। কোনোৱে কলে যে ইয়াত মাওবাদীৰ হাত আছে, পিছত ওলালে শাসক দলৰে কোনো সদস্য বিধায়কৰ ঘৰ জলোৱা, কোনোবা সমষ্টিত গুলি ফুটোৱা, কেইটামানে জেলৰ ভাত খাব লগীয়া হৈছে শাসক দলৰে কোনোবা সদস্যই। ৰাজপথত কোন? অকল বোলে ডেকা যুৱক-যুৱতী সেয়া নহয়। সত্ৰাধিকাৰ, শাৰিৰীক ভাবে অক্ষম লোক সকল, সাহিত্য সভা, চিনেমা জগতৰ অভিনেতা-অভিনেত্ৰী সকলে, শংকৰদেৱ সংঘ, নামধৰ্ম সমাজ, আমি ভাবিছিলো মাৰোৱাৰী সমাজ ওলাই নাহিব কিন্তু মাৰোৱাৰী সমাজ কা বিৰোধী আন্দোলনৰ বাবে ৰাজপথত, আমি ভাবিছিলো হিন্দু বেঙ্গলী সম্প্ৰদায়ৰ লোকসকল ৰাজপথত নাহিব। তেওঁলোকেও ৰাজপথত আহি কা বিৰোধিতা কৰিলে। আমি ভাবিছিলো গোৰ্খা লোকসকল

নাহিব, তেওঁলোকেও আহি ওলায় ৰাজপথত আন্দোলন কৰিছে। আমি ভাবিছিলো পাঞ্জাৱী লোকসকল নাহিব, কিন্তু তেওঁলোকেও ওলাই আহিছে। অসাংবিধানিক, অসম চুক্তি বিৰোধী C(A)A, যাক লৈ আমি বিভিন্ন জনে প্ৰস্তাৱ চৰকাৰী পক্ষৰ পৰা আনিব কৈছে আমি তাত সমৰ্থন জনাম বুলি আমি মত পোষণ কৰিছিলো। এতিয়া আমি দলৰ ফালৰ পৰা আৰু মই ব্যক্তিগত ভাবেও বিচাৰো যে C(A)A বিৰোধিতাৰে আজিৰ এই পৱিত্ৰ বিধান সভাত কেৰেলা আৰু আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয় বিধান সভাৰ শাসক বিৰোধীয়ে মিলি পেলায় C(A)A বিৰোধিতাৰে তেওঁলোকে প্ৰস্তাৱ গ্ৰহণ কৰিছিলে। আমি অসমৰ ৰাইজৰ কণ্ঠ শুনি, অসমৰ ৰাইজক সন্মান জনাই এটা উদাহৰণ ৰাইজৰ স্বাৰ্থ্যত, অসম আই মাতৃৰ স্বাৰ্থ্যত আমি দিয়াটো বিচাৰো। সেয়েহে মাননীয় মুখ্যমন্ত্ৰীৰ বক্তব্যত আমি বিচাৰিম যে C(A)A বিৰোধিতাৰে তেওঁৰ প্ৰস্তাৱ দাঙি ধৰাটো। আমি উন্নয়ণৰ কথাতো বিশেষ ক'ব বিচৰা নাই । কোনোবাই কৈছে ৩ বছৰ কেইদিনমান পিছতে ৪ বছৰ হ'ব বিজেপি নেতৃত্বাধীন পৰিৱৰ্তন জাতি-মাটি-ভেটিৰ নামেৰে ৰাইজৰ ভোট লাভ কৰি চৰকাৰী পক্ষত থকা এই চৰকাৰ খনক। ৫ লাখকৈ প্ৰত্যেক বছৰে চাকৰি, ৪ বছৰৰ সমাগত ২০ লাখ চাকৰি হ'ব লাগিছিল । টেট শিক্ষক সকলক নিয়মীয়াকৰণ, স্মাৰ্ট চিটি, গুৱাহাটী খনক হাব কৰাৰ আদি কৰি, ২৪ ঘন্টা বিজুলী, ১০০ খন হাইস্কুল বাগিচাত প্ৰতিষ্ঠা কৰা, এই ৪ বছৰত এখনো হাইস্কুল কৰিলে নে নাই। যদি নাই কৰা ১ বছৰত ১০০ খন হাইস্কুল কৰিব পাৰিবনে ? জিডিপি ৰ হাৰ কমি যোৱাৰ লগে লগে ইয়াত কি পৰিৱেশ হৈছে যে বস্তু বাহানিৰ দাম। ইতিমধ্যে ইয়াৰ বাখ্যা আমি বেলেগকৈ দাঙি ধৰিব নালাগে। চাহ শ্ৰমিকক ৩৫১ টকা হাজিৰা চমক দেখুৱাবলৈ প্ৰথম চৰকাৰে আহি চৰকাৰী কৰ্মচাৰী সকলক খাদী বস্ত্ৰ পৰিধান কৰিবলৈ কোৱা । তেনে বিভিন্ন কথা চাইকেলৰ ঠাইত স্কুটী প্ৰদান কৰিবলৈ কোৱাৰ পৰা আদি কৰি শুনিবলৈ ভাল লগা, অসম মালাৰ পৰা আদি কৰি বিভিন্ন আঁচনিৰ কথা কোৱা হৈছে । কিন্তু আমি কি দেখা পালো অসমত ক্ৰিকেট খেল ইস্ত্ৰী, হেয়াৰ ড্ৰায়াৰ দি পেলায় পিট্চ শুকাইছে বৰ্তমান পৰিৱৰ্তনশীল চৰকাৰ খনে । আমি কি দেখিবলৈ পালো যে আজি অসম চৰকাৰ যদি জৰিত নাই বুলি কৈ দিয়ে তেতিয়া আমি ক'বলগীয়া নাই । আমি ইস্ত্ৰী, হেয়াৰ ড্ৰায়াৰেদি পিট্চ শুকোৱা দেখা পালো। clause-6, committee এখন গঠন কৰা হ'ল সকলোৱে জানে মই চাহ বাগানৰ লোক আৰু গৌৰৱেৰে কওঁ মই চাহ বাগানৰ আদিবাসী লোক। আমাৰ ৮০ লাখৰ ওচৰত লোক জনসংখ্যা আছে। ৩কোটি ৪০ লাখ লোকক ডিভাইড কৰো তেতিয়া আমি পাও 1/4 জনসংখ্যা। কিন্তু clause-6 committee ত আমাৰ চাহ বাগানৰ এজনকো সেই সমিতিত সদস্য দিয়া নহ'ল । হিন্দু বেঙ্গলী সম্প্ৰদায়ৰ লোকৰ এজনো সমিতিত সদস্য দিয়া নহ'ল । এইপিনে সবকা চাথ, সবকা বিকাশ এই কথাবোৰ কোৱা হৈছে। কৰবাত চৰকাৰে কৈছে বেলেগ, কৰিছে বেলেগ । আমি বেলেগকৈ প্ৰমান দিব নালাগে clause-6 committee ত আমাৰ চাহ বাগানৰ এজন, হিন্দু বেঙ্গলী সম্প্ৰদায়ৰ লোক এজনক অন্তৰ্ভূক্ত কৰা নহ'ল । আজি কোৱা হৈছে Advantage Assam কিন্তু দুটা পেপাৰ মিল বন্ধ হৈ আছে । তিনি জন আত্মহত্যা, ৬০ জন ইতিমধ্যে ভালদৰে চিকিৎসা কৰিব নোৱাৰা কাৰণে ইতিমধ্যে মৃত্যুবৰণ কৰিবলগীয়া পৰিৱেশ। মোৰ সমষ্টিত বুঢ়াগোহাই নামৰ এজন ব্যক্তিক মই এম এল ফাণ্ডৰ পৰা টকা দিব গৈ আছো । তাৰ মানুহ জনৰ অৱস্থা নাই। মানুহ জনৰ একেবাৰে শেষ মুহুৰ্ত তেখেত। হাতীশিলা চাহ বাগান, কৰিমগঞ্জ এইটো অক্টোবৰ মাহৰ পৰা বন্ধ হৈ আছে। তাত চাহ বাগানৰ দুৰ্গাপূজাৰ সময়ত বনাচ ও নাপালে আৰু এসপ্তাহৰ হাজিৰাও নাপালে। সেই চাহ বাগানখন ডাঙৰ বাগান। সেই সমষ্টিৰ বিধায়ক শাসক দলৰ বিধায়ক। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিশ্চয় অৱগত আজি ৪

মাহ হৈ গ'ল এই বাগান বন্ধ। এইপিনে ইণ্ডাষ্ট্ৰী বন্ধ হৈ গৈ আছে আৰু Advantage Assam ৰ নামত বিভিন্ন ধৰণৰ চৰকাৰী টকা খৰচ হৈ গৈ আছে। মই বিশেষ আৰু দীঘলীয়া কৰিব বিচৰা নাই, এই চৰকাৰ খনে যদি অসমৰ ৰাইজক ইমানেই গুৰুত্ব দি কাম কৰিছে আজি ১০ মাহ উকলি গ'ল দুজনকৈ মন্ত্ৰীৰ আসন এতিয়াও খালী হৈ আছে কিহৰ কাৰণে। যিটো গণতান্ত্ৰিক দেশৰ ব্যৱস্থাত সংবিধানে কৈছে আমি সকলোকে সুযোগ দিব লাগে। উজনি অসমৰ আহোমৰ এজন মন্ত্ৰীয়ে Scheduled Caste and Scheduled Tribes ৰ ওপৰত Bill pass কৰা হ'ল। কিন্তু এই Scheduled Caste and Scheduled Tribes ৰ দপ্তৰটো আজি ১০ মাহে কিয় মন্ত্ৰীত্ব দিয়া নাই । সবকা চাথ, সবকা বিকাশ বুলি কোৱা হৈছে। কিন্তু কেৱল নিজৰ বিকাশ কৰি থাকিলে কেনেকুৱা হ'ব। অভিজ্ঞতা অৰ্জন কৰিলে বেলেগ বোৰক দিব লাগে । চাহ বাগান বোৰতো দিব লাগিছিল। আজি স্বায়িত্ব শাসিত পৰিষদ সমূহ ঘোষণা কৰা হৈছে । লগতে বহুবোৰ জিলা ঘোষণা কৰা হৈছে। কিন্তু এতিয়ালৈকে সেই জিলাবোৰৰ upgradation ৰ কাৰণে যিবোৰ প্ৰয়োজনীয় ব্যৱস্থা এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই। এইবোৰ কাম-কাজ সম্পূৰ্ণ নকৰাকৈ পুনৰ আকৌ স্বায়িত্ব শাসিত অঞ্চলবোৰৰ ঘোষণা কৰা হৈছে। আমি আদৰণি জনাইছো, আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আমি বিৰোধী যদিও কৈছিলো আৰু জনমুখী কাম বোৰত আমি সমৰ্থন জনাম। আজি কোচ ৰাজবংশী লোক সকলক কমতাপুৰ দিবলৈ ওলাইছে তাৰ কাৰণে আমি ধন্যবাদ জনাইছো। কিন্তু যি এলেকা লৈ দিয়া হৈছে আৰু উন্নতি সাধন কৰাৰ লক্ষ্যৰে যদি সদিচ্ছা আছে, তাত কিন্তু উন্নতি সাধন নহ'ব। কিয়নো কোচ ৰাজবংশী লোকসকল য'ত বেছিকৈ আছে সেইবোৰ অঞ্চলক লৈ গঠন কৰাতো আমি বিচাৰো। গোৱালপাৰা জিলাত যিবোৰ ঠাইক অন্তৰ্ভূক্ত কৰা হৈছে তাৰ পৰিৱৰ্তে BTAD অঞ্চলৰ কাষতে আমি দিয়াতো বিচাৰো । আজি যেনে ধৰণে সন্মানীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বক্তব্যত মোৰ বয়স বহুতে কম বুলি কৈছে আৰু বহুতে কয় মোৰ বয়স হৈছে, দাড়িবোৰ পকীছে। মোৰ বয়স হ'ল ৪২ বছৰ। মই এনেদৰে মন্দিৰ ভঙা, আগতে কোনোবা মুছলমান ৰজাই ভাঙিছিল, হিন্দু ৰজাই ও ভাঙিছিল। অতীতটোক নকৈ বৰ্তমান সাম্প্ৰতিক C(A)A বিৰোধী আন্দোলনটোক এটা বেলেগ দিশত লৈ যোৱাৰ পোষকতা অনুভৱ কৰিছো। মুছলমান সম্প্ৰদায়ৰ লোকৰ ওপৰত বিভিন্ন ধৰণৰ যে বক্তব্য ৰাখি এনেধৰণৰ এটা কথা ক'বলৈ বিচাৰিছে যে এই যুজটো হিন্দু-মুছলমানৰ মাজত যাতে নকৰে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰীক পুনৰবাৰ হাতজোৰ কৰিছো । C(A)A বিৰোধিতাৰ বাবে কেৰেলা, মেঘালয় আদি ৰাজ্যৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই সময়ত তেওঁলোকৰ মুখ্যমন্ত্ৰীয়ে C(A)A বিৰোধিতা বাবে উদ্যোগ গ্ৰহণ কৰিছিল। গতিকে আমাৰ মুখ্যমন্ত্ৰীও এই C(A)A বিৰোধিতাৰ বাবে উদ্যোগ লোৱাৰ বাবে মই অনুৰোধ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** সঞ্জয় কিষাণ ।

**শ্ৰী সঞ্জয় কিশান (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ সমৰ্থন জনাই দুটামান কথা ক'ব বিচাৰিছো। ইতিমধ্যে যথেষ্ট কথা শুনিছো আৰু এটা কথা আমি উপলব্ধি কৰিছো যে যিদৰে এই কেব আন্দোলনটোক লৈ বিশেষ ভাৱে এচামে নিজৰ ৰাজনীতিৰ ৰুটি সেকিবৰ কাৰণে উঠিপৰি লাগিলে, আজি দুখ লাগিছে যে বিধান সভাত ও এনেধৰণৰ কিছুমান ভুল ব্যাখ্যা কৰা হৈছে। এইটো অতি পৰিতাপৰ বিষয়। যিয়ে নহওঁক আজি আমি গৌৰৱেৰে ক'ব পাৰিছো যে আমাৰ চৰকাৰে আজিৰ তাৰিখত যিবিলাক কাম কৰিলে তাৰে মই দুটামান কথা কৈ দিব বিচাৰিছো। আজি সৰ্ব্বপ্ৰথমে ৭০ বছৰ কংগ্ৰেছৰ শাসন কাৰ্য্যকালত আমি শ্ৰমিক সকলক পকী

ৰাস্তা এটা দিব নোৱাৰিলো। আজি মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে তেখেতে ২০০ কোটি টকা খৰছ কৰি আমাৰ মা-দেউতা সকলক প্ৰথমবাৰৰ কাৰণে জীৱনত তেওঁলোকে লাইনৰ ৰাস্তাটোত পকাৰে খোজ কাঢ়িবৰ বাবে সক্ষম হৈছে। এইটো এইকাৰণে হৈছে অধ্যক্ষ মহোদয়, দিল্লীৰ পৰা যিবিলাক পইচা আহিছে ইয়াক আমি সৎব্যৱহাৰ কৰিছো। দিল্লীৰ পৰা পইচা আহোতে ৰাস্তাত কোনো ফুটা নাই যিবিলাক ফুটা নোহোৱাৰ কাৰণে আজি শ্ৰমিক ৰাইজে এই সুবিধা সমূহ পাবলৈ সক্ষম হৈছে। আজি আমি ২০০ ছাত্ৰীক জি এন এম পঢ়াবৰ কাৰণে সক্ষম হৈছো আৰু ৬০ শতাংশ নম্বৰ পোৱা ছাত্ৰীক স্কুটী দিবলৈ সক্ষম হৈছো। আগতেও এইবিলাক টকা আহিছিল কিন্তু আগতে এইবিলাক কাম কৰা নহ'ল। মই মাননীয় বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেত চাহ-জনগোষ্ঠীৰ কাৰণে দৰদী। তেওঁ ইতিমধ্যে যিসকল শ্বহীদ হৈছে তেওঁলোকৰ কথা ও কৈছে। মই মাননীয় বিধায়ক কুৰ্মী ডাঙৰীয়াক এটা কথা মনত পেলাই দিব বিচাৰিছো যে মোৰ সমষ্টিৰ কেহেং চাহবাগিচাৰ নাৰায়ণ খাৰিয়াক জীয়াই জীয়াই জ্বলাই দিয়া হ'ল আন্দোলন কাৰীৰ যোগেদি। তেওঁৰ কথা কিন্তু এতিয়ালৈকে কোনো এজন বক্তাই উপলব্ধি নকৰিলে। নাৰায়ণ খাৰিয়াই কাৰ কি ক্ষতি কৰিছিল? আমি আজিলৈকে যি কাম কৰিছো অধ্যক্ষ মহোদয়, অসম মাতৃৰ সেৱাৰ বাবে নিষ্ঠা আৰু সততাৰে আমি কাম বিলাক কৰিছো। আমি যিবিলাক ৰাস্তা বনাইছো সততা আৰু নিষ্ঠাৰে ৰাস্তাৰ কাম বিলাক কৰাৰ কাৰণে ৰাস্তা বিলাকৰ কাম বিলাক সম্পূৰ্ণ হৈছে। কিন্তু গোটেই ৰাস্তা বিলাক টায়াৰ জ্বলাই নষ্ট কৰি দিয়া হ'ল। আমি এফালে কৈ আছো জয় আই অসম। কিন্তু অসম মাতৃৰ কৰ'বাত আমি হাতখন আৰু কৰ'বাত আমি ভৰি খন নষ্ট কৰি পেলাইছো। মোৰ এটা অফিচ জ্বলাই দিয়া হ'ল। এখন পঞ্চায়তৰ অফিচ জ্বলাই দিয়া হ'ল। ইতিমধ্যে আমি দেখিছো তাত এজন বিৰোধী দলৰে নেতা জড়িত। আজি ডি চি অফিচ ভাঙোতেও এজন বিৰোধী দলৰে নেতা জড়িত। তেওঁ আজি হাতে-লোটে ধৰা পৰি এতিয়া জেলত থাকিব লগীয়া হৈছে। আজি তেখেত সকলে যিবিলাক কথা কৈছে, তেখেত সকলে অসমত শান্তিৰ পৰিবেশ এটা অনাৰ বাবে অলপ চেষ্টা কৰিলে অসমত শান্তিৰ পৰিবেশ ঘূৰি আহিলে হেতেঁন। কিন্তু তেওঁলোকৰ নেতা সকলেই আজি হাতে-লোটে ধৰা পৰিছে। গতিকে আমি কিয় নাভাবিম যে এই আন্দোলনটোত তেওঁলোকৰ নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে কিছুমান কাম কিছুমান মানুহে কৰিলে। এইটো কৰিব নাপায়। অসমৰ পৰিস্থিতি লৈ আমি সকলোৱে শান্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে আঁচলতে কাম কৰা উচিত এইটো সময়ত। মই এইটো আশা কৰিছো। আমাৰ এ আই ইউ ডি এফ দলৰ ফালৰ পৰাও বহুত ধৰণৰ কথা কোৱা হ'ল। মই কেইদিন মানৰ পৰা এটা আশংকাত ভুগিছো দুদিনমান আগতে মই এটা ভি ডি অ' চালো আৰু এই ভি ডি অ' টোত এ আই ইউ ডি এফৰ এজন প্ৰাক্তণ বিধায়কে কৈ আছে যে আমি যিমান বিলাক মাইন'ৰিটী মুছলিম অসমত আছো আমি প্ৰত্যেকেই বহুত অশান্তিত ভুগিছো। সেইটো সঁচা কথা হয় জানো অধ্যক্ষ মহোদয়? তেখেতে কৈছে যে আপোনালোকে ৭০ বছৰ অশান্তিত ভূগিলে আৰু ৩০ বছৰ ধৈৰ্য্য ধৰক। আপোনালোকে অশান্তি ভুগিব লাগিব। ৩০ বছৰ পাছত এখন মুছলিম ৰাষ্ট্ৰ হ'ব আৰু অসমৰ মানুহখিনিক আমি ব্ৰহ্ম দেশলৈ খেদি দিম। এইটো তেখেতৰ ভাষ্য। এই পবিত্ৰ সদনত যিসকলে আমি অসমৰ হিতৰ কাৰণে চিন্তা কৰো তেখেতসকলৰ মুখত যদি এনেধৰণৰ কথাবিলাক ওলাই তেতিয়াহ'লে অসমৰ ৰাইজে কিয় আশংকাত ভুগিব লগীয়া নহ'ব। ইতিমধ্যে কোৱা হৈছে যে ১ কোটি ৫০ লাখ মানুহ বাগানত প্ৰৱেশ কৰিব আৰু তেওঁলোকে চাকৰি লৈ যাব, ঘৰ লৈ যাব এনেধৰণৰ কথা আমাৰ বাগিচাত অনুষ্ঠিত কংগ্ৰেছৰ সভাত কোৱা হৈছে। এনেধৰণৰ আশংকা মানুহখিনিক দিয়া হৈছে

শ্ৰমিক ৰাইজ সকল যথেষ্ট আশংকাত ভুগিছে। পৰিতাপৰ বিষয় যে আজি আমি সদনত এই কথাখিনি ক'বলৈ বাধ্য হৈছো। চাহবাগিচাত যদি এটা ঘৰ বনাব লগীয়া হয় বা ৰাস্তা বনাব লগীয়া মেনেজাৰৰ এন অ' চি নাপালে ঘৰ, ৰাস্তা নহয়। তেনেক্ষেত্ৰত ভুৱা প্ৰচাৰ চলোৱা হৈছে যে অসমৰ চাহবাগিচা সমূহত ডেৰকোটি বাংলাদেশী আহি ঘৰ, চাকৰি আদি লৈ ল'ব। এই হোজা মানুহখিনিক আজি ৭০ বছৰে অন্ধকাৰত ৰখা হ'ল, বঞ্চিত কৰা হ'ল। আজি এইখন চৰকাৰে তেখেত সকলৰ কাৰণে আন্তৰিকতাৰে কাম কৰিছে। অনান্য জনগোষ্ঠীৰ লগত তেওঁলোকে সমানে খোজকাঢ়িবলৈ সক্ষম হৈছে। চাহ জনগোষ্ঠীৰ লোকসকল আজি বি জে পি ৰ সপক্ষে থিয় হৈছে আৰু তেনে অৱস্থাত তেওঁলোকে এইটো সুযোগলৈ নিজৰ ৰাজনীতিৰ সুযোগ ল'ব বিচাৰিছে কিন্তু এইটো কেতিয়াও নহ'ব আৰু অসমৰ ৰাইজে ইয়াৰ বিচাৰ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অতি চমুকৈ দুটামান কথা ক'ব বিচাৰিছো। মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই তেখেতৰ বক্তব্যত আমাৰ বাঘবৰৰ সমষ্টিকে আদি কৰি কেইবাটাও অঞ্চলৰ ভাষা ভিত্তিক জনগাৰ্থনিৰ পৰিৱৰ্তনৰ কিছু পৰিসংখ্যা দিছিলে। বাঘবৰৰ সমষ্টিত কোৱা হৈছিলে যে অসমীয়া, বঙালী ভাষীৰ সংখ্যা ১৫ হাজাৰতকৈ ২ লাখ ৯০ হাজাৰলৈ বৃদ্ধি হ'ল আৰু অসমীয়া ভাষীৰ সংখ্যা লাখৰ পৰা আহি কেইবা হাজাৰতহে কমিলে। এইটো বাঘবৰৰ সমষ্টিৰ তথ্য। মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ এই সময়ত দিব খুজিছো যে সমষ্টি ভিত্তিত চেনচাচৰ কোনো ধৰণৰ তথ্য নাই। মন্ত্ৰী মহোদয়ে ক'ৰ পৰা এই তথ্য পালে এইটো সদনে বিচাৰ কৰিব। দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, আজি এটা জনগোষ্ঠীক লক্ষ্য কৰি বহু কথা কোৱা হৈ আছে। মই বিশেষ নকওঁ। এটা জনগোষ্ঠীৰ পৰা এই কথাও কোৱা হৈছে যে ভৱিষ্যতে অসমীয়া ভাষা, অসম দেশ খনলৈ বিপদ আহিব। মই কেইটামান তথ্য দিম। মাননীয় অধ্যক্ষ মহোদয়, ১৮৭২ চনৰ পৰা ১৯৩১ চনলৈ লোক পিয়লত যি তথ্য প্ৰকাশ পাইছে অসমীয়া ভাষী মানুহৰ সংখ্যা অসমত কেতিয়াও ৩১ শতাংশৰ ওপৰত যোৱা নাছিল। এইটো প্ৰথম বাৰৰ বাবে ১৯৩১ চনত ৩১. ৪ শতাংশ অসমীয়া ভাষী মানুহৰ সংখ্যা প্ৰকাশ পালে। এই সংখ্যা ১৯৫১ চনত মাত্ৰ ২০ বছৰৰ ব্যৱধানত ৫৬.৭ শতাংশ হ'ল। আজিৰ জিঅ'গ্ৰাফিকেল এৰিয়াত।......

**মাননীয় অধ্যক্ষ ঃ** তেখেতে এটা কথা কৈছে যে আমাৰ আগতে অভিন্ন অসম আছিল। বংগৰ এটা পাৰ্ট অসমত আছিল। আপুনি যিটো ক'লে ৩৭ ৰ যেতিয়ালৈকে আমি আছিলো, অসমক বিভিন্ন সময়ত ভাগ কৰা হৈছে। কেতিয়াবা বংগৰ এটা পাৰ্ট লগাইছে কেতিয়াবা লগোৱা নাই। সেইকাৰণে আপুনি ফিগাৰৰ পৰা কৈছে কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩১.৪ আৰু ৫৬.৭ এইটো আজিৰ জিঅ'গ্ৰাফিকেল এৰিয়াৰ অসমৰ ফিগাৰ। এই যে মাত্ৰ ২০ বছৰত ২৫ শতাংশ বৃদ্ধি পালে what is the magic?

**মাননীয় অধ্যক্ষ ঃ** মেজিকটো এইটো নহয়। আমাৰ টো বৃহৎ বংগবাসী এৰিয়া ওলাই গ'ল।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** এই পৰিসংখ্যা অসমৰ বৰ্তমান ভৌগোলিক আকৃতিৰ ওপৰত।

**মাননীয় অধ্যক্ষ ঃ** এইটো ১৯৩১ চনৰ নহয়, ১৯৫১ চনৰ ফিগাৰহে। ১৯৩১ ত চিলেট আমাৰ পাৰ্ট আছিল। ফিগাৰটো তেখেতে ঠিকেই দিছে। মই তেখেতক কৈছো দেশখন কেনেকুৱা আছিল সেইটো ভাৱিব লাগিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** ১৮৯৯ চনতে হুছেইন আলী চৰকাৰে মৈৰাবাৰীত প্ৰথমখন এই জনগোষ্ঠীটোৰ মাজত অসমীয়া বিদ্যালয় স্থাপন কৰিছিল। ১৯০২ চনত ওছমান আলী সদাগৰে আলীটাঙনিত দ্বিতীয় খন অসমীয়া বিদ্যালয় স্থাপন কৰিছিল আৰু প্ৰথম অসম সাহিত্য সভাৰ অধিবেশনলৈ সেইসময়তে ১০ টকাৰ বৰঙণি দিছিল। মাননীয় অধ্যক্ষ মহোদয়, ১৯৪১ চনৰ চেনচাচৰ পূৰ্বে অম্বিকাগিৰি ৰায় চৌধাৰীৰ আহ্বান মৰ্ম্মে বৰপেটাৰ তেতিয়াৰ দাৰোগ আলী চৰকাৰকে আদি কৰি মুখীয়াল মানুহখিনিয়ে এই জনগোষ্ঠীৰ মানুহখিনিক ১৯৪১ চনত অসমীয়া ভাষাক মাতৃভাষা হিচাপে লিখিবলৈ আহ্বান জনাইছিল। ১৯৩৮ চনত মে' জুন মাহৰ আবাহনত বন্দে আলীমিঞাৰ কবিতা নুহেছ চৰোৱা মই অসমীয়া প্ৰকাশ হৈছিল। সেই সময়তে জ্যোতি প্ৰসাদ আগৰৱালাই অসমীয়া ডেকাৰ উদ্ধৃতিত এই জনগোষ্ঠীটোক ন অসমীয়া হিচাপে স্বীকৃতি দিছিল আৰু কলগছীয়া অধিৱেশনত হোমেন বৰগোহাঞিৰ নেতৃত্বত সেই ন টো আতৰাই এই জনগোষ্ঠীৰ মানুহক অসমীয়া হিচাপে স্বীকৃতি দিছিল। আমি শ্বহীদ মজামিল হকৰ কথা অকল জানো, ভাষা আন্দোলনৰ কাৰণে শ্বহীদ হোৱাৰ বাবে কিন্তু খাৰুপেটীয়াৰ জংঘলপাৰাৰ উমাৰ আলী আৰু জহৰ আলীও অসমীয়া ভাষাৰ কাৰণে শ্বহীদ হৈছিল আৰু সেই উমৰ আলীক আছুও ভাষা আন্দোলনৰ শ্বহীদ হিচাপে স্বীকৃতি দিছিল। এই যে ১৯৫১ চনত ৫৬ শতাংশলৈ অসমীয়া মানুহৰ সংখ্যা বৃদ্ধি পালে তাৰ অন্তৰালৰ কাহিনী হ'ল এই জনগোষ্ঠীৰ মানুহবোৰে স্বতস্ফুত ভাৱে ইছলামত যিটো কথা আছে তুমি যি দেশত যোৱা সেই দেশৰ ভাষা সংস্কৃতি গ্ৰহণ কৰিবা তেতিয়াহে তোমাৰ ইমাম মজবুত হ'ব। Otherwise you are not a Muslim. এই দৰে এই জনগোষ্ঠীৰ মানুহে অসমীয়া ভাষাক স্বতস্ফুত ভাৱে স্বীকৃতি দিছে আৰু আঁকোৱালী লৈছে। আমাৰ নমস্য ব্যক্তি অম্বিকাগীৰি ৰায় চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা আদিৰ দৰে মহান ব্যক্তি সকলৰ যথেষ্ট অৰদান আছে। এই প্ৰচেষ্টাৰ বলতে আজি অসমীয়া ভাষা ঠন ধৰি উঠিছে। আজি কিছুদিনৰ পৰা আমি গোটেই অসমত দেখা পাই আহিছো যে এটা বিষ বাস্প বিয়পি পৰিছে। এই বিষয়ে আমি নিজৰ ভিতৰতে আত্মসমালোচনা কৰা উচিত। ৰাজনীতি আমি কৰিব পাৰো কিন্তু ৰাজনীতিৰ কাৰণে সকলো কৰা ঠিক নহয়। আজি মই বিধায়ক হৈ আছো, হয়তো পিছত মই নাথাকিব পাৰো, কিন্তু মোৰ পৰৱৰ্তী প্ৰজন্মই জাতিৰ প্ৰতি গুৰুত্ব দিয়ে। এই মুছলমান জনগোষ্ঠী আকাশৰ পৰা সৰি পৰা নহয়, তাহানিৰ অভিবক্ত ভাৰতৰ বংগ দেশত আছিল, আৰু তেওঁলোকক বৃটিছ চৰকাৰে মটিভেট কৰি আনিছিল। যে ৫ টকা ৰেলৰ টিকতত গোটেই পৰিয়ালটো যাব পাৰিব। That was the History of family ticket system. তেওঁলোকে আহি আজি অসম খনক শস্যচামলা কৰিলে। তেওঁলোকে অসমক অকল সুজলা সুফলা কৰাই নহয় অসমীয়া ভাষাক চহকী কৰিলে। যোৱা লোক পিয়লৰ সময়ত চৰ চাপৰিৰ সাহিত্যপৰিষদৰ সভাপতি হাফিজ আহমেদে যেতিয়া অসমীয়া ভাষাৰ হকে প্ৰচাৰ চলাইছিল তেতিয়া তেওঁক নিন্দা কৰা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শেষ কৰক, বুৰঞ্জী কৈ থাকিলে শেষ নহ'ব। আপুনি ভাল কথাই কৈছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** Sir, we the muslim community are not Indian by chance, we are Indiand as we had given option in 1947 at the time of partition that who want to live in India they can live or those who want to go to Pakistan they can go. But,our forefather did not go to Pakistan because they loved to India so they did not go to Pakistan, they did not want partition or Jinnah so we the muslim

community should not alaways be blamed and punished as Bangladeshi. আমাক সদায় বাংলাদেশী মিঞা বুলি কৈ থকাটো উচিত নহয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ভাল কথাই কৈছে, কিন্তু ইমান চিঞৰ বাসৰ কিয় ? আপোনালোক জেষ্ঠ্য সদস্য হিচাপে কিয় সময়ৰ কথাটো বুজি নাপায়, সেই কথাটো মই বুজি নাপাও। এতিয়া ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অসমত পোন প্ৰথম বাৰৰ বাবে অতি মৰমিয়াল মুখ্যমন্ত্ৰী হিচাপে সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক পালো, অতি মৰমিয়াল বিত্তমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক পালো। মই এই কথাটো এই কাৰণে কৈছো যে আজি বৰাক ব্ৰহ্মপুত্ৰ পাহাৰ ভৈয়াম আদি সকলোতে যি উন্নয়ন কৰিছে সেই উন্নয়নে সকলোবোৰ ঠাইকে সামৰি লৈছে। আজি মানুহ সকলৰ মুখত হাহি বিৰিঙাবলৈ সক্ষম হৈছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত। আজি শিল্পী সমাজ, সাংবাদিক সমাজ, কৃষক, ছাত্ৰ-ছাত্ৰী, বৃদ্ধ, বিধবা, দিবাংগ সকলৰো মুখত হাহি বিৰিঙাবলৈ সক্ষম হৈছো। ইয়াৰ লগতে মেট্ৰিক পাছ কৰা ১৮ বছৰৰ ওপৰৰ ছোৱলীবিলাকৰ মুখতো হাহি বিৰিঙিয়াবলৈ সক্ষম হৈছে আৰু আমাৰ অসমৰ চাকৰিয়াল সকলৰো মুখত হাহি বিৰিঙিয়াবলৈ সক্ষম হৈছে সপ্তম দৰমহা আয়োগ কাৰ্যকৰী কৰি। লগতে আমাৰ বিধান সভাৰ সদস্য সকলেও সুখী কাৰণ তেখেত সকলৰো বেতন বৃদ্ধি কৰা হৈছে। আমি আজি কাম বিলাক যেনেকৈ কৰি গৈছো বিৰোধী দলৰ বিধায়ক সকলে কয় যে আমি কাম কৰা নাই কিন্তু তেখেত সকলৰ মুখৰ পৰা ওলাই যায় যে বিধায়ক পুঁজিৰ পৰা ৰোগীক সহায় কৰিছো। আজি কোনোবাই ছচিয়েল মেডিয়াত আবদেত দিয়াৰ লগে লগে আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰীয়ে তেখেত সকলক সহায়ৰ হাত আগবঢ়াইছে। প্ৰথম বাৰৰ বাবে ডিব্ৰুগড়ৰ পৰা এজনী কনমানীক হৃদ ৰোগৰ কাৰণে গুৱাহাটীলৈ নিয়াৰ ক্ষেত্ৰত গ্ৰীন কৰিদৰৰ ব্যৱস্থা কৰিছে। আজি মোৰ সমষ্টিৰ আৰু অন্য এগৰাকী বিধায়িকাৰ সমষ্টি সংলগ্ন কৰিবলৈ ধনশিৰি নদীৰ ওপৰত দুখন ডাঙৰ দলং আমাক উপহাৰ দিলে। আমাৰ এটা সমস্যা হ'ল যে বিদেশী চিনাক্ত কৰিব লাগে আৰু বিতাৰণ কৰিব লাগে। সুদীৰ্ঘ ৬ বছৰ অসম আন্দোলন হ'ল তাৰ ফলত অসম চুক্তি হ'ল ১৯৮৫ চনত। তেতিয়া আমি ভাৱিছিলো যে অসমৰ পৰা বিদেশী যাব, কিন্তু দেখা গ'ল যে বিদেশী খেদাৰ ব্যৱস্থা কোনো এখন আগৰ চৰকাৰে নললে। ভাৰত বাংলাদেশ সীমান্ত চীল কৰাৰ নামত কাম আৰম্ভ কৰিলে কিন্তু ইয়াৰ কোনো ফল আজিলৈকে দেখা নগ'ল। এতিয়ালৈকে বহু উনমক্ত এৰিয়া হৈয়ে থাকিল। ২০১৪ চনত নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যেতিয়া প্ৰধান মন্ত্ৰী হিচাপে আহিলে তেতিয়া সকলো বোৰ বস্তু ভালকৈ নিৰক্ষণ কৰিলে আৰু দেখা পালে যে ভাৰত বাংলাদেশ সীমা বিবাদ নিস্পত্তি হোৱা নাই আৰু ইয়াৰ বাবে কোনো চুক্তি হোৱা নাই। যাৰ বাবে আমি বেৰ দিব নোৱাৰো যিবোৰ বিবাদিত অঞ্চল আছে। প্ৰধান সমস্যাটোক উদ্দেশ্য কৰি অসম বাংলা সীমাৰ চুক্তি কৰিলে তাৰ বাবদ কিছু মাটি দিয়া হ'ল আৰু কিছু মাটি ভাৰতে পালে। সেই সময়তো আন্দোলন হৈছিল যে এক ইঙ্গিও মাটি নিদিও বুলি, কিন্তু প্ৰধান যিটো সমস্যা সেইটো সমধান কৰিবলৈ চেষ্টা নকৰিলে। যদি সীমাটোৱে নিৰ্দ্ধাৰণ নহয়, তেনেহলে ক'ত বেৰ দিব ? আৰু আমাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই ২০১৬ চনত অহাৰ লগে লগে প্ৰত্যেক জন বিধায়কক লৈ সীমা অঞ্চলত ভ্ৰমণ কৰালে ২০১৭ চনত। গোটেই সীমাখিনি আমি চাই আহি ৰিপোৰ্ট দিলো আৰু দ্ৰুত গতিত সীমাৰ বেৰৰ কামো আৰম্ভ হৈছে আৰু ২৬৩ কি.মিটাৰৰ ভিতৰত ২০৩ কি.মিটাৰ হৈ গ'ল আৰু ৫৬ কি. মিটাৰ প্ৰায় নদীৰ যিটো অঞ্চল আছে সেইটো আমাৰ গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়াৰ দিনত প্ৰযুক্তি বিদ্যা ব্যৱহাৰ কৰি সীমা বিবাদটো শেষ হ'ব। সীমান্তৰ ২৬৩ কিঃ মিঃ অঞ্চলৰ ভিতৰত২০৩

কিঃ মিঃ অঞ্চলত কাটা টাৰৰ বেৰা নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ যায়, কেৱল নদী অঞ্চলৰ কামহে বাকী আছে। এই বিষয়টোৰ সন্দৰ্ভতো আমাৰ দেশৰ গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়াৰ তৎপৰতাত ইজৰাইলৰ প্ৰযুক্তিৰ আধাৰত সেই অঞ্চলসমূহত বেৰা নিৰ্মাণৰ কাম কৰি থকা হৈছে। সেইকাৰণে মই ভাবো এতিয়া প্ৰব্ৰজনো কম হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আগতে বাংলাদেশৰ পৰা অসমলৈ বহুতো বিদেশী নাগৰিকৰ প্ৰব্ৰজন ঘটিছিল। কিন্তু এতিয়া এই প্ৰব্ৰজনকাৰী সকলে পুনৰ বাংলাদেশলৈ উভতি যাবলৈ প্ৰয়াস কৰিছে। এই কথাখিনি বাংলাদেশৰ গৃহমন্ত্ৰীয়ে যোৱা সপ্তাহত এক প্ৰেছমিটত উল্লেখ কৰে। এইটো পোন প্ৰথমবাৰৰ বাবে অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত থকা চৰকাৰৰ দিনতেই সম্ভৱ হৈছে।সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ অসমৰ প্ৰতি থকা মৰম-প্ৰীতিৰ বাবেই এইবিলাক সমস্যা সমাধান কৰিব পাৰিছে আৰু নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ দিনতেই এই সমস্যা সমাধান হ'ব। আমি আশা ৰাখিছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম তথা অসমৰ ৰাইজৰ উন্নতিৰ হ'কে সদায় কাম কৰি যাব আৰু আগন্তুক দিনতো অসমৰ ৰাইজক লগত লৈ অসমৰ উন্নতিৰ হ'কে কাম কৰি যাব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। "জয় আই অসম", "জয় হিন্দ"।

**শ্ৰী ৰাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো, আমাৰ এজন মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি কিছুদিনৰ আগতে এখন ৰাজহুৱা সভাত বক্তব্য ৰাখোতে ষ্পষ্টভাৱে দুবাৰ ৰিপিট কৰিছে যে 'কংগ্ৰেছ দলৰ ৯০ শতাংশ বিধায়ক বাংলাদেশী'। তেখেতে বাংলাদেশী মূলৰ বুলি কোৱা নাই,বাংলাদেশী বুলি কৈছে। এই কথাষাৰ এবাৰ নহয় দুবাৰকৈ তেখেতে উচ্চাৰণ কৰিছে। গতিকে মই এই বিষয়টোৰ ওপৰত এটা স্পষ্টিকৰণ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** I have received one application on that matter. এইটো মই পিছত চাম। Now Chief Minister, please.

**শ্ৰী সৰ্বানন্দ সোণোৱাল (মাননীয় মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সন্দৰ্ভত শাসক-বিৰোধীৰ মাননীয় বিধায়ক ড° ৰণোজ পেগু, দেৱব্ৰত শইকীয়া, ইমানুৱেল মুছাহাৰী, হাফিজ বছিৰ আহমেদ, ড° হিমন্ত বিশ্ব শৰ্মা, তৰুণ গগৈ, আমিনুল ইছলাম, অজন্তা নেওঁগ, প্ৰদীপ হাজৰিকা, মামুন ইমদাদুল হক চৌধুৰী, বিমল বৰা, ৰকিবুল হুছেইন, সুমন হৰিপ্ৰিয়া, ৰফিকুল ইছলাম, কমলাক্ষ দে পুৰকায়স্থ, আনোৱাৰ হুছেইন লস্কৰ, ৰূপজ্যোতি কুৰ্মী, সঞ্জয় কিষাণ, শ্বেৰমান আলী আহমেদ, ড° নোমল মমিনে অংশ গ্ৰহণ কৰাৰ বাবে মই পোন প্ৰথমে সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এদিনীয়া অধিৱেশন আৰু এই অধিৱেশনত বহুধৰণৰ চিটুৱেশ্যনৰ সৃষ্টি হ'ব বুলি সকলোৱে ভাবিছিল। কিন্তু যিকি নহওঁক এই পৱিত্ৰ সদনৰ সকলো শাসক-বিৰোধী বিধায়কৰ আন্তৰিক প্ৰচেষ্টাত আজি আমি অসমৰ জন-গণক এটি ভাল বাৰ্তা দিবলৈ সক্ষম হৈছো । আমি সকলো বিষয়তে আন্তৰিকতাৰে, গণতান্ত্ৰীক দৃষ্টিভঙ্গীৰে, ইতিবাচক দৃষ্টিভঙ্গীৰে আলাপ-আলোচনা কৰি আমাৰ এই পৱিত্ৰ সদনৰ মৰ্যাদা বৃদ্ধি কৰাৰ বাবে সংকল্পবদ্ধ। গতিকে মই সেইবাবে পুনৰবাৰ সকলোকে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, উপাধ্যক্ষ ডাঙৰীয়া আৰু বিৰোধী দলৰ দলপতিক মই বিশেষভাৱে জনাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া,অসমৰ জন-গণে বিচাৰিছিল যে নাগৰিকত্ব সংশোধনী বিল, ২০১৬ খনৰ সন্দৰ্ভত বিধান সভাৰ মজিয়াত আলাপ- আলোচনা হোৱাটো উচিত। কাৰণ অসমৰ শান্তিপ্ৰিয় জন-গণে সদায় গণতন্ত্ৰক বিশ্বাস কৰি আহিছে, অহিংসা নীতিৰে জীৱন নিৰ্বাহ কৰাৰ বাবে প্ৰতিজ্ঞাহবদ্ধ

হৈ আহিছে। আহিছে। গতিকে সেইবাবে আজি মুকলিমন লৈ সকলোৱে নিজা দৃষ্টিভংগীৰে বক্তব্য প্ৰদান কৰাৰ বাবে অসমৰ জন-গণে এটা সুস্পষ্ট দৃষ্টিভঙ্গী এই পৱিত্ৰ সদনৰ পৰা বুটলিবলৈ সক্ষম হৈছে। আজি আমি বিজেপি নেতৃত্বাধীন চৰকাৰখনে তিনি বছৰ ছয়মাহ কাল সম্পূৰ্ণ কৰিলো। আপোনালোকে বিশেষকৈ বিৰোধী দলৰ বিধায়ক সকলেও এই চৰকাৰখনৰ কাৰ্যকাল এই পৰ্যন্তলৈকে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত যিখিনি সহায়-সহযোগিতা আগবঢ়ায় আহিছে তাৰ বাবে আমি আপোনালোকৰ ওচৰত কৃতজ্ঞ। আগন্তুক দিনটো এনধৰণে আমি অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকৰ বৃহত্তৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে কাম কৰি যাব লাগিব। সেইটোৱে হৈছে বাস্তৱ পথ। ইয়াৰ বিকল্প থাকিব নোৱাৰে। আমি সকলোৱে নিজ নিজ সমষ্টিত জন-গণক এটি বিশেষ প্ৰতিশ্ৰুতি দি পৱিত্ৰ সদনত প্ৰৱেশ কৰিছো। জন-গণে বিচাৰে যে তেখেতসকলৰ মৌলিক সমস্যাবিলাক সমাধান হওঁক আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ধাৰা শক্তিশালীৰূপত হোৱাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিয়ে শক্তিশালী ভূমিকা ইতিবাচক দৃষ্টিভঙ্গীৰে পালন কৰক। এইখিনি জন-সাধাৰণৰ মনৰ কথা আৰু এই কথাবিলাক অনুধাৱন কৰিবলৈ পাৰিলেহে প্ৰকৃত জনপ্ৰতিনিধি। প্ৰকৃত জনপ্ৰতিনিধি সেইজনকে কোৱা হয়, যি জন-সাধাৰণৰ হৃদয়ৰ আৰ্তনাদ উপলব্ধি কৰিবলৈ সক্ষম হয়। গতিকে এইবাবে মই বিশ্বাস ৰাখিছো যে আগন্তুক দিনত আমাৰ সকলোৰে যিখিনি দায়িত্ব,কৰ্তব্য আছে, সেইখিনি আমি নিষ্ঠাৰে পালন কৰিব লাগিব। এই পৱিত্ৰ সদনৰ ভিতৰত শাসক-বিৰোধী একাকাৰ হৈ কাম কৰিব লাগিব। কাৰণ অসমৰ উঠিঅহা প্ৰজন্মক আমি ভাল ভৱিষ্যতৰ গৰাকী কৰি তুলিবলাগিব, একোগৰাকী আদৰ্শ নাগৰিক হিচাপে তেখেতসকলক গঢ় দিবলাগিব। এই হিমালয়সদৃশ দায়িত্ব পালন কৰাৰ বাবে আমাৰ উল্লেখযোগ্য ভুমিকা আছে আৰু থাকিব। এই দায়িত্বৰ পৰা আমি কোনোৱে পলাই যাব নোৱাৰো। গণতন্ত্ৰত বিভিন্ন সময়ত for the motion, against the motion হয় । এইটো এটা গণতন্ত্ৰৰ ধৰ্ম। গতিকে এই কথাটো আমি নিষ্ঠাৰে, শান্তিপূৰ্ণভাৱে, গণতান্ত্ৰিক দৃষ্টিভঙ্গীৰে আমি পালন কৰিব পাৰো। আমি বিভিন্ন ধৰণৰ বিতৰ্কত লিপ্ত হ'ব পাৰো, কিন্তু সেই বিতৰ্কৰ পৰা জন-গণে শিকিবলগীয়া কথা থাকিব লাগিব। সেই বিতৰ্কৰ পৰা উৎপত্তি হ'বলাগিব শুভবুদ্ধি, বুদ্ধিমত্বা আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে নতুন দিগন্ত। গতিকে এইখিনি মানৱীয় শক্তি আমি নিশ্চিতভাৱে এই পৱিত্ৰ সদনৰ পৰাই উৎপাদন কৰিব লাগিব আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে। সেয়েহে আজি এই পৱিত্ৰ সদনত মই মাননীয় অধ্যক্ষ ডাঙৰীয়া, উপাধ্যক্ষ ডাঙৰীয়াকে ধৰি সকলোকে আহ্বান জনাওঁ যে আমি আগন্তুক দিনত অসমৰ বুকুত যিকোনো কষ্ট আৰু ত্যাগৰ বিনিময়ত সুস্থ-সবল শৈক্ষিক পৰিৱেশ জীয়াই ৰাখিবই লাগিব, কাৰণ শিক্ষা অবিহনে কোনো ব্যক্তি, কোনো সমাজ, কোনো ৰাজ্য, কোনো ৰাষ্ট্ৰ শক্তিশালী হ'ব নোৱাৰে। উঠি অহা প্ৰজন্মই আগন্তুক দিনত এই প্ৰতিযোগিতাৰ পৃথিৱীত অৱতীৰ্ণ হৈ সুখ্যাতিৰে সফলতা অৰ্জন কৰাৰ বাবে নিশ্চিত ভাৱে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বত যোগ্যতা আৰু দক্ষতা গঢ় দিব লাগিব আৰু সেইখিনি কৰিবলৈ হ'লে ল'ৰালি কালৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক সুস্থ-সবল শৈক্ষিক পৰিৱেশ দিব লাগিব। কিন্তু, এই C(A)A ৰ সন্দৰ্ভত যোৱা ১০ ডিচেম্বৰৰ পৰা কেইটামান দিন অসমত যি আতংকময় পৰিস্থিতিৰ উদ্ভৱ হৈছিল, অসমৰ কোনো শান্তিপ্ৰিয় জনতাই তেনে পৰিস্থিতিৰ কামনা নকৰে। কিয়নো এই পৰিস্থিতিৰ যোগেদি কোনো ব্যক্তিয়ে গঢ় লৈ উঠিব নোৱাৰে, কোনো জাতিৰ ভৱিষ্যত নিৰ্মাণ হ'ব নোৱাৰে । অসমৰ বুকুয়েদি বহু গণতান্ত্ৰিক আন্দোলন অতিক্ৰম কৰিছে আৰু এই গণতান্ত্ৰিক আন্দোলনত অংশগ্ৰহণ কৰা বহু ব্যক্তি জীয়াই আছে । তেনে শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনত ভাগ লোৱা অভিজ্ঞ ব্যক্তি হিচাপে বহু লোক যোৱা ডিচেম্বৰ মাহৰ ১০, ১১ আৰু ১২

তাৰিখৰ দৃশ্যপট দেখি হতাশ হৈছে। এই তিনিটা দিনৰ হিংসাত্মক বাতাৱৰণ তথা আতংকময় পৰিস্থিতিত দুৰ্ভাগ্যবশতঃ যি ৫ গৰাকীকৈ লোক মৃত্যুমুখত পৰিলে, তাৰ বাবে আমি দুখ প্ৰকাশ কৰিছো। কিন্তু, যি পৰিস্থিতিৰ উদ্ভৱ হৈছিল তাৰ দৃশ্য বিভিন্ন ভিডিঅ' ক্লিপিঙত ইতিমধ্যে সংৰক্ষণ কৰা হৈছে আৰু সেইবোৰ আপোনালোক সকলোৰে দেখা পাইছে, তাত কোনো ধৰণৰ লুকাব লগীয়া কথা থাকিব নোৱাৰে। সেই দৃশ্য দেখি প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰশ্ন কৰিছে যে এনে ধৰণৰ পৰিস্থিতি কিয় হৈছে? আগতেও বিদেশীৰ বিৰুদ্ধে ছয় বছৰীয়া গণ আন্দোলন হৈছিল, কিন্তু তাত এনে ধৰণৰ পৰিস্থিতি কোনোৰে দেখা নাছিল। সেই আন্দোলনৰ সময়তো অসম বন্ধ, পিকেটিং, সত্যাগ্ৰহ হৈছিল, যিবোৰ স্বাভাৱিক। গণতন্ত্ৰত, অসম বা ভাৰতবৰ্ষৰ যিকোনো প্ৰান্তত থকা কোনো ব্যক্তি বা কোনো সমাজে তেওঁলোকৰ মনৰ ক'বলগীয়া কথাখিনি যুক্তিসহকাৰে উপস্থাপন কৰে। কিন্তু, এনে ধৰণৰ আতংকময় পৰিস্থিতিৰ উদ্ভৱ হ'লে সমাজখন ভাবিব নোৱাৰাকৈয়ে ক্ষতিগ্ৰস্ত হয় আৰু তাৰ ফলত উঠি অহা প্ৰজন্মৰ মনত যি নেতিবাচক প্ৰভাৱ পৰিব, সেই প্ৰভাৱৰ পৰা তেওঁলোকে কেনে ধৰণেৰে পৰিত্ৰাণ পাব সেই কথা আমি ১২৬ গৰাকী সদস্যই অসমৰ বৃহত্তৰ স্বাৰ্থত গভীৰভাৱে ভাবিব লাগিব। মনৰ পৰা সেই ভয় লগা দৃশ্যটো আঁতৰ কৰিবলৈ হ'লে বহু কষ্ট স্বীকাৰ কৰিব লাগিব। মোৰ লগতে আজি সদনত বহি থকা সকলোৱে অসমৰ ভূমি পুত্ৰ কাৰণেই প্ৰতিনিধিত্ব লাভ কৰিছো। গতিকে আজি এই মূহুৰ্তত মোৰ চেতনা আৰু বিবেকে কয় যে তুমি যি স্থান বা গাঁৱত জন্ম লাভ কৰিছা, যিখন সমাজৰ লগত ধূলি-মাকতিৰে উঠি বহি ডাঙৰ-দীঘল হৈছা, যি গৰাকী শিক্ষাগুৰুৰ চৰণত মূৰ দোঁৱাই তুমি পঢ়াশালিত শিক্ষা গ্ৰহণ কৰিছা, সেইখনেই তোমাৰ সমাজ, সেইখনেই তোমাৰ পৃথিৱী। সেইখন পৃথিৱীক বাদ দি তুমি বেলেগ পৃথিৱীৰ কথা ভাৱিব নোৱাৰা। মাতৃভূমি, মাতৃপ্ৰেম, দেশভক্তি এইবিলাক ভাৱনা শক্তিৰ উৎপত্তি ক'ৰ পৰা হয়? এই ভাৱনা শক্তিৰ উৎপত্তি হয় সেই স্থানৰ পৰা য'ত আমি জন্ম লাভ কৰো, যি গৰাকী আইৰ কোলাত আমি ডাঙৰ-দীঘল হওঁ আৰু সেই গৰাকী আই হৈছে অসমী আই। এই অসমী আইক প্ৰতাৰণা কৰাৰ কথা কি যুক্তিত মানুহৰ মনলৈ আহিল, মই ভাৱিবই নোৱাৰো। মই এইবিলাক অধ্যয়ন কৰিছো। আপোনালোকেও অধ্যয়ন কৰিছে। মই কোৱা নাই যে আপোনালোকে অধ্যয়ন কৰা নাই। কিন্তু, আমি দেখিছো, যিহেতুকে C(A)A এখন ৰাষ্ট্ৰীয় আইন, ৰাষ্ট্ৰই এই আইন সম্পূৰ্ণভাৱে ৰূপায়ণ কৰিব। কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে, গুজৰাটৰ পৰা অৰুণাচল প্ৰদেশলৈকে ভাৰত ৰাষ্ট্ৰৰ মানচিত্ৰ সম্প্ৰসাৰিত হৈ আছে । গতিকে এইখন ৰাষ্ট্ৰত C(A)Aখন ৰূপায়ণ কৰা হ'ব। সেইবাবে অসমৰ স্বাৰ্থত, অসমৰ খিলঞ্জীয়া আৰু ভূমি পুত্ৰসকলৰ স্বাৰ্থত আমাৰ মাজত দশক দশক ধৰি যি সকল আছে, যাৰ এতিয়ালৈকে পৰিচয় স্পষ্ট হোৱা নাই, তেওঁলোকে এইখন আইনৰ দ্বাৰা আবেদন কৰাৰ বাবে এটা সুযোগ পাইছে। ইয়াৰ জৰিয়তে তেখেতসকলে মনৰ কথা ক'ব, ভাৰতবৰ্ষৰ নাগৰিকত্ব বিচাৰিব। গতিকে আজিৰ তাৰিখত, আবেদনকাৰীৰ সংখ্যা কিমান হ'ব সেইয়া আনুমানিক হিচাপত ডাঙৰ ডাঙৰ সংখ্যা কোনোবাই ব্যক্ত কৰিব পাৰে, কিন্তু, সেয়া কেৱল আনুমানিক।

আপোনালোকেও জানে যে মুখ্যমন্ত্ৰী হিচাপে আপোনালোকৰ সহযোগত, অসমৰ জনগণৰ আশীৰ্বাদত শপত গ্ৰহণ কৰাৰ পিছত মই মুখ্যমন্ত্ৰীৰ কাৰ্যালয়লৈ যোৱাৰ প্ৰাক্মূহুৰ্তত এন.আৰ.চি.ৰ কাৰ্যালয়ত গৈছিলো। কিয়নো মোৰ মনত এটা সপোন আছিল যে অসম চুক্তিৰ Clause V অনুসৰি Detection, Deletion, Deportation ৰ মৰ্মে যি S.O.P., এন.আৰ.চি. উন্নীতকৰণৰ বাবে নিৰ্ধাৰণ কৰা হৈছিল আৰু মহামান্য উচ্চতম ন্যায়ালয়ৰ বিশেষ তত্বাৱধানত যি এন.আৰ.চি. উন্নীতকৰণৰ কাম আৰম্ভ কৰা হৈছিল, সেইখন এন.আৰ.চি. যদি শুদ্ধ হয়, তেনেহ'লে

প্ৰথমটো D অৰ্থাৎ Detection of illegal migrants ৰ কামটো সম্পূৰ্ণ হ'ব। তাৰ পিছত Detected সকলে নাগৰিকত্বৰ বাবে F.T. ত আবেদন কৰিব। আপোনালোকে জানে, F.T. য়ে যদি তেওঁলোকক বিদেশী বুলি ঘোষণা কৰে, তেন্তে তেওঁলোকৰ উচ্চ ন্যায়ালয়ত আবেদন কৰাৰ উপায় থাকিব আৰু তাৰ পিছত উচ্চতম ন্যায়ালয়ত, এনেদৰে এটা দীঘল প্ৰক্ৰিয়া হ'ব। সি যি কি নহওঁক, আমাৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনৰ প্ৰবল ইচ্ছা যে এন.আৰ.চি.ৰ শুদ্ধ ভাৱে উন্নীতকৰণ যাতে সম্ভৱ হয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেইবাবে মই প্ৰথমে এন.আৰ.চি.ৰ কাৰ্যালয়লৈ গ'লো। তাত মই State Co-ordinator আৰু অন্যান্য বিষয়া কৰ্মচাৰীৰ সৈতে এন.আৰ.চি.ৰ কাম কেনেধৰণে আগবঢ়াইছে সেই বিষয়ত আলাপ-আলোচনা কৰিছো । তাত তেওঁলোকে কৈছে যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা জিলা পৰ্যায়ৰ বা তৃণমূল পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী সকলোৱে যদি নিষ্ঠাৰে সহযোগিতা আগবঢ়ায় তেন্তে নিশ্চিতভাৱে অসমৰ জনগণৰ সহযোগত এখন শুদ্ধ এন.আৰ.চি. হ'ব। গতিকে সেই দৃষ্টি-ভংগী সন্মুখত ৰাখিয়েই আমি কামবিলাক আৰম্ভ কৰিলো আৰু পৰৱৰ্তী সময়ত মই দিয়া এটা বিবৃত্তিৰ সন্দৰ্ভত মহামান্য উচ্চতম ন্যায়ালয়ে কি বুলি observation দিলে আপোনালোক সকলোৱে জানে। State Co-ordinator, NRC আৰু মহামান্য উচ্চতম ন্যায়ালয়ৰ লগতে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই এন.আৰ.চি. ৰ কামবিলাক আৰম্ভ হ'ল। সেই সময়ত আমাৰ ৰাজ্য চৰকাৰৰ কৰণীয় এইটোৱেই আছিল যে আমি ৫৫ হাজাৰ বিষয়া-কৰ্মচাৰীক এন.আৰ.চি. উন্নীতকৰণৰ কামত আগবঢ়াব লাগে আৰু ৰাজ্যখনৰ যিমান পুলিচ ফ'ৰ্চ আছে সেই ফ'ৰ্চ সকলো সময়তে এন.আৰ.চি. উন্নীতকৰণৰ প্ৰক্ৰিয়া আগুৱাই নিয়াৰ ক্ষেত্ৰত আইন-শৃংখলা পৰিস্থিতিটো সঠিক ভাৱে নিয়ন্ত্ৰণ কৰাৰ বাবে নিয়োগ কৰিব লাগে, যিটো আমি নিষ্ঠাৰে কৰিছো। ভাৰত চৰকাৰৰ তৰফৰ পৰাওসময়মতে আৰ্থিক সহযোগীতা আগবঢ়োৱা হ'ল। পৰৱৰ্তী সময়ত কেনেধৰণে আউল লাগিল, আপোনালোকৰ সকলোৰে মনত আছে। সেইবোৰ কথা মই পুনৰ দোহাৰিব বিচৰা নাই। কিন্তু আমাৰ comitment ৰ কথা কৈছো। আজি যদি আমি দ্বায়িত্ব পালোহেতেন, এককভাৱে ৰাজ্য চৰকাৰ যদি কলেহেতেন NRC উন্নীতকৰণৰ সম্পূৰ্ণ দায়িত্ব অসম চৰকাৰৰ, আজিৰ তাৰিখত NRC স্পষ্টভাৱে অসমৰ ৰাইজৰ সন্মুখত, ভাৰতবৰ্ষৰ ৰাইজৰ সন্মুখত শুদ্ধভাৱে আমি প্ৰদান কৰিবলৈ সক্ষম হলোহেতেন। গতিকে আজি কোনোবাই যদি কয়, Clause 5 Assam Accord. চৰকাৰে কৰিবৰ বাবে যিখিনি ইচ্ছা প্ৰয়োগ কৰিছিল আইনগতভাৱে পৰৱৰ্তী সময়ত সেইবিলাকত কেনেধৰণৰ সুবিধা আয়োগ কৰিম, কথাবিলাক আপোনালোক সকলোৱে জানিব। মই এই বিষয়ত বিশেষ আলোচনা কৰিব বিচৰা নাই। যি কি নহওঁক , এইখন চৰকাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আপোনালোকে জানে, তেখেতে ভাৰতবৰ্ষৰ ৭২ বছৰীয়া স্বাধীনতাৰ ইতিহাসত প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী যি গৰাকী প্ৰধান মন্ত্ৰীয়ে অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলক ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় কৰ্মসূচীত অগ্ৰাধিকাৰ দি ইয়াৰ ক্ষীপ্ৰ উন্নয়নৰ বাবে যি দৃষ্টান্তমূলক পদক্ষেপ লৈছিল, সেই কথাবিলাক কিন্তু অসমৰ সকলো মানুহৰে মনত আছে। তেখেতে প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী, প্ৰতি গৰাকী কেন্দ্ৰীয় মন্ত্ৰীক কেইবাদিনৰ মূৰে-মূৰে উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণ কৰি নিজ নিজ বিভাগৰ বিভিন্ন কাৰ্য্যসূচী সময়মতে ৰূপায়ণ কৰি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষীপ্ৰ উন্নয়ণ সম্ভৱ কৰাৰ বাবে নিৰ্দেশ দিছিল। He is the first Prime Minister 72 years independence of India.গতিকে এইগৰাকী মহান ব্যক্তিয়ে এই অঞ্চলক আন্তৰিকতাৰে গ্ৰহণ কৰি এই অঞ্চলৰ উত্তৰণৰ বাবে যিবিলাক পদক্ষেপ লৈছিল, তেখেতে কেৱল মন্ত্ৰী সকলক পঠিয়াইছিল এনে নহয়, লগতে জ্যেষ্ঠ I.S.বিষয়া

সকলোকো মন্ত্ৰী সকলৰ লগে-লগে আহি উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্য সমূহ ভ্ৰমণ কৰি যাতে কোনো ঠাইত আচঁনি বিলাক পৰি নাথাকে তাৰ প্ৰতি দৃঢ়তাৰে কাম কৰাৰ নিমিত্তে নিৰ্দেশনা দিছিল আৰু পৰৱৰ্তী সময়ত ৩ মাহৰ মূৰে-মূৰে review লৈছিল। তেখেতে কৈছিল ইয়াৰ পূৰ্বতে আগৰ চৰকাৰ বিলাকৰ দিনত কি আছিল, যে উত্তৰ পূৰ্বাঞ্চলৰ মন্ত্ৰী হওঁক, বিষয়া হওঁক দিল্লীলৈ গৈ কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাত কৰিবৰ বাবে ১ সপ্তাহ ৰৈ থাকিব লাগিছিল। তেতিয়া মোদী ডাঙৰীয়াই ক'লে নহয়। এইবাৰ গোটেই ৰাজধানী উত্তৰ পূৰ্বাঞ্চললৈ যাব। এইটো অষ্টলক্ষ্মী, উত্তৰ পূৰ্বাঞ্চলৰ উন্নতি হলেহে ভাৰতবৰ্ষ শক্তিশালী হ'ব। গতিকে সেইবাবে উত্তৰ পূৰ্বাঞ্চলক New Engine বুলি আখ্যা দিলে। NE অৰ্থটো এটা নতুন নেতৃত্বক Develop কৰি আমাৰ উত্তৰ পূৰ্বাঞ্চলক প্ৰতি গৰাকী নাগৰিকক ইমান উৎসাহিত কৰিলে, মই সৰ্বানন্দ সোনোৱাল হিচাপে তেখেতৰ বক্তব্যত দুগুন উৎসাহিত হলো। 'NE কা মতলৱ sirf North East নেহি, New Engine হ্যায়' অৰ্থাৎ আধুনিক ভাৰত নিৰ্মাণ প্ৰক্ৰিয়াত

Engine ৰ ভূমিকা পালন কৰিব এই North East য়ে। এই পৰ্য্যন্ত যি গৰাকী মহান ব্যক্তিয়ে দৃষ্টান্তমূলক পদক্ষেপ ল'ব পাৰে, সেইগৰাকী ব্যক্তিয়ে কোনো কাৰণতে উত্তৰ পূৰ্বাঞ্চলক এলাগী কৰিব নোৱাৰে। মই এই কাৰণে এই কথাখিনি কৈছো, আপোনালোকে যুক্তি যুক্ততাৰে গোটেই কথাখিনি বিবেচনা কৰিব। অসম চুক্তি ৬ নং দফা আপোনালোকে জানে প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়া, সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদ, তেখেতসকল আলোচনাত মিলিত হ'ল। ১৯৮৫ চনত এখন চুক্তি স্বাক্ষৰ কৰিছিল, 'অসম চুক্তি' আৰু সেইখন চুক্তিত বহুত দফা সন্নিবিষ্ট কৰা হৈছিল বিভিন্ন প্ৰতিশ্ৰুতিৰে। তাৰ অন্যতম প্ৰতিশ্ৰুতি আছিল ৬ নং দফা সাংবিধানিক ৰক্ষাকবচ অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ বাবে। কিন্তু সেই Clause টো তাত সন্নিবিষ্ট কৰা হ'ল, কেইটামান বাক্য দিয়া হ'ল। কিন্তু পৰৱৰ্তী সময়ত ৩৬ বছৰ ধৰি কোনো চৰকাৰে সেই দফাটো সাংবিধানিকভাৱে কাৰ্য্যকৰী ৰূপ দিয়াৰ বাবে যিখিনি পদক্ষেপ ল'ব লাগিছিল, কোনেও ল'ব নোৱাৰিলে। কিন্তু মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই তেখেতৰ অধ্যক্ষতাত যি কেবিনেট অনুষ্ঠিত হৈছিল নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ, সেই কেবিনেট পৰ্য্যায়ত এখন সমিতি গঠন কৰিলে, যিখন সমিতিত অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ সকলক লৈ সমিতি গঠন কৰিলে Justice Biplab Kumar Sarma ডাঙৰীয়াৰ নেতৃত্বত। বিভিন্ন গৰাকী বিশিষ্ট ব্যক্তিক লৈ এই সমিতি গঠন কৰা হ'ল আৰু এইখন সমিতিক সম্পূৰ্ণৰূপে কৰ্তৃত্ব প্ৰদান কৰা হ'ল Terms of Reference দি। আগন্তুক দিনত যাতে অসমীয়া খিলঞ্জীয়া ভূমিপুত্ৰ সকলক সাংবিধানিক ৰক্ষা কবচ দিব পৰাকৈ কেনেধৰণে ব্যৱস্থা কৰিব পৰা যায় এই কথাখিনিৰ পৰামৰ্শ বিচাৰি সমিতিখনক দ্বায়িত্ব অৰ্পণ কৰিলে আৰু আজিৰ তাৰিখত মই অত্যন্ত আন্তৰিকতাৰে এই কথা সদনত জনাব বিচাৰো যে সমিতিখনে বহু আন্তৰিকতাৰে কামখিনি আগুৱাইছে আৰু সমগ্ৰ অসম তেখেত সকলে ভ্ৰমণ কৰিছে, বৰাক লৈ গৈছে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত গৈ বিভিন্ন দল-সংগঠনৰ সৈতে মত বিনিময় কৰি সকলোৰে মতামত লৈ আজি তেখেতসকলে প্ৰতিবেদন প্ৰস্তুত কৰা চুড়ান্ত পৰ্য্যায়ত উপনীত হৈছে আৰু হয়তো কম দিনৰ ভিতৰত তেখেতসকলে কেন্দ্ৰীয় চৰকাৰৰ লগত মত বিনিময় কৰিব। এই সমিতি প্ৰতিবেদন দাখিল কৰাৰ পাছতেই অসম চুক্তিৰ যিটো হৃদয় বুলি কওঁ Heart of Assam Accord যি বিষয়ক লৈ অসমীয়া জাতিয়ে ৬ বছৰীয়া গণ আন্দোলনত আত্মনিয়োগ কৰিছিল, যি ৬ বছৰীয়া গণ আন্দোলনত ৮৫৫ গৰাকী বীৰ শ্বহীদে মাতৃভূমিৰ বৃহত্তৰ স্বাৰ্থত মৃত্যুক আকোঁৱালি লৈছিল, সেই সকলৰ স্মৃতি, সেই সকলৰ সপোন দিঠকত পৰিণত কৰাৰ বাবে যি

clause এটা গৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিছিল, যোৱা দিন বিলাকত সেই Clause টো কাৰ্য্যকৰী নকৰাৰ বাবে বিভিন্ন চৰকাৰে সেই বিষয়টোক সম্পূৰ্ণৰূপে উপেক্ষা কৰাৰ বাবে কাৰ্য্যকৰী হোৱাৰ পৰা সম্পূৰ্ণৰূপে এই Clause টো আঁতৰত আছিল কিন্তু আজি অসমৰ ৰাইজৰ বৃহত্তৰ স্বাৰ্থত পূৰণ কৰাৰ বাবে নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আজি এই দফা কাৰ্য্যকৰী ৰূপ দি আগন্তুক দিনত অসমীয়া জাতিক সাংবিধানিক ৰক্ষাকবচ প্ৰদান কৰি শিক্ষা , কৃষ্টি, সংস্কৃতি ৰাজনৈতিক অধিকাৰ, স্বাভিমান সম্পূৰ্ণৰূপে সুৰক্ষিত কৰাৰ বাবে অগ্ৰসৰ হৈছে। জাতি, মাটি, ভেটি , সংস্কৃতি সকলোবিলাক নিশ্চিতভাৱে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আমি আগন্তুক দিনত সেই ৰক্ষা কবচ পাবলৈ সক্ষম হম আৰু সেইবাবে মই ভাৱো যে আপোনালোকেও উৎসাহিত হ'ব লাগিছিল আৰু মই ভাৱো যে এইখিনি কাম সম্পূৰ্ণ হওঁতে আমাৰ বীৰ শ্বহীদ সকলৰ আত্মাই চিৰ শান্তি লাভ কৰিছে। গতিকে এইখন চৰকাৰক আপোনালোকে কোনো কাৰণতে অনাহকত সন্দেহ নকৰিব আৰু মই এটা কথা কওঁ, বিৰোধী হলেও আপোনালোকৰোতো দায়িত্ব আছে এইটো নহয় যে কেৱল শাসক গোষ্ঠীৰ দায়িত্ব আছে। জাতি ৰক্ষা কৰা কামত সকলোৰে সম দায়িত্ব আছে। আমি সমূহীয়াভাৱে কাম কৰিব লাগিব। মই ভাৱো জাতিৰ স্বাৰ্থক প্ৰাধান্য দি আপোনালোকে এই যিটো সস্তীয়া ৰাজনীতি পৰিত্যাগ কৰিলে, আপোনালোকেও জনপ্ৰতিনিধি হিচাপে এই মাতৃভূমিক সেৱা প্ৰকৃতাৰ্থত কৰিবলৈ সক্ষম হ'ল। গতিকে অসম চুক্তিক আমি হৃদয়ত স্থান দিছো আৰু আপোনালোকে এতিয়া মই যিটো Clause ৰ কথা ক'বলৈ ওলাইছো, সেই Clause ৰ কথা শুনক, ৭ নং Clause. Economic upliftment. বোধহয়, এই সদনৰ নিয়মমতে অধ্যক্ষ ডাঙৰীয়া, এদিন মই ভাৱো অসম চুক্তিৰ সন্দৰ্ভত এই Clause বিলাকৰ ওপৰত বিতংভাৱে আলোচনা হ'ব লাগে। শাসক-বিৰোধী সকলোৰে মনৰ কথা খুলি ক'ব লাগে। দৰকাৰ আছে। মই ভাৱো যে আজি মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে সকলোকে মই জনাব বিচাৰিছো যে ৭নম্বৰ ক্লজ যিটো Over all Economy Development তাৰ বাবে মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই তেখেতৰ কাৰ্য্যকালত যিবিলাক উল্লেখযোগ্য পদক্ষেপ লৈছে, আজি নুমলীগড় ৰিফাইনেৰী, অসম চুক্তিৰ সাত নম্বৰ দফাৰ ফলশ্ৰুতি। ইয়াৰ লক্ষ্য আছিল যে উৎপাদন শক্তি তিনি মিলিয়ন টন হ'ব, তিনি নিযুত টন পাৰ এনাম। অসমত চাৰিটা শোধানাগাৰ আছে-গুৱাহাটী ৰিফাইনেৰী, নুমলীগড় ৰিফাইনেৰী, ডিগবৈ আৰু বঙাইগাওঁ ৰিফাইনেৰী। এই চাৰিটা শোধানাগাৰৰ উৎপাদন শক্তি যেনেধৰণেৰে নিৰ্ধাৰণ কৰা হৈছিল, ৩ মিলিয়ন NRL ৰ বাবে, ১ মিলিয়ন গুৱাহাটী ৰিফাইনেৰীৰ বাবে, ৬৫ মিলিয়ন ডিগবৈ ৰিফাইনেৰীৰ বাবে আৰু ২.২৫ ৰ B.R.P.L ৰ বাবে। সৰ্বমুঠ প্ৰায় ৭ মিলিয়ন খাৰুৱা তেল আমাক বছৰেকত লাগে। কিন্তু অসমৰ বুকুত অইল ইণ্ডিয়া আৰু অ' এন জি চি দুয়োটা আপষ্ট্ৰীম ক'ম্পেনী। এই খাৰুৱা তেল উৎপাদনৰ ক্ষেত্ৰত আমি আমাৰ চাহিদা মতে আমাৰ যিখিনি খাৰুৱা তেল উৎপাদনৰ প্ৰয়োজনীয়তা আছে, সেইখিনি উৎপাদন কৰিব নোৱাৰাৰ বাবে নুমলীগড় ৰিফাইনেৰী সংকটত পৰিল। কোনো দিনেই আমি পূৰ্বতে নিৰ্ধাৰণ কৰাৰ মতে ৩ মিলিয়ন টন প্ৰডাকশ্বন নহ'ল আৰু সামন্তৰালভাৱে অ' এন জি চি আৰু অইল ইণ্ডিয়া বঙাইগাঁৱতো খাৰুৱা তেল চাপ্লাই দিব নোৱাৰা হ'ল । ফলত সু-দূৰ অন্ধ্ৰপ্ৰদেশৰ পৰা লাভাক্ৰুইজ আনি অৰ্থাৎ imported খাৰুৱা তেল আনি বঙাইগাওঁৰ ৰিফাইনেৰী চলোৱা হ'ল। কিন্তু পূৰ্বৰ কোনো চৰকাৰে এই কথাবিলাক পৰ্য্যালোচনা নকৰিলে। আমি এবাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰিলো। লগত আছিল ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়া। মই ক'লো যে এতিয়া কি হ'ব? নুমলীগড় ৰিফাইনাৰী যদি এইধৰণে

চলি থাকে, তেনেহ'লে এটা সময়ত মৃত্যু মুখত পৰিব আৰু অ' এন জি চিৰ ভাৰিব নোৱাৰাকৈ খাৰুৱা তেল উৎপাদন হ্ৰাস হৈছে। আমাৰ শইকীয়া ডাঙৰীয়াই জানে। একালত অ' এন জি চিৰ এক্সপাৰ্টসকলে কোৱা কথা যে তেওঁলোকৰ ভূ-গৰ্ভৰ তলত যিটো অইল ৰিজাৰ্ভ আছে, তাত ৭০ মিলিয়ন টন খাৰুৱা তেল মজুত আছে। অইল ইণ্ডিয়াৰ তুলনামূলক ভাৱে কম, ৪৫ মিলিয়ন টন। মই এটা সময়ত বিশেষজ্ঞসকলো দিয়া তথ্যৰ ওপৰত ভিত্তি কৰি এটা Article লিখিছিলো। কিন্তু আজি অ' এন জি চি, নাজিৰা বা যোৰহাটেই হওঁক এইবিলাকে উৎপাদন শক্তি বৃদ্ধি কৰিব নোৱাৰাৰ বাবে খাৰুৱা তেল উৎপাদনত বহুত পিছ পৰি থাকিব লগা হ'ল আৰু সামন্তাৰালভাৱে অইল ইণ্ডিয়াই ও একালত ৪ মিলিন টন উৎপাদন কৰা সেই অইল ক'ম্পানীটো আহি ৩.২-৩.৩ আহিবলগীয়া হ'ল। গতিকে এই অৱস্থাটো পূৰ্বৰ চৰকাৰসমূহে যদি পৰ্য্যালোচনা কৰিলে হয়, হয়তো এই অসম চুক্তিৰ ভিত্তিত প্ৰতিষ্ঠা কৰা নুমলীগড় ৰিফাইনেৰী সংকটত নপৰিলে হয়। কিন্তু আমি এই গোটেই কথাখিনি যেতিয়া ক'বলৈ গ'লো, তেতিয়া মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ক'লে যে চিন্তা কৰিব নালাগে। আমি চিন্তা কৰি চাওঁ। তাৰ পিছত এদিন পেট্ৰ'লিয়াম মন্ত্ৰী ডাঙৰীয়াই আমাক ফোন কৰি জনালে যে এটা ভাল খবৰ আছে। ভাল খবৰটো হৈছে যে এতিয়া আজিৰ তাৰিখত সাধাৰণতে আপোনালোকেও জানে যে ৭-৮ মিলিয়ন টন যদি তেলৰ উৎপাদন ক্ষমতা নাথাকে, তেতিয়া সেইটো লাভজনক নহয়। Economically Viable বুলি সেইটো কোনো এক্সপাৰ্টে গ্ৰহণ নকৰে। আমাৰ যিকেইটা ৰিফাইনেৰী, সকলো Bellow Three. গতিকে সেইবাবে ইয়াক লাভজনক কৰি তুলিব লাগিব। উত্তৰ-পূৰ্বাঞ্চলত কেৱল এটাই শক্তিশালী ৰিফাইনেৰী হৈছে, নুমলীগড় ৰিফাইনেৰী। যিহেতু অসম চুক্তিৰ ভিত্তিত শোধানাগাৰটো প্ৰতিষ্ঠা কৰা হৈছিল। গতিকে ইয়াৰ উৎপাদন শক্তি বৃদ্ধি কৰিব লাগিব। সেইবাবে ৩ মলিয়ন টনৰ পৰা ৯ মিলিয়ন টনলৈ ইয়াৰ উৎপাদন শক্তি বৃদ্ধি কৰাৰ সিদ্ধান্ত ল'লে আৰু ইয়াৰ বাবে ৰাজ সাহাৰ্য্য লাগিব ২৩ হাজাৰ কোটি টকা। ইয়াত সু-দূৰ পাৰাদ্বীপ, উড়িষ্যাৰ পৰা নুমলীগড়লৈ পাইপ লাইন ডেভেলপ কৰিবলৈ কনষ্ট্ৰাকশ্যন কৰিব লাগিব আৰু সেই পাইপে দি imported crude আনি উৎপাদন শক্তি ৯ মিলিয়ন টনলৈ বৃদ্ধি কৰি, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিত যাতে শক্তিশালী প্ৰভাৱ পেলাব পাৰে, প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আৰু লক্ষ্য লক্ষ্য দক্ষতা সম্পন্ন যুৱক-যুৱতীয়ে যাতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৰ্ম-সংস্থাপন পাব পাৰে, ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এনেধৰণে এটা ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰাৰ ফলত আজি নুমলীগড় ৰিফাইনেৰী দোপত-দোপে উন্নতিৰ জখলা বগাবলৈ সক্ষম হৈছে। ইয়াৰোপৰি এটা আটাইতকৈ গুৰুত্বপূৰ্ণ খবৰ, যিটো কথা ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে হৈছে অসম চুক্তিৰ সাত নম্বৰ দফাৰ ভিত্তিত। Bamboo Based Ethanol Plant. অৰ্থাৎ Biofuel. বাঁহৰ পৰা তেল উৎপাদন কৰা প্ৰকল্প ভাৰতবৰ্ষৰ বুকুত প্ৰথমটো নুমলীগড় ৰিফাইনেৰীত কনষ্ট্ৰাকশ্যন আৰম্ভ হৈছে। পোন্ধৰ শ কোটি টকা ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰিছে আৰু ইয়াৰ ফলত আমাৰ যিমান খেতিয়ক, গাঁৱৰ ৰাইজ আছে, যিসকলে ট্ৰেডিশ্যনেলী বাঁহ খেতি কৰে, সেইসকলে ইয়াৰ পৰা ভাৰিব নোৱাৰাকৈ লাভান্বিত হ'ব। সেইবাবেই বাঁহৰ খেতি কৰাৰ প্ৰতি যাতে আমাৰ নৱ প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি হয় আৰু বাঁহ ৰুই যাতে আগন্তুক দিনত অৰ্থনৈতিকভাৱে স্বাৱলম্বীতা অৰ্জন কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি তেনেধৰণে এটা উল্লেখযোগ্য সিদ্ধান্ত লোৱাৰ বাবে আজি আমি উদ্যোগ জগতত নতুন দিগন্ত আৱিষ্কাৰ কৰিবলৈ সুযোগ পাইছো। ইয়াৰ পিছত আপোনালোকে জানে যে অসমত প্ৰায়বিলাক উদ্যোগ নেচাৰেল গেচৰ ওপৰত চলে আৰু এই নেচাৰেল গেচ যোগান ধৰে অ' এন জি চি আৰু অইল ইণ্ডিয়াই। আপোনালোকে জানে দুয়োটা

আপষ্ট্ৰীম কোম্পেনী হিচাপে। তেখেতসকলে অইল এক্সপ্ল'ৰেশ্বন, ক্ৰুইড অইল প্ৰ'ডাকশ্যন আৰু গেচ প্ৰ'ডাকশ্যনত আত্ম নিয়োগ কৰে। এইটো Basic Mandate। আজি বহু বছৰৰ পৰা আপোনালোকে দেখিছে যে নামৰূপৰ যিটো ফাৰ্টিলাইজাৰ প্লাণ্ট, এই ফাৰ্টিলাইজাৰ প্লাণ্ট প্ৰায়েই সংকটত পৰে আৰু যেতিয়া খা-খবৰ কৰা হয়, আপোনালেকেও গৈছে বহুতবাৰ, সংকটত পৰাৰ কাৰণ কি? There is a shortage of gas supply. অইল ইণ্ডিয়াই কয় আমি গেচ দিব নোৱাৰো আৰু আমাৰ লাকুৱাত যিটো থাৰ্মেল পাৱাৰ প্লাণ্ট আছে আৰু নামৰূপৰ Gas Based পাৱাৰ প্লাণ্ট আছে, তাতো গেচ যোগান ধৰিব নোৱাৰাৰ কাৰণে সেইকেইটাও যথেষ্ট সংকটত পৰে। ইয়াৰোপৰিও অসমৰ বুকুত প্ৰায় আঠ শ টা ডাঙৰ ডাঙৰ টি ফেক্টৰী আছে। সকলো টি ফেক্টৰী গেচৰ ওপৰত চলে। গতিকে সেইবাবে যদি আমি পৰ্য্যাপ্ত গেচ নাপাওঁ, ভৱিষ্যতে সম্পূৰ্ণভাৱে এই উদ্যোগ জগতখন অন্ধকাৰে গ্ৰাস কৰিব। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত ল'লে অসমৰ বাবে যাতে কোনো কাৰণে গেচ চৰ্টেজ হ'ব নালাগে। সেইবাবে সু-দূৰ বাৰউনীৰ পৰা গুৱাহাটীলৈকে চাৰে পাঁচ হাজাৰ কোটি টকা খৰচ কৰি পাইপ লাইনৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে। ভৱিষ্যতৰ দিনত There will be no crisis of Natural Gas. গতিকে সেইবাবে মই ভাৱো যে এইবিলাক এটা বৈপ্লৱিক পৰিৱৰ্ত্তন আমাৰ জীৱনলৈ আহিছে। ইয়াৰোপৰিও অসম চুক্তিৰ সাত নম্বৰ দফা অনুযায়ী ডিব্ৰুগড় গেচ ক্ৰেকাৰ প্ৰকল্প প্ৰতিষ্ঠা কৰা হ'ল, BCPL, Brhmaputra Cracer & Polymer Limited. এই প্ৰকল্পটো অত দিনে Losing Concern আছিল। সদায়েই লোকচান ভৰিবলগীয়া হৈছিল। কাৰণ Free Stock Subsidy নোপোৱাৰ কাৰণে এই সমস্যা হৈছিল। কেতিয়া মৃত্যু মুখত পৰে তাৰ কোনো ভৰসা নাছিল। এই কথাটো উপলব্ধি কৰি আজি দহ দিনৰ আগতে যিখন কেবিনেট বৈঠক হৈছিল, তাত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ক'লে যে এই বি চি পি এল কোনে পৰিচালনা কৰে? তেতিয়া তেখেতক জনোৱা হ'ল যে Chemical and Fertilizer. কিন্তু Chemical and Fertilizer ৰে এই উদ্যোগটো চলোৱাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। সেইবাবেই এই গোটেই উদ্যোগটো পৰিচালনা কৰাৰ দায়িত্ব নতুনকৈ পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ হাতত হস্তান্তৰ কৰিলে। পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ হাতত যোৱাৰ লগে লগেই এতিয়া এই সংকটৰ ক'লা ডাৱৰ আঁতৰি গ'ল। ইয়াৰ বাবে উদ্যোগটো যাতে অহা পোন্ধৰ বছৰলৈ কোনোধৰণৰ সংকটত নপৰে, তাৰ বাবে ইয়াত Free Stock Subsidy চাৰি হাজাৰ, ছয় শ কোটি টকা ৰাজ সাহাৰ্য্য দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এইবিলাকৰ বিষয়ে আমিতো আলোচনা কৰা নাই। শাসক-বিৰোধী সকলোৰে আলোচনা কৰিব লাগে। এইবিলাকে হৈছে উঠি অহা প্ৰজন্মক দিয়া শুভ বতৰা। আমি সকলোৰে যথেষ্ট ডাঙৰো হ'লো। কিন্তু আমি আমাৰ প্ৰতিটো পদক্ষেপ চিন্তা কৰিব লাগিব। আজি আমাক লৈ চিন্তা কৰিলে বেয়া হ'ব। মই সৰ্বানন্দ সোণোৱালে এতিয়া নিজৰ ভৱিষ্যতৰ কথা ভাৱিব নালাগে। মই ভাৱিব লাগিব উঠি অহা কন-কন ভাইটি-ভণ্টি আৰু যুৱক-যুৱতী সকলৰ সংস্থাপনৰ কথা। আমি সকলোৰে এই কথা ভাৱিবই লাগিব। তেতিয়াহে অসম শক্তিশালী হ'ব। অসম দোপত-দোপে উন্নতিৰ জখলা বগাবলৈ সক্ষম হ'ব। গতিকে এই যুক্তিৰে মই ভাৱো আমি সকলোৰে এই কথাবিলাক গভীৰভাৱে চিন্তা কৰিব লাগিব। লক্ষ্য লক্ষ্য যুৱক-যুৱতীৰ মুখত যেতিয়া হাঁহি বিৰিঙাব পাৰিম, সেইটোৱেই হ'ব আমাৰ ৰাজনৈতিক জীৱনত আটাইতকৈ ডাঙৰ সফলতা। গতিকে সেইবাবে মই ভাৱো যে সাত নম্বৰ দফাক যদি কেনোবাই আটাইতকৈ বেছি প্ৰাধান্য দিছে, সেই গৰাকী মহান নেতাই হৈছে- দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া। মই কিন্তু B J P বুলি B J P

Government ক Glorify কৰিছো এনে নহয়, যুক্তিৰ আধাৰত কৰিছো। যদি এইবিলাক সা-সুবিধা নিদিলে হয়, মই ইমান খিনি গুণানুকীৰ্ত্তন নকৰিলো হয়। তিনি কোটি, ত্ৰিশ লক্ষ্য মানুহৰ স্বাৰ্থত মই এই কথাখিনি কৈছো। ইয়াৰোপৰি আৰু এটা ভাল খবৰ আছে।

North-East gas Grid ইন্দ্ৰধনুজ অৰ্থাৎ ৯,২০০ কোটি টকা এই গুৱাহাটীৰ পৰাই উত্তৰ পূৰ্বাঞ্চলৰ প্ৰত্যেকখন ৰাজ্যৰ লৈ গৈছে পাইপ লাইন দেভলেপ কৰি ঘৰে ঘৰে যাতে গেছ যোগান ধৰিব পৰা যায় ইয়াৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ৯,২০০ কোটি টকা অনুমোদন দিছে। মুঠ ৫৩০০০ কোটি টকা। গতিকে এই কথা বিলাকৰ পৰা শাসক দলৰ মুখ্যমন্ত্ৰী হিচাবে কথাখিনি কোৱা অৰ্থ এইটো নহয় আপোনালোকেও এই সফলতাৰ গৰাকী। মই আপোনালোকক এই হাউচৰ ১২৬ গৰাকী জন প্ৰতিনিধিৰ সফলতা এইটো কেৱল আমাৰ শাসক দলৰ সফলতা বুলি এজিপি, বিপিএফ, বিজেপি, গণশক্তি, তিৱা, ৰাভা, ডিমাচা, কাৰ্বি, ইয়াৰ সফলতা, বুলি কোৱা নাই। আমাৰ সকলোৰে সফলতা, আমি সকলোৰে মিলি এই সফলতাৰ আজি বাতাৱৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছো। গতিকে মই আশা ৰাখিছো যে অসম চুক্তিৰ প্ৰতি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰখনে যিখিনি উদ্যোগ লৈছে, এই উদ্যোগৰ কথা আপোনালোকে বিশ্লেষন কৰিব লাগিব। আমি চৰকাৰ গঠন কৰি আমি ৮৬০ গৰাকী বীৰ শ্বহীদক এককালীন ৫ লাখ কৈ আৰ্থিক সাহ্যৰ্য্য আগবঢ়াইছো আৰু ইয়াৰ উপৰিও যিমান গুলীবৃদ্ধ আছিল, এই গুলীবৃদ্ধ সকলক অতদিনে কোনো চৰকাৰে গুৰুত্ব দিয়া নাছিল। কিন্তু আমি তেখেত সকলকো ২ লাখ টকাকৈ এককালীন আৰ্থিক সাহাৰ্য্য আগবঢ়াওঁ। এই পইচাখিনি দিয়াৰ কাৰনে মই কোনো বাহাদুৰী মৰা নাই, এইটো ৰাইজৰ পইচা। কিন্তু আমাৰ ইয়াত আন্তৰিকতা আছে শ্ৰদ্ধাভক্তি আছে, এই কথাটোৱে ক'ব বিচাৰো। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ সহযোগত তেখেতৰ আন্তৰিকতাত , তেখেতৰ আৰ্শীবাদত এই কামবোৰ সম্ভৱ হৈছে। ইয়াৰ উপৰিও অসম আন্দেলনৰ বীৰ শ্বহীদ সকলৰ স্মৃতি চিৰযুগমীয়া কৰিবৰ বাবে উঠি অহা প্ৰজন্মই যাতে সেই বীৰ শ্বহীদ সকলৰ বিষয়ে অধ্যয়ন কৰিবলৈ সক্ষম হয়, তাৰ বাবে গুৱাহাটীৰ বুকুত১০০ বিঘা মাটিত আমি শ্বহীদ উদ্যান নিৰ্মনি কৰাৰ বাবে ইতিমধ্যে আধাৰশিলা স্থাপন কৰা হৈছে, আৰু এই গোটেই উদ্যানটো সম্পুৰ্ন কৰাৰ বাবে ২৫০ কোটি টকা ব্যয় কৰা হ'ব, আৰু বিশ্বৰ অন্যতম পৰ্য্যতন ক্ষেত্ৰ হিচাবে এই বীৰ শ্বহীদ উদ্যানক আমি নিৰ্মনি কৰি উলিয়াম। গতিকে সেইবাবে মই ভাবো ইয়াত আপোনালোকৰ দায়িত্ব আছে। আপোনালোকে সহযোগিতা আগবঢ়োৱাতো মই বিচাৰো। কাৰন বীৰ শ্বহীদ সকলৰ কথা আপোনালোকৰ বক্তব্যত উল্লেখ কৰিছে উল্লেখ কৰাত মই ভাল পাইছো, আৰু আপোনালোকে জয় আই অসম বুলি কৈছে খুব ভাল পাইছো, আৰু এই জয় আই অসম সদায় ক'ব। আমি অসমৰ প্ৰতি গৰাকী সন্তানে বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ, ভৈয়াম জয় আই অসম মানে কি? আমাৰ অসমী আই । গতিকে আমি এই আইৰ পুত্ৰ-কণ্যা । গতিকে, সেই বাবে এই গৰাকী আইক যদি আমি শ্ৰদ্ধা নিবেদন কৰো আমাৰ জীৱন ধন্য হ'ব। সেই কাৰনে মই ভাবো এইবিলাক কথা খুব দৰকাৰ। এতিয়া মই এটা কথা কওঁ বিৰোধী দল হিচাবে কংগ্ৰেছে বেয়া পাব নালাগে তেতিয়া আই এম ডি টি আইনখন আপোনালোকে কেনে ধৰণে আনিছিল, নহয়। আই এম ডি টি খন আনিছিল একক ভাৱে। একক ভাবে আপোনালোকৰ দলে সিদ্ধান্ত ললে, দিল্লীত সিদ্ধান্ত ললে আৰু জাপি দিলে। অসমৰ ৰাইজৰ লগত কোনো মত বিনিময় নকৰিলে। কিন্তু এই 'কেৰ' খন অনাৰ প্ৰাক্ মুহুৰ্তত কিমান দীঘলীয়া গনতান্ত্ৰিক প্ৰক্ৰিয়া অৱলম্বন কৰা হৈছে, 'কেব' প্ৰথমতে Joint Parliamentary Committee গঠন কৰা হ'ল, বিভিন্ন দল সংগঠনৰ সাংসদ সকলক লৈ তেখেত সকলে অসম ভ্ৰমণ কৰিলে , বিভিন্ন ঠাইত ভ্ৰমণ কৰি,

বিভিন্ন দল সংগঠনৰ লগত আলাপ আলোচনা কৰি সকলোৰে মতা-মত ললে ইয়াৰপৰৱৰ্তী সময়তো মাননীয় গৃহ মন্ত্রী অমিত শ্বাহ ডাঙৰীয়াই উত্তৰ পূৰ্বাঞ্চলৰ সকলো দল সংগঠনৰ লগত আলাপ আলোচনা কৰি এইখন বিল উভয় সদনত দাখিল কৰিছে। গোটেই প্ৰক্ৰিয়াটো গনতান্ত্ৰিক, আৰু গোটেই প্ৰক্ৰিয়াটো স্বচ্ছ আৰু নিকা ইয়াত লুকা-ভাকু নাই। কিন্তু আই এম ডিটি আইনখনআপোনালোকে আনোতে ইমান বৈষম্যমুলক আইন আছিল যিখন আইনত আটাইতকৈ ভয়ানক প্ৰভিজন আছিল Honours of Proof অৰ্থাৎ বিদেশী কেনেকৈ চিনাক্তকৰন হ'ব। যি অভিযোগ কৰিব সি চিনাক্ত কৰিব লাগিব। অৰ্থাৎ সি নথি-পত্ৰ দিব লাগিব। Honours of Proof not on the shoulders of the suspect, but it is on the shoulders of the complainant. পৃথিৱীত কোনোৱে এই আইনখন মালি চলিব নোৱাৰে। গতিকে সেই বাবে এই অভাজনে প্ৰাক্তন সভাপতি সদৌ অসম ছাত্ৰ সন্থা, প্ৰাক্তন সভাপতি নেচো, উত্তৰপুৰ্বাঞ্চল ছাত্ৰ সন্থা নামেৰে মই যিখন পিটিচন আপোনালোকৰ সকলোৰে সহযোগত ২০০০ চনৰ এপ্ৰিল মাহত উচ্চতম ন্যায়ালয়ত দাখিল কৰিলো। আৰু যিখনৰ শুনানি হ'ল ৫ বছৰ শুনানিৰ অন্তত ২০০৫ চনৰ ১২ জুলাই তাৰিখে অসমৰ ৰাইজৰ স্বাৰ্থত আমি উচ্চতম ন্যায়ালয়ৰ পৰা এটা ভাল বাৰ্তা লাভ কৰিবলৈ সক্ষম হ'লো, আৰু উচ্চতম ন্যায়ালয়ে এই আইনখন অসাংবিধানিক বৈষম্যমুলক আইন হিচাবে ইয়াক সম্পূৰ্নভাবে বাতিল কৰিলে। গতিকে এই বাবে সেই সময়ত আপোনালোকেও জানে, বিভিন্ন ঠাইৰ পৰা আভিনন্দ আহিল। সদৌ অসম ছাত্ৰ সন্থা, মোক যিটো সময়ত এয়াৰপৰ্টৰ পৰা অসমৰ জনগনৰ সৈতে, বিভিন্ন জনগোষ্ঠী সংগঠনে সৈতে অভিনন্দন জনালে, মই তেখেত সকলৰ ওচৰত সদায় কৃতজ্ঞ। তেওঁলোকে আনি মোক সম্বৰ্ধনা দিলে, জাতীয় নায়ক বুলিও কলে, জাতীয় নায়ক বুলি এই কাৰনেই কলে তেখেত সকলে , কাৰন মই সুধিছিলো জাতীয় নায়ক বুলি কিয় মোক কলে, জাতীয় স্বাৰ্থত কাম কৰাৰ কাৰনে সেইটো এটা উৎসাহ জন্মোৱাৰ বাবে তেনেধৰনে মোক সম্বোধন কৰিছে । তেতিয়া লগে লগে "মই কৈছো যে মই জাতীয় নায়ক নহয়."। জাতীয় নায়ক হ'বলৈ হলে জাতিটোৰ কাৰণে সৰ্বোচ্চ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লাগিব, আৰু এই সৰ্বানন্দ সোনোৱালে এইখিনি কষ্ট ত্যাগ স্বীকাৰ কৰা নাই যদি কোনোবাই জাতীয় নায়ক হয় সেই সকল হ'ল বীৰ শ্বহীদ সকল। মই সেই মুহুৰ্ততে কলো, সেইটো এতিয়া কোৱা বুলি নহয় দেই, যিটো মুহুৰ্তত মোক সেই পৱিত্ৰ শ্বহীদ ন্যাস কাৰ্য্যালয়ত যেতিয়া মোক কৈছিল ড০ সমুজ্বল কুমাৰ ভট্টচাৰ্য্যই ডাঙৰীয়াই তেনেধৰনে মোক সম্বোধন কৰিছিল মই তেতিয়াই কৈছিলো বাকী সাংবাদিক বন্ধু সকলো আছে। দ্বিতীয় দিনা বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি এই কথাটো প্ৰচাৰো হৈছিল। মই জাতীয় নায়ক নহয়,জাতীয় নায়ক সেই সকল , যি সকলে জীৱনত সৰ্বোচ্ছ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে। মইতো একো কষ্টও কৰা নাই মই এজন আৱেদনকাৰীহে আছিলো। গতিকে যিকি নহওঁক মই সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতি মই সদায় শ্ৰদ্ধা জনাওঁ আৰু সেই সংগঠনৰ পৰা উৎপাদিত মইও যে এটা শক্তি। গতিকে মোৰ কৃতজ্ঞতা আছে আৰু থাকিব। কিন্তু মই সকলোৰে ওচৰত আবেদন জনাওঁ যে আজিৰ তাৰিখত ভুল বাৰ্তা দি ভুল ব্যাখ্যা দি 'কা' ৰ সম্পৰ্কত মানুহৰ মাজত যি আতংক সৃষ্টি কৰা হৈছে এইটো হৈছে অন্যায়। এইটো জাতিটোৰ বাবে শুভ লক্ষণ নহয়। এইটো অন্যায় হৈছে আমাৰ সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদ, সাহিত্য সভা সমূহৰ লগতে শিল্পী সমাজ বিভিন্ন জনগোষ্ঠীয় সংগঠন সমূহক সকলোকে মই শ্ৰদ্ধা জনাইছো আৰু অসমৰ সংগ্ৰামী ৰাইজৰ চৰণত কৌটি কৌটি প্ৰনাম। সংগ্ৰামী শান্তিপ্ৰিয় ৰাইজ সদায় আমাৰ নমস্য। তেখেত সকলৰ ভুল নাই, তেখেত সকল আজি ৰাজপথলৈ ওলাই আহিছে তেখেতসকলক ভুল ব্যাখ্যা দি উলিয়াই

অনা হৈছে। কিন্তু ৰাইজে বুজি পাব। কাৰন আমিওটো এইখন ৰাজ্যৰে সন্তান হিচাবে আমি কলৈ যাম আমিটো বেলেগ ঠাইলৈ যাব নোৱাৰো। গতিকে এইখন ৰাজ্যই আমাৰ, ইয়ায়েই জন্ম ইয়াতেই মৃত্যু হ'ব। যদি ভাল কাম হয়, যুগে যুগে অমৰ হৈ থাকিব। যদি বেয়া কাম হয়, স্মৃতিৰ বুকুত সদায় কলংকিত ইতিহাস ৰচনা কৰা ব্যক্তি হিচাপে সদায় মানুহে স্মৰণ কৰি থাকিব। গতিকে সেইবাবে মই ভাৱো, যে আমি সকলোৱে অসমৰ সমাজ জীৱনৰ প্ৰতি দায়বদ্ধতা, আন্তৰিকতা আমাৰ সকলো সময়তে থকা উচিত। কাৰণ অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰ, মহাপুৰুষ মাধৱদেৰ, আজান পীৰে যি সমন্বয়ৰ বাৰ্তা আমাৰ এইখন সমাজত প্ৰৱৰ্তন কৰি গৈছে, সেই সকল মহান মনিষীৰ আদৰ্শৰে অসমীয়া সমাজখনে প্ৰাণৱন্ত হৈ একবিংশ শতিকাত পদাৰ্পণ কৰিছো আৰু স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শৰে আমি সকলোৱে একেলগে থকাৰ প্ৰৱণতা বৃদ্ধি কৰিছো। স্বৰ্গদেউ চাওলুং চ্যুকাফাক, মই কেতিয়াবা ভাবো, সেই গৰাকী মহান মনিষীৰ যদি সান্নিধ্য লাভ কৰিলো হয়, যি গৰাকী মহান মনিষীৰ মানৱীয় দৃষ্টিভংগীৰ বাবে, সাৰ্বজনীন দৃষ্টিভংগীৰ বাবে তেখেতে এনে ধৰণৰ এটা ভেটি ৰচনা কৰিছিল বা ভেটি প্ৰতিষ্ঠা কৰিছিল, যিটো ভেটিত ৬০০ বছৰকাল আহোম স্বৰ্গদেউ সকলে ৰাজত্ব কৰিবলৈ সক্ষম হৈছিল। এইটো সাধাৰণ ইতিহাস নহয়। মই ভাৱো, পৃথিৱীৰ বুকুত কোনো বুৰঞ্জীত এনেধৰণৰ নাই এটা সম্প্ৰদায়, ৬০০ বছৰকাল ৰাজত্ব কৰা। হয়তো ইউৰোপতো নাই, আমেৰিকাতো নাই। আহোম স্বৰ্গদেউ সকলে সেই শক্তিশালী ইতিহাস ৰচনা কৰিলে সেইবাবেই, মই তেখেতসকলক কৌটি কৌটি ইয়াৰ পৰা প্ৰণিপাত জনাইছো আৰু সেই ৪২ গৰাকী আহোম স্বৰ্গদেউৰ আমি স্মৃতিক চিৰযুগমীয়া কৰিবৰ বাবে, সংৰক্ষণ কৰিবৰ বাবে চৰাইদেউ পাহাৰত আমি স্বৰ্গদেউ স্মৃতিক্ষেত্ৰ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছো ২৫ কোটি টকা ইতিমধ্যে অনুমোদন জনাইছো আৰু এইটো কাম আমি কৰিম। এইবাবেই কৰিম, কাৰণ তেখেতসকলৰ বিষয়ে উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে যদি অধ্যয়ণ কৰে, মনোবল পাব আৰু সমন্বয় বাৰ্তা পাব। গতিকে মই ভাৱো যে, ইতিহাসৰ পাতত যিবিলাক উল্লেখযোগ্য ঘট না আছে, যিবিলাক ঘটনাই মানৱ সমাজ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত উদগনি দিব পাৰে, অনুপ্ৰাণিত কৰিব পাৰে। সেই ঘটনা বিলাকৰ বিষয়ে আমাৰ উঠি অহা প্ৰজন্মক যিমান সক্ৰিয়, সচেতন কৰি তুলিব পাৰো, সিমানেই আমাৰ সমাজখন শক্তিশালী হ'ব। এইবিলাক বৰ দৰকাৰী কথা। সেই কাৰণে বীৰ বীৰাঙ্গনা সকলৰ কথা আমি সকলো সময়তে, বিভিন্ন বক্তব্যত বীৰ বীৰাঙ্গনাৰ যদি কথাবিলাক আমি বাদ দি দিও, আমাৰ বক্তব্যৰ কিবা মুল্য আছে নেকি ? কোনে শুনিব আমাৰ বক্তব্য ? আমাৰ বক্তব্যত যদি বীৰ চিলাৰায়, বীৰ লাচিতৰ কথা নাথাকে, কোনোৱে নুশুনে। সুধাকন্ঠ ড০ ভূপেন হাজৰিকা, ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, নটসুৰ্য্য ফনী শৰ্মাৰ কথা যদি নাথাকে, এই সৰ্বানন্দ সোনোৱালৰ বক্তব্য কোনোৱেও মোৰ ভাষণ নুশুনে। গতিকে এই কথাবিলাক, ইয়াৰ তাৎপৰ্য্য, ইয়াৰ প্ৰাসংগিকতা যুগে যুগে আছে, থাকিব। এই কথা আমি অনুধাৱন কৰিব লাগিব। গতিকে সেইবাবে মই আশা ৰাখিছো যে আমি সকলোৱে মিলি অসমৰ মাটি, ভেটি, কৃষ্টি, সংস্কৃতি, আপোনালোকে জানে যে, দায়িত্ব লোৱাৰ পাছত মই অধ্যয়ণ কৰিলো, ৰেভিনিউ বিভাগত বহুতক সুধিলো, বিষয়া সকলক যে কি অৱস্থাত আছে অসমৰ গাওঁবিলাক। মই ছাত্ৰ সন্থা কৰি থাকোতে বিভিন্ন ঠাইলৈ মিটিং কৰিবলৈ যাওঁ, গাওঁৰ মানুহে কয়, বোপা, আমাৰ গাওঁৰ মাটিৰ পট্টা নাই। কিমান পৰিয়াল আছে, দুশ পৰিয়াল। ক'ৰপৰা উঠি আহিছে? আমি নিটাই পুখুৰীৰ পৰা উঠি আহিছিলো এতিয়া দুলীয়াজানৰ কঁঠাল গুৰিতে আছো, ৫০ বছৰ অতিক্ৰম কৰিলে কিন্তু মাটিৰ পট্টা নাই। এনেধৰণৰ হাজাৰ হাজাৰ গাওঁ আছে অসমৰ বুকুত আৰু বহু অঞ্চলত এতিয়ালৈকে চাৰ্ভেই হোৱা নাই। অৰ্থাৎ আমি যে কও, মাটি, ভেটি, কৃষ্টি, সংস্কৃতি অস্থিত্ব, কিন্তু মূল

ভেটিতোৰ ক্ষেত্ৰত যদি আমি, আমাৰ খিলঞ্জীয়া ভূমিপুত্ৰ সকলক যদি সাংবিধানিক কৰ্তৃত্ব প্ৰদান কৰিবই নোৱাৰো, তেতিয়াহ'লে অস্তিত্ব কেনেধৰণে নিৰাপদ হ'ব? সেই উপলব্ধিৰে আমি ব্ৰহ্ম কমিছন গঠন কৰিলো। ব্ৰহ্ম কমিছনৰ প্ৰতিবেদন আহিল, পৰৱৰ্তী সময়ত ভূমি নীতি ললো, ভূমি নীতিত কিছু সংস্কাৰ কৰাৰ প্ৰয়োজনীয়তা আছে। কেইবাগৰাকী বিধায়কে মোক পৰামৰ্শ দিছে, আমি এইবিলাক ঠিক কৰিম। কিন্তু আমাৰ লক্ষ্য হৈছে অত্যন্ত মহৎ। লক্ষ্যটোৱে হৈছে, অসমৰ কোনো খিলঞ্জীয়া ভূমিপুত্ৰই মাটি ভেটিৰ পৰা বঞ্চিত হ'ব নালাগে, তেখেতসকলৰ আজোককাৰ মাটি সম্পূৰ্ণৰূপে দখলীস্বত্ব পাব পৰাকৈ তেখেতসকলক সাংবিধানিক দলিল প্ৰদান কৰাৰ আমাৰ দায়িত্ব আছে। সকলোবিলাক হৈ যাব। আপোনালোকক এই সদনতে মই জনাম কিছুদিনৰ পাছত। কিন্তু খিলঞ্জীয়া মানে আপুনি কিয় ভাবিছে, আপোনাৰ মনলৈ কিয় আহিছে? ভয় নকৰিবই। If we are the son of the soil. এতিয়া মুল কথাটোলৈ আহো। মই যিটো কথা কৈছিলো, সেইটো শুনক। গতিকে আপোনালোকে অনাহকত শংকিত আৰু চিন্তিত নহ'ব। মই বহুত বক্তব্যত কৈ আছো, অসমৰ ৰাইজক কৈছো অনাহকত শংকিত আৰু চিন্তিত নহ'ব। চৰকাৰখন আছে। আমি কিহৰ কাৰণে আছো? ইয়াততো আমি বদমাচি কৰিবলৈ অহা নাই নহয়। কিহৰ কাৰণে আমি আহিছো। আমি আহিছো মুল কাৰণটোৱে হৈছে অসমৰ ৰাইজক সম্পূৰ্ণৰূপে সামাজিক নিৰাপত্তা, অৰ্থনৈতিক উন্নয়ন আৰু স্বাভিমান ৰক্ষা কৰি জীৱন নিৰ্বাহ কৰা মুক্ত মনেৰে। সেই পৰিৱেশ প্ৰদান কৰিবৰ বাবে এইখন চৰকাৰ গঠন হৈছে আৰু এইখন চৰকাৰে দায়িত্ব লোৱাৰ দিনৰ পৰাই, আপোনালোক কোনোৱাই ক'ব পাৰে, আপোনালোক discriminate কৰিছে বুলি। বোধহয়, কংগ্ৰেছ চৰকাৰেও সেই সময়ত এনেধৰণে বিৰোধী বিধায়কক মৰ্য্যদা দিয়া নাছিল, কিন্তু আমাৰ চৰকাৰে দিছে।

(সদনত কথাৰ বাক-বিতণ্ডা)

**শ্ৰীসৰ্বানন্দ সোনোৱাল, মাননীয় মুখ্যমন্ত্ৰী ঃ** শুনক এটা কথা।

**মাননীয় অধ্যক্ষঃ** শ্ৰীৰাজেদ আলি চৌধুৰী ডাঙৰীয়া, মাতিব লাগিব, সকলোকে লৈছে। চব কা চাথ, চব কা বিকাশ, আপোনালোকেও ক'ব।

**শ্ৰীসৰ্বানন্দ সোনোৱাল, মাননীয় মুখ্যমন্ত্ৰী ঃ** শুনক এটা কথা, আপোনলোকে অনাহকত কিয় উত্তেজিত হৈছে। আপোনালোক ইমান জেষ্ঠ্য। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ জেষ্ঠসকল, আপোনাৰ এতিয়া কিমান বছৰ কাৰ্য্যকাল।

**শ্ৰীৰাজেদ আলি চৌধুৰী ঃ** চাৰি বছৰ কাৰ্য্যকাল।

**শ্ৰীসৰ্বানন্দ সোনোৱাল, মাননীয় মুখ্যমন্ত্ৰী ঃ** আপুনিতো মোক নিয়মমতে জ্ঞান দিব লাগে। This is my second time as a MLA. I got elected 2001 from Moran Constituency that to for three years then I have to shifted to Lok Sabha, like people blessing from Dibrugarh Lok Sabha Constituency. সেই হিচাপে মই আপোনাতকৈ বিধায়ক হিচাপে জুনিয়ৰ। গতিকে আপুনি মোক বিদ্যা দিব লাগে, জ্ঞান দিব লাগে। উত্তেজিত নহ'ব। প্ৰথমবাৰ বাবে বহুত আহিছে। তেখেতসকলক আপোনালোকে, আপোনালোকৰ বক্তব্য আৰু আচৰণৰ যোগেদি তেখেতসকলক এনেধৰণৰ বিদ্যা প্ৰদান কৰক, যি বিদ্যাই গণতন্ত্ৰৰ শক্তি বৃদ্ধি কৰিব পাৰে। আমাৰ কথা হৈছে, এইখন ৰাজ্যত, আমাৰ নেতৃত্বত সকলো সুৰক্ষিত আছে আৰু থাকিব। আপোনালোক কোনো অনাহকত শংকিত আৰু চিন্তিত নহ'ব। আপোনালোকে দেখিছে, আজি ভাষা গৌৰৱ আঁচনিখন আপোনলোকে মূল্যাংকন কৰক। অসমৰ বহুত সৰু সৰু জনগোষ্ঠী আছে, যিসকলে বহুদিন ধৰি, বহু সংগ্ৰাম কৰি আছে আৰু নিজৰ ভাষাটো

ৰক্ষা কৰিবৰ বাবে বহু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেই জনগোষ্ঠীসমূহকো আমি আস্থা আৰু বিশ্বাসত লৈছো। সহোদৰ যেতিয়া আমি আয়োজন কৰিছিলো, আপোনালোকে জানে, আমি চৰকাৰ গঠন কৰাৰ তিনিমাহৰ পাছতে সহোদৰ বুলি এটা কাৰ্য্যসূচী আৰম্ভ কৰিলো। সেইটোত বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকা, পাহাৰ-ভৈয়ামৰ ৭০ টা সংগঠনক তাত আমি আমন্ত্ৰণ জনালো আৰু তেখেতসকলৰ লগত তিনিদিন ধৰি মই মুখ্যমন্ত্ৰী আৰু আমাৰ অন্যান্য মন্ত্ৰী, বিধায়ক, সাংসদ সকলে মত বিনিময় কৰিলো। মত বিনিময় কৰাৰ পাছত তেখেতসকলৰ যিখিনি বক্তব্যৰ পৰা পৰামৰ্শ নিগৰি আহিল, সেই বক্তব্য বিলাকক লৈ আমি পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী ললো। তাৰবাবে আজি আপোনালোকে দেখিছে, ৰাঘৰ মৰাণ, আমাৰ অসমৰ জাতীয় জীৱনৰ প্ৰবাদ পুৰুষ। ৰাঘৰ মৰাণক অত বছৰে কোনোদিনেই ৰাজ্যিক মৰ্য্যদাৰে তেখেতৰ স্মৃতি চিৰযুগমীয়া কৰিবৰ বাবে কোনো কাৰ্য্যসূচী হাতত লোৱা নাছিল কোনো ৰাজ্য চৰকাৰে। কিন্তু আমি আহিয়েই ৰাঘৰ মৰাণক আমি ৰাজ্যিক মৰ্য্যদাৰে তেখেতক স্মৃতিচাৰণ কৰিলো। লগে লগে সৰ্বানন্দ সিংহ, এনেধৰণে প্ৰতিটো জনগেষ্ঠীৰ প্ৰবাদ পুৰুষ সকলক আমি বিশেষভাৱে, অসমৰ উঠি অহা প্ৰজন্মৰ বাবে অসমৰ সমাজ জীৱনত তেখেতসকলক শক্তিশালী ভাৱে আমি প্ৰতিষ্ঠা কৰাৰ মানসিকতাৰে বিভিন্ন ধৰণৰ কাৰ্য্যসূচী হাতত ললো। ঠিক তেনে মানসিকতাৰে আজি ভাষা গৌৰৱ আঁচনিৰ যোগেদি অসমৰ ২২খন বেলেগ বেলেগ জনগোষ্ঠীৰ সাহিত্য সভা, অসম সাহিত্য সভাকে ধৰি আমি সকলোকে আস্থা আৰু বিশ্বাসক লৈ সকলোৰে উন্নয়নৰ বাবে আপোনালোকে দেখিছে ১০০ কোটি টকা, আমি তেখেতসকলৰ মাজত, তেখেতসকলৰ লগত আলাপ আলোচনা কৰি, তেখেসকলৰ সন্মুখতে আমি পৰিমাণতোক নিৰ্ধাৰণ কৰিছিলো। এইটো নহয় যে, মুখ্যমন্ত্ৰীয়ে কেৱল কাৰ্য্যালয়ত বহি দুজনমান অফিচাৰৰ লগত বা আমাৰ বিধায়ক সকলৰ পৰামৰ্শমতে আমি দিছো, এইটো নহয়। তেখেতসকলক লগত লৈ, তেখেতসকলক শুধিলো যে ১০০ কোটি টকা আছে, কেনেধৰণে বিতৰণ কৰা উচিত। তেতিয়া তেখতসকলে ক'লে এনেধৰণে আপোনালোকে বিতৰণ কৰক। অসম সাহিত্য সভাক ১০ কোটি। নিশ্চিত ভাবে পাব। সেই সময়ত হয়তো অহা নাছিল। আমাৰ কোনো discrimination নাই। মই কৈছো। গতিকে সেইবাবে আগন্তুক দিনত তেনেধৰণে আমিয়েই অসমৰ ভাষা, সংস্কৃতি আমি সংৰক্ষণ কৰাৰ নিৰাপত্তা দিয়াৰ নিমিত্তে আমি প্ৰয়াস কৰিছো। মাটি ভেটি হ'ল, ভাষা হ'ল আৰু আমাৰ উঠি অহা প্ৰজন্মৰ স্বাভিমান বৃদ্ধি কৰিব লগা হ'লে সংস্থাপন দিব লাগিব। সংস্থাপনৰ বাবেও বিভিন্ন ধৰণৰ উল্লেখযোগ্য private sector, public sector তআমি উদ্যোগ লৈছো, skill developmentৰ বাবে বেলেগ বেলেগ ঠাইত দক্ষতা বিকাশ ঘটাবৰ বাবে বিভিন্ন ঠাইত প্ৰশিক্ষণ কেন্দ্ৰ আৰম্ভ কৰিছো আৰু আটাইতকৈ উল্লেখযোগ্য কথাই এইটোৰেই আপোনালোকে শুনি ভাল পাব। মই ভাবো যে আপোনালোকেও এইক্ষেত্ৰত আমাক আৰু শক্তি প্ৰদান কৰিব লাগে। দুৰ্নীতি বিৰোধী যিবিলাক অভিযান চলিছে, হয় দুৰ্নীতি পুলিয়ে পোখাই উভালি পেলোৱাটো সহজ নহয় কিন্তু ইয়াৰ বাবে আমি বহু কষ্ট কৰিব লাগিব কিন্তু এইখন চৰকাৰৰ দৃষ্টিভঙ্গী স্পষ্ট দূৰ্নীতিমুক্ত অসম। এইক্ষেত্ৰত আমি বহু বিভাগত উল্লেখযোগ্য সফলতা অৰ্জন কৰিছো। এ পি এচ চি দুৰ্নীতি লৈ আমি সবল ভূমিকা লৈছো, আমি ন্যায়ালয়ত সবল যুক্তি দাঙি ধৰিছো। গতিকে এইক্ষেত্ৰত যিখিনি উদ্যোগ লোৱা হৈছে উঠি অহা প্ৰজন্মৰ মাজত মুল্যবোধৰ আধাৰত জীৱন নিৰ্ব্বাহ কৰাৰ বাবে আজি সংকল্প লোৱাৰ এটা শক্তিশালী গনতান্ত্ৰিক পদ্ধতি পাবলৈ সক্ষম হৈছে। আমি উঠি অহা প্ৰজন্মক ভাল মানুহ হিচাপে গঢ় দিব লাগিব। যি হওক অধ্যক্ষ মহোদয় মই দীঘলীয়া নকৰো। এটাই কথা কওঁ যে, CAA লৈ কোনো শংকিত নহ'ব। আইনখনহে গৃহীত হ'ল, ৰুল ফৰ্ম হোৱা নাই।

আপোনালোকে Rule Form হোৱালৈ অপেক্ষা কৰক। ৰুল কেনেদৰে ফৰ্ম হ'ব লাগে এই ক্ষেত্ৰত আমাৰ তৰফৰ পৰা দিহা-পৰামৰ্শ দিছো। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আবেদন কৰিব লাগিব আৰু কিমান জনে আবেদন কৰিলে এই তথ্য পোহৰলৈ আহিব। আবেদন কৰিলেই যে সকলোৱে নাগৰিকত্ব পাব এনেকুৱা নহয়, তথ্য পৰীক্ষা কৰা হ'ব। এইটো এটা দীঘলীয়া প্ৰক্ৰিয়া। এইটো নহয় যে কোনোবাই যি কোনো এখন কাগজত নাম দিলেই নাগৰিকত্ব পাব। কাৰণ ভাৰতবৰ্ষৰ সংবিধানৰ নীতি নিয়ম উলঙ্ঘা কৰিতো কোনো কাম নহয়। গতিকে গোটেই প্ৰক্ৰিয়াটো নীতি নিয়মৰ মাজেৰে আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। আপোনালোকে জানেই ইয়াৰ principle Line ক'ৰ পৰা উৎপত্তি হ'ল। ৩ খন ৰাষ্ট্ৰ আফগানিস্থান, পাকিস্থান আৰু বাংলাদেশৰ ধৰ্মীয় আতিশৰ্য্যৰ বলি হোৱা ৬ টা ধৰ্মীয় সংখ্যালঘু, relegious minority- খ্ৰীষ্টান, হিন্দু, বৌদ্ধিষ্ঠ, জৈন, শিখ, ইচাই-পাৰ্চী ইত্যাদিক নাগৰিকত্ব দিয়াৰ বাবে ৰাষ্ট্ৰই এই আইনখন ৰূপায়ণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। কেৱল অসমত এটা এনেধৰনৰ অপপ্ৰচাৰ চলোৱা হৈছে যে, নাগৰিকত্ব সংশোধনী আইনখন কেৱল অসমৰ বাবে। বোজা কেৱল অসমহে ল'ব লাগিব। এই কথা সম্পূৰ্ণ মিছা, ভিত্তিহীন। গতিকে মই আপোনালোকক আহ্বান জনাও যে আগন্তুক দিনত আপোনালোকে জনসাধাৰণৰ মাজত বক্তব্য দাঙি ধৰিলেও সত্যৰ ওপৰত প্ৰতিষ্ঠিত বক্তব্য দিয়ক কাৰন সমাজখনক আমি নেতৃত্ব দিব লাগিব। সঠিকভাবে পৰিচালনা কৰিব লাগিব। আজি সস্তীয়া ৰাজনীতি লৈ যদি আমি তেখেতসকলক উত্তেজিত কৰো কালিলৈ ধৰা পৰিম। এই যুগটো বিজ্ঞান আৰু প্ৰযুক্তিৰ ইয়াত সত্য কোনেও লুকাব নোৱাৰে। চৰকাৰেও লুকাব নোৱাৰে। আজি মই যিটো বক্তব্য ৰাখিছো মইও লুকুয়াব নোৱাৰো। আপোনালোকে সদনতো কৈছে, বাহিৰতো কৈছে। শব্দই ব্ৰহ্ম, শব্দ ক্ষয় নহয়। চিৰদিনৰ বাবে ই ভাঁহি থাকে বায়ু মণ্ডলত। এই স্মৃতিটোৱে মানুহৰ মনত ধৰা দিয়ে। গতিকে সেইকাৰনে আপোনালোকে চৰকাৰৰ ওপৰত বিশ্বাস ৰাখক। এই পবিত্ৰ সদনক আন্তৰিকতাৰে, শ্ৰদ্ধাৰে, ভক্তিভাবেৰে ক'ব বিচাৰো যে, মৰমৰ, শ্ৰদ্ধাৰ ৰাইজ আপোনালোক আমি কোনোপ্ৰকাৰে দূৰ্ব্বল আমি নকৰো। বৰং আপোনালোকক আমি আটাইতকৈ শক্তিশালী জাতি হিচাপে ভাৰতবৰ্ষত মৰ্যদা হিচাপে জীয়াই থাকিব পৰাকৈ আপোনালোকক সাংবিধানিক ৰক্ষা কবচ প্ৰদান কৰা হ'ব। মোৰ যিটো লিখিত ভাষণ আছে ইতিমধ্যে মোৰ বক্তব্যত প্ৰকাশ কৰিছো। যিকি নহওক মই পুনৰ বাৰ এই পবিত্ৰ সদনত বিৰোধী দলপতি শইকীয়া ডাঙৰীয়াৰ লগতে তেখেতৰ সতীৰ্থসকলক, এ আই ইউ ডি এফৰ বিধায়কসকলক আৰু আমাৰ বি জে পি, এ জি পি, বিপিএফ আৰু গণশক্তি সকলো বিধায়কক মই ধন্যবাদ জ্ঞাপন কৰিছো। সচাঁকৈ আজি মোৰ ভাল লাগিছে কাৰণ সকলোৱে ভাবিছে আজি বহু হুলস্থূল হ'ব কিন্তু আপোনালোকে ই মান decently শুনিছে, This is the beauty of Democracy. এই পবিত্ৰ সদনৰ পৰাই মই শাসক-বিৰোধী সকলো সন্মানীয় বিধায়কক আগন্তুক ভোগালী বিহুৰ শুভেচ্ছা আৰু ওলগ জনাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়াই মোক কথাখিনি ক'বলৈ যিটো পৰিবেশ আৰু সময় দিলে তাৰ বাবে অধ্যক্ষ ডাঙৰীয়া আৰু উপাধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Dr. Ranoj Pegu- You are mover of the Motions. Do you want to say anything now ? .. Please....

**ডাঃৰণোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, অশেষ ধন্যবাদ, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ।মই ভাবো যিটো ধন্যবাদসূচক প্ৰস্তাৱ আছিল সেইটো সকলোৱে গৃহীত কৰিব লাগে। ধন্যবাদ

মাননীয় অধ্যক্ষ ঃ আমাৰ এটা সংশোধনী প্ৰস্তাৱ আছিল। ..... আপোনালোকে প্ৰত্যাহাৰ কৰাৰ

ক্ষেত্ৰত কি কয় অলপ চুটিকৈ কওঁক।

**শ্ৰীদেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ অধ্যক্ষ ডাঙৰীয়া, অলপ বিতংকৈ ক'লে ভাল হ'ব। অলপ সময় দিবলৈ অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি ক'লে তাৰ বাবে তেখেতক ধন্যবাদ দিছো। ছিক্স চিডুল মানে- ৫নং, ৬ নং আৰু ৭ নং ক্লজ। মই প্ৰথমে ৭ নম্বৰটোলৈ যাও, যিটো Economic Upliftmentৰ কথা ক'লে ছাৰ, বাস্তৱ পৰিস্থিতিত দেখি আছো যে, Hindustan Paper Corporation মাত্ৰ ৯৮ লাখ টকাৰ কাৰনে Auction হৈছে। গতিকে তেখেতে যিটো আমাক সপোন দেখুৱালে সেইটো কিমান বাস্তৱায়িত হৈছে মোৰ কিছু সন্দেহ আছে চাৰ। তেনেদৰে ONGC ৰ আজি যিটো অৱস্থা হৈছে। Gujrat State Petrolium Corporation ক ২৭ হাজাৰ কোটি টকা দি উদ্ধাৰ কৰাৰ বাবে ONGC ৰ যথেষ্ঠ বেয়া অৱস্থা হৈছে চাৰ। তাৰোপৰি যেতিয়া investment কৰা হয়, তাৰ পিচত privatisation ৰ কথা হৈ থাকে চাৰ। আমাৰ শেহতীয়া উদাহৰন হ'ল - Guwahati Air Port , মই যেতিয়া মন্ত্ৰী ডাঙৰীয়ালৈ লিখিছো তেখেতসকলে মোক কৈছিলে যে প্ৰায় ২৫০০কোটি টকা দি গুৱাহাটী এয়াৰ পোৰ্টটো Modernize কৰা হ'ব, তাৰ পিছত হঠাৎ এইটো Adani Groupক দিয়া হ'ল। তেনেকৈ চাৰ, Brahmaputra Gas Cracker কথা কোৱ হ'ল । ইয়াত কোনো Down Stream Project হোৱা নাই। আৰু ইয়াত যিটো প্ৰতিশ্ৰুতি আছিল ১ লাখ কোটিতকৈ অধিক পুঁজিৰ তিনিচুকীয়াত এখন Plastic Park হ'ব। ঠিক তেনেকৈ ছাৰ বেদান্তক ১১ খন Oil Field দিয়া হৈছে তাৰ পিছতো আমি কওঁ ছাৰ যে ONGC আৰু Oilয়ে পৰা নাই। এইটো ক্ষেত্ৰত আমি কিয় Private Sectorক দি আছো সেই কথাটো ভাবিবলগীয়া। আৰু যিখিনি আমাৰ সতীৰ্থসকলে উনুকিয়ালে যিখিনি ভাষাৰ কথা কৈছে ইয়াত মনিপুৰি ভাষা বা বৰাক-বংগৰ সাহিত্য সভাক ইয়াত সংযুক্ত কৰা হোৱা নাই। অৰ্থনীতিৰ কথা কোৱা হৈছে- বৰ্ত্তমানে বাংলাদেশৰ GDP ভাৰততকৈ বেছি বুলি শেহতীয়াকৈ তথ্য প্ৰকাশ হৈছে। ৰিজাৰ্ভ বেংকৰ পৰা ভাৰত চৰকাৰে ৩ লাখ কোটিতকৈ অধিক টকা পুনৰবাৰ খুজিছে। অৰ্থনৈনীতিৰ যিটো Rosy Picture দেখুৱা হৈছে সেইটো অকনমান বিশ্বাস কৰিবলৈ টান হৈছে চাৰ। যিটো Gas Griedৰ কথা কোৱা হৈছে মই অনুৰোধ কৰিম যে যিটো ইন্দ্ৰধনুষ সেইটো যাতে আমাৰ Oil Field Area ৰ ওচৰে পাজৰে ইয়াক অগ্ৰাধিকাৰ ভিত্তিত কৰা হয়। ছাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো এম ডি টি আইনৰ প্ৰয়োজনীয়াতাৰ সেইখিনি সময়ৰ কথাটো ক'লে- মই চমুকৈ ক'ম- Assam Acord and discord- লেখিকা সংগীতা কে বৰুৱাৰ কিতাপখন আৰু " ৰাজভৱনৰ পৰা কলথোকলৈকে" বুলি লেখক Ex SP, Border প্ৰেম কান্ত মহন্তৰ কিতাপ খন " কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী"ত উল্লেখ আছে যে, এগৰাকী ছাত্ৰীয়ে টো দিনত ভোটাৰ লিষ্টলৈ ৫হাজাৰ মানুহলৈ objection দিছিল। আৰু বহিৰাগত আন্দোলনটো কেনেকৈ বিদেশী খেদা আন্দোলন হ'ল, তেওলোকে কষ্ট কৰি যোৰহাটত হৈ থকা সদৌ অসম ছাত্ৰ সন্থাৰ অধিবেশনলৈ গৈ বুজাব লগা হৈছিলে। গোটেইখিনি কথা আছে সেই কাৰনে তেনেকুৱা এটা পৰিস্থিতিত বোধ কৰো সেই সময়ত IMDT Act অনা হৈছিল। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে চাৰ, তাতে অমিত মালব্যৰ কথাটো কোৱা হ'ল- যে তেওঁ গোটেই ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত কৈছে। মই কিছু ইতিহাসৰ পৰা সমল আনিছো।১৯৪৮-৪৯ চনত পশ্চিমবঙ্গৰ কেম্পত থকা ৩৫ হাজাৰ পৰিয়ালক দণ্ডকাৰণ্য আৰু অন্যত দিয়া হৈছিলে। কিন্তু তেওঁলোকে পশ্চিমবঙ্গ এৰি যাব বিচৰা নাছিল। সেই কাৰণে তেখেতসকলক কোৱা হৈছিল Ex Camp Site Refugees এই কথাটো ছাৰ বিভিন্ন ঠাইত

হৈছে- আন্দামানত যেতিয়া দিব বিচৰা হৈছিল তেতিয়া সেই পৰিয়ালবিলাকে Resettlementত যাব বিচৰা নাছিলে। সেই কাৰণে মই হিন্দু- মুছলিমত নাযাও , য'ত বাংলাভাষী বেছি আছে- ত্রিপুৰা, পশ্চিমবঙ্গ আৰু অসমত তাৰ প্ৰভাৱ বেছিকৈ পৰাৰ সম্ভাৱনা আছে। সেই কাৰনে আমি এই কথাখিনি মনত ৰাখিব লাগিব, ১১ খন ৰাজ্যই আপত্তি কৰিছে, আনকি পাঞ্জাৱেও কৰিছে। আৰু যিটো সংৰক্ষণৰ কথা কৈছে- নিশ্চিতভাবে আমি কেতিয়াও মিউজিয়ামৰ সমল হ'ব নালাগিব, আমি এটা জিবিত জাতি হৈ থাকিবলৈ যত্ন কৰিব লাগিব। সেইখিনি সময়ত মাননীয় মন্ত্ৰী মহোদয়ে ৮ মে, ২০১৭, আৰু ৩০ চেপ্টেম্বৰত, ২০১৮ত এই বিধান সভাত যিটো আশ্বাস দিছিল যে প্ৰয়োজন সাপেক্ষে চৰকাৰীভাৱে অসম চুক্তিৰ সপক্ষে এটা চৰকাৰী প্ৰস্তাৱ অনা হ'ব। মই সেই কথাকেইটা পুনৰবাৰ দোহাৰিব বিচাৰিছো আৰু সেই কাৰণে আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লোৱাৰ বাবে অনুৰোধ কৰো। C(A)A আমাৰ অসমত প্ৰজোয্য হ'ব নালাগে কাৰণ C(A)A আইন ক'ত প্ৰজোয্য হ'ব ইতিমধ্যে Act. ত উল্লেখ আছে। Rule ৰ কথা কৈছে যদিও মাননীয় অধ্যক্ষ মহোদয় Act. ত কোনখিনি এৰিয়াত এইটো লাগিব, এই কথাটো কোৱা হৈছে। গতিকে Rule frame তেনেকৈ হব, কিন্তু অসমক exam কৰা হোৱা নাই, মাত্ৰ schedule area আৰু North East ৰ কিছু Tribal ৰাজ্যহে exclude কৰা হৈছে। সেই গতিকে মাননীয় অধ্যক্ষ মহোদয়, পুনৰবাৰ এই সংশোধনীটো বাহল ৰাখিবলৈ মই অনুৰোধ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সংশোধনী প্ৰস্তাৱটো সদনত তেওঁলোকৰ সন্মতি নাই। মই এতিয়া সংশোধনী প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো।

**শ্ৰীশ্বেৰমান আলি (বাঘবৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ এজন DCPO দেইজী হাজৰিকা আমাৰ আই মাতৃসকলৰ পাঁচ হাজাৰ, দহ হাজাৰ টকাকৈ তিনি কোটি টকা তেওঁ আত্মসাৎ কৰি গুছি গ'ল। আজি চাৰি বছৰ হ'ল এতিয়ালৈ কোনো ব্যৱস্থা লোৱা হোৱা নাই। মই কেইবাবাৰো প্ৰশ্ন উত্থাপন কৰি সদনত দৃষ্টিগোচৰ কৰিছো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, অতি সোনকালে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আপুনি দি দিব।

মই এতিয়া সংশোধনী প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো। যিহেতু তেখেতসকলে প্ৰত্যাহাৰ কৰা নাই। গতিকে মাননীয় সদস্য ড° ৰণোজ পেগুৱে উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ অন্তত নিম্নলিখিত কথাখিনি সংযোগ কৰা হওঁক যে অসমৰ মাননীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখী মহোদয়ে বিশেষ অধিৱেশন চৰ্তুদশ অসম বিধান সভাৰ **১৩** জানুৱাৰী, **২০২০** তাৰিখৰ ভাষণৰ পৃষ্ঠা নং **৯** পৃষ্ঠাৰ তিনি নং পেৰাগ্ৰাফত পৰবৰ্তী অংশ অসম চুক্তি ৰূপায়ন মোৰ চৰকাৰে অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰিবলৈ সংকল্প বদ্ধ আৰু ইয়াৰ বাবে নাগৰিকত্ব সংশোধনী আইন, **২০১৯** বাতিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাব, এই কথাখিনি প্ৰথম পেৰাৰূপে সংযোজিত হওঁক।

এতিয়া মই প্ৰস্তাৱটো ভোটত দিছো -

সংশোধনী প্ৰস্তাৱটো সপক্ষে থকা সকলে কওঁক 'হয়'।

সংশোধনী প্ৰস্তাৱটো বিপক্ষে থকা সকলে কওঁক 'নহয়'।

মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে,

সংশোধনী প্ৰস্তাৱটো নাকচ হৈছে।

এতিয়া মাননীয় সদস্য ড০ ৰণ'জ পেগুৱে যিটো প্ৰস্তাৱ উত্থাপন কৰিছিল...

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, division দিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সময় পাৰ হৈ গ'ল। এতিয়া নোৱাৰিব।

এতিয়া মূল প্ৰস্তাৱটো হৈছে এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য/ সদস্যা সকলে **১৩** জানুৱাৰী, **২০২০** তাৰিখে ৰাজ্যপালক সদনত আগবঢ়োৱা ভাষণৰ ওপৰত তেখেতৰ ওচৰত ধন্যবাদ জ্ঞাপন কৰে।

প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওঁক 'হয়' ।

প্ৰস্তাৱৰ বিপক্ষে থকা সকলে কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো পাৰিত হৈছে। প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

এতিয়া মই আজিৰ বিশেষ অধিবেশন শেষ হৈছে, মই শেষ হোৱাৰ আগতে আপোনালোক সকলোকে ধন্যবাদ জনাইছো যে আপোনালোকে যথেষ্টখিনি সময় দি সদনৰ গোটেই কামখিনি সূচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিলে আৰু ইয়াৰ উপৰিও যিটো সংকল্প প্ৰস্তাৱৰ কাৰণে বিশেষ অধিৱেশন পাতিছিলো সেই সংকল্প প্ৰস্তাৱটো আপোনালোকৰ সকলোৰে সহাযোগিতাত আমি পাৰিত কৰিলো। সকলোৰে সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী, মন্ত্ৰী সভাৰ সদস্য আৰু মই সন্মানীয় সকলো সদস্যকে ধন্যবাদ জনাইছো আৰু এই ক্ষেত্ৰত আমাৰ দিনটোৰ দীঘলীয়া কাৰ্য্যসূচীত প্ৰধান সচিবকে ধৰি আমাৰ বিধান সভাৰ যিসকল সন্মানীয় বিষয়া কৰ্মচাৰী আছে আৰু লগতে ৰাজ্যখনৰ মুখ্যসচিব, ডিজিপিকে ধৰি আমাৰ যিসকল উচ্চপদস্থ বিষয়া আৰু চৰকাৰী বিষয়া আছে আৰু আমাৰ ইয়াত গোটেই কামখিনি নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত আইন শৃঙ্খলা ৰক্ষা কৰাত বিষয়া জোৱান সকলোকে ধৰি প্ৰচাৰ মাধ্যমৰ বন্ধু সকল আমি আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞা জ্ঞাপন কৰিলো। এই পবিত্ৰ সদনে মোৰ ওপৰত গুৰু দায়িত্ব পালন কৰোতে মই পুনৰ আপোনালোকে মোক যিখিনি সহায়-সহযোগিতা আগবঢ়ালে তাক ধন্যবাদ জনাই মই এতিয়া এই সদন **অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হ'ল বুলি ঘোষণা কৰিলো। ধন্যবাদ।**